# বিশ্বনাথত স্পাৰ নামত অনৈতিক কাৰ্য

## ■ বিশ্বনাথৰ লৰীয়েলৰ মুকেশ ঠাকুৰক আছু কাৰ্যালয়ত আঁঠু কঢ়াই লপা-থপা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৫ অক্টোবৰ ঃ** য'ত নাৰীক দেৱী দুৰ্গা হিচাপে পূজা কৰা হয়, দুষ্ট মহিষাসুৰক হত্যা কৰা হয়, সেই দুৰ্গাদেৱীৰ মহাষ্টমীৰ দিনাই বিশ্বনাথৰ এগৰাকী যুৱতীৰ শ্লীলতা হানি কৰাৰ ঘটনা পোহৰলৈ আহিছে। বিশ্বনাথ আৰক্ষী থানাত দিয়া এজাহাৰ আৰু ঘটনাৰ বিৱৰণী অনুসৰি, বিউটি পাৰ্লাৰত স্পা কৰিবলৈ যোৱা যুৱতীক অশ্লীল প্ৰস্তাৱ দিয়ে বিশ্বনাথ চাৰিআলিস্থিত 'লৰীয়েল বিউটি পাৰ্লাৰ'খনৰ এজন স্বত্বাধিকাৰী সমপৰ্যায়ৰ কৰ্মচাৰীয়ে। যুৱতীগৰাকীক স্পাৰ নামত শৰীৰৰ আপত্তিজনক স্থানত স্পৰ্শ কৰাৰ অভিযোগ উঠিছে। মুকেশ ঠাকুৰ নামৰ কৰ্মচাৰীজনক পাছত বিশ্বনাথ আছুৰ কাৰ্যালয়ত আঁঠু কঢ়াই লপা-থপা দি শাস্তি প্ৰদানৰ লগতে আৰক্ষীক গতাই দিয়ে আছু কৰ্মীয়ে। উল্লেখ্য যে যোৱা আঠ অক্টোবৰত বিশ্বনাথৰ লৰীয়েল বিউটি পাৰ্লাৰৰ কৰ্মচাৰীজনে সংঘটিত কৰিছিল এই ঘটনা। কিন্তু লাজ আৰু ভয়ত যুৱতী গৰাকীয়ে কথাটো কাকো নকয় যদিও শেষত নিজৰ বন্ধু এজনৰ আগত ব্যক্ত কৰে উক্ত ঘটনাৰ বিষয়ে আৰু লাজে- অপমানে যোৱা ১৩ অক্টোবৰত কাষ চাপে বিশ্বনাথ আছুৰ। লগে লগে বিশ্বনাথ আছুৰ দলে মুকেশ ঠাকুৰক বিশ্বনাথৰ আছু কাৰ্যালয়লৈ লৈ আনি আঁঠু কঢ়াই লপা-থপা দি বিশ্বনাথ সদৰ আৰক্ষীক চমজাই দিয়াৰ লগতে বহু দিনৰ পৰাই লৰীয়েল বিউটি পাৰ্লাৰত এনে কু-কাণ্ড চলি থকাৰ বাবে বিশ্বনাথ আছু দলটোৱে তলা ওলমাই দিয়ে। এজন বহিৰাগত বণিয়াই যুৱতীক কৰা কু-কাণ্ডৰ ঘটনাই বিশ্বনাথত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। লগতে বিশ্বনাথৰ বিলাসী লৰীয়েল পাৰ্লাৰ বিশ্বনাথ আঞ্চলিক ছাত্ৰ সন্থাই অনিৰ্দিষ্টকাললৈ বন্ধ ঘোষণা কৰে। পূজাত স্পা কৰিব যোৱা ছাত্ৰীৰ গাত হাত দিয়াৰ লগতে অশ্লীল বাক্য প্ৰয়োগৰ অভিযোগ কৰিছে যুৱতীগৰাকীয়ে।

# উছাহ-উদ্দীপনাহীন পৰিৱেশৰ মাজেৰে শিৱসাগৰত পালন হ'ল দুৰ্গা পূজা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৫ অক্টোবৰ ঃ** উছাহ-উদ্দীপনাহীন পৰিৱেশৰ মাজেৰে শিৱসাগৰত অনুষ্ঠিত হ'ল দুৰ্গা পূজা। অৱশ্যে অষ্টমী, নৱমী আৰু বিজয়া দশমীৰ দিনা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দুৰ্গাৰ প্ৰতিমা বিসৰ্জনৰ বাবে শিৱসাগৰতো ভক্তৰ সমাগম হয়। ঐতিহাসিক দেৱীদৌলৰ ২৭৮ বছৰীয়া পুৰণি পৰম্পৰাগত দুৰ্গা পূজাসহ ২০খন পূজাথলীৰ পৰা দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হয়। ইয়াৰে ১৭ খন দেৱীৰ প্ৰতিমা নগৰৰ কাষতে থকা দিখৌনদীৰ থানামুখ ঘাটত বিসৰ্জন দিয়াৰ লগতে তিনিখন প্ৰতিমা দিখৌ দলঙৰ ওপৰৰ পৰা বিসৰ্জন দিয়া হয়। বিসৰ্জনৰ সময়ত জিলা প্ৰশাসনৰ তৰফৰ পৰা সকলো ধৰণৰ নিৰাপত্তাৰ লগতে যাৱতীয় সা-সুবিধাৰ আৰু জৰুৰীকালীন সকলো সেৱা মজুত ৰখা দেখিবলৈ পোৱা যায়।

# অভয়াপুৰীত বেজবৰুৱাৰ জন্ম জয়ন্তী উদ্‌যাপন


অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৫ অক্টোবৰ ঃ** বঙাইগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত অভয়াপুৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ১৫৭ সংখ্যক জন্ম জয়ন্তী যোৱা ১৪ অক্টোবৰত অনুষ্ঠুপীয়াকৈ উদ্‌যাপন কৰা হয়। অভয়াপুৰী সাহিত্য সভা ভৱনত সভাৰ সভানেত্ৰী ৰমলা ৰায় সৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাতে লেখক শৰ্মাৰাম দাসে শিশু সাহিত্যিক, কবি মৃদুল কুমাৰ দাসৰ 'ডেৰকুৰি কবিতাৰ তিনিকুৰি কথা' উন্মোচন কৰে। গ্ৰন্থখন উন্মোচন কৰি কয় যে কাব্য গ্ৰন্থখন আকাৰত সৰু হ'লেও শিশুৰ বাবে মনোযোগী আৰু শিক্ষামূলক। এনে এখন গ্ৰন্থ এজন মহান সাহিত্যিকৰ জন্মদিনত উন্মোচন কৰিবলৈ পাই অত্যন্ত সুখী বুলি মন্তব্য কৰে। আনপিনে বেজবৰুৱাই অসমীয়া সাহিত্য জগতলৈ যি অৱদান আগবঢ়ালে সেই হিচাপে অসমীয়া জাতিয়ে সিমান দিব পৰা নাই বুলি কয়। নৱ কুমাৰ দাস, জ্যোতিষ চন্দ্ৰ সৰকাৰ, উপেন বৰুৱা, বিক্ৰম মেধি, মিনাৰ আলি, অংকুৰ দাস, পুলক দাস আদি উপস্থিত থকা সভাৰ পূৰ্বে বেজবৰুৱাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে সভানেত্ৰী ৰমলা ৰায় সৰকাৰে আৰু উদ্দেশ্য ব্যাখ্যা কৰে বিনোদ কুমাৰ বৰ্মনে।

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

## আজিৰ দিনটো


**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**২৬ আহিন শনিবাৰ ১৬ অক্টোবৰ**

**সূৰ্যোদয় ঃ** ঘঃ ৫।২৬।৯, **সূৰ্যাস্ত ঃ** ঘঃ ৪।৫২।৪১। **তিথি ঃ** শুক্লা একাদশী, দং ৩৪।৭।৪২ ৰাঘঃ ৭।০৫।১৪। **নক্ষত্ৰ ঃ** ধনিষ্ঠা, দং ১৬।১৫।২৭ ঘঃ ১১।৫৬।২০। **যোগ ঃ** গণ্ড, দং ৫০।৩৫।৪৫ ৰাঘঃ ১।৪০।২৭। **কৰণ ঃ** বনিজ। **জন্মত ঃ** কুম্ভৰাশি, বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, দেৱাৰিগণ, কুম্ভীৰৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী ৰাহু, বিংশোত্তৰী মঙ্গলৰ দশা, ঘঃ ১১।৫৬।২০ যোৱাত মনুষ্যৰ অস্থি, বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** এপদ, ৰাঘঃ ৭।৫।১৪ যোৱাত দ্বিপদ। **যোগিনী ঃ** অগ্নিকোনত, ৰাঘঃ ৭।৫।১৪ যোৱাত নৈঋতকোনত। **যাত্ৰাঃ** শুভ, অমৃতযোগ, পূবত নাই, ঘঃ ৭।। ৫৮।৪৮ যোৱাত নাই, বিষ্টিভদ্ৰা দোষ। **শুভকৰ্ম ঃ** আৰোগ্যস্নান। **ভক্ষাভক্ষ্য ঃ** উৰহী, ৰাঘঃ ৭।৫।১৪ যোৱাত পূৰৈশাক আৰু প্ৰায়শ্চিত্ত নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** কৰ্মবৃদ্ধি পাব। চাকৰিৰ ক্ষেত্ৰত কৰ্তৃপক্ষৰ লগত মত বিৰোধ হ'ব পাৰে। শিক্ষাৰ্থীৰ বাবে শুভ। প্ৰেমত অশুভ।

**বৃষ ঃ** সাৱধানে চলা-ফিৰা কৰিব। দেহত আখাত পোৱাৰ সম্ভৱনা আছে। প্ৰেমত মাধ্যম।

**মিথুন ঃ** পুৰণি কোনো ৰোগে সামণি কৰিব। বিদ্যাৰ্থীৰ বাবে নতুন সুযোগ আহিব পাৰে। বিবাহ প্ৰাৰ্থীৰ বাবে শুভ।

**কৰ্কট ঃ** দিনটো শান্তি পূৰ্ণ থাকিব। চাকৰিয়ালৰসকলৰ বিভিন্ন কাৰণত বিভিন্ন সমস্যা দেখা দিব। বিদ্যাৰ্থীৰ শুভ।

**সিংহ ঃ** ব্যৱসায়ী সকলৰ বাবে দিনটো ভাল। বিদ্যাৰ্থীসকলে যত্ন কৰিলে ভাল ফল পাব। প্ৰেমত কষ্টদায়ক।

**কন্যা ঃ** ভ্ৰমণ শুভ। বন্ধুৰ লগত মত বিৰোধ হ'ব পাৰে। মাতৃৰ শুভ। প্ৰেমত শুভ।

**তুলা ঃ** ব্যৱসায়িকসকলৰ সাৱধান হোৱাটো ভাল। চাকৰিয়ালৰ শুভ। উত্তৰ দিশে ভ্ৰমণ নকৰিব।

**বৃশ্চিক ঃ** পৰিশ্ৰম কৰিলে বহুত সমস্যা সমাধান হ'ব। নিজৰ ব্যক্তিগত কথা আনৰ আগত প্ৰকাশ কৰিলে ক্ষতি হ'ব। প্ৰেমৰ ক্ষেত্ৰত শুভ নহয়।

**ধনু ঃ** বিদ্যাৰ্থীৰ বাধা। যানবাহন চলাওতে সাৱধান হ'ব। ভ্ৰমণত কষ্টদায়ক হ'ব। প্ৰেমত শুভ।

**মকৰ ঃ** শাৰীৰিক বেয়া নহয়। চাকৰিৰ নতুন সুযোগ। খৰচৰ মাত্ৰা বৃদ্ধি পাব। প্ৰেম-প্ৰণয়নত শুভ।

**কুম্ভ ঃ** মাহটোত উন্নতিৰ সুযোগ আহিব পাৰে। শাৰীৰিক ক্ষেত্ৰত বেয়া নহয়। দূৰ ভ্ৰমণৰ সুযোগ। বিদ্যাৰ্থীৰ ভ্ৰমণত যোগ আছে।

**মীন ঃ** ডাঙৰ বিপদ হোৱা সম্ভৱনা আছে। আনৰ কথা শুনি অশান্তি সৃষ্টি নকৰিব। প্ৰেমত চিন্তিত ভ্ৰমণ নকৰাই ভাল।

# শ্ৰীৰামপুৰত ট্ৰাকৰ চালকসহ ৩৮ পেকেট বিদেশী চিগাৰেট জব্দ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১৫ অক্টোবৰ ঃ** আজি পুৱা গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰৰ ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীয়ে ৫০ লাখ টকাৰ বিদেশী চিগাৰেট জব্দ কৰে। এক বিশেষ তথ্যৰ ভিত্তিত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পল লালহেমছেঙৰ নেতৃত্বত আৰু আৰক্ষী জোৱান মোক্তাৰ আলী, বিজয় সিংহ আৰু হাৰাধন দত্তৰ প্ৰত্যক্ষ সহযোগিতাত পুৱা নমান বজাত শ্ৰীৰামপুৰস্থিত নাকা চকীত তালাচী চলাই ইউ পি-২২ টি-৮০১৬ নম্বৰৰ এখন ট্ৰাক ৰখাই তালাচী চলোৱাত ট্ৰাকখনত বিদেশী চিগাৰেট থকা প্ৰত্যক্ষ কৰে। পাছত আৰক্ষীয়ে ট্ৰাকৰ চালক উত্তৰ প্ৰদেশৰ ৰামপুৰ জিলাৰ মহম্মদ ৰাজি (৩৬) আৰু সহযোগী জিকৰুল ইছলাম (৩৬)ক গ্ৰেপ্তাৰ কৰি গাড়ীসহ শিমুলটাপু আৰক্ষী চকীলৈ লৈ আনে। আৰক্ষীয়ে অনুসন্ধান চলাই ট্ৰাকখনৰ পৰা নিষিদ্ধ ২৫ পেকেট ইণ্ডোনেছিয়ান চিগাৰেট উদ্ধাৰ কৰে।

# গাঁওৰক্ষী বাহিনীৰ সভাপতিৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১৫ অক্টোবৰ ঃ** বিহপুৰীয়াৰ বদতি জামুগুৰি গাঁৱৰ নিবাসী লীলা বৰা (৫৪)ৰ আজি পুৱা গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। বদতি জামুগুৰি গাঁওৰক্ষী বাহিনীৰ সভাপতি তথা জামুগুৰি জ্যোতিৰ্ময় সংঘৰ প্ৰাক্তন সভাপতি বৰা বিভিন্ন সামাজিক কাম-কাজৰ স'তে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ এৰি যায়।

# কঠালগুৰি বাগিচাৰ কলঘৰত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৫ অক্টোবৰ ঃ** মৰিয়নিৰ কঠালগুৰি চাহ বাগিচাৰ ফেক্টৰীৰ ভিতৰত আজি সন্ধিয়া অগ্নিকাণ্ড সংঘটিত হয়। বাগিচাখনৰ এটা জেনেৰেটৰ চলি থকা অৱস্থাতে বিস্ফোৰণ হোৱাত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। আজি বিজয়া দশমী বাবে বাগিচাখনৰ কলঘৰত বিশেষ লোক নাছিল। কিন্তু সেই সময়তে বাগিচাখনৰ পূজাৰ প্ৰতিমা বিসৰ্জন দি উভতি আহি অগ্নিকাণ্ডৰ ফলত সৃষ্টি হোৱা ধোঁৱা প্ৰত্যক্ষ কৰি ততাতৈয়াকৈ কেইজনমান লোকে ৰাইজৰ সহযোগত জুই নিৰ্বাপিত কৰে।

# ডিব্ৰুগড়ত শান্তিপূৰ্ণভাৱে বিজয়া দশমী

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৫ অক্টোবৰ ঃ** শান্তিপূৰ্ণভাৱেই আজি বিজয়া দশমী সমাপন হয় ডিব্ৰুগড়ৰ কাছাৰী ঘাটত। পূৰ্বৰ দৰে উচ্চ শব্দত গান-বাজনা নহ'লেও কিন্তু ঢাক আৰু ঢোলৰ ছেওত মুখৰিত হৈ পৰে কাছাৰী ঘাট। প্ৰশাসনৰ কঠোৰ নীতি-নিৰ্দেশনা অনুসৰি ডিব্ৰুগড়ত পুৱা ১১ বজাৰ পৰাই দেৱী বিসৰ্জন পৰ্ব আৰম্ভ হয়। উল্লেখ্য যে ডিব্ৰুগড়ৰ প্ৰশাসনৰ অনুমতি সাপেক্ষে ৮৬খন দুৰ্গা পূজা অনুষ্ঠিত হয়। পুৱা দিনৰ ১১ বজাৰ পৰা আৰম্ভ হোৱা বিসৰ্জনপৰ্ব সন্ধিয়া ছয় বজাত সমাপ্ত হয়। ডিব্ৰুগড়ৰ খলিহামাৰীৰ পূজা সমিতিয়ে এইবাৰ ঢোল-পেঁপাৰ জৰিয়তে সমদল কৰি অনা দৃশ্য আৰু বিসৰ্জনৰ দৃশ্যই আকৰ্ষিত কৰে সকলোকে।

# হাজোৰ নৱ বিবাহিতাৰ চিপ লোৱা মৃতদেহ লামডিঙত উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ১৫ অক্টোবৰ ঃ** হাজোৰ এগৰাকী নৱ বিবাহিতা বোৱাৰীৰ লামডিঙৰ ৰেলৰে কোৱাৰ্টাৰত মৃতদেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মৃত বোৱাৰীগৰাকী হাজোৰ অভয়পুৰ গাঁৱৰ ৰেলৰে বিভাগৰ কৰ্মচাৰী ৰমেন দাসৰ পত্নী কংকণা মজুমদাৰ। তথ্য মতে, ৰামদিয়াৰ জীয়ৰী কংকণাৰ সাত মাহ পূৰ্বে অভয়পুৰৰ ৰমেন দাসৰ স'তে বিবাহ সম্পন্ন হৈছিল। কৰ্মসূত্ৰে ৰমেনে লামডিঙত থকাত তাতে ৰেলৰে কোৱাৰ্টাৰত স্বামীৰ স'তে আছিল কংকণা। কিন্তু যোৱা ১৩ অক্টোবৰত দুপৰীয়া ১২ বজাত বোৱাৰীগৰাকীৰ চিপ লোৱা মৃতদেহ কোৱাৰ্টাৰৰ ভিতৰত উদ্ধাৰ হৈছিল। আজি মহিলাগৰাকীৰ মৃতদেহ ৰামদিয়াৰ পিতৃগৃহলৈ অনাৰ পাছতে চেপা উত্তেজনাৰ সৃষ্টি হয়। নৱ বিবাহিতাগৰাকীৰ ৰহস্যজনক এই মৃত্যুক একাংশই আত্মহত্যাৰ বিপৰীতে হত্যাকাণ্ড বুলি অভিহিত কৰিছে।

# অশ্ৰুসিক্ত নয়নেৰে নিজম পৰিল

*এক পৃষ্ঠাৰ পৰা* কিয়নো মণ্ডপৰ বাহিৰত ৰাইজক ক'ভিড প্ৰট'কল মনোৱাত ব্যৰ্থ হ'ল চৰকাৰ তথা জিলা প্ৰশাসন। বিগত বৰ্ষত ক'ভিডৰ আতংকত ত্ৰস্তমান হৈ থকা ৰাজ্যবাসীক এইবেলি দেখা গ'ল এক অন্য ৰূপত। জনতাই যেন নিজেই বনালে নিয়ম। ক'ভিডক প্ৰত্যাহ্বান জনাই পূজালৈ বুলি ওলাই আহিল হেজাৰ হেজাৰ লোক। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে উত্তৰ-পূবৰ দুৱাৰমুখ স্বৰূপ গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত এইবাৰো কে'বা শতাধিক পূজা অনুষ্ঠিত কৰা হয়। গুৱাহাটী মহানগৰীৰ প্ৰখ্যাত পূজাথলী ক্ৰমে বেলতলা লক্ষ্মী মন্দিৰ, পাণ্ডু ৰেষ্টকেম্প, ভৰলুমুখৰ নয়নতৰা, শান্তিপুৰৰ শ্ল'ইছগেট, কুমাৰপৰাৰ বীণাপাণি, কমৰাপট্টি, পাণবজাৰৰ সনাতন ধৰ্মসভা (হৰিসভা) বিষ্ণুপুৰ পূজাথলীৰ লগতে কামাখ্যা মন্দিৰ, উগ্ৰতাৰা মন্দিৰত পূজাৰ আটাইকেইটা দিনতে বিৰ দি বাট নোপোৱা অৱস্থাৰ সৃষ্টি হয়। এই কেইদিনত ভক্তপ্ৰাণ ৰাইজে পাহৰি পেলালে ক'ভিড প্ৰট'কল। সামাজিক দূৰত্ব মনাটো দূৰৰে কথা, অধিকাংশই আনকি মুখৰ মাস্কখনো নিপিন্ধিলে। কিন্তু এই ক্ষেত্ৰত চৰকাৰ, জিলা প্ৰশাসন যিমান কঠোৰ হ'ব লাগিছিল সেয়া হোৱা দেখা নগ'ল। বহু পূজা মণ্ডপত হেণ্ড ছেনিটাইজাৰ কেৱল প্ৰদৰ্শনৰ বাবেহে যেন ৰখা হ'ল। কিয়নো তাৰ ব্যৱহাৰ দেখিবলৈ পোৱা নগ'ল। ইফালে, পূজাৰ ভিৰৰ মাজত হেৰাই থাকিল সমাজৰ বয়োজ্যেষ্ঠ আৰু দিব্যাংগসকলৰ আনন্দ। ক'ভিডৰ আতংক আৰু অত্যধিক ভিৰৰ বাবে এইসকল লোকে দুৰ্গোৎসৱৰ আনন্দ লোৱাৰ পৰা বঞ্চিত হয়। এইসকলৰ বাবে পূজামণ্ডপসমূহতো কোনো বিশেষ ব্যৱস্থা কৰা দেখা নগ'ল। আজি বিজয়া দশমী। অতি শ্ৰদ্ধা-ভক্তি আৰু আদৰেৰে ষষ্ঠী তিথিত বিল্ববোধনেৰে বেদীত প্ৰতিষ্ঠা কৰা দুৰ্গা দেৱীৰ প্ৰতিমা আজি অশ্ৰুসিক্ত নয়নেৰে লুইতত বিসৰ্জন দিয়ে। পুৱা দশমী বিহিত পূজাৰ পাছতেই মহিলাসকলে সেন্দূৰ খেলি দেৱী দুৰ্গাক বিদায় জনায়। অহা বছৰো পৃথিৱীৰ পৰা অপায়-অমংগল, অসূয়া নাশ কৰিবলৈ দেৱী যেন পুনৰ ধৰালৈ আহে তাৰেই প্ৰাৰ্থনা জনাই অশ্ৰুসিক্ত নয়নেৰে বিদায় জনায়। আজি ৰাজ্যৰ আন আন ঠাইৰ লগতে জিলা প্ৰশাসনৰ উদ্যোগত গুৱাহাটীৰ কাছমাৰী ঘাটত (লাচিত ঘাট)ত ব্যাপক আয়োজনেৰে প্ৰতিমা বিসৰ্জন অনুষ্ঠানৰ আয়োজন কৰা হয়। গুৱাহাটীৰ সৰ্বাধিক প্ৰতিমা বিসৰ্জন দিয়া কাছমাৰী ঘাটত পুৱাৰে পৰা দেখা গ'ল ব্যস্ততা। কিয়নো গুৱাহাটীৰ অধিকাংশ পূজা সমিতি তথা ব্যক্তিগত পূজাথলীৰ প্ৰতিমা এই স্থানতে বিসৰ্জনৰ ব্যৱস্থা কৰে জিলা প্ৰশাসনে। পুলিচ প্ৰশাসন, গুৱাহাটী পৌৰ নিগম, এছ ডি আৰ এফ, এন ডি আৰ এফ, আই ডব্লিউ টিৰ সহযোগত জিলা প্ৰশাসনে আজি অতি শৃংখলাবদ্ধভাৱে বিসৰ্জন কাৰ্যসূচী সম্পন্ন কৰে। তেনেদৰে গুৱাহাটীৰ পাণ্ডু পোৰ্ট, চুণচালি, বশিষ্ঠ, জ্যোতিকুছি, হাজংবাৰী (চন্দ্ৰপুৰ), সোণাপুৰ আৰু ক্ষেত্ৰতো জিলা প্ৰশাসনৰ সহযোগত বিসৰ্জন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। নিশা আঠ বজালৈ কাছমাৰী ঘাটত মুঠ ২০৮ খন, পাণ্ডু পোৰ্টত ৫৪ খন, বশিষ্ঠত ২৮ খন, জ্যোতিকুছিত ৪৮ খন, চন্দ্ৰপুৰ হাজংবাৰী ঘাটত ২১ খন, চুণচালিত ২৮ খন, সোণাপুৰত ১৭ আৰু ক্ষেত্ৰীত চাৰিখন প্ৰতিমা বিসৰ্জন দিয়া হয়। পাণ্ডুৰ বিসৰ্জনথলীত প্ৰতি বছৰৰ দৰে এইবাৰো ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ দেৱী দুৰ্গাক শেষ বিদায় জনায়। বিসৰ্জন কাৰ্যসূচীত উপস্থিত হৈ প্ৰতি বছৰে তেওঁ সমস্থিৰ পূজাসমূহলৈ যোৱাৰ চেষ্টা কৰে যদিও এইবাৰ পূজাৰ কেইদিন গুৱাহাটীৰ বাহিৰত থাকিব লগা হোৱাৰ বাবে নৱমী আৰু দশমীতহে গুৱাহাটীৰ পূজা চাবলৈ পোৱা বুলি উল্লেখ কৰে। ইপিনে, তেওঁ প্ৰথম গুৱাহাটীত পূজা চোৱাৰ আনন্দ আৰু স্মৃতি সুঁৱৰি নষ্টালজিকো হৈ পৰে। উল্লেখ্য যে পাণ্ডু ঘাটৰ বিসৰ্জন কমিটীয়ে জানিবলৈ দিয়া অনুসৰি, প্ৰতি বছৰে এই ঘাটত দুদিনীয়াকৈ বিসৰ্জন অনুষ্ঠান অনুষ্ঠিত হয়। সেই অনুসৰি, কাইলৈয়ো বিসৰ্জন কাৰ্যসূচী অনুষ্ঠিত হ'ব। উল্লেখ্য যে বিসৰ্জন কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি পাণ্ডু ঘাটত ক'ভিড নিৰ্দেশনা উলংঘা কৰি অনুষ্ঠিত কৰা হয় গায়কৰ সংগীতানুষ্ঠান। মেলা সদৃশ পৰিৱেশত গায়ক ভৃগু কাশ্যপ আৰু নেকিবে গীত পৰিৱেশন কৰে। য'ত জিলা উপায়ুক্তকে ধৰি বহুকেইজন চৰকাৰী বিষয়া উপস্থিত আছিল।

## শব্দ-বেহু ঃ ১৬ অক্টোবৰ



@ সব্যসাচী

**পথালিয়ে ঃ**
১। খাজনা দিবলৈ বাকী থকা লোকৰ মৌজাদাৰে তৈয়াৰ কৰা নামৰ তালিকা (৪)
৪। এবিধ গছৰ ৰসৰ পৰা কৰা সুগন্ধী দ্ৰব্য (৩)
৬। ইকৰা, খাগৰি আদিৰ আঁটি বা নিৰ্দিষ্ট পৰিমাণৰ এটা মুঠা (২)
৭। নামনি অঞ্চলত প্ৰচলিত এবিধ লোক-নাট্যানুষ্ঠান (৪)
৯। ধ্যান-ধাৰণা বা মত, তত্ব, এৰি দিয়া কাৰ্য্য (২)
১১। শুকুৱাই মচলা আৰু দৰবৰূপে ব্যৱহাৰ কৰা এবিধ গুটি (২)
১২। ইচলাম ধৰ্মৰ মূল-মন্ত্ৰ (৩)
১৩। আকৃতিত পলৰ দৰেই এবিধ মাছ ধৰা যতন (৩)
১৬। গোন্ধ, ঘ্ৰাণ (২)
১৭। ৰছী,দীঘল আৰু শকত জৰী (২)
১৮। চৈধ্যটাকৈ আখৰ থকা আৰু তেনে চৈধ্যটা শাৰী থকা কবিতা (৩)
২০। হুকুমা টেঁঙা, ডাঠ বাকলিৰে এবিধ ডাঙৰ টেঙা (৩)
২১। ধোঁৱাখোৱা, ধঁপাত হুঁপাৰ যতন (২)
২৪। মুছলমানৰ বিচাৰক, নিকাহৰ পুৰুহিত (২)
২৫। ৰাজ-আজ্ঞা, আদেশ-পত্ৰ (৪)
২৬। মানৱ সমাজৰ শিল্প-কলা, আচাৰ-নীতি (২)
২৮। জন্তুৰ ছালৰ জৰী, ঢোলৰ তালি দুখন স্ফীত কৰি ৰাখিবলৈ ব্যৱহৃত ৰছা (৩)
২৯। যুদ্ধৰ বাবে চলোৱা চূড়ান্ত প্ৰস্তুতি (৪)

**থিয়কৈ ঃ**
২। কৃমি, সৰু পোক (২)
৩। ভেল্কীবাজি, টাটক, যাদু (৪)
৪। তিৰোতাই কপালত থিয়কৈ লগাই পিন্ধা অলংকাৰ (৩)
৫। দগাবাজ,আনক ঠগি ফুৰা, বৰ দুষ্ট (৪)
৬। এক কিলোগ্ৰামৰ চাৰি ভাগৰ এভাগ (২)
৮। কোনো কামৰ আঁচনি, দুষ্ট বুদ্ধি, ফন্দি (২)
৯। বালিচৰৰ মাজেৰে থকা বাট বা আলি (৪)
১০। প্ৰচলিত, বুধিয়ক, টেঁঙৰ (২)
১৩। খাৰ-বাৰুদেৰে সজা ধেমালিৰ বস্তুত জুই লগাই কৰা খেল (৪)
১৪। কম কম পৰিমাণকৈ পৰিশোধ কৰিব লগীয়া ধনৰ প্ৰতিবাৰে দিব লগীয়া অংশ (২)
১৫। পিঠিত টান খোলা থকা এবিধ উভচৰ জীৱ, কূৰ্ম (২)
১৭। মুক্ত,মুকলি, বন্ধন নথকা (৪)
১৯। চেৰেকীত মেৰিয়াই নিৰ্দিষ্ট জোখত বেলেগ বেলেগ কৰা সূতাৰ মুঠি (২)
২১। প্ৰতিশোধ, পোটক, প্ৰতিহিংসা (২)
২২। লম্পট, সহবাসত আকুল (৪)
২৩। খাই বৈ নোদোকা হোৱা অৱস্থা, পোষণ (২)
২৫। লক্ষ্যবস্তুত আঘাত কৰিবলৈ দলিওৱা চুটি মাৰি (৩)
২৭। পাহাৰীয়া লোকে পিঠিত ওলমাই লৈ ফুৰা কুঁকি বা হোৱা (২)

**উত্তৰ অহা সংখ্যাত**

**১৩ অক্টোবৰ সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ৩। ঘাটোৱাল ৫। টনি ৬। হাতীপটি ৭। শৰ ৮। চাকনৈয়া ১০। বাৎসল্য ১৪। কাৱৈলাঙি ১৫। চুবাদাৰ ১৭। বৈৰী ১৮। লংগৰ ২০। উকি ২১। ইতিকিং
**থিয়কৈ ঃ** ১। পেটমোচা ২। ভাতী ৩। ঘাটি ৪। লকাৰ ৬। হাথিয়াৰ ৭। শল্য ৯। কন্দ ১০। বাণ্ডী ১১। ডিঙি ১২। কচুথোৰ ১৩। ফেদা ১৪। কাৱী ১৬। ৰজকিনী ১৭। বৈনাই ১৮। লং ১৯। গণ্ডী

# দেৱী বিসৰ্জনৰ

*এক পৃষ্ঠাৰ পৰা* ব্ৰহ্মপুত্ৰত স্নান কৰিছিল কিশোৰজনে; কিন্তু সেই সময়তে নিখোঁজ হয় কিশোৰজন। কিশোৰজনে পৰিহিত পেন্ট, চোলা, চেণ্ডেল, এখন গামোচাৰ লগতে পূজাৰ খেলনা পিষ্টল নৈৰ পাৰতে পৰি থাকে। এই ঘটনাই নৈপৰীয়া অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। ইতিমধ্যে এনডিআৰএফৰ ডুবাৰুৱে কিশোৰজনৰ সন্ধানত অভিযান চলাইছে যদিও কোনো সন্ধান উলিয়াব পৰা নাই।

# সৰ্থেবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন সমিতি

অগ্ৰদূত বাৰ্তা

**সৰ্থেবাৰী, ১৫ অক্টোবৰ ঃ** 'ছাত্ৰ-ছাত্ৰী' সকল যিহেতু বৃহত্তৰ সমাজৰ অংশ গতিকে সমাজৰ প্ৰতিটো সমস্যাই ছাত্ৰ-ছাত্ৰীসকলক স্পৰ্শ কৰাটো স্বাভাৱিক। এই সমস্যা সমূহৰ পৰা তেওঁলোক আঁতৰি থাকিব নোৱাৰে, বৰঞ্চ ইয়াৰ সমাধানৰ ক্ষেত্ৰত তেওঁলোকে অগ্ৰণী ভূমিকা ল'বলৈ বাধ্য।' এই মন্তব্য বৰপেটা জিলা ছাত্ৰ সন্থাৰ সদ্য প্ৰাক্তন উপ-সভাপতি গুণজিৎ চৌধুৰীৰ। বৰপেটা জিলা ছাত্ৰ সন্থাৰ এখন অন্যতম আঞ্চলিক ছাত্ৰ সন্থা সৰ্থেবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন সমিতি গঠনৰ উদ্দেশ্যে যোৱা ১২ অক্টোবৰত সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এখন সভাত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি ছাত্ৰ নেতাজনে কয় যে জন্মলগনৰ পৰাই ছাত্ৰ সন্থাই অসম আৰু অসমীয়াৰ স্বাৰ্থত আপোচহীনভাৱে মাত মাতি আহিছে আৰু অনাগত দিনতো মাত মাতি যাব। কাৰোবাৰ সমালোচনাই ছাত্ৰ সন্থাৰ ভাবমূৰ্তি ম্লান কৰিব নোৱাৰে, বৰঞ্চ জনমানসত ছাত্ৰ সন্থাৰ প্ৰাসংগিকতা বৃদ্ধিহে পায়। অৱশ্যে সমালোচনাৰ উচিত প্ৰত্যুত্তৰ দিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলে নৈতিক আৰু চাৰিত্ৰিক দিশৰ পৰা সবল আৰু শক্তিশালী হ'ব লাগিব। ইয়াৰ বাবে তেওঁলোকে কঠোৰ সাধনা কৰিব লাগিব। কিয়নো সাধনা অবিহনে কোনো ফল লাভ কৰাটো সম্ভৱ নহয়। সৰুক্ষেত্ৰী কেন্দ্ৰীয় আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিৰাজ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰনেতা কৌশিক ভূঞাই। সভাত সৰ্থেবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি নিতুল ডেকা, ৰিদিপ পাটোৱাৰী, হিৰামণি ডেকাকে ধৰি কে'বাজনো বক্তাই ভাষণ দিয়ে। ভাষণ প্ৰসংগত বক্তাসকলে সৰ্থেবাৰী অঞ্চলৰ সামূহিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত ছাত্ৰ সন্থাই ল'ব লগা ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত হিৰামণি ডেকাক সভাপতি আৰু অঞ্জন কুমাৰ ভূঞাক সাধাৰণ সম্পাদক হিচাপে লৈ আগন্তুক বৰ্ষৰ বাবে সৰ্থেবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ এখন ৪১ জনীয়া সমিতি গঠন কৰি দিয়া হয়।

# বৰপথাৰত সমনীয়াৰ স'তে ড্ৰাগছ

*এক পৃষ্ঠাৰ পৰা* সহপাঠীৰ লগত অতিমাত্ৰা ড্ৰাগছ সেৱনৰ ফলত মৃত্যু হয় অবিনাশ ফুকন (২০) নামৰ ছাত্ৰজনৰ। বৰপথাৰ নগৰৰ নিবাসী মুকুল ফুকনৰ পুত্ৰ তথা বৰপথাৰ ধনশিৰি ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান কেন্দ্ৰৰ ছাত্ৰ অবিনাশে গেলাবিল তিনিআলিৰ সমীপত পথৰ কাষতে ঘটনাৰ নিশা প্ৰায় ৯-৩০ বজাত মটৰ চাইকেলত থকা পাঁচজন যুৱকৰ স'তে ড্ৰাগছ সেৱন কৰিছিল। দীৰ্ঘদিনৰে পৰা ড্ৰাগছ আসক্ত ছাত্ৰজনৰ পাছত ১১ মান বজাত মৃত্যু হয়। এই ঘটনাক লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। যাৰ বাবে ধনশিৰি মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞাৰ নেতৃত্বত বৰপথাৰ আৰক্ষীৰ সহযোগত এই ঘটনাৰ দিনা মৃত ছাত্ৰজনৰ লগত ড্ৰাগছ সেৱন কৰা দুই নাবালকসহ চাৰিজন ড্ৰাগছ সেৱনকাৰী আটক কৰে। তেওঁলোক ক্ৰমে বৰপথাৰৰ প্ৰবীণ শৰ্মাৰ পুত্ৰ প্ৰাঞ্জল শৰ্মা (১৯), বৰপথাৰ ৰেলৰে কল'নীৰ প্ৰয়াত মাণিক দেবনাথৰ পুত্ৰ পংকজ দেবনাথ (১৮) আৰু বৰপথাৰ নগৰৰ চাৰি নম্বৰ ৱাৰ্ড আৰু শিঙিমাৰী নিবাসী দুই কিশোৰ। তেওঁলোক আটাইকেইজনৰ ঘৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত। তদুপৰি ফৰকাটিং আৰক্ষী থানাৰ অন্তৰ্গত চক্ৰধাৰা গাঁৱৰ পৰা প্ৰয়াত তৰুণ নাথৰ পুত্ৰ মিণ্টু নাথ (২১) নামৰ যুৱকজনক আটক কৰে।

অভিযোগ মতে, ড্ৰাগছ সেৱনকাৰীজনে মিণ্টু নাথ নামৰ ধৃত যুৱকজনৰ পৰা ড্ৰাগছ ক্ৰয় কৰিছিল বুলি সেৱনকাৰীকেইজনে স্বীকাৰোক্তি দিছিল। ঘটনাৰ সন্দৰ্ভত বৰপথাৰ আৰক্ষী আৰু গোলাঘাট আৰক্ষী থানাত পৃথকে পৃথকে দুটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। ইপিনে, নৱমীৰ সন্ধিয়া পুনৰ এজনক ড্ৰাগছসহ আটক কৰে বৰপথাৰ আৰক্ষীয়ে। বৰপথাৰ নগৰস্থিত কালীবাৰীৰ কাজল হোটেলত এজন বন্ধুৰ স'তে চাহ খাই থকা অৱস্থাত বৰপথাৰৰ জোলাবস্তিত চাজিদ আলী নামৰ ড্ৰাগছ সৰবৰাহকাৰীজনক ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে।

# দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তেজনা

*এক পৃষ্ঠাৰ পৰা* মাৰুতি কাৰখনক এ এছ-০৬ এ ই-৫২৮৯ নম্বৰৰ তীব্ৰ বেগী বেলেন' বাহনখনে খুন্দিয়াই আঁতৰি যায়। দুৰ্ঘটনাটোত কোনো লোক হতাহত নহ'ল যদিও মাৰুতি কাৰখনৰ কিছু ক্ষতিসাধন হয়। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পাছতে মাৰুতি কাৰখনৰ আৰোহীসকলে উধাও হোৱা বেলেন'খনৰ সন্ধানত নামি পৰে। পাছত প্ৰায় ২০-২৫ মিনিটমানৰ পাছত ঘটনাস্থলীত সতীৰ্থসহ এগৰাকী যুৱতী উপস্থিত হৈ দুৰ্ঘটনাটোত তেওঁলোকৰ বাহনখন ওলোটাই ক্ষতিগ্ৰস্ত হোৱা বুলি জানিবলৈ দি মেৰামতিৰ বাবে ধন দাবী কৰে। ইয়াকে লৈ দুয়োপক্ষৰ মাজতে যুক্তিতৰ্ক চলি থকাৰ মাজতে যুৱতীগৰাকীয়ে নিজকে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ নাম লৈ তথা নিজকে তেলীৰ ভগ্নী বুলি পৰিচয় দিয়া মাৰুতি কাৰখনৰ আৰোহীসকলক 'মই কোন হয় তহঁতক দেখাই দিম, কি কৰি আছো চাই ল' আদি বাক্যৰে ধমক দিয়াৰ লগতে অশ্ৰাব্য ভাষাৰে গালি-গালাজ পৰা বুলিও কাৰখনৰ আৰোহীসকলে অভিযোগ কৰিছে। দুয়োপক্ষৰ মাজত চলি থকা বাক যুদ্ধৰ মাজতে ঘটনাস্থলীত মাকুম আৰক্ষীয়ে উপস্থিত হৈ দুয়োটা পক্ষৰ লগতে দুৰ্ঘটনাগ্ৰস্ত বাহন দুখন থানালৈ লৈ যায়। আৰক্ষীয়ে বাহন দুখনৰ চালকৰ লগতে যুৱতীগৰাকীৰ স্বাস্থ্য পৰীক্ষাৰ হেতুকে তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ অনাত তাতো যুৱতীগৰাকীয়ে 'বিয়েৰ পান কৰি আহিছো' বুলি চিকিৎসকৰ আগত অভব্য আচৰণ কৰে। দুৰ্ঘটনাগ্ৰস্ত বেলেন'খন যুৱতীগৰাকীৰ পিতৃৰ নামত পঞ্জীয়নভুক্ত হোৱাৰ বিপৰীতে জনৈক তেলী নামৰ যুৱতীগৰাকী দুলীয়াজানৰ টিপলিঙৰ বাসিন্দা। উল্লেখ্য যে কেন্দ্ৰীয় মন্ত্ৰী তেলীৰ ঘৰো টিপলিঙত। ইপিনে, মাৰুতি কাৰখনৰ গৰাকী দুৰ্লভ গোহাঁয়ে দুৰ্ঘটনা সংঘটিত কৰা বাহনখনৰ বিৰুদ্ধে মাকুম থানাত এজাহাৰ দাখিল কৰিছে।

# গোসাঁইগাঁৱত প্ৰতিমা বিসৰ্জনক কেন্দ্ৰ

*এক পৃষ্ঠাৰ পৰা* জোতা পিন্ধি নিজেই দেৱীৰ প্ৰতিমা বাহিৰলৈ উলিয়াই অনা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে নৱমীৰ দিনা গোসাঁইগাঁও মহকুমা প্ৰশাসনে পূজা কমিটীসমূহক বিসৰ্জনৰ সময়ত পাঁচজনতকৈ অধিক লোক উপস্থিত থাকিব নোৱাৰে বুলি কঠোৰ নিৰ্দেশনা জাৰি কৰে। এই সন্দৰ্ভত আলোচনাৰ্থে চহৰখনত ১৩খনকৈ পূজা মণ্ডপৰ সভাপতি-সম্পাদকসকলে এক জৰুৰী বৈঠকত মিলিত হৈ প্ৰতিমাসমূহ যিহেতু পাঁচজনৰ দ্বাৰা বিসৰ্জন সম্ভৱ নহয় তেনে ক্ষেত্ৰত মহকুমাধিপতিক অন্তত ১০জনকৈ লোক বিসৰ্জন কাৰ্যসূচীত অংশগ্ৰহণত অনুমতি দিয়াৰ বাবে মৌখিকভাৱে অনুৰোধ জনায়; কিন্তু মহকুমাধিপতিয়ে এই অনুৰোধ পোনছাটে প্ৰত্যাখ্যান কৰি বিয়লি চাৰি বজাত সিদিনাই সকলো পূজা সমিতিৰ সভাপতি-সম্পাদকক লৈ গোসাঁইগাঁও থানাত এখন জৰুৰী সভাৰ আয়োজন কৰে। মহকুমাধিপতি আৰু মহকুমা আৰক্ষী বিষয়াৰ যৌথ উদ্যোগত আয়োজিত সভাখনত মহকুমা আৰক্ষী বিষয়া সৌৰভ গুপ্তাই উপস্থিতসকলক সমিলমিলেৰে বিসৰ্জন কাৰ্যত সহযোগৰ সলনি আইনৰ প্ৰসংগ আনি ভাবুকিমূলক বক্তব্য দাঙি ধৰে বুলি একাংশ পূজা কমিটীয়ে অভিযোগ কৰিছে। ইপিনে, আজি প্ৰতিমা বিসৰ্জনৰ স'তে দুপৰীয়াৰ ভাগত পোনতে গোসাঁইগাঁও বাৰোৱাৰী মাঘ মন্দিৰত আৰক্ষী বিষয়া গুপ্তাই লগত আৰক্ষীৰ দল লৈ উপস্থিত হয়। ক'ভিড প্ৰট'কলৰ নামত আৰক্ষী বিষয়াজনে ধৰ্মীয় বিধি অমান্য কৰি জোতা পৰিধান কৰি দেৱীৰ প্ৰতিমা থকা স্থান অভিমুখে ৰাওনা হয়; কিন্তু দেৱী বিদায়ৰ পূজা-অৰ্চনাত ব্যস্ত থকা মহিলা ভক্তসকলক ডাবি ধমকিৰে উক্ত স্থানৰ পৰা খেদি পঠিয়াই নিজে জোতা পৰিধান কৰি আৰক্ষী বিষয়াজনে দেৱী প্ৰতিমা বিসৰ্জনৰ বাহনত তুলি দিয়ে। পাছত দুশ মিটাৰ আঁতৰত থকাত ভাড়াতীয়া শ্ৰমিকৰ দ্বাৰা বিসৰ্জন কাৰ্য সম্পন্ন কৰে। অনুৰূপভাৱে অন্যান্য পূজাথলীসমূহলৈ গৈও আৰক্ষী বিষয়াজনে দেৱী বিসৰ্জন দিয়াত তাগিদা দিয়ে বুলি অভিযোগ উঠিছে। ক'ভিডৰ নীতি-নিয়মৰ অজুহাতত সংঘটিত কৰা এই কাণ্ড জিলা উপায়ুক্তই দিয়া নিৰ্দেশনাও অমান্য কৰাৰ অভিযোগ উঠিছে আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে। ইপিনে, চহৰখনৰ টি পি পথৰ এখন পূজা মণ্ডপত পূজা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বাধ্যবাধকতাৰ নামত পূজা মণ্ডপ ভাঙি পেলোৱাৰো ৰাজহুৱা ভাবুকি দিয়াৰ অভিযোগ উঠিছে আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে। আনহাতে, আজি বিয়লি মাস্ক নিপিন্ধাৰ অজুহাতত আৰক্ষী বিষয়াজনৰ নিৰ্দেশত মিহিৰ দাস আৰু হাৰাধন শীল নামৰ দুজন যুৱকক আটক কৰি থানালৈ লৈ আনে। ইয়াকে কেন্দ্ৰ কৰি ৰাইজ উত্তেজিত হৈ গোসাঁইগাঁও আৰক্ষী থানা ঘেৰাও কৰে। কে'বা শতাধিক ৰাইজে আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে ওলাই আহি 'সৌৰভ গুপ্তা গ' বেক, সৌৰভ গুপ্তাক শীঘ্ৰে বদলি কৰক, সৌৰভ গুপ্তাৰ দাদাগিৰী নচলিব' আদি ধ্বনিৰে থানা চৌহদ উত্তাল কৰি তোলে। ইয়াৰ মাজতে সাংবাদিকৰ এটা দলে ঘটনা সন্দৰ্ভত মন্তব্য বিচাৰি আৰক্ষী বিষয়াজনৰ কোঠাত প্ৰৱেশ কৰাত অভব্য আচৰণ কৰাৰ লগতে ওলাই যাবলৈ নিৰ্দেশ দিয়ে। বিষয়াজনৰ এনে অবাঞ্চিত আচৰণক গোসাঁইগাঁও প্ৰেছ ক্লাবে তীব্ৰ ভাষাৰে অৰিহণা দিছে। ৰাইজে শীঘ্ৰে বিষয়াজনক শাস্তিমূলক বদলিৰ দাবী জনাইছে। ইফালে, ৰাইজৰ হেঁচাত পৰি আটকাধীন যুৱক দুজনক পাছত এৰি দিবলৈ বাধ্য হয়।

# আছু নেতাৰ নিৰ্লজ্জ কাণ্ডত স্তম্ভিত

*এক পৃষ্ঠাৰ পৰা* অবাঞ্চিত ঘটনাক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত কালি তিনিচুকীয়া জিলা ভাৰপ্ৰাপ্ত জিলা দণ্ডাধীশ নয়নজ্যোতি ভাগৱতীয়ে সমগ্ৰ ঘটনাৰ তদন্ত নিৰ্দেশ দিছে। এই সন্দৰ্ভত ডুমডুমাৰ ৰাজহ চক্ৰৰ বিষয়া ৰণময় ভৰদ্বাজক তিনিদিনৰ ভিতৰত শিক্ষয়িত্ৰীগৰাকীক ক্ষমা খুজিবলৈ বাধ্য কৰোৱা আৰু পথ অৱৰোধৰ ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। তদন্তত বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতোপন হাজৰিকাক সহযোগ আগবঢ়ালৈকো নিৰ্দেশ দিছে। ইপিনে, তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষকৰ নিৰ্দেশ মৰ্মে ফিল'বাৰী আৰক্ষীয়ে দুৰ্ভাগ্যজনক ঘটনাটোৰ স'তে জড়িত ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ আৰু দল-সংগঠনৰ বিষয়ববীয়াক শিক্ষয়িত্ৰীগৰাকীৰ ওচৰত ক্ষমা খুজিবলৈ কোৱাত আজি শিক্ষয়িত্ৰীগৰাকীৰ ওচৰত সেৱা জনাই ক্ষমা বিচাৰে। এই ব্যতিক্ৰমী মুহূৰ্তৰ প্ৰাক্ক্ষণত শিক্ষয়িত্ৰীগৰাকীয়ে আবেগিক হৈ কান্দোনত ভাঙি পৰে। ইপিনে, সদৌ অসম ছাত্ৰ সন্থাই চলোৱা নিজাববীয়া তদন্তৰ অন্তত ঘটনাৰে পোনপটীয়াকৈ জড়িত থকাৰ অপৰাধত আজি তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি কৰ্ণ বুঢ়াগোহাঁইক সংগঠনৰ পৰা বহিষ্কাৰ কৰে। আছুৰ কেন্দ্ৰীয় উপ-সভাপতি বিনয় ডুবে আৰু কাৰ্যনিৰ্বাহক সদস্য নিখিল কোচে স্বাক্ষৰিত এক বিবৃতিযোগে এই কথা সদৰী কৰিছে।

উল্লেখ্য যে ডুমডুমাৰ ফিল'বাৰীৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ফিল'বাৰী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত নামভৰ্তিক লৈ যোৱা ১২ অক্টোবৰত সংঘটিত হৈছিল এক অবাঞ্চিত পৰিস্থিতিৰ। বিদ্যালয়খনৰ নামভৰ্তিৰ মাচুল সংগ্ৰহক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। যোৱা সাত অক্টোবৰত দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সভা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা নামভৰ্তিৰ নামত তিনি হেজাৰকৈ মাচুলসহ সিদ্ধান্ত গ্ৰহণ কৰিছিল বিদ্যালয় পৰিচালনা সমিতিৰ স'তে কৰ্তৃপক্ষই। ইয়াতে অসন্তুষ্ট হৈ পৰে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীকে ধৰি স্থানীয় দল-সংগঠনসমূহে। কাৰণ দ্বাদশ শ্ৰেণীৰ নামভৰ্তিৰ মাচুল সংগ্ৰহ নকৰিবলৈ যোৱা তিনি ছেপ্টেম্বৰত স্থানীয় আছু, যুৱ ছাত্ৰ পৰিষদ, মৰাণ ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, টি এম পি কে, চুতীয়া ছাত্ৰ সন্থা, আটছা, আছা আদি ছাত্ৰ আৰু জাতীয়-জনগোষ্ঠীয় সংগঠনে বিদ্যালয় পৰিচালনা সমিতিক স্মাৰকপত্ৰ প্ৰদান কৰিছিল; কিন্তু বিদ্যালয় কৰ্তৃপক্ষৰ পৰা কোনো ধৰণৰ সঁহাৰি নোপোৱাত স্থানীয় সংগঠনসমূহৰে আভ্যন্তৰীণ সংঘাত সৃষ্টি হৈছিল। ইয়াৰ মাজতে যোৱা তিনি অক্টোবৰৰ পৰা মাচুল সংগ্ৰহৰ দিন ধাৰ্য কৰাৰ লগে লগে শিক্ষানুষ্ঠানখনৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদত নামে। শিক্ষানুষ্ঠানখনৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ৰূপায়ণ কৰা এই কাৰ্যসূচীত সহযোগ কৰে স্থানীয় দল-সংগঠনসমূহে। পূৰ্বে ফিল'বাৰী কনিষ্ঠ মহাবিদ্যালয়ৰূপে পৰিচিত উক্ত বিদ্যালয়খনৰ ছাত্ৰ একতা সভাই নামভৰ্তিৰ অজুহাতত মাচুল সংগ্ৰহৰ প্ৰতিবাদত বিদ্যালয় চৌহদত বিভিন্ন শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। অভিযোগ অনুসৰি সেই সময়তে নিৰদা বৰা নামৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰীগৰাকীয়ে আকস্মিকভাৱে আহি অধ্যক্ষ আৰু সতীৰ্থ শিক্ষকসকলৰ উপস্থিতিতে একাংশ ছাত্ৰক উদ্দেশ্যি 'ষ্টুপিড, ননচেন্স, ভাং খাই আহিছা নেকি' আদি কটু মন্তব্য কৰাত উত্তেজিত হৈ পৰে ফিল'বাৰীৰ আছু, যুৱ ছাত্ৰ পৰিষদকে ধৰি একাংশ নেতা-কৰ্মীয়ে। তেওঁলোকে শিক্ষয়িত্ৰীগৰাকীৰ স'তে তীব্ৰ বাক্ বিতণ্ডাত লিপ্ত হোৱাৰ লগতে পবিত্ৰ শিক্ষা বৃত্তি ত্যাগ কৰিবলৈ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰে। পাছত সকলোৰে সন্মুখত শিক্ষয়িত্ৰীগৰাকীয়ে নিজৰ আবেগৰ কথা স্বীকাৰ কৰি ক্ষমা বিচাৰে যদিও তেওঁৰ ক্ষমা বিচৰাৰ ধৰণত সন্তুষ্ট নহৈ উচিত মতে ক্ষমা বিচাৰিবলৈ কোনো এজন ছাত্ৰই দাবী উত্থাপন কৰাত আঁঠু লৈ ক্ষমা বিচাৰে। যিটো আছিল যথেষ্ট আবেগিক। ইফালে, বৰ্ধিত মাচুল লোৱা কাৰ্য বন্ধ কৰাৰ দাবীত ক্ষুব্ধ ছাত্ৰ-ছাত্ৰীসকলে ডুমডুমা-ফিল'বাৰী ৰাজপথ অৱৰোধ কৰি প্ৰতিবাদী কাৰ্যসূচী সাব্যস্ত কৰে। এই সময়ছোৱাত পৰিস্থিতি ইমানেই উত্তপ্ত হৈ পৰে যদিও ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলগীয়া হয়। উক্ত স্থানতে ছাত্ৰ-ছাত্ৰীসকলে তীব্ৰ ভাষাৰে বিদ্যালয় কৰ্তৃপক্ষক ককৰ্থনা কৰে। পাছত বিদ্যালয় ছাত্ৰ একতা সভাই ঘটনাস্থলীত উপস্থিত থকা ফিল'বাৰী থানাৰ আৰক্ষী বিষয়াৰ জৰিয়তে ৰাজ্যৰ শিক্ষামন্ত্ৰীলৈ বৰ্ধিত মাচুল ৰেহাই দিয়া সন্দৰ্ভত এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত চৰকাৰী নিয়মক জলাঞ্জলি দিয়া বিদ্যালয় কৰ্তৃপক্ষৰ স'তে বিহিত ব্যৱস্থা ল'বলৈ দাবী জনাই পুৰণা পৰিচালনা সমিতিখন ভংগ কৰাৰ এখন নতুন পৰিচালনা সমিতি গঠনৰ দাবী জনায়।

ইপিনে, সমগ্ৰ ঘটনাৰ সন্দৰ্ভত আজি সংবাদ মাধ্যমৰ আগত শিক্ষয়িত্ৰীগৰাকীয়ে কয়, 'তেওঁলোকে মোক মানসিকভাৱে অত্যাচাৰ কৰিছিল। মই কোনো অপৰাধ কৰা নাছিলো। তেওঁলোকে প্ৰতিবাদ কৰোতে ধৰ্ণা কাৰ্যসূচীত মই কৈছিলো, কি ননচেন্সৰ দৰে কাম কৰিছা, তোমালোকে ভালদৰে কথা পতা' বুলি কওঁতে তেওঁলোকে মোক ননচেন্স বুলি কোৱাৰ কাৰণে ৰাজপথত সেৱা কৰাবলৈ বাধ্য কৰালে।' উল্লেখ্য যে ২০১৯ত প্ৰাদেশীকৃত হোৱা বিদ্যালয়খনত কে'বাজনো শিক্ষকৰ চাকৰি স্থায়ীকৰণ নোহোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সংগৃহীত মাচুলৰ পৰা তেওঁলোকক মাহিলি পাৰিতোষিক প্ৰদান কৰিবলগা হয় বুলি প্ৰকাশ কৰিছে শিক্ষয়িত্ৰী বৰাই। তদুপৰি ২৭ বছৰে শিক্ষকতা কৰা বিদ্যালয়খনৰ গৰিমাত যাতে কোনো ধৰণৰ বদনাম নালাগে, অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ যাতে বিনষ্ট নহয় তাৰ বাবে কামনা কৰে।

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৬ অক্টোবৰ, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

## চাবুৱাৰ খাদ্যত বিষক্ৰিয়াৰ ঘটনাৰ তদন্তৰ দাবী যুৱ-ছাত্ৰ পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ১৫ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলাৰ চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত বৰবাৰী আৰু আৰু দংগৰচুক গাঁৱৰ তিনি শতাধিক লোক এখন সকামৰ প্ৰসাদ খাই বিষক্ৰিয়াত আক্ৰান্ত হোৱাৰ পাছতে জিলা খনৰ প্ৰশাসন আৰু স্বাস্থ্য বিভাগ তৎপৰ হৈ উঠে আক্ৰান্তসকলক আৰোগ্য কৰি তোলাৰ বাবে। কেৱল উক্ত গাঁও দুখনেই নহয় ডিব্ৰুগড় চহৰ,দুলিয়াজান, ছয় পৃষ্ঠাত চাওক

## ‘দি ৰেইট’ অসম লালনা প্ৰাৰ্থনা গোস্বামীৰ চুটি ছবিয়ে দেশে-বিদেশে বুটলিছে সন্মান

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৫ অক্টোবৰ ঃ** ‘দি ৰেইটা।’ অপেক্ষা। ৰাজ্যৰ এক শ্বাসৰুদ্ধকাৰী পৰিৱেশ পৰিস্থিতিৰ সাৱলীল প্ৰকাশৰে দেশে-বিদেশে চুটি ছবিৰ এক বৰ্ণিল যাত্ৰাৰে আগবাঢ়িছে এগৰাকী অসম লালনা। মায়ানগৰী মুম্বাইৰ হিন্দু চলচ্চিত্ৰ জগতৰে পেছাদাৰীভাৱে আৰু দক্ষতাৰে যোৱা প্ৰায় ১২টা বছৰে কাম কৰি যোৱা তেজপুৰৰ প্ৰাৰ্থনা গোস্বামীৰ ১৫ মিনিটৰ এখন অসমীয়া চুটি ছবিয়ে দেশ-বিদেশৰ বহু দৰ্শক আৰু চিত্ৰ সমালোচকৰ হৃদয় জিনিবলৈ সক্ষম হৈছে। ইতিমধ্যে এইখন চুটি ছবিয়ে আমেৰিকাত পহিলা অক্টোবৰৰ পৰা আৰম্ভ হোৱা আৰু ২৮ অক্টোবৰলৈকে চলিবলগীয়া ‘তচবিৰ ফেষ্টিভেল’ত প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত হৈছে। পুনে চুটি ছবি মহোৎসৱত এইখন ছবিৰ বাবে প্ৰাৰ্থনাই লাভ কৰিছে শ্ৰেষ্ঠ নৱাগত নিৰ্দেশকৰ বঁটা। ছুইডেনৰ বি আই এফ এছত ‘দি ৰেইট’ এ লাভ কৰিছে প্ৰথমখন ছবিৰ শ্ৰেষ্ঠ সন্মান। একেই সন্মান লাভ কৰিছে ছুইডেনৰ এল আই এফ ছবি মহোৎসৱতো। তদুপৰি, মস্কোত অনুষ্ঠিত ইউৰেছিয়া ইন্টাৰনেছনেল ফিল্ম ফেষ্টিভেলত অসম কন্যা প্ৰাৰ্থনাই শ্ৰেষ্ঠ নিৰ্দেশকৰ সন্মান অৰ্জন কৰে। অসমীয়া ভাষাৰ এইখন চুটি ছবি জাৰ্মানীৰ ফ্ৰেংকফুটত অনুষ্ঠিত হ’বলগীয়া নিউজেনেৰেছনছ ইণ্ডিপেণ্ডেন্ট ইণ্ডিয়া ফিল্ম ফেষ্টিভেলত অহা ১১ নৱেম্বৰত প্ৰদৰ্শিত হ’ব। উল্লেখ্য যে ১৯৯০ৰ ছয় পৃষ্ঠাত চাওক

## ভূটিয়াপাৰাত চাওতাল জনগোষ্ঠীৰ দাসাই পৰ্ব

**অগ্ৰদূত বাৰ্তা**


**গৰুভাষা, ১৫ অক্টোবৰ ঃ** চিৰাং জিলাৰ গৰুভাষাৰ অন্তৰ্গত ভূটিয়াপাৰাত সাৰ্বজনীন দুৰ্গা পূজাস্থলীত আজি বিজয় দশমীৰ দিনা প্ৰতিমা বিসৰ্জনৰ পূৰ্বে চাওতাল জনগোষ্ঠীৰ পৰম্পৰাগত দাসাই নৃত্য চাবলৈ শতাধিক ভক্তপ্ৰাণ লোকে ভিৰ কৰে। প্ৰতিমা ছয় পৃষ্ঠাত চাওক

## দুৰ্গা পূজাৰ আনন্দৰ মাজতে গাভৰু চাহ বাগিচাত নৰকংকাল উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ-উল্লাসৰ মাজতে মৰিয়নিৰ গাভৰু চাহ বাগিচাত এটা নৰকংকাল উদ্ধাৰ হয়। মৰিয়নিৰ সমীপৰ দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত গাভৰু চাহ বাগিচাত কালি বাগিচাৰ শ্ৰমিকে এটা নৰকংকাল প্ৰত্যক্ষ কৰে। ঘটনা সম্পৰ্কে গাভৰু গাঁওৰক্ষী বাহিনীয়ে জানিব পাৰি লগে লগে দেবেৰাপাৰ আৰক্ষী চকীৰ আৰক্ষীক অৱগত কৰে। দেবেৰাপাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীপাংকৰ গগৈৰ নেতৃত্বত যোৱা আৰক্ষীয়ে বাগিচাখনৰ এক নম্বৰ ছেকচনত এটা জোপোহাৰ মাজৰ পৰা নৰকংকালটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। আৰক্ষীয়ে প্ৰাথমিক অনুসন্ধানৰ অন্তত নৰকংকালটো পুৰুষৰ বুলি সন্দেহ কৰিছে। কংকালটোত নীলা বগা ছয় পৃষ্ঠাত চাওক

### সোঁতৰ বিপৰীতে



## ■ বটদ্ৰৱা থানত ব্যাপক উলহ-মালহেৰে গুৰুজনাৰ ৫৭৩ সংখ্যক জন্মজয়ন্তী উৎসৱ উদ্‌যাপন ■ থানত উপস্থিত হৈ আশিস ল’লে আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই

# হৰিনামৰ ধ্বনিৰে মুখৰিত বটদ্ৰৱাৰ আকাশ-বতাহ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/বটদ্ৰৱা, ১৫ অক্টোবৰ ঃ** ‘হৰি নাম ৰস/অমৃত নিধিক বান্ধি/গুপ্ত কৰি থৈলা দেৱগণে/দয়ালু শংকৰে পাই/তুলি মুদ ভাংগি নহয় দিলা/সুখে পান কৰে সৰ্বজনে।’ অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী উপলক্ষে পবিত্ৰ জন্মস্থান বটদ্ৰৱাৰ আকাশ-বতাহ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱা থানত তেৰাৰ ৫৭৩ সংখ্যক জন্মজয়ন্তী উৎসৱ কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কালি পুৱা তাল কোবোৱা প্ৰসংগ, মঞ্জিৰা নাম, আইসকলৰ নাম, খোল প্ৰসংগ আৰু দুপৰীয়াৰ মূল নাম- প্ৰসংগ অনুষ্ঠিত হয়। ইয়াৰ পাছতে প্ৰসাদ বিতৰণি অনুষ্ঠান আৰু বিয়লিৰ ভাগত থানৰ নিত্য নৈমিত্তিক চৈধ্য প্ৰসংগৰ উপৰি বিয়লি থানৰ নাটঘৰত ভকত বৈষ্ণৱ-আই-মাতৃসকলৰ উপস্থিতিত গুৰু চৰিত পাঠ সম্পন্ন হয়। ইপিনে, আজি পুৱা তাল কোবোৱা প্ৰসংগ, মঞ্জিৰা নাম, আইসকলৰ নাম, লগতে পুৱা বটদ্ৰৱাৰ শলগুৰি, নৰোৱা সত্ৰ প্ৰদক্ষিণ কৰি ভকত বৈষ্ণৱে উষা কীৰ্তন কৰে। ইয়াৰ পাছতে স্থানীয় নামতী দলে আকাশীগংগাৰ তীৰৰ আই খেৰসূতি সাংস্কৃতিক মঞ্চত দিহানাম পৰিৱেশন কৰে। দুপৰীয়া মূল নাম-প্ৰসংগৰ পাছতে বিয়লি নাটঘৰ চৌহদত চৰিতপাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। বিয়লি তিনি বজাৰ পৰা আই খেৰসূতি সাংস্কৃতিক মঞ্চত দিহানাম সমাৰোহ অনুষ্ঠিত হয়। সন্ধিয়া বটদ্ৰৱা থানৰ চৌহদ, আকাশীগংগা চৌহদ, দৌল মন্দিৰ আৰু সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত ৫৭৩ গছি বন্তি প্ৰজ্বলন কৰি থানখনক আলোকিত কৰি তোলা হয়। তদুপৰি থানৰ সকলো লোকৰে গৃহৰ প্ৰৱেশদ্বাৰত মিঠাতেলৰ চাকি-বন্তিৰ উজ্জ্বল আলোকেৰে আলোকিত এক দৃষ্টিনন্দন পৰিৱেশৰ সৃষ্টি কৰে। ইপিনে, গুৰু জয়ন্তীৰ লগত সংগতি ৰাখি বটদ্ৰৱাৰ দুয়োখন ঐতিহ্যময় সত্ৰৰ প্ৰতিঘৰ ভকত বৈষ্ণৱৰ পদূলিয়ে পদূলিয়ে কলৰ পুলি পুতি স্থাপন কৰা বন্তি প্ৰজ্বলনৰে সত্ৰৰ পৰম্পৰাৰ ঐতিহ্যময় ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখে। উল্লেখ্য যে পূৰ্বৰ বছৰসমূহত বটদ্ৰৱা থানত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ছয় পৃষ্ঠাত চাওক

## শ্ৰীৰামপুৰত এজন লোকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৫ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰস্থিত বন বিভাগৰ পৰিদৰ্শন বঙলাৰ নিচেই কাষতে বুধবাৰে পুৱা এটি পৰিত্যক্ত স্থানত এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। স্থানীয় লোকে বুধবাৰে পুৱা বন বিভাগৰ বঙলাৰ পকী দেৱালৰ কাষত এটি মৃতদেহ পৰি থকা প্ৰত্যক্ষ কৰে আৰু বিষয়টো শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো প্ৰত্যক্ষ কৰে আৰু কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত মৃতদেহটো থানালৈ নিয়ে। প্ৰায় ৪০ উৰ্ধ্বৰ ছয় পৃষ্ঠাত চাওক

## বায়ন ৰঞ্জিত ভূঞাক ‘শিল্পীপ্ৰাণ’ উপাধি প্ৰদান

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**যোৰহাট, ১৫ অক্টোবৰ ঃ** যোৰহাট গৰুমৰাৰ বায়ন ৰঞ্জিত ভূঞাক ভৰত চলিহা সোঁৱৰণী ন্যাসে আজি শিল্পী প্ৰাণ উপাধি প্ৰদান কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মোৎসৱ ৰান্ধনীজান নামঘৰত পালন কৰা হয়। এই জন্মোৎসৱস্থলীতে ভৰত চলিহা সোঁৱৰণী ন্যাসৰ সভাপতি দিগন্ত ৰাজখোৱা, সম্পাদক প্ৰণৱজ্যোতি দত্ত , সহকাৰী সম্পাদক কাৰ্তিক দত্ত, কোষাধ্যক্ষ বিমান শইকীয়া, সদস্য বিপিন শইকীয়া, সুশীল শইকীয়া, গজেন কলিতা, হেমন্ত দত্ত, সঞ্জীৱ বৰা, দেৱাশিষ চলিহা আৰু চৰকাৰী গাঁওবুঢ়া পূৰ্ণিমা দত্তৰ হৈ সভাপতি ৰাজখোৱাই ৰঞ্জিত ভূঞাক অংগ বস্ত্ৰৰ লগতে উপাধিৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে ছয় পৃষ্ঠাত চাওক

■ তিলক চন্দ্ৰ মজুমদাৰক ‘মাইলছ ব্ৰন্সন’ বঁটা

## ড° নৰেন কলিতালৈ অসম সাহিত্য সভাৰ ‘প্ৰজ্ঞাভূষণ’ সন্মান



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ অক্টোবৰ ঃ** নগাঁৰৰ কমলাদেৱী তোদী স্মৃতি ভৱনত কালি অনুষ্ঠিত লক্ষ্মীনাথ বেজবৰুৱাৰ ওপজা দিনৰ অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাই আঁত ধৰা সন্মান প্ৰদান অনুষ্ঠানত বিশিষ্ট গৱেষক পণ্ডিত ড° নৰেন কলিতাক অসম সাহিত্য সভাৰ ২০১৮-২০ৰ বিশেষ সন্মানৰূপে ‘প্ৰজ্ঞাভূষণ’ সন্মান প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া আৰু প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই। এই বঁটাত আছে গামোচা, চেলেং, গ্ৰন্থৰ টোপোলা, স্মাৰক আৰু মানপত্ৰ। অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত অসম সাহিত্য সভাৰ উত্তৰ আমেৰিকা শাখা সাহিত্য সভা ড° মাইলছ ব্ৰন্সন ছয় পৃষ্ঠাত চাওক

## সাংসদৰ জ্যেষ্ঠ ভ্ৰাতৃৰ মৃতদেহ ব্ৰহ্মপুত্ৰত উদ্ধাৰ

■ আত্মহত্যাৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ মাজতে তেজপুৰৰ জাহাজঘাটত জ্যেষ্ঠ অগপ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ ভ্ৰাতৃৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। তথ্য মতে, দুৰ্গা পূজাৰ অষ্টমী তিথি তথা ১৩ অক্টোবৰৰ পুৱা ৬-০০ বজাত তেজপুৰ জাহাজঘাটৰ ৰেল ষ্টেছনৰ সমীপৰ দলঙৰ তলত ব্ৰহ্মপুত্ৰৰ পানীত ওপঙি থকা অৱস্থাত স্থানীয় ৰাইজে এজন লোকৰ মৃতদেহ প্ৰত্যক্ষ কৰে। পাছত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত মৃতদেহটো তেজপুৰৰ লাচিত চক্ৰৰ বাসিন্দা তথা সমাজকৰ্মী কমলা বৈশ্য (৭৪)ৰ বুলি চিনাক্ত কৰা হয়। অগপৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যসভাৰ ছয় পৃষ্ঠাত চাওক

## জামুগুৰিহাটত শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী উৎসৱ পালন



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৫ অক্টোবৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে শোণিতপুৰ জিলাৰ ঐতিহ্যমণ্ডিত জামুগুৰিহাটতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মজয়ন্তী উৎসৱ পালন কৰা হয়। আজি জামুগুৰিহাটৰ ৰঙাচকুৱাৰ ঔহোলা গাঁৱৰ পৰা ঢেকেৰীগাঁও নামঘৰলৈ উলিওৱা হয় ধৰ্মীয় শোভাযাত্ৰা। ঔহোলা নামঘৰৰ পৰা ভাগৱত শিৰত লৈ ঢেকেৰীগাঁও ছয় পৃষ্ঠাত চাওক

## তেজপুৰ-ডিমৌত দুৰ্ঘটনাত নিহত তিনি

■ মহাষ্টমীৰ নিশা ডিমৌত দুই যুৱকৰ মৃত্যু ■ আত্মহত্যাৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ/তেজপুৰ, ১৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ মাজতে তেজপুৰ আৰু ডিমৌত সংঘটিত পথ দুৰ্ঘটনাত তিনিজনকৈ লোকৰ মৃত্যু হয়। মহাষ্টমীৰ সন্ধিয়া পূজাৰ আনন্দ-উল্লাসৰ মাজতে ডিমৌৰ সমীপৰ দিহাজান কচুমাৰীত ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাত দুজন যুৱকৰ মৃত্যু হয়। মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত কচুমাৰীত মৰাণৰ পৰা ৰাজমাই অভিমুখী এ এছ-০৪ এ এ-৭৬৪৪ নম্বৰৰ মটৰ ছয় পৃষ্ঠাত চাওক

আশাকৰ্মী-অগপৰ জন্মলগ্নৰ জ্যেষ্ঠকৰ্মীক ৰাজহুৱা সম্বৰ্ধনা

## খানামুখত অগপৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৫ অক্টোবৰ ঃ** অগপৰ পশ্চিম গুৱাহাটী বিধান পৰিষদৰ উদ্যোগত, এক নম্বৰ ৱাৰ্ড অগপ, যুৱ পৰিষদ, মহিলা পৰিষদ আৰু ছাত্ৰ বিধান পৰিষদৰ সহযোগত যোৱা ১৪ অক্টোবৰত খানামুখ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ প্ৰাংগণত অগপৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। পুৱা দলৰ পতাকা উত্তোলনেৰ কাৰ্যসূচীৰ মুকলি কৰে অগপৰ ছয় পৃষ্ঠাত চাওক




## শামুকৰ পেটত মুকুতা তৈয়াৰ কৰিও উপযুক্ত বজাৰৰ অভাৱত হতাশা



■ হেমেন কুমাৰ দাস

**নগাঁও, ১৫ অক্টোবৰ ঃ** ওচৰৰ খাল-বিলত উপলব্ধ কাণখোৱা শামুকৰ জৰিয়তে মুকুতা উৎপাদনৰে অসমত মুকুতা বিপ্লৱৰ সূচনা কৰা নগাঁও জিলাৰ ধিং বেছামাৰীৰ ৰুলেন হাজৰিকাই চৰকাৰী সহযোগিতাৰ অভাৱ আৰু ক’ভিডসৃষ্ট জটিল পৰিস্থিতিৰ বাবে ভীষণ সমস্যাৰ সন্মুখীন হ’বলগীয়া হৈছে। সাগৰীয় শামুকৰ পেটতহে মুকুতা পোৱা যায় বুলি সৰ্বসাধাৰণ ৰাইজৰ মনত থকা ধাৰণাক মিছা প্ৰমাণিত কৰি ঘৰৰ পুখুৰীত থকা শামুকৰ জৰিয়তেও উৎকৃষ্ট মানৰ মুকুতা উৎপাদনৰে ৰাজ্যখনত এক মুকুতা বিপ্লৱৰ ছয় পৃষ্ঠাত চাওক

■ চৰকাৰী সহযোগিতা লাভ কৰিবলৈ সক্ষম হোৱা নাই মুকুতা খেতিৰ বাটকটীয়া ৰুলেন হাজৰিকাই ■ ৬৫ হেজাৰ টকাৰ মূলধনৰে আৰম্ভ কৰা মুকুতা খেতিৰ পৰা বছৰি উপাৰ্জন চাৰি লাখ টকা

■ দুই লাখ টকা জব্দ

## ভৱানীপুৰৰ উপ-নিৰ্বাচনৰ বাবে ব্যয় পৰ্যবেক্ষক উপস্থিত

**বিশেষ সংবাদদাতা**

**পাঠশালা, ১৫ অক্টোবৰ ঃ** বজালী জিলাৰ ভৱানীপুৰ বিধানসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনক লৈ জিলা প্ৰশাসনে তৎপৰতা প্ৰদৰ্শন কৰিছে। নিৰ্বাচনক লৈ গঠন কৰা কোষবোৰে নিজস্ব দায়িত্ব পালন কৰিছে। ইপিনে, যদিও উপায়ুক্ত ভাৰতভূষণ দেৱচৌধুৰীয়ে সকলো দিশতে সতৰ্ক দৃষ্টি ৰাখিছে। নিৰ্বাচনৰ সময়ছোৱাত যাতে কোনেও অসৎ উপায়, অবৈধভাৱে ধনৰ সৰবৰাহ কৰিব নোৱাৰে তাৰ বাবে তৎপৰতাৰে অনুসন্ধান চলাবলৈ উপায়ুক্তই আৰক্ষী আৰু স্থিৰ নিৰীক্ষণকাৰী কোষক নিৰ্দেশ দিছে। এনে প্ৰেক্ষাপটতে কালি ভৱানীপুৰ আৰক্ষী আৰু স্থিৰক নিৰীক্ষণকাৰী কোষৰ অভিযানত সমষ্টিটোৰ মাজগাঁৱৰ সমীপত এখন ছয় পৃষ্ঠাত চাওক

## মানৱ দৰদী চিকিৎসক ডিম্বেশ্বৰ দুৱৰাৰ পৰলোক



**ষ্টাফ ৰিপ’ৰ্টাৰ**

**যোৰহাট, ১৫ অক্টোবৰ ঃ** মানৱ দৰদী চিকিৎসক যোৰহাটৰ প্ৰথমগৰাকী ৰঞ্জন ৰশ্মি বিশেষজ্ঞ, অৱসৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, লেখক, কবি, গীতিকাৰ, সুৰকাৰ ডিম্বেশ্বৰ দুৱৰা (৯০) আৰু নাই। ক’ভিড আক্ৰান্ত হৈ মঙলবাৰে নিশা যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। ডাঃ দুৱৰা বহুমুখী প্ৰতিভাৰ আকৰ আছিল। ১৯৩১ত যোৰহাটৰ জেইল ৰোডত জন্মগ্ৰহণ কৰা দুৱৰাই ১৯৫৬ত অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা এমবিবিএছ ডিগ্ৰী গ্ৰহণ কৰি পৰৱৰ্তী সময়ত ১৯৭৩ দিল্লীৰ ইণ্ডিয়ান ছ’চাইটি অৱ কমিউনিকেবল ডিজিৰ পৰা এফআইএছডি ফেল’শ্বিপ লাভ কৰে। ১৯৮৪ত গোৱালপাৰাত অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰূপে কৰ্ম জীৱনৰ পাতনি মেলা দুৱৰাই ১৯৮৯ত অসম চিকিৎসা মহাবিদ্যালয়ৰ অন্তৰ্গত চাবুৱা গ্ৰাম্য স্বাস্থ্য প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা অধ্যক্ষৰূপে অৱসৰ গ্ৰহণ কৰে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স’তে জড়িত দুৱৰা অসম সাহিত্য সভাৰ হিতৈষী সদস্য, ডাঃ জীৱ কান্ত শইকীয়া হোমিওপেথিক চিকিৎসা মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক, অসম সত্ৰীয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ কোষাধ্যক্ষ, শংকৰদেৱ কলা কৃষ্টি কেন্দ্ৰৰ উপদেষ্টা, অসম সত্ৰ মহাসভা, পেঞ্চন সন্থা, চিকিৎসা সন্থাৰ লগত জড়িত আছিল। ১৯৫৪ত অসম চিকিৎসা মহাবিদ্যালয়ৰ আলোচনী ‘একলম’ৰ সম্পাদকৰ দায়িত্ব পালন কৰা ডাঃ দুৱৰাৰ কে’বাখনো নাটক অনাতাঁৰ ছয় পৃষ্ঠাত চাওক

■ পাঁচটা ম’বাইল ফোনসহ নগদ ধন জব্দ ■ গছ বগৰাই হোজাইৰ ডবকাত নিশা সংঘটিত কৰিছিল ডকাইতি

## ডকাইতি কাণ্ডত জড়িত পাঁচ ডকাইত গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৫ অক্টোবৰ ঃ** হোজাই জিলাৰ ডবকাৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় পথ শালবাগানত সংঘটিত লোমহৰ্ষক ডকাইতি কাণ্ডত মূল অভিযুক্তসহ চাৰিজনক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। এক বিশেষ সূত্ৰৰ পম খেদি আতাউৰ ৰহমান ওৰফে বাটুল আৰু মহিবুৰ ৰহমান ওৰফে দলাই নামৰ ডকাইত দুজনক গ্ৰেপ্তাৰ কৰি তদন্ত চলায়। ডবকা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অমৃত সিঙৰ নেতৃত্বত যোৱা ডকাইতৰ দলে পাছত তেওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত মৰিগাঁও জিলাৰ মৈৰাবাৰীত অভিযান চলাই মূল অভিযুক্ত মজিবুৰ ৰহমানক গ্ৰেপ্তাৰ কৰে। মজিবুৰ ডবকা দীঘলজাৰণি গাঁৱৰ বাসিন্দা। ডকাইতি কাণ্ড সংঘটিত কৰিয়ে মৰিগাঁৱলৈ পলায়ন কৰিছিল মজিবুৰে। ইপিনে, ডবকাৰ কছাৰীগাঁৱৰ পৰা নুৰুদ্দিন আৰু সদৰ গাঁৱৰ পৰা ফইজুদ্দিন নামৰ আন দুজনকো গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ধৃত ডকাইতকেইজনৰ পৰা আৰক্ষীয়ে পাঁচটা ম’বাইল আৰু সাত হেজাৰ টকা উদ্ধাৰ কৰিছে। ঘটনাৰ লগত জড়িত আনকেইজনৰ সন্ধানত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। উল্লেখ্য যে যোৱা ১২ অক্টোবৰৰ নিশা ডবকাৰ ৰাষ্ট্ৰীয় ঘাইপথ শালবাগানত এটা আঠ-১০ জনীয়া ডকাইতৰ দলে পথৰ ওপৰত প্ৰকাণ্ড শালগছ পেলাই বহুকেইখন বাহনত লুটপাট চলাইছিল ডকাইতৰ দলটোৱে। ডবকা-ডিফু ৰোডৰ ডবকা সংৰক্ষিত বনাঞ্চলৰ শালবাগানত ডকাইতি কাণ্ড সংঘটিত কৰা ডকাইতৰ দলটোৱে বহুকেইজন যাত্ৰীৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাইছিল। তাজউদ্দিন নামৰ এজন যুৱকক বেয়াকৈ মাৰধৰো কৰিছিল ডকাইতৰ দলটোৱে। শাৰদীয় দুৰ্গোৎসৱৰ মাজতে সংঘটিত ডকাইতি কাণ্ডই ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ২৯ আহিন ১৪২৮ ভাস্কৰাব্দ ১৬ অক্টোবৰ ২০২১

## ইতিবাচক পৰিৱৰ্তন

শাৰদীয় দুৰ্গোৎসৱ এইবাৰ ৰাজ্যজুৰি অনাড়ম্বৰভাৱে পালিত হ'ল। সাধাৰণতে দুৰ্গা পূজাৰ বতৰত ব্যাপক জাক-জমকতাৰ আয়োজন ৰাইজে প্ৰত্যক্ষ কৰি আহিছে; কিন্তু এইবাৰ ৰাজ্যৰ প্ৰায়বোৰ অঞ্চলতে দুৰ্গোৎসৱ পালিত হ'লেও পূৰ্বৰ জাক-জমকতা পৰিলক্ষিত নহ'ল। গুৱাহাটীত আজি-কালি প্ৰায়বোৰ উৎসৱ-পাৰ্বণ অতি আড়ম্বৰতাৰে পালন কৰা হয়। এনে অতি জাক-জমকীয়া আয়োজনৰ ফলত ধৰ্মীয় উৎসৱসমূহৰ আধ্যাত্মিক গুৰুত্ব বহুখিনি হ্ৰাস পাইছে; কিন্তু সুখৰ কথা যে এইবাৰ দুৰ্গা পূজা এনে অনৰ্থক আড়ম্বৰতাৰ পৰা বহুখিনি মুক্ত হ'ল; কিন্তু হঠাতে দুৰ্গোৎসৱ জাক-জমকহীন হ'ল কেনেকৈ? দৰাচলতে কৰ'নাসৃষ্ট পৰিস্থিতিয়েহে এইবাৰ দুৰ্গা পূজাৰ আড়ম্বৰতা হৰণ কৰিলে। চৰকাৰেও পূজা এইবাৰ অনুষ্টুপীয়াকৈ ক'ভিড বিধি পালনেৰে অনুষ্ঠিত কৰিবলৈ আহ্বান জনাইছিল আৰু পূজাৰ আয়োজক সমিতিসমূহেও নিয়ম মানি দুৰ্গোৎসৱ উদ্‌যাপন কৰে। ফলত দীৰ্ঘ দশকৰ পাছত এইবাৰ অসমবাসীয়ে শৰতৰ বতৰত আধ্যাত্মিক পৰিৱেশ এটা অনুভৱ কৰিব পাৰিলে। ক'বলৈ গ'লে কৰ'নাৰ ব্যাপক সংক্ৰমণ ৰাজ্যবাসীৰ বাবে আধ্যাত্মিকতাৰ দিশৰ পৰা এক আশীৰ্বাদত পৰিণত হ'ল। ক'ভিডৰ সংক্ৰমণেই আমাক ধৰ্মীয় উৎসৱ পালনত অনাহক জাক-জমকতাক আদৰি লোৱাত বাধাদান কৰিলে আৰু সুদীৰ্ঘ দশকৰ পাছত আমি সকলোৱে দুৰ্গোৎসৱৰ দৰে ধৰ্মীয় উৎসৱ পালনৰ প্ৰকৃত তাৎপৰ্য অনুভৱ কৰাৰ সুযোগ লাভ কৰিলো।

ধৰ্মীয় উৎসৱসমূহক অতি আড়ম্বৰতাই গ্ৰাস কৰাৰ ফলত আধ্যাত্মিকতাৰ যথেষ্ট ক্ষতি হৈছিল। ধৰ্মীয় উৎসৱ বা ৰীতি-নীতি পালনৰ প্ৰকৃত তাৎপৰ্য অনুভৱ নকৰি সমাজৰ বহুতেই আজি শৰতৰ উৎসৱ বুলিলেই কেৱল মেলামুখী জাক-জমকতা আৰু আনন্দ-স্ফূৰ্তিকহে বুজিছিল; কিন্তু এইবাৰৰ দুৰ্গোৎসৱ পালনত জাক-জমকতাৰ পৰিৱৰ্তে আধ্যাত্মিকতাই পুনৰ গুৰুত্ব লাভ কৰিলে। তদুপৰি এইবাৰৰ দুৰ্গোৎসৱত পূৰ্বৰ তুলনাত বহু বিতৰ্কিত বলি-বিধানৰ সংখ্যাও সীমিত প্ৰত্যক্ষ হ'ল। এয়াও এক ইতিবাচক দিশ। মুঠতে এইদৰে আধ্যাত্মিক পৰিৱেশত ধৰ্মীয় উৎসৱ পালন অব্যাহত ৰাখিব পাৰিলে নিশ্চিতভাৱে আমাৰ বহু উৎসৱ-পাৰ্বণ অতি জাক-জমকতাৰ কৱলমুক্ত হ'ব পাৰিব। অৱশ্যে জলবায়ু পৰিৱৰ্তনৰ কুফল হিচাপে এইবাৰ অসমবাসীয়ে অক্টোবৰৰ মাজভাগতো শৰতৰ শীতলতাৰ মাজত দুৰ্গোৎসৱ উপভোগ কৰাৰ পৰিৱৰ্তে প্ৰচণ্ড গৰমত ছাটি-ফুটি কৰিব লগা হৈছে। দৰাচলতে মানৱসৃষ্ট গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিণতিতে এইদৰে আজি শীতৰ আগমনৰ সময়ত আমি অতি গ্ৰীষ্মৰ পৰিৱেশৰ সন্মুখীন হৈছো।

দুৰ্গোৎসৱৰ অন্ত পৰিল; কিন্তু সন্মুখত আন কে'বাটাও উৎসৱ আছে। এই সমূহ উৎসৱ পালনতো সকলোৱে সতৰ্কতা পালনৰ লগতে আড়ম্বৰতা পৰিহাৰ কৰি চলা উচিত হ'ব। দীপাৱলীৰ সময়তে আমাৰ দেশত সৰ্বাধিক বায়ু প্ৰদূষণ হৈ আহিছে। উচ্চতম ন্যায়ালয়ে যোৱা বছৰতে দীপাৱলীত আতচ্‌বাজীত নিষেধাজ্ঞা আৰোপ কৰিছিল আৰু এইবাৰো এই নিষেধাজ্ঞা বাহাল ৰাখিছে। বায়ু প্ৰদূষণ ৰোধৰ স্বাৰ্থতে আগন্তুক দীপাৱলীতো সকলোৱে ফটকা ফুটুৱা, আতচ্‌বাজী কৰাৰ পৰা বিৰত থকাটো অতি জৰুৰী হৈছে। প্ৰদূষণ নিয়ন্ত্ৰণ সম্ভৱ হ'লে প্ৰকৃতিয়েও কিছু সকাহ লভিব আৰু আমি শৰতৰ বতৰত অত্যধিক উত্তাপ সহ্য কৰিব নালাগিব। অনাহক জাক-জমকতা এৰাই চলি এইবাৰৰ দুৰ্গোৎসৱৰ দৰে প্ৰতিবাৰে আমাৰ উৎসৱসমূহ পালনৰ পূৰ্বৰ পৰম্পৰাক আদৰি ল'লে এই পৃথিৱীৰ বাবেই মংগলজনক হ'ব।

## খোলা মঞ্চ

### অসমৰ সৰ্বদিশত দুৰ্দশাৰ বাবে জগৰীয়া কোন বুলি ভাবে?



**স্বাধীনতাৰ** ৭৫ বছৰ পাছত দেশবাসীয়ে কি পালে বা আমি কি পালো সেই কথাখিনি নিজৰ পদূলিমুখত থিয় হৈ মনৰ মাজত জুকিয়াই থাকোতেই মনলৈ আহিল আমাৰ অতীতৰ অতিকৈ পিছপৰা এই গাঁওখনৰ কথা। আজিৰ পৰা ৭৫ বছৰ নালাগে ৪০/৫০ বছৰ আগৰ এই গাঁওখন হাবি-জংঘলেৰে ভৰপূৰ এক দুৰ্গম অঞ্চল আছিল। বাট-পথ বুলিবলৈ আজিৰ দৰেই তেনেই কোনো সুচল নাছিল। দিনহে এই গাঁওবোৰত বাঘ, ভালুক, হাতী আদি জন্তুবোৰৰ ভয়ত গাঁৱৰ মানুহে অহা-যোৱা কৰিবলৈ ভয় কৰিছিল। জংঘলৰ মাজেৰে সুৰ-সুৰীয়া বাট-পথেই আছিল আমাৰ গাঁওবোৰৰ যোগাযোগৰ একমাত্ৰ ব্যৱস্থা। গাঁওখনৰ বেমাৰী লোকসকলক চহৰৰ চিকিৎসকৰ ওচৰত নিবলৈও এক ডাঙৰ সমস্যা হৈছিল। অনুন্নত বাট-পথৰ বাবে মানুহে বেমাৰী লোকসকলক সাঙী কৰি বা পিঠিত তুলি নাইবা গৰুগাড়ীৰে চহৰলৈ বাটকুৰি বাই নিবলগীয়াত পৰিছিল। ফলত বেমাৰী/ৰুগীয়া লোকসকলে ডাঙৰৰ ওচৰ পোৱাৰ আগতেই মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। সেই সময়ত চিকিৎসক বুলিলৈ তেনে কোনো চিকিৎসকৰ অভাৱ হৈছিল। পৰাপক্ষত গাঁৱৰ হোজা মানুহে চিকিৎসকৰ ওচৰলৈ নগৈ বেজ, কবিৰাজ আৰু জৰা-ফুকা কৰি ৰোগীক চিকিৎসা কৰিছিল। ফলত অধিক সংখ্যক ৰোগীৰেই উচিত চিকিৎসাৰ অভাৱত মৃত্যু হৈছিল। ভাল চিকিৎসক এজন বিচাৰি পোৱাতো সুদূৰ পৰাহত আছিল। কলেৰা, বসন্ত, গ্ৰহণী, যক্ষ্মা আদি মহামাৰীত জাকে জাকে মানুহৰ মৃত্যু হৈছিল। আমাৰ গাঁৱতেই সেই সময়ত ৪০/৫০ বছৰ আগত প্ৰতিঘৰ মানুহৰ দুই/তিনিজনকৈ লোকৰ এই ভয়ানক মহামাৰীত মৃত্যু হৈছিল। অন্ধবিশ্বাস, কুসংস্কাৰ, জৰা-ফুকা, কবিৰাজি আদিত মানুহে বিশ্বাস কৰিছিল। যিহেতু চিকিৎসাৰ কোনো বিকল্প নাছিল; কিন্তু আজি আমি স্বাধীনতাৰ ৭৫ বছৰ পাছত চিকিৎসাৰ ক্ষেত্ৰত এক আমূল পৰিৱৰ্তন দেখিবলৈ পাইছো। প্ৰতিখন গাঁৱৰ মাজত একোখনকৈ উপ-স্বাস্থ্যকেন্দ্ৰ গঢ়ি উঠিছে। প্ৰতিটো মহকুমাৰ সদৰত একোখনকৈ উন্নত মানৰ ৰাজ্যিক চিকিৎসালয় আছে। তদুপৰি অতিকে উন্নত মানৰ বহুকেইখন চিকিৎসা মহাবিদ্যালয় ইতিমধ্যে চৰকাৰে স্থাপন কৰি দিনে-নিশাই দুখীয়া ৰাইজলৈ সেৱা আগবঢ়াই আহিছে। আমাৰ পিছপৰা গাঁওবোৰৰ ৰোগীবোৰক আজি আৰু সাঙী কৰি বা গৰুগাড়ীত লৈ চিকিৎসালয়লৈ আনিব লগা নহয়। এতিয়া এই গাঁওবোৰৰ বাট-পথৰ সুন্দৰ ব্যৱস্থা হৈছে। অতীতৰ হাবি-জংঘলৰ মাজৰ সুৰ-সুৰীয়া ভয়লগা দুৰ্গম বাট-পথৰ সলনি ব্লক পৰা বা পকী কৰা ৰাস্তা-ঘাট হৈ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ পথ সুচল হৈ পৰিছে। তাতোকৈ আচৰিত কথা ঘৰতেই বহি থাকি ১০৮ নম্বৰ হেঁচা মাৰিলেই ঘৰৰ সন্মুখলৈ আহি যায় ৰোগী কঢ়িওৱা এম্বুলেঞ্চ গাড়ী। পইচাও ভৰিব নালাগে ৰোগীৰ গৃহস্থই।

**বাবুল দাস,** লেখক

সৰু কালত আমি কেৰাচিন তেলৰ চাকি জ্বলাই পঢ়া-শুনা কৰিছিলো। বিয়া-সভা আদিতো কেৰাচিন তেলৰ পেট্ৰমাক্স লাইট জ্বলাই বিয়া পতা দেখা পাইছো। আজিৰ ল'ৰাহঁতে চাকি জ্বলাই পঢ়া-শুনা কৰিব নালাগে। টিপা মাৰিলেই লাইট জ্বলে। গাঁও নে চহৰৰ লাইটৰ পোহৰত চিনিবই নোৱাৰি। দিন-ৰাতি সমানে জিকমিকাই থাকে। ঘৰে ঘৰৰ ফ্ৰিজ, টিভি, হাতে হাতে দামী ম'বাইল ফোন, নেট, ইন্টাৰনেটৰ সহায়ত দেশ-বিদেশৰ খবৰ পোৱা, পঢ়া-শুনা কৰা আদি কাম ঘৰৰ পৰাই কৰিব পাৰি। এই সকলোবোৰ ৭৫ বছৰীয়া স্বাধীনতাৰেই সুফল জনসাধাৰণে পাইছে। খেতি কৰিবলৈ আজি বলদ গৰু নালাগে। চৰকাৰে খেতি কৰিবলৈ ট্ৰেক্টৰ যোগান ধৰিছে। বিনামূলীয়া চাউলকণো ঘৰে ঘৰে চৰকাৰে যোগান ধৰিছে। আইসকলেও প্ৰতি মাহৰ ১০ তাৰিখে বিনাকৰ্মই এহেজাৰ টকাকৈ পাই আহিছে।

যিটো সময়ত ব্ৰহ্মপুত্ৰৰ ওপৰত এখনো দলং নাছিল আজি কিন্তু স্বাধীনতাৰ পাছত তিনিখনকৈ দলং নিৰ্মাণ হৈছে আৰু ভৱিষ্যতে ব্ৰহ্মপুত্ৰৰ ওপৰত কে'বাখনো দলং নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰি থকা হৈছে। মুঠৰ ওপৰত ক'বলৈ গ'লে সাগৰ সিঁচি মাণিক তুলি স্বাধীনতাৰ ৭৫ বছৰীয়া শাসনে সামাজিক, অৰ্থনৈতিক আদি সকলো দিশতে আগুৱাই লৈ গৈ ভৱিষ্যতে অসম তথা ভাৰতবৰ্ষক বিশ্বৰ বুকুত চমক সৃষ্টি কৰিব বুলি আশা কৰিব পাৰি।

*ফোন ঃ ৯৮৬৪০৪৮৬৬৯*

# কংগ্ৰেছত বিচাৰধাৰাৰ সংকট পৰিয়ালতন্ত্ৰৰ উলংগ স্বৰূপ



**অবলোকন**
**ড° জয়কান্ত শৰ্মা**



অলপতে কপিল ছিবালে স্বগৃহত আয়োজিত এখন সংবাদমেলত কংগ্ৰেছৰ নেতৃত্ব সন্দৰ্ভত কেতবোৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিলে। ছিবালে প্ৰশ্ন কৰিছে, 'দলৰ সিদ্ধান্তবোৰ কোনে লয়? দেশত কংগ্ৰেছ দলে বিৰোধীৰ ভূমিকা পালন কৰিব পৰা নাই; বিভিন্ন ৰাজ্যৰ কংগ্ৰেছী নেতাই এজন এজনকৈ আন দলত যোগ দিছেগৈ আৰু আমি অসহায়ভাৱে ৰাজনীতিত অপ্ৰাসংগিক হ'বলৈ ওলাইছো। এনেকৈ কিমানদিন চলিব? দলৰ স্থায়ী অধ্যক্ষ নাই, কেন্দ্ৰীয় কংগ্ৰেছ সমিতিৰ সভাও (CWC) অনুষ্ঠিত কৰা নহয়।'

উল্লেখ্য যে কপিল ছিবাল কংগ্ৰেছৰ তথাকথিত জি-২৩ গোটটোৰ অন্যতম সদস্য; ২৩ জনীয়া গোটটোৱে বিগত এবছৰ ধৰি ভাৰপ্ৰাপ্ত অধ্যক্ষ ছোনিয়া গান্ধীৰ ওচৰত দাবী জনাই আহিছে, চি ডব্লিউ চি সভা শীঘ্ৰে অনুষ্ঠিত কৰিব লাগে আৰু দলক বলিষ্ঠ নেতৃত্ব দিবলৈ আমাক এগৰাকী স্থায়ী অধ্যক্ষৰ প্ৰয়োজন। ভাৰপ্ৰাপ্ত অধ্যক্ষই কংগ্ৰেছক সঞ্জীৱিত কৰিব নোৱাৰে। কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ছোনিয়া গান্ধী; ২৩ জনীয়া গোটটোক তেওঁ বিসম্বাদী বুলি গণ্য কৰে। সন্দেহ নাই, ছিবালৰ সংবাদ মেলত মূলতঃ গান্ধী পৰিয়ালৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ পাইছিল। সেয়েহে তাৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া হ'ল। এঘণ্টামানৰ পাছতে ৰাহুল গান্ধীৰ একাংশ সমৰ্থকে ছিবালৰ ঘৰলৈ শিলগুটি দলিয়াবলৈ ধৰিলে, ছিবালৰ মুখত বিলাহী মাৰিলে। সেইদিনা আৰক্ষীয়েহে কংগ্ৰেছৰ গুণ্ডাবাহিনীৰ হাতৰ পৰা তেওঁক বচালে। পিছে ঘটনাটোৱে ৰাজনৈতিক মহলত কংগ্ৰেছৰ নেতৃত্ব সন্দৰ্ভত গভীৰ সন্দেহৰ সৃষ্টি কৰিলে। সঁচাকৈয়ে দলত বিচাৰধাৰাৰ সংকট ঘনীভূত হৈছে নেকি?

দুটা দশকতকৈও অধিক কাল ধৰি ছোনিয়া গান্ধীয়েই দলৰ নেতৃত্ব গ্ৰহণ কৰি আহিছে। মাজতে দুবছৰৰ বাবে ৰাহুলে অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰিলেও নিজৰ ব্যৰ্থতা তেওঁ নিজেই স্বীকাৰ কৰিছে। ৰাহুলে পদত্যাগ কৰাৰ পাছত এতিয়া ছোনিয়া গান্ধীয়েই দলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ; কিন্তু প্ৰশ্নটো হ'ল, স্থায়ী অধ্যক্ষ নাই কিয়? কেন্দ্ৰীয় কাৰ্যকৰী সমিতিৰ সভা আহ্বান নকৰাৰ কাৰণ কি? এনেবোৰ প্ৰশ্নই ছোনিয়াক ব্যতিব্যস্ত কৰি তুলিছে; সেই সন্দৰ্ভত তেওঁ কোনো সবল স্থিতি গ্ৰহণ কৰিব পৰা নাই। শেহতীয়াভাৱে ছিবালৰ ওপৰত ৰাহুলৰ সমৰ্থকে চলোৱা আক্ৰমণে শীৰ্ষ পৰিয়ালটোৰ হতাশাগ্ৰস্ততাকে সূচাইছে।

অৱশ্যে সদায়েই পৰিয়ালতন্ত্ৰৰ চালিকা শক্তি একনায়কত্ববাদ, সেইটো সকলোৰে জনা কথা। মনত ৰাখিব লাগিব ১৯৯৭ত কংগ্ৰেছৰ স্থায়ী সভাপতি সীতাৰাম কেশৰীক মাৰধৰ কৰি কাৰ্যালয়ৰ স্নানাগাৰত বন্দী কৰি থৈ জৰুৰীভাৱে অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাতে পৰিয়ালতন্ত্ৰৰ সমৰ্থকসকলে দলৰ সংবিধানৰ সংশোধন ঘটাইছিল আৰু ছোনিয়া গান্ধীক থিতাতে অধ্যক্ষ পদত বহুৱাইছিল। তেতিয়াৰে পৰা ছোনিয়া গান্ধী দলৰ একছত্ৰী নেতা।

সংবাদ মেলত পঞ্জাৱত দলীয় নেতৃত্বৰ সংকট সন্দৰ্ভতো ছিবালৰ ক্ষোভ প্ৰকাশ পাইছিল। ৰাজ্যখনত কেপ্টেইন অমৰিন্দৰ সিঙৰ সুস্থিৰ চৰকাৰ চলি থকা সত্ত্বেও কাৰ সিদ্ধান্ত মৰ্মে অস্থিৰতাৰ সৃষ্টি কৰা হ'ল? প্ৰশ্নটো ছোনিয়াৰ বাবে বেচ অস্বস্তিকৰ। কেপ্টেইন অমৰিন্দৰ পৰিয়ালতন্ত্ৰৰ সমৰ্থক নহয়; সেই বুলিয়েই নৱজ্যোৎ সিং সিদ্ধুৰ দৰে এজন বহুৰাৰ হাতত তেওঁক অপমানিত কৰা হ'বনে? সিদ্ধুৰ একমাত্ৰ অৰ্হতা হ'ল ৰাহুল গান্ধীৰ প্ৰতি আনুগত্য; কিন্তু তেওঁৰ আনুগত্য আছে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খান আৰু সেনাধ্যক্ষ বাজৱাৰ প্ৰতিও। অমৰিন্দৰ সিং আৰু নৱজ্যোৎ সিং সিদ্ধুৰ মাজত মৌলিক সংঘাতৰ কাৰণ সেইটোৱেই। মুখ্যমন্ত্ৰী অমৰিন্দৰ সিঙৰ হকা-বধা সত্ত্বেও নৱজ্যোৎ সিং সিদ্ধুৱে ইমৰান খানৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত হৈছিলগৈ; প্ৰধানমন্ত্ৰী ইমৰান খান আৰু সেনাধ্যক্ষ বাজৱাক সাবটি ধৰাই নহয়, এটা ধৰ্মীয় অনুষ্ঠানতো সিদ্ধুৱে খালিস্তানী নেতাৰ স'তে উঠা-বহা কৰিছিল। অমৰিন্দৰ সিঙে তেতিয়াই প্ৰশ্ন কৰিছিল, যিখন দেশ আমাৰ শত্ৰুপক্ষৰূপে চিহ্নিত, যিখন দেশে সন্ত্ৰাসবাদীৰ হতুৱাই পঞ্জাৱ আৰু কাশ্মীৰত নিতৌ ছায়াযুদ্ধ চলাই আছে, সেইখন দেশৰ প্ৰধানমন্ত্ৰী আৰু সেনাধ্যক্ষৰ স'তে এনে বন্ধুত্বৰ অৰ্থ কি? পিছে সিদ্ধুৰ এনে বিসংগতিপূৰ্ণ কাৰ্যকলাপৰ আঁৰত আছিল ৰাহুল গান্ধীৰ উচটনি।

অৱশ্যে ৰাষ্ট্ৰীয় হিতৰ সন্দৰ্ভত ইয়াৰ পূৰ্বেই বিচাৰধাৰাৰ সংকটৰ সৃষ্টি কৰিছিল কংগ্ৰেছ নেতা ড° মণি শংকৰ আয়াৰে। লাহোৰৰ এখন সংবাদ মেলত ড° আয়াৰে পাকিস্তান চৰকাৰলৈ আহ্বান জনাইছিল, ভাৰতত নৰেন্দ্ৰ মোদীৰ চৰকাৰ ওফৰাবলৈ দেশখনে কংগ্ৰেছ দলৰ স'তে সহযোগিতা কৰা উচিত। তেতিয়াও প্ৰশ্ন উঠিছিল, হতাশাগ্ৰস্ত কংগ্ৰেছে ক্ষমতাৰ বাবে শত্ৰুদেশৰ স'তেও হাত মিলাব নেকি? তাৰ পাছতে প্ৰকাশ পাইছিল, ২০০৮ত ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু চীনৰ কমিউনিষ্ট পাৰ্টিৰ মাজত সম্পাদিত গোপন চুক্তিখনৰ কথা। ভাৰত-চীন সংঘাতৰ মাজত ৰাহুল গান্ধীৰ বিতৰ্কমূলক আচৰণসমূহৰ কথাও পাহৰিব নোৱাৰি।

পঞ্জাৱত নৱজ্যোৎ সিং সিদ্ধুক কংগ্ৰেছ অধ্যক্ষ নিযুক্ত কৰিলেও মুখ্যমন্ত্ৰী পদৰ পৰা তেওঁক বঞ্চিত ৰাখিবলৈ ছোনিয়া গান্ধী আৰু ৰাহুল বাধ্য হ'ল; কোনেও নিবিচাৰে সিদ্ধুৰ দৰে পাকিস্তানপন্থী লোকক সীমামূৰীয়া ৰাজ্যখনৰ দায়িত্বভাৰ অৰ্পণ কৰিবলৈ। এতিয়া মুখ্যমন্ত্ৰী হ'লগৈ চৰণজিৎ সিং চন্নী নামৰ এগৰাকী দলিত নেতা। সৌসিদিনা হতাশাগ্ৰস্ত সিদ্ধুৱে চন্নীৰ কাম-কাজত হস্তক্ষেপ কৰিবলৈ গৈ বিধায়ক মণ্ডলীৰ সভাতে মুখ্যমন্ত্ৰীক অশ্ৰাব্য গালি পাৰিলে। এয়াই হ'ল ছোনিয়া-ৰাহুল-প্ৰিয়ংকাৰ ৰাজনীতিৰ পৰিণাম।

শেহতীয়াভাৱে সিদ্ধুৱে প্ৰদেশ কংগ্ৰেছ সমিতিৰ অধ্যক্ষ পদৰ পৰা অব্যাহতি বিচাৰিছে; কিন্তু ছোনিয়াই তেওঁৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰাৰ সাহস দেখুৱাব পৰা নাই। কাৰণ সিদ্ধুৱে মূৰকত 'আম আদমী পাৰ্টি'ৰ স'তে হাত মিলাব পাৰে বুলি ইংগিত দিছে। আনহাতে, পূৰ্বৰ মুখ্যমন্ত্ৰী অমৰিন্দৰ সিঙেও ৰাহুল-ছোনিয়া-সিদ্ধুৰ পৰা আঁতৰত থাকি নিজৰ ৰাজনৈতিক ভৱিষ্যৎ গঢ়িব বিচাৰে। কেপ্টেইনৰ চিধা কথা, ৰাষ্ট্ৰবিৰোধী শক্তিৰ হাতত পঞ্জাৱৰ ভৱিষ্যৎ এৰি দিব নোৱাৰি। এনেদৰেই পঞ্জাৱত কংগ্ৰেছ দল আত্মঘাতী ৰাজনীতিত লেটি-পেটি হ'ল; এয়া সুবিধাবাদী বিচাৰধাৰাৰ ফল।

মাথোন পঞ্জাৱতে নহয়, আন্তঃদলীয় কলহৰ বাবে ৰাজস্থান, চত্তিছগড়, জম্মু আৰু কাশ্মীৰতো কংগ্ৰেছৰ স্থিতি পুতৌজনক হৈ পৰিছে। ৰাহুল গান্ধীয়ে বৈষ্ণু দেৱী মন্দিৰলৈ গৈ শ্ল'গান দিলে, জয় কংগ্ৰেছৰ জয়। আকৌ এবাৰ তেওঁ নিজকে কাশীৰ পণ্ডিত বুলি দাবী কৰি হাঁহিয়াতৰ পাত্ৰ হৈছে। সিফালে প্ৰিয়ংকা গান্ধীয়ে বাৰাণসীলৈ গৈ কাশ্মিৰ বিশ্বনাথ মন্দিৰত পূজা-অৰ্চনা কৰি হিন্দুত্ববাদী পৰিচয় দাঙি ধৰিবলৈ আপ্ৰাণ চেষ্টা চলোৱাটো হৈছেগৈ চৰ্চাৰ বিষয়। নেহৰু, ফিৰোজ খান, ইন্দিৰা, ৰাজীৱ, ছোনিয়া আৰু ৰাহুল-প্ৰিয়ংকাৰ জন্মগত পৰিচয় কোনেও নজনা নহয়। তৎসত্ত্বেও কংগ্ৰেছৰ শীৰ্ষ পৰিয়ালটো পৰিচয়ৰ সংকটত ভুগিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কংগ্ৰেছৰ দুমুখীয়া বিচাৰধাৰাৰ কটু সমালোচনা কৰি মন্তব্য দিছে, দিল্লীত শিখ নিধন অভিযান চলোৱা দলটোৱে কৃষক আন্দোলনৰ নামত শিখসকলক উচটাইছে; ৰাজস্থানত দলিত যুৱকৰ নিৰ্মম হত্যা হোৱা সত্ত্বেও ৰাহুল-প্ৰিয়ংকাই নিজ দলৰ শাসিত ৰাজ্যখনত নিৰ্যাতিত দলিত পৰিয়ালৰ খবৰ ল'বলৈ সময় উলিয়াব পৰা নাই।

**ছোনিয়া গান্ধীয়ে পৰিয়ালৰ বাহিৰৰ লোকৰ হাতত দলৰ নেতৃত্ব দিব বিচৰা নাই। ৰাহুল গান্ধী অপৰিপক্ক, পৰিপক্কতা লাভ কৰাৰ সম্ভাৱনাও নাই। প্ৰিয়ংকা গান্ধীয়ে ইন্দিৰা গান্ধীৰ অনুকৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছে; কিন্তু মতদাতাৰ ওচৰত তেওঁ নিষ্প্ৰভ**

লক্ষ্যণীয় যে পৰিয়ালতান্ত্ৰিক দলটোৰ মিত্ৰতা স্থাপনৰ শেহতীয়া ৰাজনীতিয়ে বিভিন্ন মহলৰ চকু কপালত তুলিছে। কানহাইয়া কুমাৰ নামৰ বাওঁপন্থী নেতা তথা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ বিচ্ছিন্নতাবাদী ছাত্ৰ গোটৰ মুখ্য সংগঠকগৰাকীক সদস্যভুক্ত কৰাত কংগ্ৰেছী নেতাসকলেই প্ৰশ্ন উত্থাপন কৰিছে,— এইটো কেনেকৈ সম্ভৱ হ'ল? 'দেশখন ভাঙি টুকুৰা-টুকুৰ কৰা হ'ব', 'আফজল গুৰুক ফাঁচি দিয়াৰ প্ৰতিশোধ নোলোৱালৈকে ক্ষান্ত নহওঁ' আদি বিভিন্ন শ্ল'গান দি জে এন ইউৰ প্ৰাংগণ উত্তাল কৰি তুলিছিল এই গোটটোৱে। সমগ্ৰ দেশে তেওঁলোকক গৰিহণা দিছিল। তদুপৰি কানহাইয়া কুমাৰে চি পি আই দলৰ সদস্যৰূপে বিগত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাও কৰিছিল। এতিয়া সেইজন কানহাইয়া কুমাৰ কংগ্ৰেছী হ'ল।

হওঁতে নেহৰুৰ দিনৰে পৰা বাওঁপন্থীৰ স'তে কংগ্ৰেছৰ ভিতৰুৱা বুজাবুজি চলি আহিছে। বাওঁপন্থী ৰাজনীতিত সাৰ-পানী যোগোৱাৰ উদ্দেশ্যৰেই ইন্দিৰা গান্ধীয়ে জে এন ইউ স্থাপন কৰি দিছিল, সিওঁ সঁচা। মূৰকত শিক্ষানুষ্ঠানখনৰ এচাম ছাত্ৰ নামধাৰী নেতাই ৰাষ্ট্ৰদ্ৰোহী কাৰ্যকলাপত লিপ্ত হ'ল; এতিয়া তেনে নেতা এগৰাকীকে কংগ্ৰেছে দলত অন্তৰ্ভুক্ত কৰিলে। কানহাইয়া কুমাৰে দলত কি ভূমিকা পালন কৰিব? বিচ্ছিন্নতাবাদী শক্তিক উৎসাহিত কৰিবলৈকে ছোনিয়া-ৰাহুলে কানহাইয়া কুমাৰক কামত লগাব নেকি? এইটো বিচাৰধাৰাৰ চূড়ান্ত সংকট।

পিছে ৰাষ্ট্ৰীয় স্বাভিমান তথা জাতীয় নেতা আৰু সংগঠন সন্দৰ্ভতো বৰ্তমানৰ কংগ্ৰেছে অনাৱশ্যকীয় বিতৰ্কৰ সৃষ্টি কৰি জনগণৰ অপ্ৰিয়ভাজন হৈছে। বীৰ ছাভাৰকাৰক মহাত্মা গান্ধীয়ে 'ভাই' বুলি সম্বোধন কৰিছিল; ইন্দিৰা গান্ধীয়ে তেওঁৰ সন্মানাৰ্থে ডাকটিকট উলিয়াইছিল। একেদৰে নেহৰুৱে ১৯৬৪ৰ গণতন্ত্ৰ দিৱসত অংশগ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ দুশজন স্বয়ংসেৱকক আমন্ত্ৰণ জনাইছিল। অথচ সেইবোৰ পাহৰি ৰাহুল-ছোনিয়া-প্ৰিয়ংকাই বীৰ ছাভাৰকাৰৰ বিষয়ে জঘন্য মন্তব্য দিয়ে; আৰ এছ এছক গালি নাপাৰিলে তেওঁলোকৰ বক্তৃতা সম্পূৰ্ণ নহয়। এয়া বিচাৰধাৰাৰ সংকট।

মূল সমস্যাটো হ'ল, ছোনিয়া গান্ধীয়ে পৰিয়ালৰ বাহিৰৰ লোকৰ হাতত দলৰ নেতৃত্ব দিব বিচৰা নাই। ৰাহুল গান্ধী অপৰিপক্ক, পৰিপক্কতা লাভ কৰাৰ সম্ভাৱনাও নাই। প্ৰিয়ংকা গান্ধীয়ে ইন্দিৰা গান্ধীৰ অনুকৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছে; কিন্তু মতদাতাৰ ওচৰত তেওঁ নিষ্প্ৰভ। এতেকে ছোনিয়া গান্ধীয়ে নিৰুপায় হৈ এটাৰ পাছত আনটো সংগতিহীন সিদ্ধান্ত ল'ব লাগিছে। ফলত পি চিদাম্বৰমৰ দৰে নেতায়ো ক'বলগীয়াত পৰিছে, কংগ্ৰেছ এতিয়া তিনিজন ব্যক্তিৰ সংগঠন। এনে পৰিস্থিতিত এচাম ৰাজনৈতিক পণ্ডিতে পৰামৰ্শ দিছে, ২০০৪ত ড° মনমোহন সিঙক 'ৰাহুল উপযুক্ত নোহোৱালৈকে' প্ৰধানমন্ত্ৰী পদত নিযুক্ত কৰাৰ দৰেই ছোনিয়াই 'প্ৰিয়ংকা উপযুক্ত নোহোৱালৈকে' এজন অনুগত নেতাক কংগ্ৰেছৰ অধ্যক্ষৰূপে নিযুক্তি দিয়াটোহে একমাত্ৰ উপায়। অন্যথা চি ডব্লিউ চিৰ সভা আহ্বান নকৰাকৈ আৰু দলৰ স্থায়ী অধ্যক্ষৰ নিযুক্তি নোহোৱাকৈ পৰিয়ালতান্ত্ৰিক দলটো কিমানদিন টিকি থাকিব? পিছে ছোনিয়া-ৰাহুল-প্ৰিয়ংকাই ইতিমধ্যে দলত বিশ্বাসযোগ্যতা হেৰুৱাইছে। বিচাৰাধাৰাৰ সংকটৰ দৰেই বিশ্বাসযোগ্যতাৰ সংকটো সমানেই মাৰাত্মক।

*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

# ড° ভূপেন হাজৰিকাই কৈশোৰত সাঁতোৰা ভৰলুখন

**ভৰলু এখন তেনেই সৰু নদী। প্ৰযুক্তিগত ব্যৱস্থাৰে ইয়াক আগৰ অৱস্থালৈ অনাটো অসম্ভৱ নহয়। পৰিশোধন কৰি পানীখিনি ববলৈ দিয়ে ভৰলু আকৌ আগৰদৰেই নহ'লেও ইয়াক নলা বা নৰ্দমা নুবুলি নৈ বুলি ক'ব পৰা অৱস্থালৈ আনিব পৰা যায়।**

**সেউজ সংলাপ**
**ড° হৰিচৰণ দাস**

**গুৱাহাটীত** ভৰলু নামে যে এটা নদী আছে সেই কথা হয়তো আজিৰ প্ৰজন্মই নাজানিবই। কাৰণ যিটো ভৰলু নদীত এদিন ড° ভূপেন হাজৰিকাই সাঁতুৰিছিল সেই ভৰলু নদীৰ পাৰেদি খোজ কাঢ়ি যাওঁতে নাকত সোপা নিদিলে উপায় নাথাকে। ভৰলুমুখ বুলি যিখিনি ঠাই আমি দেখিবলৈ পাওঁ, সেইখিনি ঠাইতে শৈশৱতে ড° ভূপেন হাজৰিকাই ওমলিছিল। ড° হাজৰিকাই তেওঁৰ আত্মজীৱনীখনত লিখিছে, ভৰলু নৈৰ ওপৰেদি থকা ৰেলৰ ৰিলিঙৰ ওপৰৰ পৰা তেওঁ নৈৰ পানীলৈ জঁপিয়াইছিল, ঠিক ৰেল এখন অহাৰ আগমুহূৰ্তত। ৰেলচালকে ৰেল ৰখাই দি, ভূপেন হাজৰিকাক বিচাৰি ফুৰিছিল হেনো! পিছে সেই ভৰলু নৈৰ ওপৰেদি আজিও ৰেল চলি থাকিলেও, ভৰলুখন কিন্তু নৈ হৈ থকা নাই। ভৰলু এতিয়া গুৱাহাটীৰ লেতেৰা, প্ৰদূষিত পানী কঢ়িওৱা এটা নলাহে! ইয়াৰ পানী ছুবলৈকো ভয় লাগে, সাঁতোৰাটো দূৰৈৰ কথা!

ভৰলু নৈৰ এই অৱস্থা কৰিলে কোনে?

ককা লক্ষ্যধৰ চৌধুৰীয়েও লিখিছিল— সন্ধিয়া হ'লে ভৰলুৰ পাৰেৰে ফুৰিবলৈ ভয় লাগিছিল হেনো বাঘ ওলায়। তাৰ মানে ভৰলু নৈৰ দুয়োপাৰে ঘন বননিও আছিল। ভৰলু আছিল এখন স্বচ্ছ নদী আৰু ইয়াৰ দুয়োপাৰ সেউজীয়া গছ-গছনিৰে ভৰি আছিল। তাৰ মাজে মাজে শহা-পহু দৌৰি ফুৰিছিল।

ক'লৈ গ'ল ভৰলুৰ সেই ৰূপ? কোনে কাঢ়ি নিলে ভৰলুৰ ৰূপালী পানী, পাৰৰ সেউজীয়া বননি?

তথাকথিত সভ্যতাই মানুহ আচলতে ইমান বেছি স্বাৰ্থপৰ যে নিজৰ সুখৰ স্বাৰ্থত প্ৰকৃতিক বিকলাংগ কৰিবলৈকো কুণ্ঠাবোধ নকৰে। আজি ভৰলু বিকলাংগ, পৰিচয়হীন!

ভৰলু ওলাইছে মেঘালয়ৰ খাচি পাহাৰৰ পৰা। গুৱাহাটীৰ দক্ষিণ-পূব কোণেদি ভৰলু নদীয়ে অসমত সোমাইছে। এইখিনি অংশক অৱশ্যে ভৰলু নোবোলে। ইয়াৰ পৰা চিৰিয়াখানালৈকে ভৰলুৰ নাম বাহিনী নৈ। বাহিনী নৈখনে বেলতলা, ৰুক্মিণী গাঁও, মথুৰানগৰ, দিছপুৰ, হেঙেৰাবাৰী, গণেশগুৰি, চিৰিয়াখানা, ৰাজগড়, শৰণীয়া, ভঙাগড়, উলুবাৰী, ফটাশিল, কুমাৰপাৰা হৈ ভৰলুমুখত ব্ৰহ্মপুত্ৰত মিলিছে। চিৰিয়াখানাৰ পৰা নৈখনে ভৰলু নাম পাইছে। ভৰলু নৈয়ে গুৱাহাটীৰ নৈসৰ্গিক শোভা বৃদ্ধিৰ লগতে পৰিৱেশ সন্তুলন ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। বাৰিষা, গুৱাহাটীৰ বিভিন্ন অঞ্চল আৰু পাহাৰৰ বৈ অহা পানী এই বাহিনী বা ভৰলু নৈয়ে কঢ়িয়াই লৈ যায়। ভৰলু নথকাহেঁতেন গুৱাহাটীৰ বানপানী অ-নিয়ন্ত্ৰিত অৱস্থাত পৰিলেহেঁতেন। গুৱাহাটীবাসীৰ আৱৰ্জনা আৰু লেতেৰা পানী কঢ়িয়াই কঢ়িয়াই ইয়াৰ প্ৰাকৃতিক বৈভৱ হেৰুৱাই পেলালেও নৈখনে গুৱাহাটীক সুন্দৰ কৰি তোলাত আজিও অৰিহণা যোগায়েই আছে। যেনেদৰে লেতেৰা ঠাই মচা লেচা ডোখৰে নিজে লেতেৰা হৈ ঠাইখন চাফা কৰে ভৰলুৱেও নিজে লেতেৰা হৈ গুৱাহাটীবাসীক পৰিষ্কাৰ কৰি আহিছে। বাৰিষাৰ বানৰ প্ৰকোপৰ পৰাও গুৱাহাটীবাসীক ৰক্ষা কৰি আহিছে। কিন্তু গুৱাহাটীবাসীয়ে ভৰলুৰ বাবে কি কৰিছে? ভৰলুৰ হেৰুওৱা প্ৰাকৃতিক পৰিৱেশ ঘূৰাই আনিব নোৱাৰি নেকি? গুৱাহাটীবাসীয়ে এই কথাটো এবাৰো ভাবিছেনে? চৰকাৰেই বা কিবা কৰিছেনে? অৱশ্যে ভৰলুৰ প্ৰদূষণ ৰোধৰ বাবে ২০১০ তে গুৱাহাটী নাগৰিক সমিতিয়ে চৰকাৰক ভৰলু প্ৰদূষণমুক্ত কৰাৰ বাবে মাষ্টাৰ প্লেন দাখিল কৰিছিল। ইয়াৰ আগতে, ১৯৬৫, ১৯৭১ আৰু ১৯৮৬ তো ভৰলুক প্ৰদূষণমুক্ত কৰা প্ৰকল্প লোৱা হৈছিল। কিন্তু আজিকোপতি কোনো প্ৰকল্প কাৰ্যকৰী হৈ নুঠিল। একো নহ'লেও যদি ভৰলুত পলিথিন পেলোৱাটোও নিষিদ্ধ হ'লহেঁতেন তেতিয়াও নৈখনে সকাহ পালেহেঁতেন, কাৰণ জৈৱ প্ৰদূষকবোৰ এসময়ত জৈৱ-ৰাসায়নিক প্ৰক্ৰিয়াৰে মাটিৰ স'তে মিলি যায়। কিন্তু পলিথিন, প্লাষ্টিকবোৰ ৰৈ যায়। তৰপে তৰপে জমা হৈ ই নৈখনৰ তলিও বাম কৰি পেলায়, বহন ক্ষমতা হ্ৰাস কৰে। আনহাতে, পানীৰ গতিতো যথেষ্ট বাধা দিয়ে। উদ্যোগৰ পৰা ওলোৱা বৰ্জিত পদাৰ্থ, শোধণ নকৰাকৈ নৈৰ পানীত পেলোৱাটো আইন বিৰুদ্ধ। কিন্তু আইন প্ৰয়োগকাৰী সংস্থা অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ এই ক্ষেত্ৰত নিমাত। পৰিষদৰ উদ্যোগ আৰু আন্তৰিকতা থকাহেঁতেন ভৰলু কাহানিবাই পৰিষ্কাৰ হ'লহেঁতেন। ভৰলু এখন তেনেই সৰু নদী। প্ৰযুক্তিগত ব্যৱস্থাৰে ইয়াক আগৰ অৱস্থালৈ অনাটো অসম্ভৱ নহয়। পৰিশোধন কৰি পানীখিনি ববলৈ দিয়ে ভৰলু আকৌ আগৰদৰেই নহ'লেও ইয়াক নলা বা নৰ্দমা নুবুলি নৈ বুলি ক'ব পৰা অৱস্থালৈ আনিব পৰা যায়। গুৱাহাটী আই আই টিত এনে বিশেষজ্ঞ অভিযন্তাৰ অভাৱ নাই, প্ৰযুক্তিৰো অভাৱ নাই। অভাৱ গুৱাহাটীবাসীৰ মনোযোগ আৰু প্ৰকৃতি প্ৰেমৰ, অভাৱ চৰকাৰৰ আন্তৰিকতাৰ।



## অভিমত

### দালালৰ ভেটি উছন হওক

**ড্ৰাগছ** সৰবৰাহী আৰু সেৱনকাৰীৰ বিৰুদ্ধে তীব্ৰ অভিযান চলোৱাৰ লগে লগে সমান্তৰালভাৱে দালালৰাজৰ বিৰুদ্ধেও অভিযান চলোৱাটো আদৰণীয় পদক্ষেপ হৈছে বুলি স্বীকাৰ কৰিব লাগিব। এটা কথা নিশ্চিত যে মাটিৰ দালাল, গৰু বিক্ৰীৰ দালালতকৈও চৰকাৰী অফিচ-কাছাৰী, চিকিৎসালয় প্ৰায় সকলোতে থকা দালালৰ দপ্‌দপনিত সাধাৰণ ৰাইজৰ জীৱন-যাত্ৰাত আহুকালৰ সৃষ্টি হৈছে। যিটো কাম নিজে কৰিলে এমাহ সময় লাগিলেহেঁতেন, সেই কামটো দালাৰ যোগেদি কৰিলে এদিন বা দুদিনতে সম্পূৰ্ণ হোৱাৰ সুযোগ মিলে। বৰ্তমান দালালৰ আশ্ৰয় বা সহায় নল'লে কাম সম্পূৰ্ণ কৰাটো অসম্ভৱ হৈ উঠিছে। দালালৰ যোগেদি নগ'লে অফিচৰ সংশ্লিষ্ট কৰ্মচাৰীয়েও অসন্তুষ্ট আৰু ৰুষ্ট হোৱা দেখা যায়। দালালৰ যোগেদি কাম কৰাটো আনুষ্ঠানিকতা ৰক্ষা কৰা হোৱা, যেন এটা দস্তুৰহে হ'ল।

অতি বিস্ময়ৰ কথা যে সমাজত সুপ্ৰতিষ্ঠিত কোনো কোনো লোকৰ প্ৰশংসা-পত্ৰৰ যোগেদি বঁটা, পেঞ্চন, খিতাপ লাভ কৰাৰ সুযোগ মিলা বুলি লোকৰ মুখে-মুখে প্ৰচাৰিত। কোনোবাই মুখৰ কথাৰে জনাই দিলেও সুবিধা প্ৰাপ্তিত সহায় হয় বুলি মানুহৰ মাজত বু-বা চলে। এই শ্ৰেণীৰ লোকো দালাৰ শ্ৰেণীভুক্ত হোৱাৰ যোগ্য নহয় জানো? মুঠতে শেষজন দালালৰ উচ্ছেদ নোহোৱালৈকে অভিযান অব্যাহত ৰাখিব লাগিব। শিপা উভালিব নোৱাৰিলে কোনো সমস্যাৰে শুভফল পোৱা অসম্ভৱ। যদি ৰৌ-বৰালি সাৰি যায়, পুঠি-খলিহনাৰহে মৰণ মিলে, তেনে কামে হিতৰ পৰিৱৰ্তে অহিত সাধনতহে অৰিহণা যোগায়। গণতান্ত্ৰিক দেশত সকলো কামতে ভিন ভিন মতামত উত্থাপন হোৱা স্বাভাৱিক। চৰকাৰে দালালৰাজ উচ্ছেদৰ বিৰুদ্ধে লোৱা অভিযানত সবল স্থিতি গ্ৰহণ কৰক।

**কেশৱ শৰ্মা,** কৈৰাৰা, নলবাৰী, ফোন ঃ ৯৪০১৮৭৯৪০৮

### অসমীয়াসকল পৰমুখাপেক্ষী হ'বলৈ কেতিয়া এৰিব?

**আমাৰ** অসমৰ চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ ভিতৰৰ বহুতে নিজকে এখন বেলেগ জগতৰ মানুহ বুলি ভাবে। সেইকাৰণে প্ৰায় কৰ্মচাৰীৰে ৰাইজৰ লগত সম্পৰ্ক স্থাপন কম সংখ্যকৰেহে হোৱা বা থকা দেখা যায়। কিছুমানৰ সম্পৰ্ক স্থাপনৰ প্ৰতি আগ্ৰহ নাই। বহু কৰ্মচাৰীয়ে তেওঁলোকৰ ওচৰত উপস্থিত হোৱা লোকক অসন্তুষ্টহে কৰে। কাম কৰি দিয়া দায়িত্বৰ কথা সুকীয়া, কিছুমানৰ প্ৰাথমিক শিষ্টাচাৰখিনিৰো অভাৱ থকা পৰিলক্ষিত? সন্মুখত থিয় হৈ থকা ব্যক্তিগৰাকীয়ে উপৰ্যুপৰি মাত লগাই থাকিলেও কিছুমানে তেওঁৰ প্ৰতি লক্ষ্য কৰি প্ৰত্যুত্তৰ দিবলৈ টান পায়। আচলতে মানুহজনক কাক লাগে বা কাৰ ওচৰত তেওঁৰ কাম আছে, এই কথাষাৰ জানি লোৱা যেন কাৰোৱেই দায়িত্ব নহয়। এনে বিষয়াও আছে যিয়ে তেওঁৰ ওচৰলৈ যোৱা মানুহক তেওঁৰ সন্মুখৰ পৰা কঠিন ভাষাৰে আঁতৰাইহে পঠায়।

আমাৰ মাজত দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি অৱহেলা থকাই চৰকাৰী কামৰ গতি কুমজেলেকুৱাই গুৱাহাটী পোৱাৰ দৰে হোৱা নহয় জানো? ৰাইজে কামৰ ফল লাভ কৰোতে অথন্তৰৰ পাছত অথন্তৰে লগ এৰা নিদিয়া এটা যেন পৰম্পৰাহে হ'ল। আমাৰ চৰকাৰী কাঠামোটো ৰাইজৰ মাজত এতিয়াও এটা সাঁথৰ যেন হৈ থকা নহয় জানো? ভাৰতবৰ্ষৰ স্বাধীনতাই দেশৰ নাগৰিকক, নাগৰিক চিন্তাৰে সুসংহত কৰিব নোৱাৰাটো আমাৰ স্বাধীনতাৰ বিফলতাকে প্ৰমাণ নকৰেনে? এনেকুৱা কৰ্মচাৰীও আমাৰ মাজত আছে, যিয়ে তেওঁৰ সন্মুখত থিয় হোৱা মানুহক, কি কাম আছে আপোনাৰ বুলি সুধি, হাতত থকা নথি-পত্ৰখিনি সংগ্ৰহ কৰিবলৈ ক্ষন্তেক সময় অপেক্ষা কৰিব দি, কাম হাতত তুলি দি মানুহক বিদায় দি উভয়ে সন্তুষ্টি লাভ কৰা।

**গজেন চহৰীয়া,** ছিপাঝাৰ

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৬ অক্টোবৰ শনিবাৰ, ২০২১ পৃষ্ঠা ৫

# কবি প্ৰবৰসেন ৰচিত সেতুবন্ধ মহাকাব্যৰ কেইটামান শ্লোকৰ অনুবাদ

## 'সেতুবন্ধ' নামৰ মহাকাব্যখনে অতীত আৰু বৰ্তমানৰ সেতুৰূপে গৱেষকসকলক এটা বহুমূলীয়া দিশৰ সন্ধান দিছে





অৱলোকন
অহল্যা গগৈ

**পণ্ডিত** প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈয়ে ১৯৭৬ত প্ৰাকৃত ভাষাত ৰচিত কবি প্ৰবৰ সেনৰ 'সেতুবন্ধ' নামৰ মহাকাব্যখন ইংৰাজীলৈ অনুবাদ কৰি এক সমীক্ষাত্মক আলোচনাৰে Pravarasen's Setubandha শীৰ্ষক এখন গৱেষণা গ্ৰন্থ প্ৰণয়ন কৰিছিল। সেতুবন্ধ মহাকাব্যখন আছিল প্ৰাকৃত ভাষাৰ প্ৰাচীনতম গ্ৰন্থ। এই মহাকাব্যত সীতা হৰণৰ পাছত ভক্ত হনুমন্তই বন্দিনী সীতাৰ বাতৰি শ্ৰীৰামক দিয়াৰে পৰা আৰম্ভ কৰি ৰাৱণৰ মৃত্যুলৈকে বৰ্ণনা কৰা হৈছে আৰু লগতে সীতা উদ্ধাৰৰ বাবে বানৰ সেনাৰ সহায়ত ৰামে অথাই সাগৰত ধৰাৰ পৰ্বত ৰাশি পেলাই লংকালৈকে সেতু (অৰ্থাৎ সাগৰৰ তলিৰ পৰা সাগৰ পৃষ্ঠলৈকে গাঁথি অনা দেৱাল সদৃশ বান্ধ) নিৰ্মাণ কৰাত গুৰুত্ব দিয়া হৈছে। সন্দিকৈৰ ৮০৬ পৃষ্ঠাজোৰা Pravarasen's Setubandha-ৰ প্ৰকাশক গোষ্ঠী গুজৰাটৰ Prakrit Text Society। সন্দিকৈৰ গ্ৰন্থখনৰ বৈশিষ্ট্য এয়ে যে আধুনিক পাঠ সমীক্ষা বিজ্ঞানৰ ই এটা সুদৃঢ় ভেটিস্বৰূপ, যি গ্ৰন্থই আন্তৰ্জাতিক ক্ষেত্ৰত বিশেষভাৱে সমাদৃত হৈছে। পঞ্চম শতিকাৰ কবি প্ৰবৰসেনে ৰচনা কৰা প্ৰাকৃত মহাকাব্যখন ডেৰ হেজাৰ বছৰৰ পূৰ্বে ৰচনা কৰা হৈছিল। এনে এখন প্ৰাচীন মহাকাব্য, কেনেকৈ শুদ্ধ পাঠ উদ্ধাৰ কৰা হৈছে, তাৰেই এটা নিদৰ্শন সন্দিকৈয়ে দাঙি ধৰিছে। এই গৱেষণা গ্ৰন্থই অতীত আৰু বৰ্তমানৰ সেতুৰূপে বৰ্তমান কালৰ গৱেষকসকলক এটা বহুমূলীয়া দিশৰ সন্ধান দিছে। ১৫টা সৰ্গৰ মহাকাব্যখনত এহেজাৰ ২৫১টা শ্লোক আছে। ইয়াৰে কেইটামান বাছনি কৰা শ্লোকৰ অনুবাদ কৰি মহাকাব্যখনৰ মূল কাহিনীটোৰ পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। উল্লেখনীয় যে মহাকাব্যখনৰ চতুৰ্থ সৰ্গ, পঞ্চম সৰ্গ, ষষ্ঠ সৰ্গ আৰু নৱম সৰ্গকেইটাৰ অনুবাদ কৰা হোৱা নাই, যিহেতু এই সৰ্গকেইটা অনুবাদ নকৰিও মূল কাহিনীটোৰ পৰিচয় দিব পৰা যায়।

প্ৰথম সৰ্গ ঃ ইষ্ট দেৱতা শিৱৰ বন্দনাৰে কবি প্ৰবৰ সেনে মহাকাব্যখন আৰম্ভ কৰিছে।
জোনাক নিশা নটৰাজৰ অট্টহাস্য উথলে,
অনুৰণনৰ ঢৌ আকাশত বিয়পি পৰে
সৰগ পৰশে জোনালী আভাৰ দৰে।
শ্লোক-৭
নাচে জঁটাধৰ, কঁপে জলধৰ
জোঁকাৰে উত্তাল জলধি জোৱাৰ
কঁপে ভূতল, কঁপে সমতল
সাগৰ গৰ্ভৰ অগনি জ্বলে
উৎথিত জোৱাৰৰ বাষ্প উথলে,
ভীতিবিহ্বল য'ত সাগৰৰ মৎস্যগণ
লহ্ লহ্ লহৰিৰ পকনীয়া অগণন।
শ্লোক ঃ ৮

**শৰতৰ আগমন**
বৰষা দিনৰ শেহত আহে শৰৎ
সঁহাৰি দিয়ে ৰামৰ উদ্যোগ পৰ্বত;
বাজে মৃত্যু ডংকা ৰাক্ষস ৰাৱণৰ
চকুলো ৰোধ হয় বন্দিনী সীতাৰ
যশস্যাৰ পথ মুকলি হয় সুগ্ৰীৱৰ। শ্লোক ঃ ১৬
ফুলে শৰতৰ সুৱাসিত সন্তৰ্পণ
আলোড়িত কৰে ৰাঘৱৰ পৰাণ,
উৰণীয়া হংসৰ কোমল কাকলি
বৈ বৈ বাজে ব্যথা ভৰা হৃদয়ত
শাৰদীয় বতৰৰ মিঠা আৱেশত,
বাৰিষাত ফুলা কদমৰ সুৱাসে
এথোন তৃপ্তি নিদিয়ে ৰাঘৱৰ
হিয়াত,
মাৰ গ'ল মত্ত ময়ুৰৰো আকুল কণ্ঠধ্বনি
শাৰদীয় বতৰৰ কোমল পৰশত।
শ্লোক ঃ ২৩

শ্ৰীৰামে বানৰ সেনাৰ স'তে অগ্ৰসৰ হৈ ক্ৰমে সাগৰৰ সৈকতত উপস্থিত হয়হি। গন্ধ, পুষ্প, মুকুতা মণিৰে সুসজ্জিতা তীৰক উচ্ছৃংখল সাগৰে যেন প্ৰেম নিবেদন কৰিছে।

**সাগৰ সৈকত**
গন্ধ, পুষ্প, মুকুতাৰে সজ্জিত তীৰ
যেন ৰক্ষিতা বিশাল মহা সমুদ্ৰৰ,
অবাৰিত প্ৰেম নিবেদন কৰে
প্ৰেয়সী তীৰক অথিৰ সাগৰে।
ৰাশি ৰাশি বাধাহীন উচ্ছল উৰ্মিমালাৰে
সাগৰে পৰশে তীৰক বাৰে বাৰে
অনুৰাগী উত্তাপ উপভোগ কৰে,
কামুক ওঁঠৰ পৰশ আঁকে ৰক্ত প্ৰবালেৰে
লাজুকী তীৰৰ দেহ ৰাঙলী কৰে।
আৱেগ বিহ্বল ধুমুহাৰ পৰশৰে
কেশ বিন্যাসৰ বকুল, তমাল চূৰ্ণ কৰে,
দেহৰ অংকন মচে সাগৰ ফেনেৰে
অনুৰাগী দাগ এৰে প্ৰেয়সীৰ দেহত।
অসীম কালে প্ৰেয়সী তীৰে শুনে
শামুকৰ খোল হেন নিমীলিত নয়নে,
গছলতা বুকুল বনত প্ৰতিধ্বনিত
কিন্নৰ কণ্ঠৰ নানা শুৱলা সংগীত।
শ্লোক ঃ ৬৫

দ্বিতীয় সৰ্গ ঃ অপাৰ সাগৰৰ অথিৰ ৰূপে শ্ৰীৰামৰ মনত ভাৱনাৰ সঞ্চালন কৰিলে। সংকটময় সাগৰখন তেওঁৰ অপৰিণত সাগৰ লংঘন উদ্যোগৰ বাবে এক বিশাল প্ৰতিবন্ধক, যিদৰে প্ৰেমৰ অময়া সুখৰ কাল বুলি ঠাৱৰ কৰা অথিৰ যৌৱনো উদ্বেগেৰে পাৰ হয় নানা ভুল-ক্ৰুটিৰ বাবে।

সাগৰ বৰ্ণন ঃ
উত্তাল সাগৰে ধৰাক আমনি কৰে
চেনেহেৰে সাবটি এৰে বাৰে বাৰে;
শাঁত পেলায় উচ্ছল জোৱাৰেৰে;
মলয়, মহেন্দ্ৰ পৰ্বত যেন দুটি স্তন ধৰাৰ
(ধৰাই) দিয়ে সঁহাৰি লৰিচৰি বাহুহেন বনেৰে
শ্লোক ঃ ৮
ধাৰণ কৰে যদিও সাগৰে অফুৰন্ত
ৰাশি ৰাশি জল সীমাৰ মাজত,
বুৰায় সমস্ত ধৰা প্লাৱন কালত
যিদৰে ত্ৰিভুৱন জুৰিলে 'বামন'ৰ তিনি
খোজত। শ্লোক ঃ ৯
জোনৰ আগমনত সাগৰ আলোড়িত
জোনৰ সান্নিধ্যত সাগৰ আহ্লাদিত
উঠে প্ৰচণ্ড জোৱাৰ, মাৰ যায়
পুনৰ চন্দ্ৰমাৰ বিদায় বেলাত;
যিদৰে যৌৱনৰ আগমনত আলোড়িত প্ৰাণ
প্ৰেয়সীৰ সান্নিধ্যত উল্লসিত মন
মাৰ যায় পুনু হৃদয়ৰ স্পন্দন
ক্ষন্তেকীয়া প্ৰেমৰ বিদায় বেলাত। শ্লোক ঃ ২০

তৃতীয় সৰ্গ
সমুদ্ৰ তীৰলৈ আহি অস্থিৰ বানৰ সেনাৰ দলে চকু জপাই হাত সাবটি বহি পৰিল। ভীতিবিহ্বল বানৰ সেনাৰ মনোবল ফিৰাই আনিবলৈ কপিৰাজ সুগ্ৰীৱে বুজাবলৈ ধৰিলে।
সুগ্ৰীৱৰ ভাষণ ঃ
নীৰৱে সাধন কৰে নিজ নিয়োজিত বন
অতিকে' বিৰল জানিবা সেই সৎজন;
ফুল মেলা নেদেখুৱাই যি বৃক্ষই দিয়ে ফল
সেই বৃক্ষও জানি লোৱা অতিকে বিৰল শ্লোক
ঃ ৯
চিন্তাকুল ৰামৰ ক্ৰোধানল জ্বলে,
জ্বলিছে জ্বলিব দিয়া
শোকাকুল ৰামৰ চকুলো সৰে,
সৰিছে, সৰিব দিয়া;
ৰাঘৱৰ ভাগৰুৱা অৱশ হাত
লগাবলে' নিদিবা শৰাসনত
ৰাঘৱৰ দুটি নয়ন অশ্ৰুসিক্ত
শৰৰ লক্ষ্যত নকৰাবা লিপ্ত। শ্লোক ঃ ১০

সপ্তম সৰ্গ ঃ
সুগ্ৰীৱৰ বুজনিত বানৰ সেনাৰ উদ্যম ফিৰি আহিল। ধৰাৰ সহস্ৰ পৰ্বতৰাশি কপিগণে কঢ়িয়াই আনি বিস্বাশৰদে সাগৰত পেলাবলৈ ধৰিলে। ধৰণী কপিল। চৌপাশে কেৱল নিৰৱচ্ছিন্ন শৈল আৰু শিলাপাতৰ বিৰাট শব্দ হ'ল;কিন্তু কোনো ফল নধৰিলে। সাগৰত পৰ্বত নিক্ষেপ কৰাৰ লগে লগেই অদৃশ্য হয়।
অথলে গ'ল কপিগণৰ উৎসাহ।
শিল, শৈল যত পয়োধিত অদৃশ্য হ'ল
কিনো পয়মাল,
ক্ৰমে উচ্ছ্বাসিত বানৰ সেনা ভাগৰত
দিলে লালকাল।
বিফলে গ'ল বানৰৰ পয়োধি জলত
শৈল নিক্ষেপ উদ্যোগ,
যিদৰে নিষ্ফল হ'ল দুৰ্জয় ৰামৰ
লংকা বিনাশ উদ্যোগ। শ্লোক ঃ ১১

অষ্টম সৰ্গ ঃ
বানৰ সেনাৰ প্ৰথম উদ্যোগ বিফল হোৱা দেখি বানৰ ৰজা সুগ্ৰীৱ বিশ্বকৰ্মাৰ পুত্ৰ সুদক্ষ কাৰিকৰ বানৰ নলক অনুৰোধ কৰিলে, যাতে বিস্তীৰ্ণ সাগৰৰ মাজেৰে এটা বান্ধ নিৰ্মাণ কৰে, যি বান্ধে মলয় পৰ্বত আৰু লংকাৰ সুৱেল পৰ্বতক সংলগ্ন কৰি সাগৰখন দ্বিখণ্ডিত কৰিব পাৰে। কাৰিকৰ বানৰ নলৰ অতকিতে ধী শক্তি জাগৰিত হৈ ক'বলৈ ধৰিলে যে পৰ্বতবোৰ সাগৰত পেলাওঁতে নিয়ম অনুসাৰে পেলাব লাগিব। ইতিপূৰ্বে ভুল প্ৰণালীৰে পৰ্বত নিক্ষেপ কৰাৰ কাৰণে সকলো শ্ৰম অথলে গ'ল। পৰ্বতবোৰ ইটোৰ লগত সিটো খাপ খোৱাকৈ পেলাই সাগৰ তলিৰ পৰা প্ৰাচীৰৰ নিচিনাকৈ গাঁথি আনি সাগৰ পৃষ্ঠত এটা গিৰিসেতু বান্ধিব পৰা যাব। নলৰ কৌশল অনুযায়ী বানৰ সেনাৰ সহায়ত নলে গিৰিসেতু বান্ধি উলিয়ালে।
সুউচ্চ বিশাল ভয়াৱহ গিৰিসেতু
সাগৰ দুফাল কৰি ক্ৰমে আগুৱায়;
যেন ৰাৱণক সবংশে সংহাৰিবৰ হেতু
মৰণৰ ভয়াৱহ হাত আগুৱায়। শ্লোক ঃ ৮৮
শ্লোক ঃ ৮৮
কিনো সেতু বান্ধিলে বানৰে
মাজ জলধি বুকত,
পূবৰ জীৱ ৰ'ল পশ্চিমত
পশ্চিমৰ জীৱ পূবত;
ইপাৰৰ পৰা সিপাৰলৈ চলন
ৰোধ হ'ল সমুদ্ৰ বান্ধৰ,
ইপাৰৰ জীৱ গণে নেদেখে
হায়! সিপাৰৰ ঘৰ। শ্লোক ঃ ৯৫
সাগৰখন পাৰ হৈয়েই বানৰ সেনাই ক্ৰমে লংকাৰ সুৱেল পৰ্বতৰ শিখৰত আৰোহণ কৰিলেহি। আহা! কিনো মনোমোহা দৃশ্য!
আৰোহণ কৰে ক্ৰমে
সুৱেলৰ চূড়া
গছলতা উপবন কুঞ্জ
কাননেৰে ভৰা,
শোভে জোপোহাৰ শাৰী
কি যে মনোমোহা!
যেন ৰাৱণে অনা
নন্দন বনৰ পৰা।
শিখৰৰ গছলতা শুকুলা
মেঘে আৱৰা
জল ভৰা মেঘৰ ভৰত
ছিগে বনলতা। শ্লোক ঃ ১০৩
দশম সৰ্গ ঃ লংকাত পদাৰ্পণ ঃ
সুৱেল পৰ্বতত বানৰ সেনাৰ স'তে শ্ৰীৰামে অৱস্থান কৰাৰ উমান পাই অসুৰপুৰীৰ বিলাসিনা প্ৰেয়সীগণ ভীতিবিহ্বল হৈ পৰে। মাজনিশা সুৰাগী প্ৰেমিকাহঁতৰ অজান আশংকাত বুকু কঁপিল।
নিশাৰ মধুৰ ক্ষণত লংকাৰ অসুৰগণ
আনন্দ উলাহত মগন;
প্ৰেয়সীৰ সংগত মজে, বিভোল মন
তুচ্ছ কৰে ৰামৰ আগমন।
ৰাৱণ বীৰ্যত সঁপে উল্লসিত মন
তৰুণীৰ কিন্তু উগুল-থুগুল চিন্তন।
শ্লোক ঃ ৬৬
হৃদয়ৰ যত সুখ সন্তাপ
উজাৰে সুৰাই;
যিদৰে লাজ মান এৰি
তৰুণীয়ে পাতলায়
আয়াসে মনৰ সুখ-দুখ
হিয়া উবুৰিয়াই। শ্লোক ঃ ৮০
উজ্বলিছে সুষম জোনালী আভা
ৰজনী আকাশত,
সুৰাৰ উন্মাদনা জাগিলেনে বাৰু
জোনৰ পোহৰত?
নতু জোনৰ পোহৰ উজলিল
প্ৰেমৰ উন্মাদনাত?
সুৰা আৰু প্ৰেমে মিলি আনিলেনে
আৱেগৰ জোৱাৰ?
নতু আৱেগে আনিলে পূৰ্ণ উন্মাদনা
সুৰা আৰু প্ৰেমৰ? শ্লোক ঃ ৮১
একাদশ সৰ্গ ঃ ৰাৱণৰ উন্মাদনা ঃ
সুৱেল গিৰিমালাত শ্ৰীৰামে বানৰ সেনাৰে স'তে অৱস্থান কৰা দেখি দুপৰ নিশা ৰাৱণৰ উন্মাদনা জাগে। নিৰুপায় হৈ বন্দিনী সীতাক ৰামৰ মায়াবী ছিন্ন শিৰ দেখুৱাই ভীতি প্ৰদৰ্শন কৰে।
ৰাৱণ চিন্তন, নিশাৰ অথিৰ ভাবন
সীতাৰ অৱমাননাই জগায় অসুৰ মন
'তুলি ধৰিম অৱনত শিৰ কেশপাশ আঁজুৰি
বাক্ৰুদ্ধ সীতাৰ সুষম মুখ চাম প্ৰাণ ভৰি,
তেহে মেলি চাব দুনয়ন জোনালী আভাৰ
পৰশত
নিগৰিব লোতকৰ ধাৰ, বাগৰিব ঢৌ
অশ্ৰুজলত।' শ্লোক ঃ ২৫
লংকেশ্বৰে ভাবিলে, 'স্বামীৰ অনুপস্থিতিতে যি নাৰীৰ মোৰ প্ৰতি বিৰোধ ভাব, সেই স্বামী আহি পোৱাৰ পাছত এতিয়া মোলৈ তাই ভাল ভাব ৰাখিব জানো?'
'যি পদুমক বেলি অবিহনে
নালাগে জোন
বেলিৰ আগমনত বিচাৰিবনে
পদুমে জোন?' শ্লোক ঃ ২৬
মনে সজা ফন্দি কাৰ্যত পৰিণত কৰিবলৈ লংকেশ্বৰে চকুৰ ঠাঁৰেৰে অনুচৰবৰ্গক সমুখত থিয় কৰাই ক'বলৈ ধৰিলে—



'মায়াৰ জালেৰে সাজা শীঘ্ৰে ৰামৰ খণ্ডিত মূৰ
সীতাক দেখুওৱা পতিৰ কণ্ঠবিহীন মায়াবী
শিৰ;
বিৰহত বুৰ যোৱা মুখ গঢ়িবা বিমৰ্ষ কৰি
শতৰুৰ দিশে ঘূৰোৱা চকু গঢ়িবা ভয়ানক
কই; শ্লোক ঃ ৩৫
যেনে আদেশ তেনে কাম। মায়াৰ বলেৰে গঢ় দিয়া হ'ল যেন নিমিষতে শিৰচ্ছেদ কৰা হৈছে শ্ৰীৰামক। অনুচৰহঁতে অশোক বনলৈ আহি ৰামৰ ভয়ানক মায়াৱী ছিন্ন মস্তক সীতাক দেখুৱালে।
সীতাৰ সমুখতে ৰাখে খণ্ডিত মূৰ,
ক্ষন্তেক আগতে ছিগা মুণ্ড কি যে ভয়ংকৰ
কণ্ঠৰ ওফন্দি উঠা তপ্ত মাংসৰ শিৰৰে স'তে
ধনু ধৰি থকা ছিন্ন বাম হাতেৰে ৰামৰ।
শ্লোক ঃ ৫২
স্বামীৰ ভয়াৱহ ছিন্ন মস্তক আগত লই
শোকৰ বাণী আৰু মৃত্যু বিচাৰে সীতাই;
নুফুটিলে এটিও কথা নিৰ্বাক মুখত, হায়!
ভাবিও নাপালে কোনো মৰণৰ উপায়।
শ্লোক ঃ ৬৭
জীৰ্ণ-শীৰ্ণ সীতা মাটিত থৰ লাগি পৰি ৰ'ল। সহিব নোৱাৰো শোকাতুৰা সীতাই বেদনাত মাটিত বাগৰি কেঁকনি জুৰিলে। মৃত্যুকে সাবটি ল'বলৈ বাঞ্ছা কৰি নিস্তব্ধ হৈ পৰি ৰ'ল আই বসুমতীৰ বুকুত। শেহান্তৰত দানৱীহঁতৰ মাজৰ পৰা সখি ত্ৰিজটাই প্ৰবোধ বচন শুনালে—
ত্ৰিজটাৰ সুতনি ঃ
'নাকান্দা সীতা ! মচা তোমাৰ নয়নৰ
নিছিগা ধাৰ
আজলী কিশোৰীৰ চিতে এন্ধাৰতো গমে
বিপদ বেলিৰ
জানিও নুবুজা কিয় ৰাম যে পৰম পুৰুষ
ত্ৰিজগতৰ।'
ত্ৰিজটাই বুজনি দিয়ে সীতাৰ মুখখনি তুলি
'ছিন্ন মস্তক দেখি পতিয়ন নাযাবা ৰামৰ
বুলি
ধৰণী ওলট খাব, পৰেহি যদিহে ধৰাত
ৰামৰ শিৰ,
মিলিত হ'ব অনন্ত জল সাতোখন সাগৰৰ
প্ৰচণ্ড ধুমুহাত নাভাগিব গছ-লতা ৰাৱণ
কুঞ্জৰ
জাঁপ নাযাব জোনাক পুষ্পিত পদুম দিনৰ
বেলাৰ'। শ্লোক ঃ ৮৭-৯১
অসুৰৰ মায়াই কৰিছে তোমাক বিভ্ৰান্ত
ধৰাত বাগৰি অযথা হৈছা ক্লান্ত;
জানিও নুবুজা কিয় ই ছলনা অসুৰৰ
তোমাৰ দুখত দহিছে মোৰো যে অন্তৰ।
শ্লোক ঃ ৯৭
ইতিমধ্যে ৰাতি নৌ পুৱাওঁতেই শ্ৰীৰামৰ দুৰন্ত ৰণভেৰী বাজি উঠিল। ৰণভেৰীৰ তীব্ৰ শব্দ শুনি জীৱনৰ আশা ফিৰি আহে সীতাৰ।
সীতাই শুনে অৱশেয়ে শুভ ৰণভেৰী ৰামৰ
শুনে পুৱতিৰ দুৰন্ত ঘোষণা ৰণ সূচনাৰ
জীৱন ফিৰি অহা আশাৰে
সীতাই উশাহ পেলায়, ফুলি উঠা
বুকুৰে। শ্লোক ঃ ১৩৪
ত্ৰয়োদশ সৰ্গ ঃ ভয়াৱহ ৰণাংগন ঃ
বলীয়ানে চিন্তা কৰে যশস্যা লাভৰ
সহ্য নকৰে অৱনত হোৱা বিক্ৰমৰ
শতৰু বধি আঁতৰায় পিয়াহ মনৰ
বঢ়ায় গতিবেগ ভয়ানক যুঁজৰ।
শ্লোক ঃ ৪৬
ধূলিয়ৰি ৰণাংগন ঃ
ৰণুৱাৰ কলিজা ফাটে শতৰুৰ অস্ত্ৰাঘাতত
ভাহে ধূলিৰ তৰপ ৰক্তৰ প্ৰবল সোঁতত
যেন বৃক্ষ ভাহে পাৰ ভঙা নদীৰ সোঁতত।
কুঁৱলীৰ দৰে বিয়পে পাতলীয়া ধূলি
বতাহত
যেন ওপঙিছে ৰাশি ৰাশি আঁহ পদুম
ঠাঁৰিৰ। শ্লোক ঃ ৬০, ৬১
পঞ্চদশ সৰ্গ ঃ ৰাম-ৰাৱণৰ দ্বৈৰথ যুদ্ধ ঃ
যি ৰাৱণৰ আত্মীয়-স্বজন সকলো হত হ'ল, সেই ৰাৱণেই প্ৰথমে আকৰ্ণ শৰ টানি প্ৰহাৰ কৰিলে ৰামলৈ। ৰাৱণৰ প্ৰহাৰিত শৰ প্ৰচণ্ড কোবেৰে গতি কৰি ৰামৰ বুকুত পৰিলগৈ।
সুদৃঢ় ৰামৰ বক্ষ ৰাৱণে শৰবিদ্ধ কৰে
কঁপে ৰাম, কঁপে ত্ৰিজগত ৰামৰ দৰে
অভিন্ন যি বিষ্ণুৰূপী ৰাঘৱৰ স'তে।
শ্লোক ঃ ৬৫
ৰামে উলটি শৰ প্ৰহাৰ কৰিলে ৰাৱণলৈ। একেপাট শৰতেই ৰাৱণৰ একুৰি হাত ভেদ কৰিলে। এপাট তীব্ৰ শৰেৰে ৰামে ভীষণভাৱে আঘাত কৰিলে ৰাৱণৰ কপাল। দশাননৰ চকুবোৰৰ পৰা ধাৰাসাৰে তেজ বাগৰিল। পিছ মুহূৰ্ততে ৰামৰ বাণে ৰাৱণৰ গোটেইকেইটা শিৰ একেলগে খণ্ডিত কৰিলেগৈ। ডিঙিবোৰৰে স'তে সৰি পৰা প্ৰকাণ্ড মূৰকেইটা মাটিত বিকট ৰূপ ধাৰণ কৰিলে। নিমিষতে উৰি গ'ল মৃত দশাননৰ আত্মা দহোমুখৰ মাজেৰে।
ৰাৱণ নিহত হ'ল, পীড়নৰো হ'ল অৱসান,
বিৰাজে ত্ৰিলোকত শান্তি আৰু সকাহৰ
বাতাবৰণ
ৰামে সামৰে শৰাসন ত্যাজি ৰোষৰ
ভ্ৰূকুঞ্চন। শ্লোক ঃ ৮২
যুঁজৰ সমাপন ঃ
ৰাৱণ বধে নিশ্চিত কৰিলে উদ্ধৰণ সীতাৰ,
দয়াৰ বিনিময়ত কৰ্তব্য সমাধা হ'ল
সুগ্ৰীৱৰ
কপিৰাজে হেঁপাহেৰে চায় সাগৰ তীৰ
সিপাৰৰ। শ্লোক ঃ ৯২
গৰিমাৰে অভিষিক্ত কৰিব ৰামে ভৰতৰ
অনুৰাগ
যাত্ৰা কৰে অযোধ্যালৈ, সংগত জানকী
পতিব্ৰতা
ৰাজে সোণৰ দণ্ড হেন দয়িতা, অগ্নিস্নাতা
সীতা। শ্লোক ঃ ৯৪
অনুৰাগৰ বাণীৰে 'ৰাৱণ বধ' ইমানতে
হ'ল সমাপ্ত
সীতা উদ্ধৰণৰ কাহিনীয়ে হৃদয় কৰে
পুলকিত
কাব্যৰ অনুৰক্তি আছে যিজনৰ হয়
ঈৰ্ষান্বিত। শ্লোক ঃ ৯৫

ফোন ঃ ৯৯৫৪০৩৮৭০৪

# দিমালীৰ গান

**দক্ষিণ** কামৰূপৰ বামুণীগাঁও অঞ্চলৰ মাজেৰে উত্তৰ-পশ্চিমলৈ বৈ যোৱা সৰু নদীখনক আমি দিমালী বুলি জানো। এই দিমালী পাৰতেই বগে ৰাজ্যক কেন্দ্ৰ কৰি এক সভ্যতা- সংস্কৃতি গঢ়ি উঠিছিল।

দিমালী শব্দটো বড়ো ভাষাৰ দৈমালী শব্দৰ পৰা অহা বুলি বিভিন্নজনে মতপোষণ কৰিছে। বড়ো ভাষাত দৈ মানে পানী, মালী হ'ল নিছিগা ধাৰ বা সোঁত (দৈ+ মালী=দৈমালী->দিমালী)। কোনোৱে কয় নৈখনৰ পানী এক দিমালৈ থাকে বাবে নৈখনৰ নাম দিমালী।

এই দিমালী বামুণীগাঁও অঞ্চলৰ সভ্যতা-সংস্কৃতিৰ বাৰ্তা বাহক। গাৰো জনজাতিৰ লোকসকলে ইয়াক 'দেঙাই চিচিমা' বুলি কয়। দেঙাই মানে ডোং বা ডোঙা, বেছিভাগ পাহৰৰ ওচৰ-পাঁজৰৰ ঠাইত এনে ডোং বা ডোঙা দেখা যায়। চিচিমা মানে সৰু নদী, সেয়েহে ক'ব পাৰি ডোঙা আকৃতিৰ সৰু নদীয়েই 'দেঙাই চিচিমা'।

দিমালীৰ প্ৰকৃত উৎস হ'ল ডাৰিয়া পাহাৰৰ এক সমতল ভূমি— এই সমতল ভূমি চাৰিওফালে ওখ পাহাৰে আৱৰি আছে আৰু এই ওখ



পাহাৰবোৰৰ পৰা সমতল ভূমিলৈ বৈ অহা নিজৰাবোৰ লগ লাগি দিমালীৰ উৎপত্তি হৈছে। ডাৰিয়া পাৰা অংশত জনবসতি অতি সেৰেঙা।

ডাৰিয়া পাহাৰৰ পৰা দিমালীয়ে বহু দুৰ্গম পাহাৰ অতিক্ৰমি ভৈয়ামলৈ বৈ আহিছে। লাৰুবামা, সাঁকোমুৰি নাওশিলা পাৱলৈ দিমালীয়ে আৱেঠা পাহাৰ, ৰাংগি পাহাৰ, মৌ ভাণ্ডাৰ, মাছ ভাণ্ডাৰ, সদাগৰ পাহাৰ আদি অতিক্ৰমি আহিছে। পাছত দিমালীয়ে শান্তিপুৰ হৈ উত্তৰ-পশ্চিমলৈ বৈ আহিছে। পাহাৰবোৰৰ পৰা বৈ অহা নিজৰাবোৰে দিমালীৰ শক্তি বৃদ্ধি কৰিছে। সাতেকোনা পাহাৰৰ সাতটা কোণৰ পৰা বৈ সাতটা নিজৰা কৰৈবাৰী হৈ আহি ধুনীয়া গাঁৱৰ দিমালীত মিলিছে। এই ধুনীয়া গাঁৱৰ দিমালী নদীৰ পাৰতেই বনগাঁৱৰ মৌজাদাৰৰ হাতীৰ মাউত বাৰো ৰাভাৰ ঘৰ। মৌজাদাৰৰ গায়ক-গীতিকাৰ বৰপুত্ৰ নলিনী চৌধুৰীৰ বাৰো ৰাভাৰ ঘৰলৈ সঘন আহ-যাহ। এই ধুনীয়া গাঁৱৰ দিমালীৰ ঘাটতেই বিগত শতিকাৰ ৬০ দশকত এইগৰাকী জনতাৰ শিল্পীয়ে 'এই জীৱন নদীৰ কিনো মায়া, এই নদীৰ পানীত কিনো ছাঁয়া'— গীতটো লিখিছিল।'

দিনমণি দাস

এই দিমালী পাৰৰ অঞ্চলটোত কল, কমলা, আনাৰস যথেষ্ট উৎপাদন হয় যদিও উদ্যান শস্য বিভাগে প্ৰয়োজন অনুপাত সাহায্যৰ ব্যৱস্থা নকৰাত অভিযোগ পোৱা যায়। ঠায়ে ঠায়ে কমলা বাগান ধ্বংসও হৈছে।

এই দিমালীৰ পাৰতেই গাৰো সম্প্ৰদায়ৰ গোবিন্দ আতাই ছমৰীয়া সত্ৰৰ প্ৰতিষ্ঠাতা শ্ৰীশ্ৰীবড়বিষ্ণু আতাৰ সহযোগী হিচাপে দক্ষিণ কুলৰ বহু গাৰো সম্প্ৰদায়ৰ লোক তথা অন্য সম্প্ৰদায়ৰ জনজাতীয় লোকক মহাপুৰুষীয়া এক শৰণ নামধৰ্মলৈ আনি আজিৰ পৰা পাঁচশ বছৰ আগেয়ে মহামিলনৰ সেঁতু গঢ়াত আগভাগ লৈছিল। গাৰো গোবিন্দ আতাৰ বাসস্থান আছিল বৰ্তমানৰ বনগাঁও মৌজাৰ লাৰুবামা গাঁও, আদিতে লাৰুবামা গাঁৱৰ এটি পাহাৰৰ টিলাত চাংঘৰ সাজি গোবিন্দ আতাই বাস কৰিছিল বুলি জনা যায়।

দিমালী নামনিলৈ বৈ আহি দুয়োফলৰ বিভিন্ন পাহাৰৰ পৰা নামি অহা নিজৰাৰ শক্তিৰে শক্তিমান হৈ শান্তিপুৰৰ পৰা উত্তৰ মুৱা হৈ ফালাফাং, ধনীয়াগাঁও, ঔফুলা আদি অতিক্ৰমি মিলাঘাট চুইছ গেটত দুভাগত বিভক্ত হৈ পৰে।

এই মিলাঘাট মিলনৰ ঘাট, বিভিন্ন ঠাইৰ মানুহ আহি দিমালী নদীৰ পাৰত মিলা-প্ৰীতিৰে চুবুৰি পাতি থাকিবলৈ লোৱাৰ পৰাই মিলাঘাট নামটো হ'ল বুলি বিভিন্নজনে কয়। এই মিলাঘাট গাঁৱতেই স্বাধীনতাৰ পাছতেই (১৯৪৮) 'মিলন ঢুলীয়া চাৰ্কাছ দল' গঠন হৈছিল। এই ঢুলীয়া দলটোৱে দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইত ঢুলীয়া সংস্কৃতি পৰিৱেশন কৰিছিল। বৰ্তমান চাৰ্কাছ দলটো নিষ্ক্ৰিয় হৈ আছে।

মিলাঘাটত দিমালী বিভক্ত হৈ পূবলৈ যোৱা ডোঙাটো পাগলাপাৰা ৰঙা দলঙৰ তলেৰে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ 'দ মুখা'ত খৰখৰী নদীত পৰিছে। 'দ মুখা'ৰ পৰা পূব দিশত গন্ধেহাৰি পাহাৰ আৰু পশ্চিমে 'কুঁজিবুঢ়ী' পাহাৰ, ইয়াৰ প্ৰাকৃতিক দৃশ্য মনোৰম। মূল দিমালী নদী মিলাঘাট চুইছ গেটৰ পৰা ওলাই বামুণীগাঁও বজাৰৰ মাজেৰে ঘাইপথ পাৰ হৈ পশ্চিম ফালে লাকাডুবি পথাৰৰ মাজেৰে গৈ ৰাণীভিঠাৰ ওচৰত দুটা ভাগত ভাগ হৈ দুয়োটা শাখা অলপ দূৰত গৈ আকৌ লগ লাগি কিছুদূৰ গৈ দেওচৰ জামবাৰী পথাৰ আৰু শাওৰাগুৰি পথাৰৰ ওচৰত খৰখৰী নদীত মিলি নিজ যাত্ৰা পথৰ অন্ত পেলাইছে।


নদী হিচাপে ডাঙৰ নহ'লেও— এই নদীৰ পলসে অঞ্চলটোৰ কৃষিজীৱী লোকৰ জীৱন-জীৱিকা সমৃদ্ধ কৰিছে। অঞ্চলটোৰ কৃষকে শালি খেতি, বৰো খেতি কৰি যথেষ্ট লাভৱান হৈছে। দিমালী নদীৰ কিছু ঠাইত অপৰিকল্পিতভাৱে বালি উঠোৱা দেখা গৈছে, ফলত নদীৰ পৰিৱেশতন্ত্ৰত ক্ষতিৰ আশংকা আছে। ভাৰতীয় সংস্কৃতিত নদীক মাতৃ জ্ঞান কৰা হয় যদিও সম্প্ৰতি আমাৰ সমাজত সমাজৰ এচাম লোকে নদীক পেলনীয়া সামগ্ৰী পেলোৱা ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰা, নদীত লেতেৰা কাপোৰ ধোৱা আদি কাম কৰা দেখা গৈছে। আমাৰ জীৱন আৰু সংস্কৃতিক জীপাল কৰা নদীক পবিত্ৰ জ্ঞান কৰা দৰকাৰ।


দূৰ অতীতৰ দৰে অনাগত দিনবোৰতো দিমালীয়ে কঢ়িয়াই আনক দিমালী পাৰৰ সমাজ জীৱনলৈ আশা আৰু সোণালী ধাননি পথাৰৰ দৰে আশাৰ প্ৰতিশ্ৰুতি।

ফোন ঃ ৯৪৩৫১৯২০৫৬

# কটন গৌৰৱ নে অসম গৌৰৱ? সাহিত্যাচাৰ্য কটনিয়ান চৈয়দ আব্দুল মালিক

ড° অৰূপ কুমাৰ হাজৰিকা





**দেশৰ** গৰিষ্ঠসংখ্যক গৌৰৱৰ জন্মদায়িনী মাতৃ এই কটন মহাবিদ্যালয়। এই অসমৰ হৃদয়স্পন্দন বুঢ়ালুইত পাৰৰ চিৰ যৌৱনা কটন কলেজ আজি বিশ্ববিদ্যালয় হ'ল। এই সময়খিনিত কটন কলেজে/বিশ্ববিদ্যালয়ে জন্ম দিলে বিভিন্ন বিখ্যাত লোকক। এই শিতানৰ কটন গৌৰৱ নে অসম গৌৰৱত লিখিবলৈ লৈছো সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিকৰ বিষয়ে।

অসমীয়া ভাষা সাহিত্যৰ কাণ্ডাৰী পদ্মশ্ৰী পদ্মভূষণ সাহিত্যাচাৰ্য সন্মানসূচক ডি লিট উপাধিৰে বিভূষিত কথাশিল্পী, খুহুতীয়া কথাৰ, যাদুকৰ, গল্প সম্ৰাট চৈয়দ আব্দুল মালিকে অসমীয়া সাহিত্যৰ কবিতা, চুটিগল্প উপন্যাস নাটক, গৱেষণা সাহিত্য, শিশু সাহিত্য, অনুবাদ সাহিত্য, ভ্ৰমণ সাহিত্য আদি ভালেকেইটা দিশত হাত দি অনুপম সৃষ্টিৰে গৰিষ্ঠসংখ্যক অমূল্য অৱদান আগবঢ়াই ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰিছে। অসমীয়া ভাষা সাহিত্য আৰু সাহিত্যৰ অমূল্য সম্পদ এই চৈয়দ আব্দুল মালিকো এজন কটনিয়ানেই আছিল।

সাম্প্ৰতিক কালৰ অসমৰ বিশিষ্ট সাহিত্যিকসকলৰ ভিতৰত পদ্মশ্ৰী মালিক এজন অন্যতম শ্ৰেষ্ঠ সাহিত্যিক। তেওঁ হেনো ১৯২৯ত নতুনকৈ প্ৰতিষ্ঠা হোৱা দেৰগাঁও হাইস্কুলত নাম লগাইছিল। তেতিয়া স্বৰাজ আন্দোলনৰ ভৰপক সময় আছিল। তেতিয়াৰ শিক্ষাধিকাৰ মিঃ কানিংহাম চাহাবে এখন নিৰ্দেশ জাৰি কৰিলে যাতে কোনো ছাত্ৰই কংগ্ৰেছে চলোৱা জাতীয় আন্দোলনত যোগদান কৰি শোভাযাত্ৰা, পিকেটিং আদিত সহযোগ কৰিব নোৱাৰে। সেইখনেই আছিল 'কানিংহাম চাৰ্কুলাৰ'। এই চুক্তিৰ মৰ্মে ছাত্ৰই চহী কৰিব লগা হৈছিল। যিসকলে চহী নকৰিলে বহিষ্কাৰ হ'ল। কোনো কোনোৱে আকৌ ৰাইজে নতুনকৈ পতা স্কুলত নাম লগাই পঢ়িলে আৰু বহুতৰে শিক্ষা সিমানতে শেষ হ'ল। দেৰগাঁও হাইস্কুলৰ ৰাইজে পতা তেনেকুৱা এখন হাইস্কুল। আব্দুল মালিকে হেনো সেইখন স্কুললৈ ১০ মাইল বাট খোজকাঢ়ি অহা-যোৱা কৰিছিল।

আব্দুল মালিকে চতুৰ্থ শ্ৰেণীত থকাৰ পৰাই গদ্য লিখাৰ আৰম্ভ কৰিছিল। তেতিয়া হেনো দেৰগাঁও হাইস্কুলৰ এখন হাতে লিখা আলোচনী আছিল। নাম আছিল 'আজলী'। তাতে হেনো তেওঁ প্ৰথম কবিতা লিখিছিল। জনা মতে, কোমল বয়সৰ পৰাই তেওঁৰ এটা শিল্পীসুলভ মন আছিল। তেওঁ কোৱা কথাবোৰেই কবিতা কবিতা যেন লাগে। ছাত্ৰ একতা সভাবিলাকত ভাব-ভংগীৰে সুন্দৰ কবিতা আবৃত্তি কৰি সকলোকে তেওঁ মুগ্ধ কৰিছিল। ছাত্ৰ একতা সভাত তেওঁ দিয়া বক্তৃতাবোৰত তেওঁৰ সুষম ভাষা আৰু বাগ্মিতা প্ৰকাশ হৈছিল।

দেৰগাঁও হাইস্কুল নতুনকৈ গঢ় লোৱা হ'লেও তাৰ শিক্ষকসকলৰ কাৰণেই বোধকৰো শিক্ষাৰ উন্নতমান থকা বুলি সুনাম তেতিয়া আছিল। এতিয়াও সেই ঐতিহ্য ৰক্ষা হৈছিল। ১৯৩৫ত মালিক নৱম শ্ৰেণীলৈ প্ৰমোচন পাই যোৰহাট হাইস্কুললৈ বদলি হৈছিল। তেতিয়া সেইখন স্কুলৰ সুনাম গোটেই অসমতে বৈ বৈ যোৱাবিধৰ আছিল। সেই সময়ত তাৰ প্ৰধান শিক্ষক আছিল শিক্ষাবিদ আৰু ক্ৰীড়াবিদ চিৰকুমাৰ জেহিৰুদ্দিন আহমেদ।

মালিকে ১৯৩৭ত সুখ্যাতিৰে মেট্ৰিক পাছশৰে আৰু এতিয়াৰ জে বি কলেজত নাম লগালে। তাতেই তেওঁ ভাষা সাহিত্য চৰ্চাৰ এখন বহল পথাৰ আবিষ্কাৰ কৰিছিল।

১৯৩৯ত তেওঁ যোৰহাটৰ জে বি কলেজৰ পৰা আই এ পাছ কৰি ইংৰাজীত সন্মান পাঠ্যক্ৰম লৈ গুৱাহাটীৰ কটন কলেজত নাম লগাই ১৯৪১ত কটন কলেজৰ পৰাই ইংৰাজী বিষয়ত সুখ্যাতিৰে বি এ পাছ কৰে। ইয়াৰ পাছত তেওঁ অৰ্থৰ অভাৱৰ বাবে এম এ পঢ়িবলৈ যাবৰ মানসিকভাৱে সাহস গোটাব নোৱাৰিলে। সেয়েহে জীৱিকা উপাৰ্জন আৰু উচ্চ শিক্ষাৰ বাবে অৰ্থ গোটোৱাৰ উদ্দেশ্য কিছুদিনৰ বাবে আবকাৰী বিভাগৰ চাকৰি কৰি তাক এৰি থৈ অধিক উপাৰ্জনৰ বাবে দ্বিতীয় মহাযুদ্ধৰ ধামখুমীয়াতে প্ৰায় তিনি বছৰ মিলিটেৰী বেৰাকত থাকি যুদ্ধ ক্ষেত্ৰৰ চাকৰি কৰি অৰ্থ উপাৰ্জন কৰিছিল। তেতিয়াও তেওঁৰ কলমটোৱে জিৰণি পোৱা নাছিল। সেই সময়ত প্ৰকাশ পোৱা চুটিগল্পৰ সংকলন 'পৰশমণি'য়ে তেওঁক জনপ্ৰিয় গল্পকাৰ হিচাপে চিনাকি কৰি দিয়ে।

ক'বলৈ গ'লে মালিক এজন আজন্ম কবি বুলিও ক'ব পাৰি। কবি-মালিক পাছলৈ কেৱল কবিয়েই নহয় তেওঁ একেবাৰে গল্পকাৰে ঔপন্যাসিক নিবন্ধকাৰ, কথাশিল্পী, সমালোচক, ব্যংগ লেখক, অভিনেতা হিচাপেও যশস্যা লাভ কৰিছিল। শ্ৰেণীত পাঠদান আৰু সভা-সমিতিত বক্তৃতা দিওঁতে হেনো তেওঁ অভিনয়ৰ যোগেদিহে যেন শ্ৰোতাক ৰসাপ্লুত কৰিছিল। তেওঁ পাছত স্নাতকোত্তৰ ডিগ্ৰী লৈ জগন্নাথ বৰুৱা কলেজত অধ্যাপনা কৰি তাৰ পৰাই চাকৰি জীৱন সমাপ্তি ঘটায়। যোৰহাটত অধ্যাপনা কৰা কালত তেওঁ সাহিত্য চৰ্চালৈ এখন বিস্তৃত ক্ষেত্ৰ পাইছিল।

১৯৫৭ৰ নিৰ্বাচনত তেওঁ ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ সমৰ্থনত কলিয়াবৰ লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও প্ৰতিযোগিতাত পৰাজৱৰণ কৰিছিল। অধ্যাপনাৰ পৰা অৱসৰ লোৱাৰ পাছত তেওঁ সক্ৰিয় ৰাজনীতিলৈ যায়। কংগ্ৰেছ (ই) সদস্যভুক্ত হৈ ৰাজ্যসভালৈ নিৰ্বাচিত হয় আৰু কংগ্ৰেছৰ সদস্য হিচাপে ভালেমান গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হয়।

ৰাজনীতিলৈ গ'লেও তেওঁ মূলতঃ সাহিত্যিক-বুদ্ধিজীৱী। তেওঁ অসমীয়া সাহিত্যলৈ দিয়া অৱদানে কেৱল অসমীয়া সাহিত্যিকে সমৃদ্ধ কৰা নাই। তেওঁকো অসমৰ এগৰাকী সৃষ্টিশীল মুখ্য সাহিত্যিকৰূপে প্ৰতিষ্ঠা কৰিলে। প্ৰায় লুপ্তপ্ৰায় জাৰি-জিকিৰ আবিষ্কাৰ কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰাত তেওঁৰ অন্য এক অৱদান আছে। আচলতে তলত দিয়া কবিতা ফাকিতেই তেওঁৰ দৰ্শন, দেশপ্ৰেম আৰু সাহিত্য সাধনাৰ প্ৰমাণ পোৱা যায়।

'অসমীয়া ভাষা মোৰ, কথা মোৰ,
গীত মোৰ
অসমৰ প্ৰকৃতিয়ে ৰচা
বিহগ কিন্নৰ য'ত শুনিলে নীৰৱ হয়
অসমীয়া গীত মোৰ হৃদয় ওপচা।'

ফোন ঃ ৯৮৬৪০-৪৪৪৫৩






# মানৱ দৰদী চিকিৎসক ডিম্বেশ্বৰ

*তিনি পৃষ্ঠাৰ পৰা* কেন্দ্ৰ যোগে প্ৰচাৰিত হৈছিল। বিভিন্ন কাকত-আলোচনীত প্ৰয়াত দুৰৰাৰ বিভিন্ন গল্প, কবিতা, প্ৰৱন্ধ প্ৰকাশ পাইছে। গংগা চিলনীৰ পাখি, ধৰ্ম কাই চিনেমাৰ লগতে বৰ মানুহৰ দোলা নাটকত দুৰৰাই কৰা অভিনয় সকলোৰে মনত ৰাখিব। ১৯৪৭ত মাজুলীত হোৱা বানপানীৰ সময়ত আৰ্তজনৰ বাবে আগবঢ়োৱা সেৱাৰ বাবে বিশেষ সন্মান লাভ কৰা দুৰৰাই ২০১৩ত নগেন দত্ত স্মাৰক গ্ৰাম্য চিকিৎসা সেৱা বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ এৰি যায়।

# ‘দি ৱেইট’ অসম লালনা প্ৰাৰ্থনা

*তিনি পৃষ্ঠাৰ পৰা* দশকত ৰাজ্যৰ এখন গাঁৱৰ দুই যুৱক-যুৱতীৰ এক অসম্পূৰ্ণ প্ৰেম কাহিনী আৰু উগ্ৰপন্থীৰ সমস্যাক লৈ নিৰ্মাণ হৈছে এই ছবিখন। সাধাৰণ মানুহৰ এক অকথিত কাহিনী এই ছবিৰ ভাষা। উগ্ৰপন্থীৰ শিবিৰৰ পৰা ধনসহ পলায়ন কৰা এজন যুৱক আৰু তেওঁৰ পৰিয়াললৈ নামি অহা সংকট তথা পলাতক ভ্ৰাতৃৰ বাবে উগ্ৰপন্থীৰ গুলীত প্ৰাণ দিব লগীয়া হোৱা এজন প্ৰগতিশীল যুৱকৰ বাবে অপেক্ষা কৰি থকা প্ৰেমিকাৰ কথাৰে ৰাজ্যখনত এসময়ত সংঘটিত হৈ যোৱা হৃদয় বিদাৰক ঘটনাক তুলি ধৰা এক দস্তাবেজ এইখন চুটি ছবি। ২০০৯ৰ পৰা বলিউদত ভৰি থোৱা আৰু প্ৰখ্যাত অভিনেতা অনিল কাপুৰ প্ৰডাকচনৰ ‘আয়েশা’ নামৰ ছবিখনত সহকাৰী নিৰ্দেশক হিচাপে কাম আৰম্ভ কৰা তেজপুৰৰ প্ৰাৰ্থনাই পাছত য়শৰাজ ফিল্মছৰ ‘বেণ্ড বাজা বাৰাট, লেডিজ ভাৰ্চেছ ৰিকি বেহেল, কবিৰ খানৰ ফেন্টম’, বজৰংগী ভাইজান, টিউবলাইট, দ্য ফৰগটেন আৰ্মি, বিশ্ব প্ৰসিদ্ধ ক্ৰিকেটাৰ কপিল দেৱৰ ওপৰত আধাৰিত ১৯৮৩, দিল্লী ইন এ ডে’ আৰু ইস্ক ইন পেৰিচ’ আদিত সহকাৰী নিৰ্দেশক নতুবা স্ক্ৰিপ্ট ছুপাৰভাইজৰ হিচাপে কাম কৰিছে। বৰ্তমান বলিউদত স্ক্ৰিপ্ট ছুপাৰভাইজৰ হিচাপে কাম কৰি যোৱা প্ৰাৰ্থনা ক’ভিডৰ বাবে তেজপুৰলৈ আহি অসমীয়া চুটি ছবিখনৰ বাবে প্ৰস্তুতি আৰম্ভ কৰে ২০২০ৰ নৱেম্বৰত। যোৱা জানুৱাৰীৰ শেষত চানডুবিৰ ভেৰভেৰী গাঁৱত ছবিত চিত্ৰগ্ৰহণ কৰে। তেজপুৰৰ জ্যেষ্ঠ অধিবক্তা মাধুৰ্য গোস্বামী আৰু নীতা গোস্বামীৰ কন্যা প্ৰাৰ্থনাৰ এই ছবিৰ কাহিনীটো তেওঁৰ মাতৃয়ে ইতিমধ্যেই লিখিছিল আৰু এখন ইংৰাজী দৈনিক কাকতত প্ৰকাশ হৈছিল। এই কাহিনীটোকে লৈ প্ৰাৰ্থনাই চিত্ৰনাট্য ৰচনাৰ লগতে নিৰ্দেশনা কৰি নিজৰে কঁহুৱাবন ফিল্মছৰ বেনাৰত প্ৰযোজনা কৰে। ছবিখনত হিন্দী ছিৰিয়েল বেহদ আৰু জেকছনৰ সহনায়িকা তথা নায়িকা কংগন বৰুৱা নাংগিয়া, অভিনেতা নয়নজ্যোতি, কমল লোচন, প্ৰবীণ অভিনেত্ৰী প্ৰতিভা চৌধুৰীয়ে অভিনয় কৰে। এগৰাকী সুপ্ৰশিক্ষিত আৰু অভিজ্ঞ তথা নতুন চিন্তাৰ নিৰ্দেশকৰ দক্ষতা প্ৰকাশ পোৱা চুটি ছবিখনৰ পাপু ডেকাৰ দৃশ্য গ্ৰহণ সঁচাকৈয়ে বিশ্ব মানৰ।

# খানামুখত অগপৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা

*তিনি পৃষ্ঠাৰ পৰা* কেন্দ্ৰীয় সমিতিৰ সম্পাদক সুভাষ শৰ্মাই আৰু ছহিদ তৰ্পণ কৰে অগপৰ জন্মলগ্নৰ কৰ্মী আৰু ৰাণী আঞ্চলিক পঞ্চায়তৰ সভাপতি পৰমেশ্বৰ বৰ্মনে।

দুপৰীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পশ্চিম গুৱাহাটী সমষ্টিৰ আঠটা ৱাৰ্ড আৰু আঠখন গাঁও পঞ্চায়তৰ আঞ্চলিক কমিটীৰ তিনি শতাধিক দলীয় কৰ্মী, বিষয়ববীয়াৰ উপস্থিতিত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে কেন্দ্ৰীয় কমিটীৰ সম্পাদক সুভাষ শৰ্মাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পশ্চিম গুৱাহাটী বিধান পৰিষদৰ সাধাৰণ সম্পাদক ৰবীন দৈমাৰীয়ে।আনহাতে, সভাত ক’ভিড-১৯ৰ বিৰুদ্ধে হোৱা যুঁজখনত নিজৰ জীৱনত তুচ্ছ কৰিও ৰাইজক আগবঢ়োৱা সেৱাৰ বাবে বৃহত্তৰ অঞ্চলটোৰ ১৩ গৰাকী আশাকৰ্মীক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। তেনেদৰে দলটোৰ প্ৰতিষ্ঠা তথা জন্মলগ্নৰে পৰা থকা সমষ্টিটোৰ আঠ জ্যেষ্ঠ কৰ্মীকো সম্বৰ্ধনা জনোৱা হয়। সভাত আব্দুল আজিজ, দ্বিজেন ঠাকুৰীয়া, পশ্চিম গুৱাহাটী মহিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি কাকতি, দলটোৰ লগতে যুৱ পৰিষদৰ নেতা কৰ্মী ক্ৰমে ৰঞ্জন পাটোৱাৰী, ৰুবুল বৈশ্য, বাহাৰুল ইছলাম, গৌতম কাকতি, কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়াকে ধৰি কে’বাজনেও ভাষণ প্ৰসংগত অগপক বাদ দি অসমত আঞ্চলিকতাবাদৰ কথা ভাবিবই নোৱাৰি বুলি ব্যক্ত কৰি পশ্চিম গুৱাহাটীত যাতে সদায় অগপৰ পতাকাখন উৰি থাকে তাৰ বাবে কাম কৰি যোৱাৰ হকে সংকল্প গ্ৰহণ কৰে। ইয়াৰ উপৰি স্বাস্থ্যজনিত কাৰণত হঠাতে নতুন দিল্লীলৈ যাবলগীয়া হোৱা বাবে দুখ প্ৰকাশ কৰি পশ্চিম গুৱাহাটীৰ বিধায়ক তথা অগপৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই দলৰ প্ৰতিষ্ঠা দিৱসত প্ৰেৰণ কৰা শুভেচ্ছা বাণী সভাত পাঠ কৰি দিয়া হয়।

# চাবুৱাৰ খাদ্যত বিষক্ৰিয়াৰ ঘটনাৰ

*তিনি পৃষ্ঠাৰ পৰা* দিনজান, ভাৰধৰা, খাজিখোৱাকে ধৰি য’ৰলৈকে প্ৰসাদ পাইছিল গৈ সেই ঠাইৰ লোকো আক্ৰান্ত হৈছে। তিনি শতাধিক আক্ৰান্তৰ ভিতৰত দুগৰাকী অন্তঃসত্ত্বা মহিলা এতিয়াও ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। এতিয়াও বহু লোক সম্পূৰ্ণৰূপে আৰোগ্য লাভ নকৰিলেও 90 শতাংশই সুস্থতা লাভ কৰা বুলি ৰাইজে অনুমান কৰিছে। উল্লেখ্য যে আঠ অক্টোবৰৰ দিনটো বৰবাৰী গাঁৱৰ এজন জনপ্ৰিয় ব্যক্তিৰ মৃত্যুৰ তিথি হিচাপে গাঁও দুখনৰ ৰাইজে তিথিত উপস্থিত হৈ প্ৰসাদ গ্ৰহণ কৰিছিল। 10 অক্টোবৰত গাঁও দুখনত অসংখ্য লোক শৌচ, বমি, জ্বৰ আৰু গা-বিষত ৰোগীয়া হৈ পৰে। অনুমানিক উক্ত প্ৰসাদৰ পৰাই তিনি শতাধিক আক্ৰান্তক চাবুৱা আদৰ্শ হাস্পাতালত ভৰ্তি কৰোৱা হয়। 60 খন বিছনাযুক্ত আদৰ্শ চিকিৎসালয়ত চিকিৎসক আৰু অন্যান্য কৰ্মচাৰীৰ অভাৱত ৰোগী সকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। তেনে সময়তে উল্লেখিত জিলা প্ৰশাসনৰ মুৰব্বী সকলে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ পাছত শেষ তিনিজন ৰোগী চিকিৎসালয়ৰ পৰা মুক্ত হয়। কিন্তু এতিয়াও দুইগৰাকী অন্তঃসত্ত্বা মহিলা ৰোগী ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি হৈ আছে। এটা মহা দুৰ্যোগ ঘটি যোৱা গাঁও দুখনৰ ৰাইজৰ মাজত এক উদ্বেগ বিৰাজ কৰিছে। কাৰণ সকামৰ প্ৰসাদত কিদৰে বিষক্ৰিয়া ঘটিল । তদুপৰি গাঁৱৰ ৰাইজৰ মাজত চৰ্চা লাভ কৰিছে যে এদিন উকলি যোৱা প্ৰসাদ পেলাই দিয়াত 18 টাকৈ হাঁহৰ পোৱালি আৰু চাৰিজনী শালিকী চৰাই মৃত্যু মুখত পৰিছে। আন এক চাঞ্চল্যকৰ খবৰে ৰাইজক উদ্বিগ্ন কৰি তুলিছে যে কোনো ব্যক্তিয়ে চাহ বাগানত প্ৰয়োগ কৰা ৰাসায়নিক দ্ৰব্য মিহলোৱা পাত্ৰত চানা তিয়াইছিল। ৰাইজৰ মাজত চলা এনে চৰ্চাই প্ৰকৃততে কিমান সত্য এই কথা এতিয়া নিশ্চিত নহয় কিয়নো সেই প্ৰসাদৰ নমুনা জিলা খাদ্য সুৰক্ষা বিভাগে সংগ্ৰহ কৰি ফলাফলৰ সন্দৰ্ভত এতিয়াও কোনো তথ্য ৰাজহুৱা কৰা নাই। সমস্ত ৰোগী আৰোগ্য লাভ কৰাৰ বাবে বিভিন্ন ধৰণে চাৰিটদিন হাস্পতালখনত সকলো বিষয়তে জড়িত থকাৰ পাছতে সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী কৰিছে। লগতে সংগ্ৰহিত খাদ্য পৰীক্ষাৰ ফলাফল ৰাজহুৱা কৰি ব্যৱস্থা গ্ৰহণৰ বাবে ৰাজহ চক্ৰ বিষয়াক অনুৰোধ জনাইছে লাহনে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলাৰ সাধাৰণ সম্পাদক প্ৰিয়ব্ৰত গোহাঁয়ে এক বিবৃতিত উল্লেখ কৰে যে চাবুৱাৰ দংগৰচুক আৰু বৰবাৰী গাঁৱৰ তিনি শতাধিক লোকৰ জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পৰা ভয়ংকৰ কাণ্ড কাৰ ভুলৰ বাবে হ’বলৈ পালে তাৰ বিৰুদ্ধে পুংখানুপুংখকৈ তদন্ত কৰিবলৈ দাবী জনোৱাৰ লগতে যিসকল দিন হাজিৰা কৰা দৰিদ্ৰ লোক হাস্পতালৰ বিছনাত থাকি ক্ষতিগ্ৰস্ত হ’ব লগা হ’ল তেওঁলোকক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ফালৰ পৰা এককালীন সাহায্য প্ৰদান কৰিবলৈ দাবী জনাইছে গোঁহায়ে।

# শামুকৰ পেটত মুকুতা তৈয়াৰ কৰিও

*তিনি পৃষ্ঠাৰ পৰা* সূচনা কৰা উদ্যমী যুৱকজনৰ পুখুৰীত পোহা প্ৰতিটো শামুকৰ পেটত মুকুতাৰ সৃষ্টি হৈছে যদিও তেওঁ শামুকৰ পেটৰ পৰা মুকুতাসমূহ বাহিৰ কৰিও সেইবোৰ ৰপ্তানি কৰিব পৰা নাই। কিয়নো বিগত বৰ্ষৰ লগতে এইবাৰো ক’ভিড সৃষ্টজটিল পৰিস্থিতিৰ বাবে সুদীৰ্ঘ দিন সামগ্ৰীৰ আমদানি-ৰপ্তানি বন্ধ হৈ থকা হেতুকে সেই মুকুতা তেওঁ বাহিৰ কৰিলেও বিক্ৰীৰ বাবে হায়দৰাবাদলৈ ৰপ্তানি কৰিব পৰা নাছিল। ফলত তেওঁ ভীষণ ক্ষতিগ্ৰস্ত হ’বলগীয়া হৈছে।

উল্লেখ্য যে নগাঁও জিলাৰ ধিঙৰ বেছামাৰী গাঁৱৰ হাফিজুৰ ৰহমানৰ পুত্ৰ ৰুলেন হাজৰিকাই ধিং মহাবিদ্যালয়ৰ পৰা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত আন ১০ জন শিক্ষিত নিবনুৱাৰ নিচিনাকৈ চৰকাৰী চাকৰিৰ পাছত দৌৰি হাবাথুৰি খাবলগীয়া হৈছিল। কিন্তু তেওঁৰ চৰকাৰী চাকৰিৰ প্ৰতি মোহভংগ হ’বলৈ সৰহ দিন নালাগিল। ২০১৮ত দুৰ্ভাৱনা আৰু দুশ্চিন্তাই গ্ৰাস কৰি ৰখাৰ সময়তে এদিন তেওঁ ম’বাইলৰ জৰিয়তে ইউটিউবত মাছৰ খেতিৰ বিষয়ে চাই থাকোতে হঠাৎ চীন দেশৰ মুকুতা খেতিৰ এটা ভিডিঅ’ দেখা পায়। কৌতূহলবশতঃ তেওঁ চীন দেশৰ মুকুতা খেতিৰ ভিডিঅ’টো অতি গুৰুত্বসহকাৰে চায়। সেই ভিডিঅ’টোৰ পৰা তেওঁ মুকুতা খেতিৰ বিষয়ে কিছু তথ্য আহৰণ কৰে। তাৰ পাছত তেওঁ গুগলৰ তথ্যৰ জৰিয়তে জানিব পাৰে যে অকল চীনতেই নহয় বাংলাদেশ, ভিয়েটনাম, জাপান আদি দেশতো বৈজ্ঞানিক পদ্ধতিত মুকুতা খেতি কৰি আছে। মুকুতা খেতিৰ সন্দৰ্ভত হাজৰিকাই ইউটিউবত বাংলাদেশৰ যিটো ভিডিঅ’ চায় তাত দেখা কাণখোলা প্ৰজাতিৰ শামুকটো অসমৰো খালে-বিলে, জলাশয়ে উভৈনদী। এই বিষয়ে তেওঁ নিশ্চিত হোৱাত তেওঁৰ মনত মুকুতা খেতিৰ বিষয়টোৱে উগুল-থুগুল কৰিবলৈ ধৰে। তেনে সময়তে তেওঁ ইউটিউবত চাৰ্চ কৰি ভাৰতবৰ্ষৰ ৰাজস্থান, কৰ্ণাটক, ওড়িছা, ঝাৰখণ্ড আৰু পশ্চিমবংগতো ছয়-সাত বছৰ মানৰ পৰা মুকুতা খেতি কৰাৰ তথ্য আহৰণ কৰে। যিহেতু ভাৰতবৰ্ষৰ অন্য ৰাজ্যত মুকুতাৰ খেতি কৰা হৈছে গতিকে অসমতো শামুক পুহি মুকুতাৰ খেতি কৰিব পৰা যাব বুলি তেওঁ এই সন্দৰ্ভত প্ৰশিক্ষণ ল’বলৈ অসমৰ বাহিৰলৈ যায়। তেওঁ ঝাৰখণ্ডত লগ কৰে বিশিষ্ট গৱেষক তৰুণ শ্যামন্তক। শ্যামন্তই ঝাৰখণ্ড চৰকাৰৰ অধীনত মুকুতা গৱেষক হিচাপে কাম কৰি আছে। পশ্চিমবংগৰ নাগৰিক বিশিষ্ট বিজ্ঞানী তৰুণ শ্যামন্তৰ ওচৰত তেওঁ ঝাৰখণ্ডত এক প্ৰতিষ্ঠানত মুকুতা খেতিৰ সন্দৰ্ভত যাৱতীয় জ্ঞান আহৰণৰ বাবে এক দীঘলীয়া প্ৰশিক্ষণ গ্ৰহণ কৰে। সেই প্ৰশিক্ষণ লোৱাৰ পাছত এক উদ্যমী মন লৈ ৰুলেন হাজৰিকা ঘৰলৈ উভতি আহে আৰু মাত্ৰ ৬৫ হেজাৰ টকা মূলধন হাতত লৈ ঘৰৰ ওচৰৰ ছকঠা মাটিৰ এটা পুখুৰীত মাত্ৰ তিনি হেজাৰটা কাণখোলা শামুকৰে ২০১৮ৰ ছেপ্টেম্বৰৰ পৰা মুকুতা খেতি আৰম্ভ কৰে। তেওঁ দাবী কৰা অনুসৰি, তেৱেঁই অসমত প্ৰথমবাৰৰ বাবে মুকুতা খেতি আৰম্ভ কৰে। ৰুলেন হাজৰিকাই কোনো ধৰণৰ চৰকাৰী সহযোগিতাৰ অবিহনেই একক প্ৰচেষ্টাৰে পৰৱৰ্তী সময়ত মুকুতা খেতি সম্প্ৰসাৰণ কৰে। তেওঁ কয়, ‘মোৰ পুখুৰীটো এতিয়া দুই বিঘা মাটিৰ। তাত এতিয়াও তিনি হেজাৰটো কাণখোলা শামুক আছে। প্ৰতিটোৱেই প্ৰাপ্তবয়স্ক। কে’বামাহ পূৰ্বে ইহঁতৰ মেনটেল টিছুত বিশেষ অস্ত্ৰোপচাৰৰ জৰিয়তে নিউক্লিয়াছ (ধাতুৰ টুকুৰা) ভৰাই দিয়া হৈছে। সেই ধাতু বিভিন্ন ইমেজৰ। যাক কেলচিয়াম আৰু মাৰ্বল ডাচৰে বিশেষ পদ্ধতিত তৈয়াৰ কৰা হৈছে। ইতিমধ্যে সেইবোৰ মুকুতালৈ ৰূপান্তৰ হৈছে। এই শামুকৰ পৰা প্ৰায় পাঁচ-ছয় হেজাৰটো উৎকৃষ্ট মানৰ মুকুতা পোৱা যাব। অহা ডিচেম্বৰত মুকুতাসমূহ সংগ্ৰহ কৰি ৰপ্তানি কৰাৰ ব্যৱস্থা কৰা হ’ব।’

কাণখোলা শামুকৰ বাবে প্ৰয়োজনীয় খাদ্য যোগানতো ভীষণ সমস্যাৰ সন্মুখীন হোৱা বুলি মন্তব্য কৰি ৰুলেনে আৰু কয়, ‘শামুকৰ খাদ্য ইউৰিয়া, সৰিয়হৰ খলিহৈ আৰু গোৱৰৰ প্ৰস্তুত কৰা হয়। সেইবোৰ সংগ্ৰহ কৰি মই নিজেই শামুকৰ খাদ্য প্ৰস্তুত কৰো।’

এইবাৰ অতিপাত খৰাং আৰু অনাবৃষ্টিৰ বাবে পুখুৰীত পানীৰ স্তৰ কমি যোৱাত আন এক সমস্যাৰ সন্মুখীন হোৱাৰ কথা সদৰী কৰি হাজৰিকাই কয়, ‘মুকুতা খেতিৰ বাবে শামুক পোৱা পুখুৰীত অতি কমেও চাৰে তিনিফুট উচ্চতাৰ জলস্তৰ থকাটো জৰুৰী। কিন্তু এইবাৰ জলস্তৰ কমি হৈ আঢ়ৈ ফুট হয়গৈ। সেয়েহে জলস্তৰ বৃদ্ধিৰ বাবে পাৱাৰ পাম্পৰে পুখুৰীত পানী যোগানৰ প্ৰয়োজন আছিল; কিন্তু পাৱাৰ পাম্প এটা কিনিব নোৱৰাত ভীষণ সমস্যাত পৰিছো।’

চৰকাৰী চাকৰিৰ পাছত দৌৰি সময় অপব্যয় নকৰি অশেষ কষ্টৰে হাজৰিকাই প্ৰথমবাৰলৈ অসমত মুকুতা খেতি আৰম্ভ কৰি এতিয়া তেওঁ ৰাজ্যখনৰে কৰ্মোদ্যমী যুৱক-যুৱতীসকলৰ বাবে আদৰ্শস্বজীপ হৈ পৰিছে। মাত্ৰ ৬০-৬৫ হেজাৰ টকা মূলধন থকা হাজৰিকাৰ এতিয়া মূলধন প্ৰায় চাৰি লাখ টকা। তেওঁ বছৰি প্ৰায় চাৰি লাখ টকা মূল্যৰ মুকুতা উৎপাজন কৰিবলৈ সক্ষম হৈছে। এতিয়া তেওঁৰ অধীনত তিনিজনকৈ কৰ্মচাৰীয়েও কাম কৰে। সকলো খৰচ বাদ দি হাজৰিকাৰ এতিয়া বাৰ্ষিক আয় দুইৰ পৰা তিনি লাখ টকা। অৱশ্যে চলিত বৰ্ষৰ তলাবন্ধ, ক’ভিডসৃষ্ট পৰিস্থিতিৰ বাবে প্ৰায় চাৰি লাখ টকা মূল্যৰ মুকুতা তেওঁ বিক্ৰী কৰিব পৰা নাই বুলিও জনাইছে।

# জামুগুৰিহাটত শ্ৰীমন্ত

*তিনি পৃষ্ঠাৰ পৰা* নামঘৰলৈ উলিওৱা শোভাযাত্ৰাত অঞ্চলটোৰ কে’বা শতাধিক ধৰ্মপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে। পুৱা ঢেকেৰী গাঁও নামঘৰত ভাগৱত প্ৰতিষ্ঠাৰ অন্তত দুপৰীয়া অনুষ্ঠিত হয় নাম-প্ৰসংগ। অঞ্চলটোৰ ভকত বৈষ্ণৱৰ লগতে মহিলা যুৱক-যুৱতীসকলেও অংশগ্ৰহণ কৰে নাম-প্ৰসংগত। পুৱাৰে পৰা অনুষ্ঠিত বিভিন্ন ধৰ্মীয় কাৰ্যসূচীত বিপুল সংখ্যক ভক্তপ্ৰাণ ৰাইজৰ অংশগ্ৰহণে বৈকুণ্ঠ নগৰীত পৰিণত কৰে ঔহোলা আৰু ঢেকেৰীগাঁও নামঘৰ প্ৰাংগণ।

# হৰিনামৰ ধ্বনিৰে মুখৰিত

*তিনি পৃষ্ঠাৰ পৰা* জন্মজয়ন্তী উৎসৱ আড়ম্বৰপূৰ্ণভাৱে তিনি-চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল; কিন্তু ২০২০ৰ পৰা সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰা কৰ’না মহামাৰীৰ বাবে এনেদৰে অনুষ্ঠুপীয়াকৈ সীমিত কাৰ্যসূচীৰে জন্মজয়ন্তী উৎসৱ ভাগ উদ্‌যাপন কৰা হৈছে বুলি বটদ্ৰৱা থান পৰিচালনা সভাপতি দেবানন্দ দেৱগোস্বামী আৰু সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱাই জনাইছে। গুৰুজনাৰ জন্মোৎসৱৰ আয়োজনক লৈ মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱাত পুৱাৰ পৰা বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজ উপস্থিত হয়। পুৱাৰ পৰা কীৰ্তনঘৰত দবা, কাঁহ, খোলৰ শব্দত মুখৰিত হৈ পৰে। দ্বিতীয় বৈকুণ্ঠপুৰীলৈ পৰিণত বটদ্ৰৱাত আজি পুৱাই প্ৰাতঃপ্ৰসংগ কৰে ভক্তসকলে। নাম-কীৰ্তনেৰে নামঘৰ মুখৰিত হোৱা বটদ্ৰৱাত দুদিনীয়াকৈ ভাগৱত পাঠৰো আয়োজন কৰা হয়। ইপিনে, গুৰুজয়ন্তী উপলক্ষে থানখনত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই উপস্থিত হৈ সেৱা আগবঢ়োৱাৰ লগতে বিহাৰৰ চি পি আই (এম এল)ৰ ভোজপুৰ জিলাৰ তৰাৰি সমষ্টিৰ বিধায়ক সুধামা প্ৰসাদেও সেৱা লয়।

# বায়ন ৰঞ্জিত ভূঞাক ‘শিল্পীপ্ৰাণ’

*তিনি পৃষ্ঠাৰ পৰা* ভৰত চলিহাৰ আদ্যশ্ৰাদ্ধৰ স’তে সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হৈছিল। উক্ত গ্ৰন্থ উন্মোচনস্থলীতে ভৰত চলিহা ন্যাস গঠন কৰা হয়।

ইফালে, তৰাজানৰ পৰা পশ্চিমে কাকডোঙালৈ উত্তৰে ব্ৰহ্মপুত্ৰৰ পৰা দক্ষিণে কমাৰবন্ধা পথলৈকে আগুৰা চৰাইবাহী, সৰুচৰাই, পৰ্বতীয়া আৰু খঙীয়া মৌজাত পৰিচালিত হৈ আছে ২৬৭ টা নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মোৎসৱ পালন কৰা হৈছে। ১৫ অক্টোবৰত প্ৰতিটো নামঘৰতে পুৱাৰে পৰা ক্ৰমে প্ৰভাত ফেৰী, উষা কীৰ্তন, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, শ্ৰীমদ্ভাগৱতসহ অঞ্চল পৰিভ্ৰমণ, নাম প্ৰসংগ, সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হয়। নিশা দিহানাম, শংকৰী কৃষ্টি প্ৰদৰ্শন কৰাৰ উপৰি কে’বাটাও নামঘৰত কাইলৈৰ পৰা ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে বিভিন্ন প্ৰতিযোগিতা আৰু ভাওনা প্ৰদৰ্শন কৰা হ’ব। আনহাতে, অঞ্চলটোৰ ২২ স্থানত অনুষ্ঠিত পূজাৰ দেৱী আজি বিসৰ্জন দিয়া হয়।

# ভূটিয়াপাৰাত চাওতাল

*তিনি পৃষ্ঠাৰ পৰা* বিসৰ্জনৰ পূৰ্বে প্ৰতি বছৰৰ দৰে পূজাস্থলীত চাওতাল জনগোষ্ঠীৰ পৰম্পৰাগত দাসাই নৃত্য পৰিবেশন কৰা হয়। উল্লেখ্য যে ৩৮ বছৰত ভৰি দিয়া ভূটিয়াপাৰা দুৰ্গা পূজা অন্যতম পূজা আৰু পৌৰাণিক নিয়ম অনুসৰি এতিয়াও কান্ধত তুলিয়ে ভূটিয়াপাৰা নৈত প্ৰতিমা বিসৰ্জন দিয়া হয়। অৰ্ধশতাধিক ভক্ত দৰ্শনাৰ্থীৰ ভিৰৰ মাজত আজি ভূটিয়াপাৰা নৈত প্ৰতিমা বিসৰ্জন দিয়া হয়। ইপিনে, আজি গৰুভাষাত দেৱীৰ প্ৰতিমা লৈ চম্পা নদীৰ ঘাটত বিসৰ্জন দিয়া হয়। আনহাতে, আজি বিজয়া দশমী দিনটোক গোৰ্খা জনগোষ্ঠীয়ে দাসাই উৎসৱ হিচাপে পালন কৰে। চিৰাং জিলাৰ বিভিন্ন অঞ্চলত দাসাই উৎসৱ উলাহ-মালহেৰে পালন কৰা হয়। দাসাই উৎসৱত পিতৃ-মাতৃ তথা জ্যেষ্ঠজনে কনিষ্ঠজনক চাউলত ৰঙা ৰং সানি বিশেষ ফোট আৰু আশীৰ্বাদ দিয়ে।

# দুৰ্গা পূজাৰ আনন্দৰ

*তিনি পৃষ্ঠাৰ পৰা* সেউজীয়া ৰঙৰ চেক দিয়া চাৰ্ট প্ৰত্যক্ষ কৰি আৰক্ষীয়ে পুৰুষৰ বুলি সন্দেহ কৰিছে। যথেষ্ট দিনৰ পূৰ্বেই মৃত্যু হোৱা লোকজনৰ কংকাল বুলিও আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। লক্ষ্যণীয় যে নৰকংকালটো গাভৰু আৰু হেমলাই চাহ বাগিচাৰ প্ৰায় সীমাত উদ্ধাৰ হৈছিল। উক্ত ঠাইডোখৰলৈ সাধাৰণতে মানুহৰ আহ-যাহ কম হয়। তদুপৰি কাষেদি এখন নৈ বৈ গৈছে। নৈৰ দাঁতিৰ জোপোহাৰ মাজত কংকালটো উদ্ধাৰ হৈছে। ইফালে, প্ৰাথমিক দৃষ্টিত পুৰুষৰ যেন লাগিলেও একে আষাৰে সেয়া পুৰুষৰ কংকাল বুলিব নোৱাৰি। অৱশ্যে আৰক্ষীয়ে কংকালটো উদ্ধাৰ কৰাৰ পাছত মৰণোত্তৰ পৰীক্ষাৰ লগতে ফৰেনচিক পৰীক্ষাগাৰলৈও প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰিছে। আনহাতে, আৰক্ষীয়ে বিগত কিছুদিনত কোনো লোক সন্ধানহীন হৈছে নেকি তাকো পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিছে। দেবেৰাপাৰ আৰক্ষীয়ে ঘটনাৰ সম্পৰ্কে তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীৰ সঠিক অনুসন্ধানৰ অন্তত সমগ্ৰ বিষয়টো পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

# তেজপুৰ-ডিমৌত দুৰ্ঘটনাত

*তিনি পৃষ্ঠাৰ পৰা* চাইকেলখন আৰু বিপৰীতমুখী এ এছ-০১ ই কে-১৪৯৬ নম্বৰৰ ইণ্ডিকাখনৰ মাজত মুখামুখি সংঘৰ্ষ হয়। ফলত গুৰুতৰভাৱে আহত হৈ পথৰ ওপৰতে ঢলি পৰে দুই মটৰ চাইকেল আৰোহী ক্ৰমে ৰাজমাই লগুৱাবাৰীৰ সাত নম্বৰ লাইনৰ জগত প্ৰজা (২২) আৰু প্ৰহ্লাদ প্ৰজা (২৩)। দুয়োকে মুমূৰ্ষ অৱস্থাত ডিব্ৰুগড় অসামৰিক চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে যদিও মৃত্যু হয়। এই ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

ইপিনে, কালি সন্ধিয়া তেজপুৰৰ গৰৈমাৰীত সংঘটিত আন এক পথ দুৰ্ঘটনাত এছএছবিৰ এজন অৱসৰপ্ৰাপ্ত বিষয়াৰ মৃত্যু হয়। ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে মটৰ চাইকেলেৰে আহি থকা অৱস্থাত তেজপুৰৰ কেতেকীবাৰী নিকটৱৰ্তী মাজগাঁও বৰুৱাচুবুৰি নিবাসী জিতেন্দ্ৰ নাথ শৰ্মা (৭০)ৰ দুৰ্ঘটনাত পতিত হৈ মৃত্যু হয়। হঠাতে পথত অহা গৰুৰ বাবে দুৰ্ঘটনাটো সংঘটিত হয়। এছ এছ বিৰ অৱসৰপ্ৰাপ্ত শৰ্মা প্ৰজাপিতা ব্ৰহ্মকুমাৰীৰ সংস্থাৰ স’তে জড়িত আছিল। তদুপৰি তেওঁ তেজপুৰ ৰূপকোঁৱৰ সংগীত মহাবিদ্যালয়ৰ প্ৰাক্তন সভাপতি আছিল। আনহাতে, ‘প্ৰাণায়াম আৰু যোগাভ্যাস’ৰ ওপৰত এখন গ্ৰন্থও প্ৰকাশ কৰিছিল।

# ভৱানীপুৰৰ উপ-নিৰ্বাচনৰ

*তিনি পৃষ্ঠাৰ পৰা* ভাৰ্ণা গাড়ীৰ পৰা অভিযানকাৰী দলটোৱে দুই লাখ টকা জব্দ কৰিছে। আনহাতে, সমষ্টিটোৰ উপৰি জিলাখনৰ ভিন্ন প্ৰান্তত যোৱা কেইদিনমানৰ ভিতৰত অবৈধ সুৰা আৰু বৃহৎ পৰিমাণৰ চুলাই আবকাৰী বিভাগে জব্দ কৰাৰ লগতে চুলাই তৈয়াৰ কৰা ঘাটিও উৎখাত কৰে। উল্লেখ্য যে সমষ্টিটোৰ উপ-নিৰ্বাচনৰ ব্যয়ৰ দিশটো তদাৰক কৰিবলৈ ভাৰতৰ নিৰ্বাচন আয়োগে নিযুক্ত কৰা ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া সংগ্ৰাম ৰমেশ জগদলে বজাললৈ আহি আৱৰ্ত ভৱনত বাহৰ পাতিছে। কোনো দল-সংগঠন অথবা ব্যক্তিয়ে ভৱানীপুৰৰ নিৰ্বাচন সংক্ৰান্তত যদি ব্যয় পৰ্যবেক্ষকগৰাকীৰ স’তে কথোপকথন কৰিব বিচাৰে তেনেহ’লে ৯৯৫৪০৯৯৯৮৯ নম্বৰত যোগাযোগ কৰিব পাৰিব। ইফালে, এছ ভি পিৰ তৰফৰ পৰা সমষ্টিটোৰ দুৰ্গোৎসৱৰ থলীসমূহত ভোট যাতে সকলোৱে দিয়ে, ভোট দিয়াটো যে নাগৰিকৰ অন্যতম দায়িত্ব সেই বিষয়ত জন সচেতনতা সৃষ্টিৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। আনহাতে, কোষৰ উদ্যোগতেই বৃক্ষৰোপণ আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰো আয়োজন কৰা হ’ব।

# ড° নৰেন কলিতালৈ অসম

*তিনি পৃষ্ঠাৰ পৰা* বঁটা, ২০২০ প্ৰদান কৰা হয় শংকৰী সংস্কৃতিৰ বিশিষ্ট পণ্ডিত তিলক চন্দ্ৰ মজুমদাৰক। বঁটা প্ৰদান কৰে সভাপতি ড° কুলধৰ শইকীয়া, প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা আৰু নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই। এই বঁটাত আছে গামোচা, চেলেং, গ্ৰন্থৰ টোপোলা, স্মাৰক, মানপত্ৰ আৰু ১০ হেজাৰ টকাৰ এখন চেক। এই অনুষ্ঠানতেই অসম সাহিত্য সভাৰ বিষয়ববীয়া তথা সাংবাদিক দিগন্ত কুমাৰ ভূঞা আৰু কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীক ২০১৮-২০ৰ শ্ৰেষ্ঠ সংগঠকৰ বঁটা প্ৰদান কৰা হয়। লগতে হোজাই শাখা সাহিত্য সভা, ৰহাৰ সূৰ্যৱতী শাখা সাহিত্য সভা আৰু ছিপাঝাৰ শাখা সাহিত্য সভাক ২০১৮-২০ৰ শ্ৰেষ্ঠ শাখাৰ বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে এই বঁটাসমূহ আছিল ২০১৮-২০ কাৰ্যকালৰ বঁটা। অসম সাহিত্য সভাৰ শুৱালকুছি অধিবেশনত এই বঁটাকেইটা ঘোষণা কৰা হৈছিল যদিও ক’ভিডৰ জটিল পৰিস্থিতিৰ কাৰণে প্ৰদান কৰিব পৰা নাছিল অসম সাহিত্য সভাই। আজি অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া আৰু প্ৰধান সম্পাদক যাৱদ চন্দ্ৰ শৰ্মাই বঁটাকেইটি প্ৰদান কৰে।


**■ শংকৰদেৱৰ সংঘ মাধৱদেৱৰ পাথৰি আঞ্চলিক শাখাৰ উদ্যোগত গুৰুজনাৰ ৫৭৩ সংখ্যক জন্মোৎসৱৰ উদ্‌যাপন ■ মাধৱদেৱৰ পাথৰি আঞ্চলিক শাখাৰ হীৰক জয়ন্তী উদ্‌যাপন**

# হৰিনামৰ ধ্বনিৰে মুখৰিত বৰপাথৰি



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ মাধৱদেৱ পাথৰি আঞ্চলিক শাখাৰ উদ্যোগত গুৰুজনাৰ ৫৭৩ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ উপৰি মাধৱদেৱ পাথৰি আঞ্চলিক শাখাৰ হীৰক জয়ন্তী অনুষ্ঠান দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আজিৰে পৰা আৰম্ভ হৈছে। নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত মাধৱদেৱ পাথৰি আঞ্চলিক শাখাৰ নামঘৰত পুৱা পাঁচ বজাত উষা কীৰ্তনৰে গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱৰ লগতে আঞ্চলিক শাখাটোৰ হীৰক জয়ন্তী আৰম্ভ কৰে শ্ৰীগোবিন্দ প্ৰাথমিক শাখাৰ নামাচাৰ্য পোনা বৰাই। পুৱা আঠ বজাত ধৰ্মধ্বজা উত্তোলন কৰে মাধৱদেৱ পাথৰি আঞ্চলিক শাখাৰ সভাপতি নিত্যানন্দ বৰাই। আনহাতে, ৮-৩০ বজাত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি কৰুণাকান্ত হাজৰিকাই। পুৱা ১১ বজাত খোল প্ৰসংগ আৰু দুপৰীয়া নাম প্ৰসংগ অনুষ্ঠিত হয়। উল্লেখ্য যে সমগ্ৰ অঞ্চলটোৰ ৩১ খন প্ৰাথমিক শাখাৰ ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰা গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱৰ লগতে মাধৱদেৱ পাথৰি হীৰক জয়ন্তী অনুষ্ঠানৰ কাৰ্যসূচীত ভক্তিৰসত ডুব যাব ভক্তপ্ৰাণ ৰাইজ। ইপিনে, আবেলি ৫-৩০ বজাত আঞ্চলিক শাখাৰ নামঘৰত সমূহীয়া বন্তি প্ৰজ্বলন অনুষ্ঠিত হয়। আনহাতে, কাইলৈ ১৬ অক্টোবৰত পুৱা ন বজাত নাম প্ৰসংগ, প্ৰসাদ বিতৰণ, ১০ বজাত মাধৱদেৱ পাথৰি আঞ্চলিক শাখাৰ হীৰক জয়ন্তীৰ আৰম্ভ, ১০-৩০ বজাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মাধৱদেৱ পাথৰি আঞ্চলিক শাখাৰ প্ৰতিষ্ঠা কালৰ ব্যক্তিসকলৰ লগতে প্ৰাক্তন আঞ্চলিক সভাপতি আৰু সম্পাদকসকলক সম্বৰ্ধনা আৰু আলাপ অনুষ্ঠান অনুষ্ঠিত হ’ব। উক্ত অনুষ্ঠানটোত সঞ্চালনা কৰিব নিত্যানন্দ বৰাই। দিনৰ দুই বজাত প্ৰসাদ বিতৰণৰ পাছত আবেলি পাঁচ বজাত ধৰ্মধ্বজা অৱমনৰে দুদিনীয়া কাৰ্যসূচীৰে সামৰণি পৰিব।



*মৰিয়নিত ক’ভিড উলংঘা কৰি বিজয়া দশমীত ভিৰ, শুকুৰবাৰে।*

# বাসুগাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী পালন

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৫ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মজয়ন্তী অন্যান্য ঠাইৰ লগতে চিৰাং জিলাৰ বাসুগাঁৱতো পালন কৰা হয়। বাসুগাঁও চহৰৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ আৰু শংকৰী কলা কৃষ্টি বিকাশ কেন্দ্ৰ (ধানবজাৰ) প্ৰাংগণত আজি পুৱা নাম-প্ৰসংগৰে জন্মজয়ন্তীৰ কাৰ্যসূচী মুকলি হয়। নাম-প্ৰসংগৰ আঁত ধৰে অভয়াপুৰীৰ সঞ্জীৱ অধিকাৰীয়ে। ইয়াৰ অন্তত ভাগৱত পাঠ কৰে শৰৎ বৰুৱা বাপে। বাসুগাঁৱৰ আইসকলৰ নাম-প্ৰসংগৰে জিলা প্ৰশাসনৰ নিৰ্দেশনা অনুসৰি কাৰ্যসূচীৰ সামৰণি পেলোৱা হয়। নিকটৱৰ্তী বিজয়গাঁও-বৰছৰা আঞ্চলিক নামঘৰতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী উৎসৱ পালন কৰা হয়। পুৱাৰে পৰা নাম- প্ৰসংগ, ভাগৱত পাঠ আদি কাৰ্যসূচী ৰূপায়িত হয়। নাম-প্ৰসংগৰ আঁত ধৰে নামাচাৰ্য ভদ্ৰেশ্বৰ ৰায় বাপ আৰু ভাগৱত পাঠ কৰে শৰণ সদস্য নৰসিত ভকতে। বাসুগাঁৱস্থ কোকৰাঝাৰ-চিৰাং জিলা নামঘৰতো জন্মজয়ন্তী উৎসৱ পালন কৰা হয়

# ডকাইতি কাণ্ডত জড়িত পাঁচ ডকাইত

*তিনি পৃষ্ঠাৰ পৰা* জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। যাৰ বাবে জিলাৰ উচ্চপদস্থ আৰক্ষী বিষয়াই তৎপৰতাৰে ঘটনাটোৰ অনুসন্ধানত নামি পৰে।

# শ্ৰীৰামপুৰত এজন লোকৰ মৃতদেহ উদ্ধাৰ

*তিনি পৃষ্ঠাৰ পৰা* আদিবাসী সম্প্ৰদায়ৰ লোকজন ইয়াত কেনেকৈ আহিল আৰু কি পৰিস্থিতিত মৃত্যুমুখত পৰিল সেয়া এতিয়াও স্পষ্ট হোৱা নাই যদিও লোকজনৰ মৃগী বেমাৰ আছিল বুলি স্থানীয় এজনে প্ৰকাশ কৰে। লোকজন কচুগাঁৱৰ জেঠা মুৰ্মু বুলি চিনাক্ত কৰা হৈছে।

# সাংসদৰ জ্যেষ্ঠ ভ্ৰাতৃৰ মৃতদেহ ব্ৰহ্মপুত্ৰত উদ্ধাৰ

*তিনি পৃষ্ঠাৰ পৰা* সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ জ্যেষ্ঠ ভ্ৰাতৃ আছিল কমলা বৈশ্য। আৰক্ষীয়ে এয়া এক আত্মহত্যাৰ ঘটনা বুলি সন্দেহ ব্যক্ত কৰিছে। ইফালে, স্থানীয় সূত্ৰই সদৰী কৰা মতে, লোকজনে বিগত সময়ছোৱাত মানসিক অশান্তিত ভুগি আছিল। যাৰ বাবে আত্মহত্যাৰ পথ বাছি লোৱা বুলি সন্দেহ কৰা হৈছে। অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় কাম-কাজৰ স’তে জড়িত লোকজনৰ অনাকাংক্ষিত ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। পাছত তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ত মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ অন্তত পৰিয়ালৰ লোকক চমজাই দিয়ে।

# মহাষ্টমীৰ দিনা বাসুগাঁও সুধাকণ্ঠ পথত গছপুলি ৰোপণ

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৫ অক্টোবৰ ঃ** দুৰ্গা পূজাৰ উলাহ-মালহত ব্যস্ত থকাৰ সলনি একাংশ ভূপেন হাজৰিকা আৰু প্ৰকৃতি প্ৰেমী লোকে বাসুগাঁও চহৰত তিনি নম্বৰ ৱাৰ্ডৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পথৰ কাষত পুৱা ব্যাপক হাৰত বিভিন্ন প্ৰজাতিৰ ফুল, জোপোহা গছ-গছনি ৰোপণ কৰে। বিশেষকৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা প্ৰেমী সংস্কৃতিৱান চিত্তৰঞ্জন বৰ্মন, পবিত্ৰ মজুমদাৰ, আনোৱাৰ মণ্ডল, বৰুণ বৰ্মন, সংবাদদাতা ভৃগু মুনি ৰায় আদিৰ তৎপৰতাত বিশেষকৈ তুলসী, চিৰতা তিতা, জবাফুল, ৰজনীগন্ধা, পাটবাহাৰ, শেৱালি, বকফুল, বাক্সাতিতা, কাটা মছলা, সৌন্দৰ্যবৰ্ধন কচু, ধতুৰা, লিচু, কমলা, আমলখি, ফুল, গছ-গছনিৰ পুলি ৰোপণ কৰা হয়। পৰম উচ্ছ্বাস-উদ্দীপনাৰে ৰোপণ কৰি নিৰাপত্তা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সময়ে সময়ে উক্ত ফুলৰ পুলিৰ লগতে গছ-গছনিৰ পুলিসমূহ যত্ন কৰাৰ সিদ্ধান্ত লয়। লগতে পথৰ কাষক পকী দেৱালয়ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবি অংকন কৰা, গীতৰ কলি লিপিবদ্ধ কৰা আদিও বিশেষভাৱে আলোচিত হয়। উল্লেখ্য যে ২০১১ৰ পাঁচ নৱেম্বৰত ড° ভূপেন হাজৰিকাৰ মৃত্যুৰ পিছদিনা সুধাকণ্ঠৰ একনিষ্ঠ সেৱক-সংস্কৃতিবান চিত্তৰঞ্জন বৰ্মনে নিজ প্ৰচেষ্টাৰে পথছোৱা সুধাকণ্ঠ নামেৰে লিপিবদ্ধ কৰি ঘোষণা কৰে। তেওঁৰ সুপ্ৰচেষ্টাক বাসুগাঁও ড° ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিয়ে ২০২০ত আনুষ্ঠানিক ৰূপ দিয়ে।

**■ আমগুৰি অৰুণোদয় একাডেমীৰ শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন**

# চাৰিঙত অঞ্জনজ্যোতি নাথ সোঁৱৰণী প্ৰাইজমানি কুইজ প্ৰতিযোগিতা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১৫ অক্টোবৰ ঃ** চাৰিং তেলিয়াল গাঁৱৰ প্ৰেক্ষাগৃহত যোৱা ১৩ অক্টোবৰত শিৱসাগৰ আৰু চৰাইদেউ জিলা ভিত্তিত অনুষ্ঠিত অঞ্জনজ্যোতি নাথ সোঁৱৰণী প্ৰাইজমানি কুইজ প্ৰতিযোগিতা সফলতাৰে সামৰণি পৰে। পুৱা যুৱ কবি প্ৰশান্ত কুমাৰ নাথে আঁত ধৰা স্মৃতিচাৰণ অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে তেলিয়াল গাঁও উন্নয়ন সমিতিৰ সভাপতি নগেন নাথে। ইয়াৰ পাছতে কৃতী শিক্ষক ব্ৰজেন বৰা আৰু কিশোৰ মহন্তৰ পৰিচালনাত জিলা দুখনৰ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ মাজত অনুষ্ঠিত প্ৰাইজমানি কুইজ প্ৰতিযোগিতাত ২০টাৰো অধিক দলে অংশগ্ৰহণ কৰে। উপস্থিত সকলো শ্ৰেণীৰ দৰ্শকক মন্ত্ৰ মুগ্ধ কৰি ৰাখিবলৈ সক্ষম হোৱা কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰে আমগুৰি অৰুণোদয় একাডেমীৰ দুই ছাত্ৰ অণিৰ্বান নাথ আৰু বিতোপন শইকীয়াই। ঘোষিত ফলাফল অনুসৰি এই লানি কুইজ প্ৰতিযোগিতাত দ্বিতীয় স্থান দখল কৰে দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ে। উক্ত বিদ্যালয়ৰ হৈ অংশগ্ৰহণ কৰিছিল লিজাৰাণী গগৈ আৰু ভাৰ্গৱজ্যোতি নাথে। তৃতীয় স্থান দখল কৰে নিলাক্ষী মেম’ৰিয়েল একাডেমী আমগুৰিয়ে। উক্ত বিদ্যালয়ৰ হৈ কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল দুই ছাত্ৰী অংগিতা গগৈ আৰু বীথিকা গগৈয়ে। উল্লেখ্য যে অঞ্জনজ্যোতি নাথৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বিষ্ণু প্ৰসাদ নাথে। বিয়লিলৈ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিদ্যাধৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত বিশিষ্ট অতিথি হিচাপে যুৱ কবি তথা বিষয় শিক্ষক শ্ৰীমন্ত দত্তৰ উপৰি হেমন্ত নাথ উপস্থিত থাকে। সন্ধিয়া অনুষ্ঠিত সাংস্কৃতিক আনুষ্ঠানৰ আঁত ধৰে তেলিয়াল উন্নয়ন সমিতিৰ সম্পাদক ৰাজেন নাথে।




## মানৱাধিকাৰ পৰিষদলৈ উভতিল আমেৰিকা

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১৫ অক্টোবৰ ঃ** ভাৰতে ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ পৰিষদত বৃহৎ ভোট লাভৰে সদস্য অন্তৰ্ভুক্ত হ'ল। ইফালে, আমেৰিকায়ো মানৱাধিকাৰ পৰিষদলৈ প্ৰত্যাৱৰ্তন ঘটালে। উল্লেখ্য যে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শাসনত দেশখনে ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ পৰিষদ ত্যাগ কৰিছিল। ৰাষ্ট্ৰসংঘই মানৱাধিকাৰ পৰিষদৰ বাবে ১৮ সদস্য ৰাষ্ট্ৰক নিৰ্বাচন কৰিলে।

## কাৰাগাৰত এতিয়া শ্বাহৰুখ পুত্ৰৰ এটাই পৰিচয় ঃ কয়দী নম্বৰ ৯৫৬

নিউজ ব্যুৰ', মুম্বাই, ১৫ অক্টোবৰ ঃ কয়দী নম্বৰ ৭৮৬, যশ চোপ্ৰাৰ 'বীৰ জাৰা' ছবিত এইটোৱে আছিল মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ পৰিচয়। এইবাৰ শ্বাহৰুখ পুত্ৰ আৰিয়ান খানৰ নতুন পৰিচয় হ'ল 'কয়দী নম্বৰ ৯৫৬'। শ্বাহৰুখে চলচ্চিত্ৰ পৰ্দাত ৭৮৬ নম্বৰৰ কয়দী হৈছিল। কিন্তু তেওঁৰ পুত্ৰই বাস্তৱতে কাৰাগাৰত বন্দী হৈ থাকি ৯৫৬ নম্বৰৰ কয়দী হিচাপে পৰিচিত হ'ল। যোৱা বৃহস্পতিবাৰে মুম্বাইৰ আৰ্থাৰ ৰোড কাৰাগাৰত কোৱাৰেণ্টাইন পৰ্ব সমাপ্ত কৰিলে নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)-এ গ্ৰেপ্তাৰ কৰা আৰিয়ানে। ক'ভিড নিগেটিভ হোৱাৰ পাছত আন চাৰিজন অভিযুক্তৰ স'তে আৰিয়ানক কাৰাগাৰৰ মূল বেৰেকলৈ স্থানান্তৰিত কৰা হয়। মূল কাৰাগাৰলৈ স্থানান্তৰিত কৰাৰ পাছতে কয়দীক নিজ ইচ্ছা নম্বৰ দিয়া হয় আৰু শ্বাহৰুখ পুত্ৰই আৰ্থাৰ ৰোড কাৰাগাত লাভ কৰিলে 'কয়দী নম্বৰ ৯৫৬'।



ইফালে, কাৰাগাৰখনৰ অধীক্ষক নীতিন ৰেচালে প্ৰকাশ কৰা অনুসৰি, শ্বাহৰুখ-গৌৰীৰ পৰা আৰিয়ানে যোৱা ১১ অক্টোবৰত ৪,৫০০ টকাৰ মণিঅৰ্ডাৰ লাভ কৰিছিল। উল্লেখ্য যে কাৰাগাৰত থকাৰ সময়ত পৰিয়ালৰ ফালৰ পৰা সৰ্বাধিক এই পৰিমাণৰ ধন অভিযুক্ত বা অপৰাধীয়ে মাহে লাভ কৰিব পাৰে। কাৰাগাৰৰ ভিতৰত থকাৰ সময়ত হাত খৰচৰ বাবে এই ধন কয়দীয়ে পৰিয়ালৰ পৰা সংগ্ৰহ কৰিব পাৰে।



## চীনত হঠাৎ বৃদ্ধি কৰ'নাৰ সংক্ৰমণ, জিনজিয়াং প্ৰদেশত পুনৰ তলাবন্ধ



**নিউজ ব্যুৰ', বেইজিং, ১৫ অক্টোবৰ ঃ** চীনত আকৌ এবাৰ কৰ'না ভাইৰাছৰ সংক্ৰমণে নতুন উদ্বেগ সৃষ্টি কৰিছে। কে'বাজনো কৰ'না আক্ৰান্ত ধৰা পৰাৰ পাছত দেশখনৰ জিনজিয়াং প্ৰদেশত পুনৰ তলাবন্ধ প্ৰশাসনে ঘোষণা কৰিলে। জিনজিয়াঙৰ গুলজা চহৰত ক'ভিডৰ নতুন প্ৰজাতিৰ ব্যাপক সংক্ৰমণ ঘটিছে। অঞ্চলটোৰ এজনৰ পাছত আন এজন লোক কৰ'নাৰ উপসৰ্গত ভোগাৰ পাছত প্ৰশাসনে প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ লগতে গুলজাত সম্প্ৰতি তলাবন্ধ ঘোষণা কৰিছে। গুলজাৰ বাসিন্দাই আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, প্ৰশাসনে তেওঁলোকৰ বাসগৃহৰ মূল দুৱাৰ বাহিৰৰ পৰা বন্ধ কৰি ৰাখিছে আৰু বিগত প্ৰায় এসপ্তাহ ধৰি তেওঁলোকে ঘৰতে এইদৰে আবদ্ধ হৈ আছে। যোৱা তিনি অক্টোবৰৰ পৰা চীনৰ এইখন চহৰত কঠোৰ তলাবন্ধ অব্যাহত আছে। 'গ্ল'বেল টাইমছ' কাকতৰ বাতৰি অনুসৰি, এসপ্তাহ পূৰ্বে চীনৰ ফুজিয়ান প্ৰদেশত কৰ'নাৰ নতুন সংক্ৰমণ ধৰা পৰিছিল আৰু ১৫০ জনৰো অধিক বাসিন্দাৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ চিনাক্ত কৰাৰ পাছত প্ৰশাসনে উক্ত চহৰৰ সকলো বিদ্যালয় বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছিল।

## পাকিস্তানত একাপ চাহৰ মূল্য ৪০ টকালৈ বৃদ্ধি

**নিউজ ব্যুৰ', ইছলামাবাদ, ১৫ অক্টোবৰ ঃ** পাকিস্তানত সম্প্ৰতি মূল্যবৃদ্ধিয়ে নাগৰিকসকলক জ্বলাকলা খুৱাইছে। সম্প্ৰতি দেশখনৰ ৰাৱলপিণ্ডিত একাপ চাহৰ মূল্য ৪০ টকালৈ বৃদ্ধি পাইছে। পাকিস্তানৰ পৰা প্ৰকাশিত সংবাদপত্ৰ 'ড'ন'ৰ বাতৰি অনুসৰি, কিছুদিন আগলৈকে প্ৰতিকাপ চাহৰ মূল্য ৰাৱলপিণ্ডিত ৩০ টকা আছিল যদিও বৰ্তমানে এই মূল্য ৪০ টকালৈ বৃদ্ধি পাইছে। চাহপাতৰ মূল্য বৃদ্ধিৰ ফলতে প্ৰতি পিয়লা চাহৰ মূল্যও দেশখনত উৰ্ধমুখী হৈছে। ইফালে দেশখনত প্ৰতি লিটাৰ গাখীৰৰ মূল্য ১০৫ টকাৰ পৰিৱৰ্তে ১২০ টকালৈ বৃদ্ধি পাইছে। ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্যও পাকিস্তানত যথেষ্ট বৃদ্ধি পাইছে। শেহতীয়াভাৱে পাকিস্তানত প্ৰতি কিলোগ্ৰাম চেনিৰ মূল্য ১১০ টকালৈ বৃদ্ধি পাইছে।

**কৰ'নাৰ ব্যাপক সংক্ৰমণৰ পাছতো স্বাস্থ্য শিতানৰ পৰিৱৰ্তে প্ৰায়বোৰ দেশে প্ৰতিৰক্ষা শিতানত অধিক ধন ব্যয়ৰ কাৰণ কি?**

# বিশ্বৰ ১০ শীৰ্ষ ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা বাজেট বৃদ্ধি ঃ নতুন শীতল যুদ্ধৰ শংকা

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৫ অক্টোবৰ ঃ** শেহতীয়াভাৱে ৰাছিয়া, অষ্ট্ৰেলিয়া, চীন আৰু টাইৱানে প্ৰতিৰক্ষা শিতানৰ বাজেট বৃদ্ধি কৰিছে। এই চাৰি ৰাষ্ট্ৰই হঠাতে প্ৰতিৰক্ষা শিতানৰ ব্যয়বৃদ্ধি কৰাৰ লগে লগে সাম্প্ৰতিক বিশ্ব পুনৰ আন এখন শীতল যুদ্ধৰ অভিমুখে অগ্ৰসৰ হৈছে নেকি বুলি এক প্ৰশ্ন উত্থাপিত হ'ল। কিয় বিশ্বৰ শীৰ্ষ দেশসমূহে প্ৰতিৰক্ষা শিতানৰ ব্যয় বৃদ্ধি কৰিছে? কৰ'না মহামাৰীৰ ব্যাপক সংক্ৰমণৰ পাছতো স্বাস্থ্য শিতানৰ পৰিৱৰ্তে প্ৰায়বোৰ দেশে প্ৰতিৰক্ষা শিতানত অধিক ধন ব্যয় কৰাৰ কাৰণ কি? প্ৰকাশিত বাতৰি অনুসৰি বিশ্বৰ শীৰ্ষ ১০ খন ৰাষ্ট্ৰই ক'ভিড কালতো নিজৰ প্ৰতিৰক্ষা বাজেট যথেষ্ট বৃদ্ধি কৰিলে। এইদৰে কৰ'না কালত প্ৰতিৰক্ষা শিতানত অধিক ধন ব্যয় কৰিবলৈ সাজু হোৱা দেশকেইখন হৈছে আমেৰিকা, চীন, ভাৰত, ৰাছিয়া, ছৌদি আৰব, অষ্ট্ৰেলিয়া, টাইৱান আদি।

প্ৰতিৰক্ষা বাজেটৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে শীৰ্ষত আছে আমেৰিকা। ২০১৯ বৰ্ষত এইখন দেশে প্ৰতিৰক্ষাত ৭৩২ বিলিয়ন ডলাৰ ব্যয় কৰিছিল। আনহাতে, ভাৰতৰ প্ৰতিবেশী চীনে তালিকাত দ্বিতীয় স্থান লাভ কৰিছে। চীনে ২৬১ বিলিয়ন ডলাৰতকৈও অধিক



ধন বছৰি প্ৰতিৰক্ষা শিতানত ব্যয় কৰি আহিছে। কমিউনিষ্ট দেশখনে মুঠ ঘৰুৱা উৎপাদন (জি ডি পি)ৰ ১.৯ শতাংশ ধন প্ৰতিৰক্ষাত ব্যয় কৰিছে। ইফালে, প্ৰতিৰক্ষা ব্যয়ত তৃতীয় স্থানত থকা ভাৰতে বছৰি ৭১.১ বিলিয়ন ডলাৰতকৈ অধিক ধন প্ৰতিৰক্ষা শিতানত ব্যয় কৰি আহিছে। ভাৰতে জি ডি পিৰ ২.৪ শতাংশ প্ৰতিৰক্ষাত ব্যয় কৰিছে।

প্ৰতিৰক্ষা বাজেটৰ ক্ষেত্ৰত চতুৰ্থ স্থানত আছে ৰাছিয়া। এইখন দেশে বছৰি ৬৫.১ বিলিয়ন ডলাৰ প্ৰতিৰক্ষা শিতানত ব্যয় কৰিছে আৰু এয়া হৈছে ৰাছিয়াৰ জি ডি পিৰ ৩.৯ শতাংশ। ৰাছিয়াই মূলত আমেৰিকাৰ শংকাতে প্ৰতিৰক্ষাত অধিক ধন ব্যয় কৰি আহিছে। ইফালে, ছৌদি আৰৱে প্ৰতিৰক্ষাত ৬১.৯ বিলিয়ন ডলাৰ ব্যয় কৰিছে। ছৌদি আৰৱে দেশখনৰ জি ডি পিৰ আঠ শতাংশ প্ৰতিৰক্ষাত ব্যয় কৰিছে। বিশ্বৰ ভিতৰতে ছৌদি আৰৱে হৈছে এনে এখন দেশ যি জি ডি পিৰ সৰ্বাধিক অংশ প্ৰতিৰক্ষাত ব্যয় কৰে।

প্ৰতিৰক্ষা বিশেষজ্ঞৰ মতে, সৰহসংখ্যক দেশে প্ৰতিৰক্ষাৰ বাজেট বৃদ্ধি কৰাৰ মূল কাৰণ হৈছে নিজ দেশক বিশ্বৰ ভিতৰতে সামৰিক দিশত অধিক শক্তিশালী কৰা। আজিৰ বিশ্বত শক্তিশালী ৰাষ্ট্ৰ হিচাপে স্বীকৃতি লাভৰ বাবে সামৰিক শক্তি আহৰণ কৰাটো সবাতোকৈ জৰুৰী হৈছে। সেয়েহে কৰ'না কালতো বিশ্বৰ শীৰ্ষ ৰাষ্ট্ৰসমূহে জি ডি পিৰ এক বৃহৎ অংশ এইদৰে প্ৰতিৰক্ষাত ব্যয় কৰিছে। কিন্তু এইদৰে বিশ্বৰ বিভিন্ন দেশে অস্ত্ৰ আৰু সামৰিক শক্তি আহৰণৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ ফলত আধুনিক বিশ্বত শীতল যুদ্ধৰ শংকা প্ৰকট হৈছে।

## দশম-দ্বাদশৰ পৰীক্ষাক লৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত চি বি এছ ইৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ অক্টোবৰ ঃ** পূজাৰ বন্ধৰ মাজতে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ (চি বি এছ ই)-এ দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ ঘোষণা কৰিলে। চি বি এছ ইয়ে কালি প্ৰকাশ কৰা অনুসৰি দশম-দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ৰুটিন অহা ১৮ অক্টোবৰত প্ৰকাশ কৰা হ'ব। ব'ৰ্ডৰ ফালৰ পৰা জনোৱা অনুসৰি, প্ৰথমে কম গুৰুত্বপূৰ্ণ বিষয়ত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ইয়াৰ পাছত গুৰুত্বপূৰ্ণ বিষয়ৰ পৰীক্ষাসমূহ লোৱা হ'ব। সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে সকলো বিষয়ৰ পৰীক্ষা চি বি এছ ইয়ে 'অফলাইন'ত অনুষ্ঠিত কৰিব। টাৰ্ম-১ পৰীক্ষাৰ ক্ষেত্ৰত প্ৰতি পৰীক্ষাৰ বাবে ৯০ মিনিট সময় দিয়া হ'ব। পুৱা ১০-৩০ বজাৰ পৰিৱৰ্তে ১১-৩০ বজাত পৰীক্ষা অনুষ্ঠিত হ'ব। ছেকেণ্ড টাৰ্ম পৰীক্ষাৰ পাছত দশম আৰু দ্বাদশৰ পৰীক্ষাত চূড়ান্ত ফলাফল প্ৰকাশ কৰা হ'ব। প্ৰসংগত উল্লেখ্য যে বৰ্তমানৰ পৰিস্থিতিত চি বি এছ ইয়ে শিক্ষাবৰ্ষক টাৰ্ম-১ আৰু টাৰ্ম-২ দুটা ভাগত ভাগ কৰিছে আৰু প্ৰতি টাৰ্মত পাঠ্যক্ৰমো ৫০ শতাংশকৈ নিৰ্ধাৰণ কৰিছে।

## ৰক্ত সংক্ৰমণত আক্ৰান্ত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ক্লিণ্টন চিকিৎসাধীন



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৫ অক্টোবৰ ঃ** আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বিল ক্লিণ্টন অসুস্থ। বিগত তিনিদিন ধৰি কেলিফ'ৰ্ণিয়াৰ এখন চিকিৎসালয়ত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতিজন চিকিৎসাধীন হৈ আছে। অৱশ্যে চিকিৎসালয়ৰ সূত্ৰই এতিয়ালৈকে ক্লিণ্টনৰ ৰোগৰ সন্দৰ্ভত সবিশেষ তথ্য প্ৰকাশৰ পৰা বিৰত আছে। জানিব পৰা অনুসৰি, ক্লিণ্টন ৰক্ত সংক্ৰমণত আক্ৰান্ত হৈছে। ৭৫ বছৰীয়া ক্লিণ্টনক যোৱা মঙলবাৰে দক্ষিণ কেলিফ'ৰ্ণিয়াৰ ইৰভাইন হাস্পতালত পৰিয়ালৰ লোকে ভৰ্তি কৰিছিল। সম্প্ৰতি চিকিৎসকৰ এটি দলে তেওঁৰ স্বাস্থ্য নিৰীক্ষণত ৰাখিছে। ১৯৯৩ৰ পৰা ২০০১ লৈকে ক্লিণ্টনে আমেৰিকাত ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।



## দিল্লী এইম্‌ছৰ মহিলা চিকিৎসকক ধৰ্ষণ সহকৰ্মীৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৫ অক্টোবৰ ঃ** দিল্লীস্থ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইম্‌ছ)ত কৰ্মৰত এগৰাকী মহিলা চিকিৎসকক সহকৰ্মী চিকিৎসকে ধৰ্ষণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল। এই সন্দৰ্ভত পীড়িতাই ইতিমধ্যে আৰক্ষীক অভিযোগ দাখিল কৰিছে আৰু অভিযুক্ত সম্প্ৰতি পলাতক লৈ আছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, অভিযুক্ত চিকিৎসকজনে সহকৰ্মী মহিলা চিকিৎসকক নিজৰ জন্মদিনৰ পাৰ্টিলৈ বুলি ঘৰলৈ মাতিছিল আৰু যোৱা ২৬ ছেপ্টেম্বৰত এইদৰে মহিলা চিকিৎসকক পাৰ্টিলৈ মাতি ধৰ্ষণ কৰিছিল। আৰক্ষীয়ে অভিযুক্তৰ বিৰুদ্ধে ৩৭৬ আৰু ৩৭৭ ধাৰাত গোচৰ ৰুজু কৰিছে।

# সেনাৰ ইউনিটত কমাণ্ড দিব মহিলা বিষয়াই ঃ ঘোষণা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৫ অক্টোবৰ ঃ** ২০১৫ বৰ্ষত ভাৰতীয় বায়ুসেনাই যুঁজাৰু শাখাত মহিলাক প্ৰথম নিয়োজিত কৰিছিল। চলিত বৰ্ষত প্ৰথমবাৰৰ বাবে ভাৰতীয় নৌসেনাত চাৰিগৰাকী মহিলা বিষয়াক যুঁজাৰু জাহাজত নিয়োজিত কৰিছিল। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন শাখাত ভাৰতীয় মহিলাই গুৰুত্বপূৰ্ণ স্থান লাভ



কৰিবলৈ সক্ষম হৈছে। এইবাৰ ভাৰতীয় সেনাৰ আৰ্মিৰ ইউনিটত কমাণ্ড দিব মহিলা বিষয়াই। কালি এই কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰিলে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। সশস্ত্ৰ বাহিনীত নাৰীৰ ভূমিকা শীৰ্ষক এখন ৱেবনিয়াৰত অংশ লোৱাৰ সময়ত সিঙে কয় যে আৰক্ষী, কেন্দ্ৰীয় বাহিনী, অৰ্ধ সামৰিক বাহিনী, সশস্ত্ৰ বাহিনীত মহিলাক নিয়োজনৰ বাবে গ্ৰহণ কৰা পদক্ষেপ যথেষ্ট ইতিবাচক। কেন্দ্ৰীয় মন্ত্ৰীজনে এই ৱেবনিয়াৰতে ঘোষণা কৰি কয় যে এতিয়াৰে পৰা ভাৰতীয় সেনাৰ ইউনিটত মহিলা বিষয়াই কমাণ্ড দিব। প্ৰসংগত উল্লেখ্য যে ২০২১ৰ ফেব্ৰুৱাৰীলৈকে দেশৰ স্থলসেনা, নৌসেনা আৰু বায়ুসেনাত ৯,১১৮ গৰাকীৰো অধিক মহিলা বিষয়া-কৰ্মচাৰী কৰ্মৰত হৈ আছিল।


## শাৰীৰিক অসুস্থতাত মৃত্যু দুৰ্ধৰ্ষ নক্সালপন্থী অক্কী ৰাজুৰ



**নিউজ ব্যুৰ', জগদলপুৰ, ১৫ অক্টোবৰ ঃ** চত্তিছগড়ৰ বস্তৰত নক্সালপন্থীৰ ঘাটিত পুনৰ এক বৃহৎ আঘাত হানিলে। দুৰ্ধৰ্ষ নক্সালপন্থী নেতা হকীৰাজু হৰগোপাল ওৰফে অক্কী ৰাজুৰ ৬৩ বছৰ বয়সত মৃত্যু হ'ল। বস্তৰৰ আৰক্ষী সঞ্চালকপ্ৰধান সুন্দৰৰাজ পীয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, দীৰ্ঘদিন ধৰি বৃক্কৰ ৰোগত আক্ৰান্ত হৈ থকা ৰাজুৱে কালি পুৱাতে শেষ নিশ্বাস ত্যাগ কৰিছিল। দুৰ্ধৰ্ষ নক্সালপন্থী নেতাজনৰ মূৰৰ বিনিময়ত আৰক্ষীয়ে ৫০ লাখ টকাৰ পুৰস্কাৰ প্ৰদানৰ কথা পূৰ্বে ঘোষণা কৰিছিল। ৰাজু নক্সালপন্থীৰ কেন্দ্ৰীয় সমিতিৰ সদস্য আছিল। ১৯৫৮ত অন্ধ্ৰ প্ৰদেশৰ গুণ্টুৰত জন্ম লাভ কৰা ৰাজুৱে ১৯৭৮ত নক্সালপন্থীৰ সান্নিধ্যলৈ আহি পৰৱৰ্তী সময়ত এই সংগঠনত যোগদান কৰিছিল। বিগত কে'বামাহত কে'বাজনো শীৰ্ষ নক্সালপন্থী নেতাৰ কৰ'নাত মৃত্যু হ'ল।

## সক্ৰিয় ৰোগীৰ সংখ্যা সাতমাহৰ পাছত সৰ্বনিম্ন, বাঢ়িল মৃত্যু

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ অক্টোবৰ ঃ** কৰ'নাত দেশজুৰি প্ৰথম তলাবন্ধ হৈছিল যোৱা বছৰৰ মাৰ্চত। ইয়াৰ পাছৰে পৰা আৰম্ভ কৰি এই প্ৰথম কৰ'নাত আক্ৰান্তৰ সুস্থতাৰ হাৰ ৯৮.০৭ শতাংশৰ অধিক হ'ল। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ সুস্থ হ'ল ১৯,৩৪১ জন ক'ভিড ৰোগী। বৰ্তমানলৈকে ভাৰতত তিনি কোটি ৩৩ লাখ ৮২ হেজাৰ ১০০ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি, ২০২০ৰ মাৰ্চৰ পাছত এয়ে দেশত হৈছে সৰ্বোচ্চ সুস্থতাৰ হাৰ। একে সময়তে দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যাও হ্ৰাস পাইছে। যোৱা ২৪ ঘণ্টাত দেশত সক্ৰিয় ৰোগীৰ সংখ্যা মুঠ ৰোগীৰ ০.০৬ শতাংশ হৈছে। যোৱা বছৰৰ মাৰ্চৰ তুলনাত দেশত সক্ৰিয় ৰোগীৰ সংখ্যাও বৰ্তমানে হৈছে সৰ্বনিম্ন। যোৱা ২৪ ঘণ্টাত ভাৰতত ১৬,৮৬২ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। অৱশ্যে মৃত্যুৰ সংখ্যা বৃদ্ধি পালে। বৃহস্পতিবাৰে দেশত ২৪৬ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি, শুকুৰবাৰে ভাৰতত পুনৰ ৩৭৯ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।





## ব্ৰিটেইনতে নহয়, বিশ্বৰ ৩০ দেশত স্বীকৃত হ'ল ভাৰতীয় প্ৰতিষেধকৰ প্ৰমাণপত্ৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৫ অক্টোবৰ ঃ** ভাৰতৰ ক'ভিড-১৯ৰ টিকাকৰণৰ প্ৰমাণপত্ৰক স্বীকৃতি দিলে বিশ্বৰ ৩০ খনৰো অধিক দেশে। ভাৰতীয় টিকাকৰণ প্ৰমাণপত্ৰক স্বীকৃতি দিয়া ৩০ দেশৰ মাজত ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, নেপাল, বেলাৰুছ, লেবানন, আৰ্মেনিয়া, ইউক্ৰেইন, বেলজিয়াম, হাংগেৰী আৰু ছাৰ্বিয়াও আছে। যোৱা সপ্তাহতে দেশৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ অৰিন্দম বাগচিয়ে এই তথ্য প্ৰকাশ কৰি জনোৱা অনুসৰি, দেশৰ টিকাকৰণৰ প্ৰমাণপত্ৰসমূহে আন্তৰ্জাতিক স্বীকৃতি লাভ কৰাৰ ফলত মহামাৰী-পৰৱৰ্তী বিশ্বত শিক্ষা, ব্যৱসায়, পৰ্যটন আৰু অন্যান্য ক্ষেত্ৰত দেশবাসীয়ে বিদেশ যাত্ৰাৰ ক্ষেত্ৰতো লাভৱান হ'ব পাৰিব।

# ইজৰাইলৰ ধমকত তীব্ৰ প্ৰতিক্ৰিয়া ইৰানৰ ঃ তৈয়াৰ কৰিব পাৰে নতুন পৰমাণু বোমা

**নিউজ ব্যুৰ', তেহৰান, ১৫ অক্টোবৰ ঃ** ইৰানৰ পাৰমাণৱিক কাৰ্যসূচী বন্ধ কৰিবলৈ ইজৰাইলী সেনাই দেশখনক আক্ৰমণৰ ভাবুকি দিয়াত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে তেহৰানে। ইৰানে এই সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদলৈ এখন পত্ৰ লিখিও প্ৰতিবাদ সাব্যস্ত কৰে। ইৰানে সকীয়নি দি কয় যে ধমক দিয়াৰ দৰে ইজৰাইলী সেনাই ইৰানত সামৰিক আক্ৰমণ চলালে ইয়াৰ পৰিণতি বিষম হ'ব। ইৰানে কয় যে ইজৰাইলে প্ৰায়ে ইৰানক আক্ৰমণৰ ধমক দি যুদ্ধৰ বাবে প্ৰৰোচিত কৰি আহিছে। ইৰানে লগতে কয় যে ইজৰাইলে



বাৰে বাৰে ইৰানৰ পাৰমাণৱিক শান্তিপূৰ্ণ কাৰ্যসূচীৰ বিৰোধিতাৰে দেশখনক ধমক দি আহিছে আৰু এই আচৰণে প্ৰকৃততে ইজৰাইলে ইৰানক যুদ্ধৰ আৰম্ভণি ঘটাবলৈ উচটনি যোগাইছে। দৰাচলতে ইৰানে ১২০ কিলোগ্ৰাম ইউৰেনিয়ামৰ উৎপাদন কৰিছে আৰু দেশখনে পাৰমাণৱিক ইন্ধন হিচাপে ইউৰেনিয়াম ব্যৱহাৰ কৰা হৈছে বুলি দাবী কৰি আহিছে। তিনিমাহ পূৰ্বে ইৰানৰ হাতত ৬২.৮ কিলোগ্ৰাম ইউৰেনিয়াম আছিল যদিও বৰ্তমানে দেশখনত ১২০ কিলোগ্ৰাম ইউৰেনিয়াম মজুত আছে। ইজৰাইলৰ অভিযোগ অনুসৰি, ইৰানে পাৰমাণৱিক বোমা নিৰ্মাণ কৰিবলৈহে এইদৰে ইউৰেনিয়াম উৎপাদন কৰিছে। এই কাৰণতে ইজৰাইলে ইৰানৰ পাৰমাণৱিক কাৰ্যসূচীৰ তীব্ৰ বিৰোধিতা কৰাৰ লগতে প্ৰয়োজনত ইৰানত ইজৰাইলে আক্ৰমণ চলাব বুলিও ভাবুকি দিছে।

## কীমৰ স'তে ফটোত কোন এই 'ৰকেটমেন'?



**নিউজ ব্যুৰ', ছিউল, ১৫ অক্টোবৰ ঃ** ৰহস্যঘন উত্তৰ কোৰিয়াক লৈ সমগ্ৰ বিশ্বৰে কৌতুহলৰ অন্ত নাই। উত্তৰ কোৰিয়াৰ শাসক কীম জং উনেও প্ৰায়ে নানা কাৰণত সংবাদ শিৰোনাম দখল কৰি আহিছে। এইবাৰ উত্তৰ কোৰিয়াৰ চৰকাৰী সংবাদ মাধ্যমে প্ৰকাশ কৰা কীমৰ এখন ফটোগ্ৰাফক লৈ বিশ্বজুৰি বিশেষ চৰ্চা চলিছে। এই ছবিত কীমে সেনাবাহিনীৰ সদস্যৰ স'তে থকা প্ৰত্যক্ষ হৈছে। কিন্তু উত্তৰ কোৰিয়াৰ সেনাবাহিনীৰ এজন সদস্যৰ আজৱ পোছাকক লৈ প্ৰশ্ন উত্থাপিত হৈছে। কীমৰ স'তে সেনাই উঠা ফটোখনত এজন সেনাই বিচিত্ৰ পোছাক পৰিধান কৰিছে আৰু এইজন সেনা সম্প্ৰতি সামাজিক মাধ্যমত 'ৰকেটমেন' হিচাপে পৰিচিত হৈছে। কিন্তু কোন এই 'ৰকেটমেন'? উক্ত ফটোত কেৱল এজন সেনাই নেভী ব্লু ৰঙৰ ইউনিফৰ্ম পৰিধান কৰিছিল। উক্ত ফটোত থকা এই সেনা বিষয়াজনৰ পৰিচয় এতিয়ালৈকে ৰাজহুৱা হোৱা নাই।

# বন্ধ আছে আৰ্থিক সাহায্য ঃ আফগান অনাথ আশ্ৰমত খাদ্যৰ অভাৱত হাহাকাৰ শিশুৰ



**নিউজ ব্যুৰ', কাবুল, ১৫ অক্টোবৰ ঃ** যোৱা ১৫ আগষ্টত তালিবানে আফগানিস্তান পুনৰ দখল কৰিছিল। ইয়াৰ পাছৰে পৰা আফগানিস্তানত অবৰ্ণনীয় পৰিস্থিতি বাহাল আছে। সন্ত্ৰাসবাদীৰ শংকাত বহু লোকে আফগানিস্তান ইতিমধ্যে ত্যাগ কৰিলে। যিসকল লোকে এতিয়াও আফগান ভূমিত আছে, তেওঁলোকে প্ৰতিদিনে শংকাৰ মাজত অতিবাহিত কৰিছে। ইফালে দেশখনৰ অনাথ আশ্ৰমসমূহৰ অৱস্থা যথেষ্ট শোচনীয় হৈছে। কাবুলৰ এখন অনাথ আশ্ৰমৰ মুৰব্বী আহমেদ খলিল মায়ানে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, সম্প্ৰতি তেওঁলোকে অনাথ আশ্ৰমত থকা শিশুসকলক প্ৰয়োজনীয় খাদ্যৰ যোগান ধৰিবলৈ সমস্যাৰ সন্মুখীন হৈছে। বিগত দুমাহ ধৰি তালিবানৰ শাসনত প্ৰায় সকলোবোৰ আৰ্থিক সাহায্য বন্ধ হৈ থকাৰ ফলত এতিয়া অনাথ আশ্ৰমসমূহত প্ৰয়োজনীয় খাদ্য ক্ৰয়ৰ বাবে ধনৰ অভাৱ ঘটিছে। ফলত উক্ত আশ্ৰমত থকা কমেও ১৩০টা শিশুৱে অৰ্ধাহাৰে দিন অতিবাহিত কৰিবলগা হৈছে।

## বিত্তীয় কেলেংকাৰিৰ গোচৰত অভিনেত্ৰী নুৰাক জেৰা ই ডিৰ

**নিউজ ব্যুৰ', মুম্বাই, ১৫ অক্টোবৰ ঃ** এটা বিত্তীয় কেলেংকাৰিৰ গোচৰত এইবাৰ বলিউডৰ অভিনেত্ৰী নুৰা ফটেহিক জেৰা কৰিলে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ। আজি অভিনেত্ৰীগৰাকীক ই ডিৰ বিষয়াই দীৰ্ঘ সময় ধৰি সোধাপোছা কৰে। নুৰাৰ লগতে ই ডিয়ে আন এগৰাকী বলিউড অভিনেত্ৰী জেকলিন ফাৰ্ণাণ্ডেজকো আজি পুনৰ সোধাপোছা কৰে। ই ডিৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, অবৈধ ধন সৰবৰাহৰ গোচৰত ইতিমধ্যে কে'বাজনকো সোধাপোছা কৰা হৈছে আৰু ভৱিষ্যতেও অনুসন্ধান অব্যাহত থাকিব। ২০০ কোটিটকীয়া বিত্তীয় কেলেংকাৰিটোৰ মূল অভিযুক্ত হৈছে সুকেশ চন্দ্ৰশেখৰ।



# ডিমৌত গুৰুজনাৰ ৫৭৩ সংখ্যক জন্মজয়ন্তী পালন

## হৃদয়ৰ সহযোগত ভকত-আইসকলে ৰোপণ কৰিলে গছপুলি

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১৫ অক্টোবৰ ঃ** মহাপুৰুষীয়া সমাজ গড়ভগা বান্দৰমাৰী শাখাৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 573 সংখ্যক জন্ম জয়ন্তী আজি দিনজোৰা কাৰ্যসূচীৰে গড়ভগা বান্দৰমাৰী বৰ নামঘৰত পালন কৰা হয়। পুৱা বৰনামঘৰ প্ৰাংগণত ধৰ্মধ্বজা উত্তোলন কৰে সভাৰাম দত্তই। ইয়াৰ পাছতেই মহাপুৰুষীয়া সমাজৰ আমন্ত্ৰণ মৰ্মে বেচৰকাৰী সংস্থা হৃদয় এখন সহায়ৰ হাত উদ্যোগত গড়ভগা বান্দৰমাৰী বৰ নামঘৰৰ পুখুৰীৰ পাৰত সৌন্দৰ্যবৰ্ধন আৰু মুক্ত অক্সিজেনৰ বাবে বহুকেইটা বিভিন্ন প্ৰজাতিৰ ঔষধি গছৰ পুলি ৰোপণ কৰা হয়। ইয়াৰ পূৰ্বে হৃদয়প্ৰাণ চুতীয়াৰ প্ৰতিছবিত বন্তি প্ৰজ্বলন কৰে ধৰ্মপ্ৰাণ ব্যক্তি যোগেন দত্ত আৰু হৃদয়ৰ মাতৃ পপী চুতীয়াই। বৃক্ষৰোপণৰ কাৰ্যসূচীত হৃদয়ৰ এন জি অ'ৰ কৰ্মকৰ্তা মৌচুমী তামুলী, শেখৰজ্যোতি দুৰৰী, পল্লবী কাকতি, পপী চুতীয়া, গীতাঞ্জলী তামুলী, নিপুল দত্তকে ধৰি বৰনামঘৰৰ ভকত আইসকলে কে'বাটাও গছপুলি ৰোপণ কৰে। স্থানীয় ব্যক্তি ফণিধৰ বড়াই আঁত ধৰা অনুষ্ঠানত বৃক্ষৰোপণ জৰিয়তে সেউজী ধৰণী ধুনীয়া কৰিবলৈ লোৱা হৃদয়ৰ এন জি অ'ৰ কৰ্মকৰ্তাক গাঁওবাসীয়ে প্ৰশংসা কৰে। ইফালে, ডিমৌৰ কাষৰীয়া চৰগুৱা, ডিমৌ লাচিত নগৰ নামঘৰ, ডিমৌ কেন্দ্ৰীয় নামঘৰ আদিতো মহাপুৰুষজনাৰ ৫৭৩ সংখ্যক জন্ম জয়ন্তী পালন কৰা হয়।

# শিৱসাগৰৰ মৃণ্ময় সাধনাত ব্যস্ত কিশোৰ

**বিশেষ সংবাদদাতা,**

**শিৱসাগৰ, ১৫ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ লাহিঙীয়া গাঁৱৰ 13 বছৰীয়া শিশু অয়নজ্যোতি গগৈয়ে নিজকে ব্যস্ত ৰাখিছে মৃণ্ময় সাধনাত। লাহিঙীয়া গাঁৱৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী অঞ্জন গগৈ আৰু নয়নমণি গগৈৰ সন্তান অয়নে শিল্প-কলাৰ সাধনাৰে আজৰি সময়কণ নিজকে ব্যস্ত ৰাখে। পি ডি একাডেমীৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ অয়নে ইতিমধ্যেই দুৰ্গাদেৱীৰ পূৰ্ণাংগ প্ৰতিমা, সৰস্বতী প্ৰতিমা, বিশ্বকৰ্মা প্ৰতিমা, শিৱ, গণেশ, শ্ৰীকৃষ্ণৰ অনন্ত শয্যা আদি নিৰ্মাণ কৰি উলিয়াইছে। মৃৎশিল্পৰ আনুষ্ঠানিক বা অনানুষ্ঠানিক কোনোধৰণৰ শিক্ষা নোহোৱাকৈ অয়নে মাতৃয়ে ঘৰ মচিবলৈ আনি থোৱা মাটিৰেই এই প্ৰতিমাবোৰ নিৰ্মাণ কৰি উলিয়াইছে। ইয়াৰ উপৰি কেৱল কাগজ, মাটি ব্যৱহাৰ কৰিয়েই হাতী, ভালুক, ঘঁৰিয়াল, হাঁহ, পেঁপা আদি অসংখ্য মূৰ্তি আৰু বাদ্যযন্ত্ৰ সাজি উলিয়াইছে কিশোৰজনে।



# ৰঙিয়াত আৰক্ষীৰ জালত ড্ৰাগছ সৰবৰাহকাৰী, পিষ্টল-ড্ৰাগছ জব্দ

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ ধামখুমীয়াৰ মাজতেই আজি ৰঙিয়া আৰক্ষীয়ে ৰঙিয়া ছ'চাইটি চ'কৰ ৩১ নম্বৰ ঘাইপথত পিষ্টল-ড্ৰাগছসহ এজন ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ ব্যৱসায়ীজন বাগ্‌সা জিলাৰ কাউৰবাহাৰ জিয়াউল হক। ৰঙিয়া আৰক্ষীয়ে তামুলপুৰ আৰক্ষীৰ সহযোগত হকক গ্ৰেপ্তাৰ কৰে। দীৰ্ঘদিন ধৰি ড্ৰাগছ আৰু পিষ্টল সৰবৰাহৰ লগত জড়িত থকা হকে এ এছ-০১ কিউ-১৩২৮ নম্বৰৰ মটৰ চাইকেলেৰে কাউৰবাহাৰ পৰা আহি ৰঙিয়া ৩১ নম্বৰ ঘাইপথৰ ছ'চাইটি চ'কত উপস্থিত হয়। ড্ৰাগছ সৰবৰাহকাৰী যুৱকজনৰ গতি বিধিৰ বিষয়ে তামুলপুৰ আৰক্ষীয়ে আগতীয়াকৈ অৱগত হোৱাত ৰঙিয়া আৰক্ষীৰ সহযোগত পূৰ্বৰ পৰা ঘটনাস্থলীত খাপ পিটি থাকে। জিয়াউল ছ'চাইটি চ'কত উপস্থিত হোৱাত আৰক্ষীয়ে তালাচী চলাই মটৰ চাইকেলখনৰ বাকচৰ পৰা গুলিভৰ্তি ৭.২ পিষ্টল, ড্ৰাগছভৰ্তি চাৰিটা কন্টেইনাৰসহ দুটা খালী কন্টেইনাৰ জব্দ কৰে।



# চাবুৱাত পথ দুৰ্ঘটনাত নিহত এক ঃ আহত

**অগ্ৰদূত বাৰ্তা**

**চাবুৱাৰ, ১৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ-উছাহৰ মাজতে কালি চাবুৱাত সংঘটিত পৃথক পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হোৱাৰ লগতে দুজন গুৰুতৰভাৱে আহত হয়। ৩৭ নম্বৰ ঘাইপথৰ মুড়ীপট্টিত যোৱা নিশা ৯.৩০ বজাত এখন বলেৰ' আৰু মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষত প্ৰেম বাগ নামৰ এজন যুৱকৰ থিতাতে মৃত্যু হয়। উক্ত ঘটনাতে আহত এজনক সংকটজনক অৱস্থাত চাবুৱা টাটা হাস্পতালত ভৰ্তি কৰোৱা হয়। নিহত যুৱকজনৰ ঘৰ চাবুৱা চাহ বাগিচাত। ইফালে, কালি পুৱা ১১ বজাত চাবুৱা বাইপাছত সংঘটিত আন এক পথ দুৰ্ঘটনাত এজন লোক আহত হয়। এখন তেল পৰিবাহী টেংকাৰ, এল্ট' আৰু এখন মটৰ চাইকেলৰ মাজত হোৱা সংঘৰ্ষত মটৰ চাইকেলৰ আৰোহীজন গুৰুতৰভাৱে আহত হয়। পাছত আহতজনক চাবুৱা আদৰ্শ হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে চিকিৎসকে অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

## দেৱী দুৰ্গাৰ চৰণত আশিস লৈ উপ-নিৰ্বাচনত গোসাঁইগাঁও সমষ্টি বিপিএফৰ দখলত অহাৰ দাবী হাগ্ৰামাৰ

# কোকৰাঝাৰত ডেৰ শতাধিক প্ৰতিমা বিসৰ্জন

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৫ অক্টোবৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে বিটিআৰৰ কোকৰাঝাৰ জিলাৰ অধীনস্থ কোকৰাঝাৰ, গোসাঁইগাঁও আৰু পৰ্বতঝোৰা মহকুমাত আজি ক'ভিড নিয়ম মানি ১৬০খনকৈ দেৱী দুৰ্গাৰ প্ৰতিমাৰ বিসৰ্জন সামৰণি পৰে। ইপিনে, কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰে বৈ যোৱা গৌৰাং নৈত প্ৰতিমা বিসৰ্জন দিয়া হয়। এই উপলক্ষে আৱৰ্ত ভৱনৰ সমীপৱৰ্তী গৌৰাং নৈত আজি বিয়লি তিনি বজাৰ পৰা সন্ধিয়া ৭-৩০ বজালৈ ৪৫ খনকৈ পূজা আয়োজক সমিতিয়ে জিলা প্ৰশাসনৰ তত্ত্বাৱধানত শান্তি-সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধেৰে প্ৰতিমা বিসৰ্জন দিয়ে। আনহাতে, ফকিৰাগ্ৰামতো ৩৫ খনকৈ পূজা আয়োজক সমিতিয়ে অঞ্চলটোৰ হেল নৈত বিসৰ্জন দিয়ে। একেদৰে জিলাখনৰ গোসাঁইগাঁও বৃহত্তৰ মহকুমাখনতো ৭১খন প্ৰতিমা বিসৰ্জন দিয়া হয়। আনহাতে, কোকৰাঝাৰ চহৰত মহানৱমীত চহৰৰ পাথৰঘাট, সুভাষপল্লি, বিধানপল্লিকে ধৰি বিভিন্ন পূজা মণ্ডপ পৰিভ্ৰমণ কৰি দেৱী দুৰ্গাৰ আশিস লয় বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। উল্লেখ্য যে মহিলাৰীয়ে বিটিচি অঞ্চলৰ লগতে সমগ্ৰ অসমত সকলো জাতি-জনগোষ্ঠীৰ মাজত শান্তি-সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধ অটুট ৰখাৰ প্ৰাৰ্থনাৰে মহা নৱমীত দেৱী দুৰ্গাৰ চৰণত আশিস লোৱা বুলি কয়। তেওঁ দেৱী দুৰ্গাৰ আশীৰ্বাদত ৰাজ্যত অহা ৩০ অক্টোবৰত হ'ব লগা উপ-নিৰ্বাচনত গোসাঁইগাঁও সমষ্টি বিপিএফৰ দখলত আহিব বুলি কয়। তেওঁ লগতে গোসাঁইগাঁও সমষ্টিত এশ শতাংশ বিপিএফৰ জয় হ'ব বুলিও দাবী কৰে। উল্লেখ্য যে গোসাঁইগাঁও সমষ্টিত বিপিএফে প্ৰক্ষেপ কৰিছে ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীক।



*শিৱসাগৰত দেৱী বিসৰ্জনৰ মুহূৰ্তত, শুকুৰবাৰে।*

## হত্যাৰ অভিযোগত ক্ষুব্ধ ৰাইজে লণ্ডভণ্ড কৰিলে হোটেল

# লংকাত মৃতদেহ উদ্ধাৰক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**

**লংকা, ১৫ অক্টোবৰ ঃ** পূজাৰ উলহ- মালহৰ মাজতে যোৱা ১৩ অক্টোবৰত লংকাৰ এখন হোটেলৰ পাছফালে মৃতদেহ উদ্ধাৰক লৈ সৃষ্টি হোৱা উত্তেজনা আজিও অব্যাহত আছে। উল্লেখ্য যে মহাঅষ্টমীৰ সন্ধিয়া সাত বজাত লংকা এক নম্বৰ গেটৰ সমীপত থকা সাহা হোটেল নামৰ হোটেলখনৰ পাছফালে এটা মৃতদেহ পৰি থকা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। পাছত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি সেয়া লংকাৰ ছয় নম্বৰ ৱাৰ্ডৰ শুভংকৰ মজুমদাৰ বুলি চিনাক্ত কৰে। মৃতদেহত কিছু আঘাতৰ চিন স্পষ্ট হৈ থকাত স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোকে শুভংকৰক হত্যা কৰি হোটেলৰ পাছফালে পেলাই থৈ যোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। কালি নগাঁৱৰ পৰা মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহ লংকালৈ অনাৰ পাছতে একাংশ ৰাইজ উত্তেজিত হৈ সাহা হোটেলখন ভাঙি লণ্ডভণ্ড কৰে। পাছত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। এই পৰ্যন্ত অঞ্চলটোত উত্তেজনা অব্যাহত আছে।

# নিজম পৰিল দুৰ্গোৎসৱ, কুৰুৱাত ৰাবন দাহন

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱত গণেশকুঁৱৰী, টেকেলীয়াকুৰ গ্ৰেন্ট তিনিসুঁতিমুখ, লাউজান, বিষ্ণুপুৰ, খান্দাজান, খলিহৈ, কুৰুৱা দুৰ্গা পূজা উদ্‌যাপনস্থলীত সহস্ৰাধিক লোকে ভিৰ কৰে। ক'ভিড পৰিস্থিতিৰ বাবে জাকজমকতা পৰিহাৰ কৰি-১১ অক্টোবৰৰ পৰা ৰাজ্যজুৰি আৰম্ভ হোৱা শাৰদীয় দুৰ্গোৎসৱৰ প্ৰতিখন পূজাস্থলীতে সমূহীয়া চাফাই, বৃক্ষৰোপণ, দেৱীৰ বন্দনা, মহিলাৰ দিহানাম, আৰতি আৰু ওজাপালি প্ৰদৰ্শন, সম্বৰ্ধনা আদি কাৰ্যসূচী অনুষ্ঠিত কৰে। ব্ৰহ্মপুত্ৰ, নৈনে আৰু বৰনদীত আজি অশ্ৰুসিক্ত নয়নেৰে দেৱী দুৰ্গাক বিদায় দিয়ে কুৰুৱা সাৰ্বজনীন দুৰ্গা পূজাস্থলীত। আজি সন্ধিয়া ৰাৱণৰ মূৰ্তি দাহন কৰা হয়। ইফালে, কামৰূপ জিলাৰ শেষ প্ৰান্তৰ দুমুনিচকী সাৰ্বজনীন দুৰ্গা পূজাত সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰি আহিছে অঞ্চলবাসীয়ে। স্থানীয় দুমুনিচকী দৰঙৰ মুছলমান সম্প্ৰদায়ৰ লোকসকলে বছৰি আৰ্থিকভাৱে সহায় কৰে উদ্‌যাপন সমিতিক। কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষী থানা অঞ্চলত এইবাৰ ২২ খন পূজা অনুষ্ঠিত হয়।

# হাউলীত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১৫ অক্টোবৰ ঃ** ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে হাউলীতো ক'ভিড প্ৰট'কল মানি অনুষ্টুপীয়াকৈ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মোৎসৱ উদ্‌যাপন কৰা হয়। হাউলীৰ মদনমোহন কীৰ্তনঘৰ, হালাপাকুৰী, দলাগাঁও আদিত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদ্‌যাপন কৰা হয়। মদনমোহন কীৰ্তনঘৰ প্ৰাংগণত পুৱা পতাকা উত্তোলনৰ পাছতেই নাম-প্ৰসংগ, ভাগৱত পাঠ অনুষ্ঠিত হয়। ইফালে, হালাপাকুৰীৰ শ্ৰীমন্ত শংকৰদেৱ সমাজ নামঘৰ প্ৰাংগণত পুৱা ভাগৱত ভ্ৰমণ, নাম-প্ৰসংগ অনুষ্ঠিত হয়। আনহাতে, দলাগাঁৱত পুৱা প্ৰভাত ফেৰীৰে আৰম্ভ হোৱা জন্মোৎসৱৰ কাৰ্যসূচীত পুৰুষ-মহিলাৰ লগতে যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। দলগাঁৱৰ নামঘৰ প্ৰাংগণত ভাগৱত পাঠ কৰে বৰপেটাৰ ক্ষিৰোদ দাসে। আবেলি চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতাৰ লগতে কণ কণ ল'ৰা-ছোৱালীৰ খেল-ধেমালি অনুষ্ঠিত হয়। কাৰ্যসূচীত ১০ জোপা বৃক্ষৰোপণ কৰে অঞ্চলটোৰ ১০ গৰাকী বয়োজ্যেষ্ঠ লোকে। সন্ধিয়া বীৰ নামেৰে জন্মোৎসৱৰ সামৰণি পৰে।

# ডিমৌ নদীত সাতখন প্ৰতিমা বিসৰ্জন

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১৫ অক্টোবৰ ঃ** ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত সাতখন পূজাৰ আজি বিয়লি ভাগত ডিমৌত নদীত মা দুৰ্গাৰ প্ৰতিমা বিসৰ্জন দিয়ে। ডিমৌ ৰাজহুৱা খেল পথাৰ দুৰ্গা পূজা উদ্‌যাপন সমিতি, ঠাকুৰবাৰী, ডিমৌ কেন্দ্ৰীয় বজাৰ পূজা সমিতি, শান্তিপুৰ পূজা সমিতি আদি কৰি সাতখন পূজা সমিতিয়ে ডিমৌ নদীত ভক্তগণৰ উপস্থিতিত মা দুৰ্গাৰ প্ৰতিমা বিসৰ্জন দিয়ে। ক'ভিড প্ৰ'টকল মানি শান্তিপূৰ্ণভাৱে পূজা বিসৰ্জন দিয়া কাৰ্যসূচী সমাপন হয়।

# অতিৰিক্ত উপায়ুক্ত প্ৰাঞ্জল দাসৰ মৃত্যু ঃ ভৱানীপুৰত শোক

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ১৫ অক্টোবৰ ঃ** সৰুপেটা নিবাসী তথা ডিমা হাছাও জিলাৰ অতিৰিক্ত উপায়ুক্ত প্ৰাঞ্জল দাস (৫২)ৰ যোৱা নিশা নিজ বাসগৃহত মৃত্যু হয়। ব্ৰেইন টিউমাৰত আক্ৰান্ত হৈ তেওঁ যোৱা ফেব্ৰুৱাৰীৰ পৰা ঘৰতে থাকি চিকিৎসাধীন হৈ আছিল। যোৱা নিশা অধিক অসুস্থ হৈ পৰাত মৃত্যুক আঁকোৱালি লয়। উল্লেখ্য যে দাসে ১৯৮৫ত ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ বজালী মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত নামভৰ্তি কৰিছিল। ১৯৮৭ত সৰুপেটাৰ বিএইছবি মহাবিদ্যালয়ৰ স্নাতক কলা শাখাত নামভৰ্তি কৰি উত্তীৰ্ণ হৈছিল। ১৯৯৭ত এ চি এছ বিষয়া হিচাপে কাছাৰ জিলাৰ লক্ষীপুৰ মহকুমাত সহকাৰী আয়ুক্ত পদত তেওঁ নিযুক্তি লাভ কৰিছিল। দাসক চাকৰিত যোগদানৰ কেইমাহমান পাছতে অনুসূচিত জাতিৰ প্ৰমাণপত্ৰৰ বিসংগতিৰ এক অভিযোগত চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল। তেতিয়াৰ পৰাই তেওঁৰ জীৱনলৈ নামি আহিছিল ঘোৰ অন্ধকাৰ। গাহৰি পালন তথা সৰু-সুৰা ব্যৱসায়েৰে কোনোমতে জীৱন-নিৰ্বাহ কৰিবলৈ লৈছিল। তাৰ মাজতে তেওঁক অন্যায়ভাৱে চাকৰিৰ পৰা নিলম্বন কৰা বুলি প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰিছিল। এইদৰে সুদীৰ্ঘকাল আইনী যুঁজ চলাৰ অন্তত বিগত ২০১৬ৰ ২৩ আগষ্টত ন্যায়ালয়ে তেওঁক দোষমুক্ত ঘোষণা কৰাৰ লগতে তেওঁক চাকৰিত পুনৰ মকৰল কৰিবলৈ চৰকাৰক নিৰ্দেশ দিয়ে। কিন্তু এই ৰায়ৰ বিৰুদ্ধে চৰকাৰে পুনৰ আন এক লেখ আবেদন উচ্চ ন্যায়ালয়ত দাখিল কৰে যদিও আদালতে এই আবেদন খাৰিজ কৰি বিগত ২০১৭ত ন্যায়ালয়ে আগৰ ৰায়টোকে বাহাল থকা বুলি ঘোষণা কৰাত ২০১৭ৰ ২৫ আগষ্টত বিশ্বনাথ মহকুমাত সহকাৰী আয়ুক্ত হিচাপে চাকৰিত যোগদান কৰিছিল। শেহতীয়াভাৱে তেওঁ ডিমা হাছাও জিলাৰ অতিৰিক্ত উপায়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল যদিও দেহৰ অসুস্থতাৰ বাবে যোৱা ফেব্ৰুৱাৰীৰ পৰা ছুটীত আছিল। সৎ আৰু শান্ত স্বভাৱৰ লোকজনৰ মৃত্যুত সৰুপেটা- ভৱানীপুৰ অঞ্চলত আজি গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ স'তে দুগৰাকী কন্যা সন্তানক ইহ সংসাৰত এৰি যায়। আজি সৰুপেটাত ভালেসংখ্যক গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়।

# জামুগুৰিহাটৰ সমাজকৰ্মী-প্ৰবীণ অভিনেতা উমা বৰুৱাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৫ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ প্ৰগতিবাদী চিন্তাৰ বাহক, প্ৰবীণ অভিনেতা, নাট পৰিচালক, সমাজকৰ্মী উমা বৰুৱাৰ কালি পুৱা মৃত্যু হয়। মাৰ্ক্সবাদী দৰ্শনৰ বিশ্বাসী বৰুৱা জামুগুৰিহাটৰ প্ৰাচীন নাট্যানুষ্ঠান সঞ্জীৱনী নাট্য সমাজ, সঞ্জীৱনী মইনা পাৰিজাত, মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। ১৯৪৮ত নন্দিকেশ্বৰত জন্মলাভ কৰা সমাজ সচেতকজনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰে। বিশিষ্ট সমাজকৰ্মীজনৰ বাসগৃহত আয়োজিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ জৰিয়তে মৃতদেহত পুষ্পাঞ্জলিৰে অৰ্পণত অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে কুৰিৰো অধিক অনুষ্ঠানে। মৃত্যুৰ সময়ত তেওঁ পত্নী-পুত্ৰসহ অনেক গুণুগ্ধক ইহ সংসাৰত এৰি যায়।

# মধুপুৰ সত্ৰত শংকৰদেৱৰ জন্মোৎসৱ পালন

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১৫ অক্টোবৰ ঃ** পশ্চিমবংগৰ কোচবিহাৰত অৱস্থিত অসমীয়া জাতিৰ প্ৰাণস্বৰূপ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পবিত্ৰ স্থান মধুপুৰ সত্ৰত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হয়। মধুপুৰ সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক কুমাৰ দীপক দাস আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে, পুৱা প্ৰভাতি গীতাঞ্জলিৰে দিনটোৰ কাৰ্যসূচী মুকলি কৰা হয়। মধপুৰ সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত আৰু ডেকা সত্ৰাধিকাৰ পীতাম্বৰ ভকতে জন্মোৎসৱৰ কাৰ্যসূচীসমূহ পৰিচালনা কৰে। ভাগৱত পাঠ, নাম-প্ৰসংগ, বৰগীত, সত্ৰীয়া নৃত্য আদি পৰিৱেশন কৰি সত্ৰৰ চৌহদ ভক্তি ৰসেৰে মুখৰিত কৰি তোলে। মধপুৰ সত্ৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলত বসবাস কৰা বিভিন্ন ভাষা-ভাষীৰ লোকে সত্ৰীয়া সংস্কৃতি পৰিৱেশন কৰে। সন্ধিয়া বন্তি প্ৰজ্বলনেৰে জন্মোৎসৱৰ কাৰ্যসূচীৰ সামৰণি মৰা হয়।

# ঠেলামৰাত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা ১৫ অক্টোবৰ ঃ** তেজপুৰৰ নিকটৱৰ্তী ঠেলামৰা আৰক্ষী থানাৰ অন্তৰ্গত ধুনাগুৰীৰ ধাননী পথাৰৰ মাজত কালি পুৱা এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। ঠেলামৰাৰ নাহৰবাৰী গাঁৱৰ হিৰণ্য দাস (৩৮) নামৰ বিবাহিত লোকজন যোৱা ১২ অক্টোবৰৰ পুৱা সাত বজাত ঘৰৰ পৰা ওলাই যোৱাৰ পাছৰে পৰা সন্ধানহীন হৈ আছিল। পৰিয়ালৰ লোকে বিচাৰ খোছাৰ কৰি কোনো সন্ধান নোপোত কালি একাংশ লোকে ধুনাগুৰী ধাননী পথাৰৰ মাজত সন্ধান চলোৱাৰ সময়ত কালি পুৱা আঠ বজাত মৃতদেহটো উদ্ধাৰ কৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়।

# বাহাৰঘাট লখিমী পথাৰত বিজয়া দশমীত ভক্তৰ ভিৰ



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৫ অক্টোবৰ ঃ** কামৰূপ আৰু নলবাৰী জিলাৰ সংগমস্থলীত বাহাৰঘাট লখিমী পথাৰত আজি বিজয়া দশমী অনুষ্ঠিত হয়। ক'ভিড নিয়ম মানি সহস্ৰাধিক লোকৰ সমাবেশ হয় বৰলীয়া পাৰত। উল্লেখ্য যে অনুষ্ঠাটোত ভক্তপ্ৰাণ ৰাইজৰ মাজত খোৱাপানী আৰু মাহ প্ৰসাদ বিতৰণ কৰে বিশ্ব হিন্দু পৰিষদ, বজৰংগ দলৰ নলবাৰী জিলা সমিতিয়ে। অঞ্চলটোৰ কে'বাখনো প্ৰতিমা বৰলীয়া নদীত বিসৰ্জন দিয়া হয়।

# জামুগুৰিহাটত ৭৭ বছৰীয়া বৃদ্ধ সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৫ অক্টোবৰ ঃ** দুৰ্গোৎসৱৰ আনন্দ-উল্লাসৰ মাজতেই যোৱা ১৩ অক্টোবৰৰ অষ্টমীৰ নিশা জামুগুৰিহাটৰ সংগীয়া মাজৰচুক গাঁৱৰ অৱনী কটকী (৭৭) ব্যক্তিজন সন্ধানহীন হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নিশাৰ আহাৰ গ্ৰহণ কৰি শুবলৈ যোৱাৰ পাছৰ পৰাই সন্ধানহীন হৈ থকা ব্যক্তিজনক বিচাৰি পৰিয়ালৰ লগতে গাঁৱৰ যুৱকে যোৱা দুটা দিন ধৰি চলাথ কৰিছে যদিও কোনো সম্ভেদ উলিয়াবলৈ সক্ষম হোৱা নাই। পাঁচ ফুট চাৰি ইঞ্চি উচ্চতাৰ, পিন্ধনত এটা গেঞ্জী আৰু কঁকালত এখন গোমোচা পৰিধান কৰা ব্যক্তিজনৰ কোনো লোকে সম্ভেদ পালে জামুগুৰি আৰক্ষীৰ লগত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে আহ্বান জনাইছে।

# সোণাপুৰত অবৈধ গো-সৰবৰাহৰ গোচৰত গ্ৰেপ্তাৰ স্বয়ম্ভূ ছাত্ৰনেতা

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১৫ অক্টোবৰ ঃ** দুৰ্গোৎসৱৰ আনন্দ-উল্লাসৰ মাজতে সোণাপুৰত অবৈধ গো-সৰবৰাহৰ এক গোচৰত পুনৰ গ্ৰেপ্তাৰ হ'ল এজন স্বয়ম্ভূ ছাত্ৰনেতা। সোণাপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা তথাকথিত ছাত্ৰনেতাজন হৈছে সোণাপুৰৰ হাটখোলাৰ আখটাৰ হুছেইন (৩২)। উল্লেখ্য যে বৃহত্তৰ ডিমৰীয়াত দীৰ্ঘদিন ধৰি অবৈধ গো-সৰবৰাহকে ধৰি বিভিন্ন দুষ্কাৰ্যৰ স'তে জড়িত থকাৰ অভিযোগ উঠি আহিছিল যুৱকজনৰ বিৰুদ্ধে। এই সন্দৰ্ভত সোণাপুৰ আৰক্ষী থানাত ৬৬৪/২১ নম্বৰত এটা গোচৰ ৰুজু হৈছিল। যাৰ ফলত যুৱকজনে দীৰ্ঘদিন ধৰি পলাই ফুৰিছিল। অৱশেষত সোণাপুৰ আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি যোৱা ১৪ অক্টোবৰত সোণাপুৰ টোলগেটৰ পৰা অভিযুক্ত যুৱকজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে স্বল্পখ্যাত অসম সংগ্ৰামী যুৱ ছাত্ৰ সন্থা নামৰ সংগঠনটোৰ সভাপতি আছিল হুছেইন। আনহাতে, পূৰ্বেও অন্য এক গো-সৰবৰাহৰ গোচৰত জেলৰ ভাত খাব লগা হৈছিল তথাকথিত ছাত্ৰ নেতাজনে। আজি আৰক্ষীয়ে সোণাপুৰ জিলা চিকিৎসালয়ত ধৃত আখটাৰ স্বাস্থ্য পৰীক্ষা কৰাৰ অন্তত জেললৈ প্ৰেৰণ কৰে। তথাকথিত ছাত্ৰনেতাজনৰ এনে অপকৰ্মই অঞ্চলটোতে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।



## ৰাজহমন্ত্ৰী যোগেন মহনৰ স'তে মত বিনিময় শিৱসাগৰ জিলা গাঁও প্ৰধান সন্থাৰ

# গাঁও প্ৰধানৰ পাৰিতোষিক বৃদ্ধি হ'ব

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১৫ অক্টোবৰ ঃ** কালি মহা নৱমীৰ পুৱা অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনক মৰাণস্থিত বাসগৃহত শিৱসাগৰ জিলা গাঁও প্ৰধান সন্থাৰ এটি ১৫ জনীয়া সঁজাতী দলে সাক্ষাৎ কৰে। সন্থাৰ সভাপতি তৰামণি চেতিয়া আৰু সম্পাদক জ্ঞানৰঞ্জন বেজবৰুৱাৰ নেতৃত্বত যোৱা গাঁও প্ৰধানৰ দলটোক মন্ত্ৰীজনে শাৰদীয় দুৰ্গা পূজাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আগন্তুক বিত্তীয় বৰ্ষত অসমৰ গাঁও প্ৰধানসকলৰ মাহিলি পাৰিতোষিক আশাব্যঞ্জকভাৱে বৃদ্ধি কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে আৰু এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ স'তে ইতিমধ্যে আলোচনাত মিলিত হোৱা বুলি অৱগত কৰে। ইতিমধ্যে ৰাজহ আৰু দুযোগ ব্যৱস্থাপনা বিভাগে গাঁও প্ৰধানৰ নিযুক্তি সন্দৰ্ভত ধাৰ্য কৰা নিম্নতম বয়স ২৫ৰ পৰিৱৰ্তে ৩০ বছৰ ধাৰ্য কৰা হৈছে বুলি অৱগত কৰে। **৬৫** বছৰ বয়স সম্পূৰ্ণ কৰা গাঁও প্ৰধানসকলক অব্যাহতি দিয়াৰ লগতে তেওঁলোকৰ পৰিয়ালত থকা উপযুক্ত প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব বুলি আশ্বাস দিয়ে আৰু উপযুক্ত লোক নথকা গাঁওপ্ৰধানৰ অব্যাহতিৰ পাছত চৰকাৰৰ তৰফৰ পৰা এককালীন আৰ্থিক সাহায্য প্ৰদান কৰাৰো মন্ত্ৰীজনে আশ্বাস প্ৰদান কৰে।

## বদতি জামুগুৰি নাট্য সমাজৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ১৫ অক্টোবৰ ঃ** বিহপুৰীয়াৰ দক্ষিণ প্ৰান্তত অৱস্থিত অন্যতম সামাজিক সাংস্কৃতিক অনুষ্ঠান বদতি জামুগুৰি নাট্য সমাজৰ বাৰ্ষিক সাধাৰণ সভা যোৱা ১০ অক্টোবৰত বিয়লি নাট্য সমাজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। নাট্য সমাজৰ সভাপতি পৰমানন্দ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সম্পাদক জগত বৰাই সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ লগতে আভ্যন্তৰীণ হিচাপ পৰীক্ষক বিপিন শইকীয়াই হিচাপৰ প্ৰতিবেদন পাঠ কৰে। সাধাৰণ সভাই আগন্তুক ৰাসোৎসৱ উদ্‌যাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। বিগত বৰ্ষত ক'ভিড প্ৰট'কল মানি চলিয়েই ৰাসোৎসৱ অনুষ্ঠিত নকৰা বদতি জামুগুৰি নাট্য সমাজে চলিত বৰ্ষত অঞ্চলটোৰ সকলোৰে ক'ভিডৰ প্ৰতিষেধক লৈ ৰাস উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। সাধাৰণ সভাই আগন্তুক দ্বিবৰ্ষৰ কাৰ্যকালৰ বাবে পৰমানন্দ বৰুৱাক সভাপতি, অৰুণ শইকীয়াক কাৰ্যকৰী সভাপতি, নৱ কুমাৰ বৰুৱা, গোলাপ বৰুৱা, ধৰ্মেশ্বৰ শইকীয়াক উপ-সভাপতি, জগত বৰাক সম্পাদক, ৰাজেন শইকীয়াক কাৰ্যালয় সম্পাদক, সঞ্জীৱ দত্তক প্ৰচাৰ সম্পাদক, ৰাজেন বৰাক মঞ্চাধ্যক্ষ আৰু নিলমনি শৰ্মাক সহকাৰী মঞ্চাধ্যক্ষ হিচাপে লৈ গঠিত পুৰণা সমিতিখনকে বাহাল ৰাখে।

## যজ্ঞভূমিত কৃষক সভাৰ কৃষক ছহিদ-সাংবাদিকক শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ১৫ অক্টোবৰ ঃ** সংযুক্ত কৃষক মৰ্চাৰ আহ্বান মৰ্মে কৃষক সভাৰ নলবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত যোৱা ১২ অক্টোবৰত সন্ধিয়া নলবাৰীৰ যজ্ঞভূমি চ'কত কৃষক আন্দোলনৰ নেতা ৰবীন মিশ্ৰ, জীৱেশ্বৰ কলিতা, মনোৱাৰ হুছেইন, কন্দৰ্প শৰ্মা, ৰাজীৱ আলী, সমাজকৰ্মী দ্বীপেন কলিতা, কৰুণা বৰ্মনৰ নেতৃত্বত বহু সংখ্যক ৰাইজৰ উপস্থিতিত উত্তৰ প্ৰদেশৰ লক্ষিমপুৰৰ খেৰিত কেন্দ্ৰীয় মন্ত্ৰী অজয় মিশ্ৰৰ পুত্ৰ আশিস মিশ্ৰই আক্ৰোশমূলকভাৱে কৃষক আন্দোলনক ধ্বংস কৰাৰ ষড়যন্ত্ৰৰে নিজৰ গাড়ীৰে পাঁচজন কৃষকক আৰু এজন সাংবাদিকক মহটিয়াই হত্যা কৰাৰ নিৰ্মম ঘটনাৰ প্ৰতিবাদ তথা ছহিদসকলক শ্ৰদ্ধা নিবেদন কৰি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান কৰে। মমবাতি আৰু চাকি প্ৰজ্বলন কৰি প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি ছহিদসকলক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট কৃষক নেতা ৰবীন মিশ্ৰই কয় যে তিনিখনকৈ কৃষি আৰু কৃষক বিৰোধী আইন বাতিল নোহোৱা পৰ্যন্ত দিল্লীত কৃষকৰ আন্দোলন চলি থাকিব। বিভিন্ন ৰাজ্যত কৃষকৰ আন্দোলন আৰম্ভ হৈছে। যাৰ বাবে বিজেপি চৰকাৰৰ কঁপনি উঠিছে। বিভিন্ন ৰাজ্যত কৃষকৰ আন্দোলন আৰম্ভ হৈছে। খাদ্য-সামগ্ৰীৰ দামে ৰাইজক জ্বলা-কলা খুৱাইছে।

## বাগ্‌সাৰ পশ্চিম খাগ্ৰাবাৰীত অজগৰ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
**জালাহ, ১৫ অক্টোবৰ ঃ** বাগ্‌সা জিলাৰ পশ্চিম খাগ্ৰাবাৰী গাঁৱত যোৱা ১২ অক্টোবৰত আবেলি ২০ কিলোগ্ৰাম ওজনৰ ৬.৩০ ফুট দৈৰ্ঘ্যৰ এডাল অজগৰ উদ্ধাৰ হয়। স্থানীয় লোকে এঘৰ মানুহৰ বাৰীত বিচৰণ কৰি থকা অজগৰ সাপডাল প্ৰত্যক্ষ কৰি মানাহ মাউজীগেন্দ্ৰী ইক' টুৰিজিম ছ'চাইটিক খবৰ দিয়াত ইক'টুৰিজিম ছ'চাইটিৰ বন্যপ্ৰাণী উদ্ধাৰকাৰী এটা স্বেচ্ছাসেৱকৰ দল গৈ অজগৰডাল উদ্ধাৰ কৰি লৈ যায়।

■ তেজপুৰ সদৰ আৰক্ষী থানাৰ সমীপলৈকে পদপথত বহু সংখ্যক লোকে বেদখল চলাই অব্যাহত ৰখা ব্যৱসায়ৰ বাবেই যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে সৰ্বসাধাৰণ

# তেজপুৰৰ পদপথত বেদখল অব্যাহত

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ১৫ অক্টোবৰ ঃ** তেজপুৰ চহৰত বৰ্তমান পদপথৰ যি অৱস্থা সিয়ে সৰ্বসাধাৰণক জুৰুলা কৰিছে। চহৰখনৰ মাজমজিয়াত এতিয়া পদপথত চলিছে বেদখল। শাৰদীয় দুৰ্গোৎসৱৰ সময়ত এতিয়া জনসমাগম বৃদ্ধি পোৱা চহৰখনৰ চিভিল হাস্পতাল চাৰিআলিৰ পৰা তেজপুৰ সদৰ আৰক্ষী থানাৰ সমীপলৈকে পদপথত বহু সংখ্যক লোকে বেদখল চলাই অব্যাহত ৰখা ব্যৱসায়ৰ বাবেই যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে সৰ্বসাধাৰণ। চহৰখনৰ এই অংশতেই নহয় সকলো দিশতেই একেই পৰিস্থিতি। হাৰিপট্টিৰ আশে-পাশে আনকি ঘৰুৱা আচবাবৰ সামগ্ৰীৰ বিপিণীৰ বিভিন্ন সামগ্ৰী পদপথত উলিয়াই থোৱা হয়। একেদৰেই কাপোৰৰ দোকানৰ পৰা মুখৰোচক খাদ্যৰ বিপণীয়ে ভিৰ কৰা পদপথৰে সাধাৰণ লোকে যাতায়াত কৰাটোৱেই এক প্ৰত্যাহ্বান হৈ পৰিছে। সংস্থাপন আৰু উপাৰ্জনৰ স্বাৰ্থত একাংশ লোকে এনেদৰে পদপথ দখল কৰাৰ বিপৰীতে চহৰখনৰ ছয় নম্বৰ ৱাৰ্ডৰ এগৰাকী ৬০ উৰ্দ্ধৰ মহিলা ছিনু ৰয়ে তেওঁৰ দোকানৰ কোঠাটোও আন এজন লোকে বেদখল কৰা বুলি অভিযোগ আনিছে। বৃদ্ধাগৰাকীয়ে কয় যে যোৱা ছবছৰে তেওঁৰ দোকানগৃহটো বেদখল মুক্ত কৰিব পৰা নাই আৰু শেষত তেওঁ ন্যায়ালয়ৰ কাষ চাপিবলগীয়া হৈছে। ইপিনে, ক'ভিডৰ বাবেই বহু লোক উপাৰ্জনহীন হোৱাৰ উপৰি বৰ্তমান শাৰদীয় বতৰৰ সুযোগ লৈ কিছু উপাৰ্জনৰ বাবে একাংশ লোকে চেষ্টা চলোৱাৰ বিষয়ে উল্লেখ কৰি পাৰশ নাথ ৰায় নামৰ ব্যৱসায়ীজনে কয় যে তেওঁ চহৰখনত মিঠাইৰ দোকান ২০১৮ত আৰম্ভ কৰিছিল যদিও তলাবন্ধৰ বাবে সেইখন ২০২০ত বন্ধ কৰিবলগীয়া হয়। তেওঁ ইয়াৰ বাবে ১৫ লাখ টকা লোকচানৰ সন্মুখীন হয়। এনে অৱস্থা বহুলোকৰ হোৱাৰ বাবেই এতিয়া তেওঁলোক উপাৰ্জনৰ বাবে হাবাথুৰি খাবলগীয়া হোৱা বুলিও তেওঁ কয়। তেওঁ লগতে অৱশ্যে কয় যে সৰ্বসাধাৰণ নিজেই সতৰ্ক নহ'লে সমস্যা পুনৰ বৃদ্ধি পাব আৰু কোনেও কৰ'নাৰ বিষয়টো বৰ্তমান গুৰুত্বপূৰ্ণ বুলি ধৰা নাই। আৰক্ষীয়ে পুনৰ জৰিমনা বিহা আৰম্ভ কৰাতো প্ৰয়োজন বুলি মন্তব্য কৰি তেওঁ আৰু কয় যে তেজপুৰৰ গুৰুত্বপূৰ্ণ পথৰ দুয়োকাষে হোৱা বেদখল তথা পদপথৰ দোকানৰ উপৰি বহু ব্যৱসায়ীক কেন্দ্ৰৰ নিজাববীয়াকৈ পাৰ্কিঙৰ ব্যৱস্থা নথকা আৰু থকা সকলেও সেয়া ব্যৱহাৰ নকৰাত সৰ্বসাধাৰণৰ অৱস্থা শোচনীয় হৈছে।



বাসুগাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম তিথি পালন।

## সম্প্ৰতি একাংশ কংগ্ৰেছীৰ অন্তৰাত্মা কংগ্ৰেছত নাই ঃ টিহুত মন্ত্ৰী দাস

অগ্ৰদূত বাৰ্তা
**টিহু, ১৫ অক্টোবৰ ঃ** 'ৰাজ্যৰ পাঁচটা সমষ্টিত হ'ব লগা আগন্তুক উপ-নিৰ্বাচনত আটাইকেইটা সমষ্টিতে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হোৱাটো নিশ্চিত।' যোৱা ১২ অক্টোবৰত টিহুত সংবাদ মাধ্যমৰ আগত এইদৰে মন্তব্য কৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। জ্যেষ্ঠ মন্ত্ৰীজনে বিগত সময়ছোৱাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটত চৰকাৰে দূৰত্ব গতিত আগবঢ়াই নিয়া ৰাজ্যৰ সৰ্বাংগীণ বিকাশৰ বাবেই পাঁচটা সমষ্টিৰ ভোটাৰ ৰাইজে উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটক আশীৰ্বাদ কৰিব বুলি কয়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী দাসে ভৱানীপুৰ সমষ্টি এইবাৰ এআইইউডিএফৰ পৰা মুক্ত হ'ব বুলি আশা প্ৰকাশ কৰি উক্ত সমষ্টিত বিজেপি মিত্ৰজোঁটে কমেও ৭০ হেজাৰ ভোট লাভ কৰিব বুলি দাবী কৰে। ইপিনে, আজি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই গোসাঁইগাঁৱৰ বিভিন্ন স্থানত ম'হৰ গাড়ীত উঠি পূজা চাই মূল্যবৃদ্ধিৰ প্ৰতিবাদ কৰা প্ৰসংগত টিপ্পনী দি মন্ত্ৰী দাসে কংগ্ৰেছৰ ভূপেন বৰা বাহিনীক মূল্যবৃদ্ধি নকমালৈকে ম'হৰ গাড়ীত উঠাৰ পৰামৰ্শ দিয়ে। প্ৰসংগক্ৰমে তেওঁ কংগ্ৰেছৰ নাম লৈ বিৰোধিতা কৰা একাংশ কংগ্ৰেছীৰ 'অন্তৰাত্মা' কংগ্ৰেছত নাই বুলিও ইংগিতপূৰ্ণ মন্তব্য কৰে। পাটাছাৰকুছি সমষ্টিৰ বিধায়ক তথা জ্যেষ্ঠ মন্ত্ৰী দাসে দিনজোৰা কাৰ্যসূচীৰে টিহুত উপস্থিত হৈ ইতিহাস প্ৰসিদ্ধ ১১৮ সংখ্যক টিহু বাৰোৱাৰী শ্ৰীশ্ৰী দুৰ্গা পূজা মহোৎসৱৰ ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰি সমষ্টিবাসীৰ লগতে ৰাজ্যবাসীৰ মংগল কামনা কৰে। ইয়াৰ পাছতে মন্ত্ৰী দাসে টিহু নগৰ হৰিমন্দিৰত উপস্থিত হোৱাত টিহু নগৰ উন্নয়ন সমিতি আৰু টিহু নগৰ হৰিমন্দিৰ সমিতিয়ে পৃথকে পৃথকে তেওঁক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানতে মন্ত্ৰীজনে টিহু নগৰৰ ৰাজহুৱা শ্মশান উন্নয়নৰ বাবে পাঁচলাখ টকাৰ অনুদান আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে। আনহাতে, স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বিয়লি টিহু সৰ্বেশ্বৰ দাস জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ এটি নৱনিৰ্মিত প্ৰশাসনিক ভৱন উদ্বোধন কৰে। এই উদ্দেশ্যে অনুষ্ঠিত এক অনুষ্ঠানত শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ নৃপেন্দ্ৰ নাথ কলিতা, পৰিচালনা সমিতিৰ সভাপতি ডঃ ভৱেশ চন্দ্ৰ চৌধুৰী, টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কিশোৰ কুমাৰ তালুকদাৰ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## চিৰাঙত গাঞ্জা সহিতে নাবালক আটক

অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ১৫ অক্টোবৰ ঃ** চিৰাং জিলাৰ ঢালিগাঁও থানাৰ অন্তৰ্গত বৰতালোৱাত যোৱা ১২ অক্টোবৰত আৰক্ষীয়ে অভিযান চলাই সন্দেহযুক্ত গাঞ্জা সৰবৰাহত জড়িত থকাৰ অপৰাধত এজন যুৱক আৰু এজন নাবালকক আটক কৰে। চিৰাং জিলা আৰক্ষী অধীক্ষক প্ৰাণজিৎ বৰাই সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে, এক বিশেষ সূত্ৰে লাভ কৰা তথ্যৰ আধাৰত চিৰাং আৰক্ষীৰ অভিযানকাৰী দলে বৰতালোৱাত অভিযান চলাই কামাল হাছান মোল্লা (২৬)ৰ লগতে এজন নাবালকক আটক কৰে। আটক কৰা দুয়োজনৰ জিম্মাৰ পৰা দুই কেজি গাঞ্জা, এটা ভিভো ম'বাইল হেণ্ডছেট আৰু গাঞ্জা সেৱনত ব্যৱহৃত এডাল পাইপ জব্দ কৰে আৰক্ষীয়ে। ঘটনা সংক্ৰান্তত ঢালিগাঁও থানাত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে বুলিও জিলা আৰক্ষী অধীক্ষকজনে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। আটকাধীন দুয়োকে ঢালিগাঁও থানাত জেৰা চলাইছে আৰক্ষীয়ে।

## আজাৰাত সাহিত্য চৰ্চা কেন্দ্ৰৰ 'শৰতৰ দুপৰীয়া' অনুষ্ঠান

**গ্ৰন্থ উন্মোচন-সম্বৰ্ধনা-বঁটা প্ৰদান**

অগ্ৰদূত বাৰ্তা
**আজাৰা, ১৫ অক্টোবৰ ঃ** সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ উদ্যোগত আজাৰাৰ স্কেমিও গ্ল'বেল স্কুল প্ৰাংগণত যোৱা ১১ অক্টোবৰত 'শৰতৰ দুপৰীয়া' শীৰ্ষক এক মনোগ্ৰাহী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠান উদ্বোধন কৰে প্ৰাক্তন সংবাদ কুমাৰ দীপক দাসে। উক্ত অনুষ্ঠানতে দিলীপ কুমাৰ শৰ্মাৰ 'চোঁ' নামৰ নাটক আৰু 'শৰশয্যাত পিতামহ' নামৰ গল্প সংকলন উন্মোচন কৰা হয়। প্ৰতিভাবান যুৱ লেখকক সাহিত্য চৰ্চাৰ ক্ষেত্ৰত উদগনি যোগোৱাৰ উদ্দেশ্যে প্ৰদান কৰি অহা 'সাহিত্য বঁটা-২০১৯' নিলোৎপল বৰুৱালৈ প্ৰদান কৰা হয়। উল্লেখ্য যে বাদুংদুপ্পা কলা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক 'আণ্ডাৰ দ্য শাল ট্ৰি'ৰ বাবে বিখ্যাত প্ৰয়াত শুক্ৰচাৰ্য ৰাভাৰ জীৱন ভিত্তিক উপন্যাস 'শুক্ৰচাৰ্য ৰাভাঃযাত্ৰা আৰু মাত্ৰা'ৰ বাবে এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত সাহিত্য একাডেমীৰ অনুবাদ বঁটা বিজয়ী দিগন্ত বিশ্ব শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি শৰ্মাই 'শ্ৰী অৰবিন্দৰ আলোকত কাব্য, সাহিত্য আৰু শিল্পকলা অভিব্যঞ্জনা' বিষয়ত ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানতে কুমাৰ বিভূতি আৰু ত্ৰিদীপ ৰয়লৈ যুটীয়াভাৱে শ্ৰেষ্ঠ কবি বঁটা আৰু অন্যান্য বঁটাসমূহ প্ৰদান কৰা হয়।



শিৱসাগৰত থানাঘাটত দুৰ্গা দেৱীক বিসৰ্জন।

## ছশ বছৰীয়া আহোম ৰাজত্বকালৰ বৰ্ণিল ইতিহাসৰ ছাই ফা পূজা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**নাজিৰা, ১৫ অক্টোবৰ ঃ** পূৰ্বৰে পৰা আহোমসকলে উপাস্য দেৱতা লেংডনৰ উদ্দেশ্যে দুভাগি সৰগ পূজা কৰা নিয়ম আছিল। সেই সময়ত ৰজাই 'ওমফা' আৰু প্ৰজাই 'ছাই ফা' পূজা পতা নিয়ম আছিল। দেশত যেতিয়া অসূয়া-অপ্ৰীতি, অনাটন, দুৰ্ভিক্ষ, দুৰ্যোগ, মাৰি মৰকে দেখা দিয়ে তেতিয়া প্ৰজা সাধাৰণে দেশবাসীৰ মংগলৰ হেতুকে উপাস্য দেৱতা লেংডনক উদ্দেশি এই পূজা ভাগ অনুষ্ঠিত কৰে। সেই উদ্দেশ্য আগত ৰাখি জনগোষ্ঠীৰ বৌদ্ধিক, সাংস্কৃতিক আৰু আৰ্থ-সামাজিক উন্নয়নৰ বাবে কাম কৰাৰ বাবে গঠিত তাই আহোম যুথ ফ'ৰামৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত আৰু বৃহত্তৰ দিচাংপানী ৰাইজৰ সহযোগত দিচাংপানী ৰাজহুৱা প্ৰেক্ষাগৃহ প্ৰাংগণত যোৱা ১০ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে ছাই ফা অনুষ্ঠিত হয়। দিনজোৰা কাৰ্যসূচী আৰম্ভ হয় পতাকা উত্তোলনেৰে। তাই আহোম যুথ ফ'ৰামৰ পতাকা উত্তোলন কৰে ফ'ৰামৰ কেন্দ্ৰীয় সভাপতি চাও বিশ্বজিৎ গগৈয়ে আৰু আয়োজক সমিতিৰ পতাকা উত্তোলন কৰে কাৰ্যকৰী সভাপতি চাও মনিদীপ মহনে। মৈদাম তৰ্পণ কৰে ফ'ৰামৰ কাৰ্যকৰী সভাপতি চাও গণেশ গগৈয়ে। ছ্যুকাফাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ফ'ৰামৰ উপদেষ্টা চাও মিণ্টু গগৈ আৰু দ্বীপজ্যোতি বড়াই। মহাবীৰ লাচিতৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ফ'ৰামৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক চাও অম্লানজ্যোতি হাতীবৰুৱাই।

ইয়াৰ পাছতে তাই আহোম জনগোষ্ঠীৰ ভাষা আৰু সংস্কৃতিৰ উত্তৰণৰ বাবে কাম কৰা প্ৰয়াত মলুংসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিয়লি আয়োজিত সাংস্কৃতিক আৰু অন্তৰংগ আলাপত অংশগ্ৰহণ কৰে ফ'ৰামৰ মুখ্য উপদেষ্টা তথা মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মানচাও ডঃ বুদ্ধিন গগৈ, চৰাইদেউ জিলাৰ অতিৰিক্ত উপায়ুক্ত মাননাং জীমলী কাকতি, আহোম জাতীয় গণমঞ্চৰ সভাপতি মানচাও মহেন্দ্ৰ দিহিঙীয়া, সমাজকৰ্মী সুৰুজ দিহিঙীয়া, সমাজকৰ্মী লাচিত গগৈ, সমাজকৰ্মী জ্ঞানদীপ মহন, যুথ ফ'ৰামৰ জিলা সভাপতি বিপুল গগৈ, সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি গগৈ, কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক মৃদুপৱন লাহনকে আদি কৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে। সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে পাটসাঁকো কেন্দ্ৰীয় তাই একাডেমীৰ প্ৰশিক্ষাৰ্থীসকল, ডি ৰাই বিহুৱাণী খ্যাত নিমিষা দিহিঙীয়া, টিংখাঙৰ মোহময়ী সুকণ্ঠী গায়িকা ড্ৰীমলী গগৈ, সুকণ্ঠী গায়িকা জেকলিনা, এঞ্জেলিনা, শিৱসাগৰৰ প্ৰাপ্তিকৃষ্ণা সুন্দিকৈ, ধেমাজিৰ জেৰি গগৈ, নিশিতা মহন আৰু লাকুৱাৰ সঞ্জীৱ বাইলুঙে। সাংস্কৃতিক অনুষ্ঠান আৰু অন্তৰংগ আলাপ অনুষ্ঠানটি পৰিচালনা কৰে নাং লোপামুদ্ৰা মহনে। সন্ধিয়া অনুষ্ঠিত মূল অনুষ্ঠান ছাই ফা পৰিচালনা কৰে বিশিষ্ট মলুং তাই পণ্ডিত তিলেশ্বৰ মহনে।

অনুষ্ঠানটোত ফ'ৰামৰ হৈ অংশগ্ৰহণ কৰে সভাপতি বিশ্বজিৎ গগৈ, কাৰ্যকৰী সভাপতি গণেশ গগৈ আৰু সাংস্কৃতিক সম্পাদক মৃদুপৱন লাহনে।

## বজালী জিলা হকাৰ সন্থাৰ পূৰ্ণাংগ সমিতি গঠন

**পাটাছাৰকুছি, ১৫ অক্টোবৰ ঃ** নৱগঠিত বজালী জিলা বাতৰি কাকত বিতৰক (হকাৰ) সন্থাৰ পূৰ্ণাংগ কমিটীখন গঠন কৰা হৈছে। ব্ৰিটিছকালীন বজালীৰ ৰাজধানী পাটাছাৰকুছিত পাটাছাৰকুছি প্ৰেছ ক্লাবৰ কাৰ্যালয়ত যোৱা ন অক্টোবৰৰ সন্ধিয়া আহ্বায় সমিতিৰ সভাপতি পবিত্ৰ হালৈৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত এই পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। জিলাখনৰ বিভিন্ন ঠাইৰ বিতৰকসকল উপস্থিত থকা সভাখনত হকাৰসকলে সততে সন্মুখীন হৈ থকা বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰাৰ লগতে মূলতঃ চৰকাৰৰ পৰা এককালীন সাহাৰ্য, বিনামূলীয়া চিকিৎসা সেৱা, পেঞ্চনৰ ব্যৱস্থা কৰাকে ধৰি আদি বহুকেইটা দিশৰ ওপৰত সন্থাৰ ৰাজ্যিক সম্পাদক বিপ্লৱ শৰ্মা আৰু কাৰ্যনিৰ্বাহক সদস্য কুলেন বৰ্মণে বক্তব্য দাঙি ধৰে। সভাত হেমাংগ দেৱ চৌধুৰী সভাপতি, পবিত্ৰ হালৈ আৰু বানেশ্বৰ দাসক উপসভাপতি, বেদান্ত শাণ্ডিল্যক সম্পাদক, অপূৰ্ব ৰয় আৰু জিণ্টু ৰয়ক সহসম্পাদক, ৰমেন শৰ্মাক সাংগঠনিক সম্পাদক, সুৰেশ শৰ্মাক প্ৰচাৰ সম্পাদক, মৃদুল পাঠকক কোষাধ্যক্ষ হিচাপে লৈ বজালী জিলা বাতৰি কাকত বিতৰক (হকাৰ) সন্থাৰ ২২ জনীয়া পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। লগতে অনুপস্থিত থকা হকাৰসকলক সন্থাত অন্তৰ্ভুক্ত হ'বলৈ ৭৬৩৮০৭২৯১৬/৮৭২১০৩৭২৯৪ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনায়।

## দ্বাৰকাত অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**আগিয়া, ১৫ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ বালিজানা শিক্ষা খণ্ডৰ অন্তৰ্গত দ্বাৰকা নিম্ন প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ উদ্যোগত আৰু দ্বাৰকা প্ৰাথমিক বিদ্যালয়ৰ সহযোগত যোৱা ন অক্টোবৰত সদ্য অৱসৰপ্ৰাপ্ত শিক্ষাগুৰু বিপিন চন্দ্ৰ বৰ্মনক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সমাজকৰ্মী গুণধৰ ৰাভাই আঁত ধৰা সভাত সভাপতিত্ব কৰে কৃতী শিক্ষক বিশ্বনাথ ৰাভাই। শৈলেন বৰ্মনৰ পৰিচালনাত কেন্দ্ৰৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে পৰিৱেশন কৰা সমবেত গীতেৰে আৰম্ভ কৰা সভাত উপস্থিত থাকে বালিজানা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নজৰুল ইছলাম বক্তিয়াৰ, সহকাৰী পৰিদৰ্শক বিৰাজ দাস আৰু সমাজকৰ্মীত্ৰয় নিকুঞ্জ ৰাভা, পাৰেন্দ্ৰ চন্দ্ৰ ৰাভা আৰু ফনীন্দ্ৰ চন্দ্ৰ ৰাভা। সভাত সদ্য অৱসৰপ্ৰাপ্ত ৪৬৮ নম্বৰ বামুণদাংগা নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিপিন চন্দ্ৰ বৰ্মনক কেন্দ্ৰৰ তৰফৰ পৰা বিহুৱান, ধুতি-পাঞ্জাৱী, শৰাই-ভাগৱত-গীতা, ডায়েৰী কলম আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰি বিদায় সম্বৰ্ধনা জনোৱা হয়। লগতে উক্ত সভাতে ৬০ সংখ্যক শিক্ষক দিৱস উপলক্ষে ৰাজ্যিক ভিত্তিত ভাৰতীয় দলিত সাহিত্য একাডেমী, অসম ৰাজ্যিক সমিতিয়ে কৃতী শিক্ষক বঁটাৰে সন্মনিত কৰা বৰঝাৰ বামুণদাংগা প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিশ্বনাথ ৰাভা, তাৰা আৰু নলংগা পাহাৰ প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক তাৰক চন্দ্ৰ ৰাভাকো ফুলাম গামোচা, ডায়েৰী, কলম আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। সভাত সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক বিপিন চন্দ্ৰ বৰ্মনে সম্বৰ্ধনা গ্ৰহণ কৰি আৱেগিক হৈ পৰে আৰু অনাগত দিনতো ছাত্ৰ-ছাত্ৰী তথা সমাজৰ হকে দায়বদ্ধতাৰে কাম কৰি যোৱাৰ আশা প্ৰকাশ কৰে। সভাত শিক্ষ বিষয়া নজৰুল ইছলাম বক্তিয়াৰে এনে কৰ্মই ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু সমাজৰ মাজত সমন্বয়ৰ ভাব জগাই তুলিব বুলি আশা প্ৰকাশ কৰে।

## গোসাঁইগাঁৱত সাধাৰণ পৰ্যবেক্ষকৰ উপস্থিতিত বিভিন্ন কোষৰ মুৰব্বী বিষয়াবৰ্গৰে নিৰ্বাচনী সভা

অগ্ৰদূত বাৰ্তা
**গোসাঁইগাঁও, ১৫ অক্টোবৰ ঃ** উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নিৰ্বাচনত অৱতীৰ্ণ হোৱা দলসমূহৰ ব্যস্ততাৰ সমান্তৰালভাৱে ব্যস্ততা বাঢ়িছে প্ৰশাসনৰ। যোৱা ১২ অক্টোবৰত গোসাঁইগাঁও মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত আগন্তুক নিৰ্বাচনৰ শেহতীয়া প্ৰস্তুতি সম্পৰ্কে নিৰ্বাচনৰ স'তে জড়িত সকলো কোষৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। সাধাৰণ পৰ্যবেক্ষক ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া অৱনিশ কুমাৰৰ উপস্থিতিত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে গোসাঁইগাঁও জিলা নিৰ্বাচনী বিষয়া তথা মহকুমাধিপতি ৰাহুল কুমাৰ গুপ্তাই। আৰম্ভণিতে সভাত উপস্থিত থকা বিভিন্ন কোষৰ মুৰব্বীসকলৰ স'তে সাধাৰণ পৰ্যবেক্ষকজনৰ চা-চিনাকি পৰ্ব সম্পন্ন হয়। ইয়াৰ পাছতে বিভিন্ন কোষৰ দায়িত্বত থকা মুৰব্বীসকলে নিজ নিজ কোষৰ কামৰ খতিয়ানৰ শেহতীয়া অগ্ৰগতি দাঙি ধৰে। জিলা নিৰ্বাচনী বিষয়া ৰাহুল কুমাৰ গুপ্তাই নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিতং ব্যাখ্যা আগবঢ়োৱাৰ লগতে ক'ভিডৰ নীতি-নিৰ্দেশনা সম্পৰ্কত থকা বিষয়সমূহৰ খুঁটি-নাতি ব্যাখ্যা আগবঢ়ায়। সাধাৰণ পৰ্যবেক্ষক অৱনিশ কুমাৰে তেওঁৰ ভাষণত নিৰ্বাচনী সম্পৰ্কীয় অত্যাৱশ্যকীয় নীতি-নিৰ্দেশনাসমূহৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে।

## গোসাঁইগাঁৱত বিপিএফৰ নিৰ্বাচন পৰিচালনা সমিতিৰ কাৰ্যালয় উদ্বোধন

অগ্ৰদূত বাৰ্তা
**গোসাঁইগাঁও, ১৫ অক্টোবৰ ঃ** গোসাঁইগাঁও বিধানসভা সমষ্টিত আগন্তুক উপ-নিৰ্বাচন পৰিচালনাৰ্থে যোৱা ১২ অক্টোবৰত গোসাঁইগাঁও জিলা বিপিএফৰ নিৰ্বাচন পৰিচালনা সমিতিৰ কাৰ্যালয় উদ্বোধন কৰা হয়। জিলা বিপিএফৰ সভাপতি শোভাৰাম বসুমতাৰীয়ে নিৰ্বাচনী কাৰ্যালয়টো উদ্বোধন কৰি দলটোৰ নেতা-কৰ্মী তথা সমৰ্থকসকলক উদ্দেশি কয় যে আমাৰ দলৰ প্ৰাৰ্থী ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীৰ জয়লাভ নিশ্চিত বুলি ভাবি বহি থাকিলে নহ'ব। যুদ্ধত প্ৰতিপক্ষক সহজভাৱে ল'ব নালাগে। গতিকে দলৰ প্ৰতিজন নেতা-কৰ্মীক এই নিৰ্বাচনী যুঁজত জঁপিয়াই পৰিবলৈ তেওঁ আহ্বান জনায়। এই সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ ভিতৰত নাৰ্জাৰীয়েই ৰাজনৈতিক ক্ষেত্ৰখনত সবাতোকৈ পৰিপক্ক আৰু অভিজ্ঞ তথা সমষ্টি ৰাইজৰ লগত এক নিবিড় সম্পৰ্ক থকা বুলি সভাপতি বসুমতাৰীয়ে দাবী কৰে। তেওঁ সমষ্টিটোত প্ৰয়াত বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীৰ আধৰুৱা কামবিলাক সম্পূৰ্ণ কৰাৰ বাবে আৰু প্ৰয়াত বিধায়কজনৰ বিদেহ আত্মাৰ শান্তিৰ বাবে ৰাইজে আশীৰ্বাদ দিব বুলি কয়। অনুষ্ঠানত নিৰ্বাচন পৰিচালনা সমিতিৰ সভাপতি কিৰণ বসুমতাৰী, মুখ্য আহ্বায়ক মোকেন্দ্ৰ নাৰ্জাৰী, জিলা বিপিএফৰ সাধাৰণ সম্পাদক বিল্লা কুমাৰ ব্ৰহ্ম, জ্যেষ্ঠ নেতা দেবেন্দ্ৰ নাৰ্জাৰী, জিলা যুৱ গোটৰ সভাপতি নৰপতি ব্ৰহ্ম প্ৰমুখ্যে দলটোৰ বিভিন্ন গোটসমূহৰ নেতা-নেত্ৰীসকলৰ লগতে বহুসংখ্যক দলীয় কৰ্মী উপস্থিত থাকে।

## শংকৰদেৱ সংঘ সেৱা বাহিনীৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন

**সৰুপথাৰ, ১৫ অক্টোবৰ ঃ** ধনশিৰি মহকুমাৰ উৰিয়ামঘাট দুই নম্বৰ জয়পথাৰ কল্পতৰু প্ৰাথমিক শাখাৰ নামঘৰত যোৱা ১২ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ সেৱা বাহিনীৰ ধনশিৰি জিলা শাখাৰ ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰে। ৰূপালী জয়ন্তী বৰ্ষৰ দিনটোত ধনশিৰি জিলা শাখাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘ সেৱা বাহিনীয়ে পৰিৱেশ নিকাকৰণ, বৃক্ষৰোপণ আৰু পতাকা উত্তোলন কাৰ্যসূচী সম্পন্ন কৰে। পৰৱৰ্তী সময়ত সমূহীয়া নাম-প্ৰসংগ কৰাৰ লগতে সেৱা বাহিনীৰ হৈ এখন মুকলি সভাৰ আয়োজন কৰে। মুকলি সভাত গুৰুজনাৰ ধৰ্ম, সংস্কৃতি, সাহিত্য সকলো দিশতে যাতে যুৱক-যুৱতী তথা সেৱক-সেৱিকাসকলক অনুপ্ৰাণিত কৰি আগবঢ়াই নিব পাৰে লগতে গুৰুজনাই প্ৰতিষ্ঠা কৰি থৈ অসমীয়া জাতিটোৰ ভেটি সুদৃঢ় কৰাৰ লক্ষ্যৰে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰে।

## বৰভাগত কাইলৈ ৰাজহুৱা সম্বৰ্ধনা-অভিনন্দন গ্ৰন্থ উন্মোচনী সভা

অগ্ৰদূত বাৰ্তা
**বৰভাগ, ১৫ অক্টোবৰ ঃ** অহা ১৭ অক্টোবৰত বৰভাগৰ শ্ৰীশ্ৰী জয়পাল দেৱালয়, ডিংডিঙিত শিল্পী পেঞ্চন প্ৰাপক, বিশিষ্ট অভিনেতা, সমাজকৰ্মী পৰেশ চন্দ্ৰ শৰ্মাক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হ'ব। ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানৰ পুৱাৰ ভাগত বন্তি প্ৰজ্বলন, বাসগৃহৰ পৰা সভাস্থলীলৈ সাংস্কৃতিক শোভাযাত্ৰাৰে আদৰণি, ৰাজহুৱা সম্বৰ্ধনা আৰু অভিনন্দন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব। সম্বৰ্ধনা সভাত সভাপতিত্ব কৰিব পাটাছাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ বিৰেন্দ্ৰ ডেকাই। গ্ৰন্থ উন্মোচন কৰিব গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ পূৰ্ণ ভট্টাচাৰ্যই। ইয়াৰ পাছতেই মুকলি অধিৱেশন অনুষ্ঠিত হ'ব, মুকলি অধিৱেশনত ভাৰতীয় ষ্টেট বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া জিতেন শৰ্মাই মুখ্য অতিথি আৰু বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰজত চন্দ্ৰ কলিতাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

## গোৱালপাৰাত শিল-বালি-চোৰাং কাঠৰ ৰমৰমীয়া বেহা

**■ বন বিভাগৰ অভিযানত জব্দ পাঁচখনকৈ ট্ৰাক-ডাম্পাৰ**

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ১৫ অক্টোবৰ ঃ** গোৱালপাৰা জিলাত বনজ সম্পদৰ ৰমৰমীয়া ব্যৱসায় চলি থকা বুলি দীৰ্ঘদিনৰ পৰাই গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। এই সন্দৰ্ভত 'দৈনিক অগ্ৰদূত'ত সবিস্তাৰে কে'বাটাও বাতৰি প্ৰকাশ পাইছে। ইয়াৰে সত্যতা প্ৰমাণিত কৰি যোৱা ১২ অক্টোবৰত পুৱাৰ ভাগত গোৱালপাৰাৰ ডি এফ অ'ই অভিযান চলাই নলংগা পানীখাহতীৰ পৰা এ এছ-১৮ চি-২৩৯২ নম্বৰৰ চোৰাং কাঠভৰ্তি পিকআপ ভান এখন জব্দ কৰাৰ পাছত বৰভিটাত তিনিখনকৈ ক্ৰমে এ এছ-০১ এম চি-৫২৭১, এ এছ-২৬ চি-৫৫৭০ আৰু এ এছ-০১ এম চি-৩০২১ নম্বৰৰ চালানতকৈ অধিক শিল কঢ়িওৱা ডাম্পাৰ জব্দ কৰে। খন্তেক পাছতে আন এখন এ এছ-১৯-৫৬৫৩ নম্বৰৰ বালিৰ ট্ৰাক জব্দ কৰে। অৱশ্যে বালি কঢ়িওৱা ট্ৰাকখনৰ চালান ঠিক থকাত পাছত এৰি দিয়ে। ইপিনে, ১১ অক্টোবৰৰ নিশা খাৰবুজাৰ পৰা বি আৰ-১১ জি বি-৫৫৯১ আৰু বি আৰ-১১ জিবি-৯৫৯১ নম্বৰৰ দুখনকৈ শিল ভৰ্তি ডাম্পাৰ জব্দ কৰে যদিও ৰহস্যজনকভাৱে নিশাৰ ভাগতে এৰি দিয়া বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে বিভাগীয় শীৰ্ষ বিষয়াৰ স'তে থকা গোপন বুজাবুজিৰ বাবেই একাংশই শিল ভৰ্তি ডাম্পাৰ ৰাস্তাৰ পৰাই এৰি দিয়াটো এক পৰম্পৰাত পৰিণত হৈছে।

■ বনৰীয়া হাতীয়ে আক্ৰমণ কৰা কিশোৰক বন বিষয়াই কৰিলে ৰক্তদান ■ আহত বনপালক

# বনৰীয়া হাতীৰ সন্ত্ৰাসত ত্ৰস্তমান ৰাইজ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৫ অক্টোবৰ ঃ** মৰিয়নিৰ হোলোঙাপাৰ গিবন অভয়াৰণ্যৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ জাকে বিভিন্ন অঞ্চলত উপদ্ৰৱ অব্যাহত ৰাখিছে। বিগত কে'বাদিনো ধৰি হাতীৰ জাকটোৱে খৰিকটীয়া, চৈকটা, শিলিখা, ৰঙাজান আদিৰ লগতে তিতাবৰৰ বিভিন্ন অঞ্চলত উপদ্ৰৱ চলোৱাৰ ফলত সন্ত্ৰস্ত হৈ পৰিছে ৰাইজ। যোৱা ১৩ অক্টোবৰৰ নিশা বন বিভাগৰ লোকে বহু প্ৰচেষ্টাৰ অন্তত প্ৰায় ২৫টাৰো অধিক হাতী অভয়াৰণ্যলৈ ওভতাই আনিবলৈ সক্ষম হয় যদিও তাৰে তিনিটা ৰৈ যায়। এই তিনিটা হাতীয়ে বৰ্তমান বিভিন্ন ঠাইত ব্যাপক উপদ্ৰৱৰ সৃষ্টি কৰিছে। বন বিভাগৰ লোকৰ মতে, এই তিনিটা হাতীয়ে মানুহক আক্ৰমণৰ চেষ্টা কৰে। সেই নিশাই চৈকটা চাহ বাগিচাৰ তিনি নম্বৰ লাইনৰ জয়দেৱ কৰ্মকাৰ নামৰ প্ৰায় ১৬-১৭ বছৰীয়া এজন কিশোৰক তিনিটা হাতীৰ ভিতৰত কোনোবা এটাই আক্ৰমণ কৰি আহত কৰে। হাতীৰ আক্ৰমণত গুৰুতৰভাৱে আহত জয়দেৱক বন বিভাগৰ লোকে ততাতৈয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ লৈ যায়। কিন্তু চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকে কিশোৰজনক জৰুৰীকালীনভাৱে পাঁচ ইউনিট তেজৰ প্ৰয়োজনৰ কথা উল্লেখ কৰাত জীৱন ৰক্ষাৰ বাবে যোৰহাট বন সংমণ্ডলৰ সাংমণ্ডলিক বন বিষয়া নন্দ কুমাৰ, জ্যেষ্ঠ বন বিষয়া গয়া গগৈ, বন বিষয়া অঞ্জন বৰুৱাই নিশাই নিজেই ৰক্তদান কৰে। তাৰ পাছতো কে'বাগৰাকীও বন বিভাগৰ লোকে কিশোৰজনৰ বাবে ৰক্তদান কৰিছে। স্বাভাৱিকতে বন বিষয়া আৰু বন বিভাগৰ লোকৰ এনে বদান্যতাক সচেতন ৰাইজে শলাগ লৈছে। বৰ্তমানেও চিকিৎসা মহাবিদ্যালয় আই চি ইউত চিকিৎসাধীন হৈ আছে কিশোৰজন। ইফালে, সেই নিশা হাতী খেদিবলৈ গৈ বনপালক-১ ধৰ্মেশ্বৰ নেওগ গুৰুতৰভাৱে আহত হয়। নিশা হাতীৰ খেদাত দৌৰি যাওতে এটা গাতত সোমাই গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হ'বলগীয়া হয় বনপালকজন। হাতী-মানুহৰ বৰ্ধিত সংঘাতৰ পৰিপ্ৰেক্ষিতত ৰাইজ আৰু বন বিভাগৰ লোকৰ মাজত দিনে দিনে একপ্ৰকাৰ সহযোগিতাৰ অভাৱ হৈ অহাৰ সময়তে বনৰীয়া হাতীৰ আক্ৰমণত আহত কিশোৰৰ জীৱন ৰক্ষাৰ বাবে একাধিক বন বিষয়াই ৰক্তদান কৰাটোৱে স্বাভাৱিকতে বন বিভাগ আৰু ৰাইজক অধিক ওচৰ চপাই আনিব।



*ডংকামোকাপত বন্যহস্তীয়ে বিধ্বস্ত কৰা গৃহ, শুকুৰবাৰে।*

# হিৰণ্ময় বৰুৱাক নাজিৰা কবি সন্মিলনৰ শ্ৰেষ্ঠ যুৱ কবি -২০২১ প্ৰদান

অগ্ৰদূত বাৰ্তা

**নামতি, ১৫ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ নামতিৰ খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত অনুষ্ঠিত নাজিৰা কবি সন্মিলনৰ প্ৰথম পূৰ্ণাংগ অধিবেশনৰ মুকলি সভাত নামতিৰ এগৰাকী প্ৰতিভাৱান যুৱ কবি হিৰণ্ময় বৰুৱাক নাজিৰা কবি সন্মিলনে 'শ্ৰেষ্ঠ যুৱ কবি বঁটা ২০২১' প্ৰদান কৰে। নামতি মেজেংগা অঞ্চলৰ নতুন প্ৰজন্মৰ প্ৰতিভাৱান কবি হিৰণ্ময় বৰুৱাক নাজিৰা কবি সন্মিলনে শ্ৰেষ্ঠ যুৱ কবি সন্মানেৰে বিভূষিত কৰাৰ বাবে স্থানীয় ৰাইজে অভিনন্দন জ্ঞাপন কৰিছে। চিলড্ৰেন হাউছ স্কুলৰ পৰা ঐচ্ছিক অসমীয়া বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰেৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা হিৰণ্ময় বৰুৱাই সৰুৰে পৰা সাহিত্য চৰ্চাত মনোনিবেশ কৰি আহিছে। শৈশৱ কালৰ পৰাই বৰ্তমানলৈকে বিভিন্ন কাকত-আলোচনীত লেখা প্ৰকাশ কৰি অহা হিৰণ্ময় বৰুৱা বৰ্তমান ভাৰতীয় ষ্টেট বেংকৰ চেপাঙনী শাখাত কৰ্মৰত। তেওঁৰ কবিতা পুথিঃ অনুভৱৰ স্বৰলিপি, Login @ হৃদয় com এ ৰাইজৰ যথেষ্ট সমাদৰ লাভ কৰিছে। বিভিন্ন সাহিত্যৰ প্ৰতিযোগিতাসমূহত তেওঁ বহু পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। ২০১৭ৰ শিৱসাগৰ গ্ৰন্থমেলাত শ্ৰেষ্ঠ কবি বঁটা লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে তেওঁ সাহিত্য চৰ্চাৰ উপৰি গান আৰু কুইজৰ শিতানৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত। বৰ্তমান ভাষা সাহিত্যৰ সংকটকালত নৱপ্ৰজন্মক উৎসাহিত কৰিবলৈ নাজিৰা কবি সন্মিলনে লোৱা পদক্ষেপ আদৰণীয়। উক্ত বঁটা প্ৰদান অনুষ্ঠানত সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতিদ্বয় প্ৰেম গগৈ, জুলিয়ানা বেগম, সদৌ অসম কবি সন্মিলনৰ সম্পাদক উজ্জ্বল পাওগাম, শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি ত্ৰিদীপ কুমাৰ বৰগোহাঞি, সম্পাদক প্ৰশান্ত কুমাৰ নাথ, নাজিৰা কবি সন্মিলনৰ সভাপতি তৰুণ চন্দ্ৰ নাথ, সম্পাদক সুৰেশ ভূঞা, উপ-সভাপতি আয়েশা খাতুন, নাজিৰা প্ৰেছ ক্লাবৰ সভাপতি বুলু চেতিয়া, সম্পাদক অনুজ ৰাজখোৱা, জ্ঞানজ্যোতি বিদ্যাপীঠৰ সঞ্চালিকা দেৱযানী দীক্ষিতা গগৈকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে বিগত বৰ্ষত শ্ৰেষ্ঠ যুৱ কবিৰ বঁটা প্ৰদান কৰা হৈছিল সত্যজিৎ নাথক।

# উপ-নিৰ্বাচনত মিত্ৰজোঁটৰ সন্মুখত কোনো প্ৰত্যাহ্বান নাই ঃ ৰণগৌৰা

■ ভৱানীপুৰত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত ইউপিপিএলৰ শক্তি প্ৰদৰ্শন

বিশেষ সংবাদদাতা

**পাঠশালা, ১৫ অক্টোবৰ ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ সমৰ্থনত ইউপিপিএলে যোৱা ১২ অক্টোবৰত শালবাৰীত শক্তি প্ৰদৰ্শন কৰে। উল্লেখ্য যে ভৱানীপুৰ সমষ্টিৰ শালবাৰী মহকুমা সদৰৰ বাকৰিত ইউপিপিএলৰ উদ্যোগত অনুষ্ঠিত এখন বিশাল জনসভাত মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰক ইউপিপিএলৰ বিভিন্ন কোষৰ অৰ্ধশতাধিক সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ সভাপতি বিকণ গয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত জনসভাত ইউপিপিএলৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ৰৌণগৌৰা নাৰ্জাৰীয়ে কয় যে অসমত হ'বলগীয়া পাঁচটা বিধানসভা সমষ্টিৰ উপনিৰ্বাচনত মিত্ৰজোঁটৰ সন্মুখত কোনো প্ৰত্যাহ্বান নাই। পাঁচটা বিধানসভা সমষ্টিতেই মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ গৌৰৱময় বিজয় নিশ্চিত। ভৱানীপুৰ বিধানসভা সমষ্টিত ফণীধৰ তালুকদাৰৰ বিপুল ভোটৰ ব্যৱধানত বিজয়ী হ'ব। কাৰণ ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে আৰু প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচি চৰকাৰে ৰাইজৰ উন্নয়নৰ বাবে গধুৰ দায়িত্ব বহন কৰিছে। যাৰ বাবে পাঁচটা বিধানসভা সমষ্টিৰ উপনিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীক বিপুল ভোটৰ ব্যৱধানত বিজয়ী কৰাৰ বাবে ৰাইজ সাজু হৈছে। তেনেদৰে সুদীৰ্ঘ দিন ধৰি অনুন্নত হৈ থকা ভৱানীপুৰ বিধানসভা সমষ্টিৰ দৰে এটা সন্মানীয় সমষ্টিৰ উন্নয়নৰ দায়িত্ব দিয়াৰ উদ্দেশ্যে ফণীধৰ তালুকদাৰক এআইইউডিএফ আৰু বিধায়ক পদ ত্যাগ কৰাই মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে উপনিৰ্বাচনত জয়ী কৰাবলৈ বিচাৰিছে মিত্ৰজোঁটে। ফণীধৰ তালুকদাৰৰ বিজয়ৰ পাছতেই ভৱানীপুৰ বিধানসভা সমষ্টিৰ ব্যাপক উন্নয়নৰ ধাৰা আৰম্ভ হ'ব। নাৰ্জাৰীয়ে অসমত মিত্ৰজোঁট শক্তিশালী হৈ থাকিলেহে অসমখন আৰু অসমৰ সৰ্বস্তৰৰ ৰাইজ শক্তিশালী হৈ থাকিব বুলিও কয়। ইউপিপিএলৰ যুৱ কোষৰ শালবাৰী জিলা সমিতিৰ সভাপতি সত্যজিৎ বড়োৱে আঁত ধৰা জনসভাত আদৰণি ভাষণ দি শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে কয় যে ইউপিপিএলৰ পৰা ৩০ হেজাৰ ভোটদান কৰাৰ লগতে সৰ্বস্তৰৰ ৰাইজৰ ভোট লাভ কৰি মুঠ ৭৫ হেজাৰৰো অধিক ভোট লাভ কৰি ভৱানীপুৰ বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ বিপুল ভোটৰ ব্যৱধানত বিজয়ী নিশ্চিত বুলি দাবী কৰে। সভাত বিজেপিৰ অসম ৰাজ্যিক সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ৰাতুল শৰ্মা, ইউপিপিএলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক সুৰেশ সৰকাৰ, শালবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰদীপ সৰকাৰ, মহিলা কোষৰ কেন্দ্ৰীয় সভানেত্ৰী বীণা গয়াৰী, অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মৃণাল কলিতা, মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰে ভৱানীপুৰ বিধানসভা সমষ্টিত মিত্ৰজোটৰ গৌৰৱময় বিজয়ৰ দাবী কৰে।

# মৰাণত কাইলৈ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৫ অক্টোবৰ ঃ** উত্তৰ-পূৰৰ ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয়, সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘ চৰাইদেউ জিলা শাখা মৰাণ আঞ্চলিকৰ উদ্যোগত অহা ১৭ অক্টোবৰত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ আয়োজন কৰা হৈছে। মৰাণ আঞ্চলিক শাখাৰ সম্পাদক দ্বিজেন নাথ দত্তই এক বাৰ্তা যোগে জানিবলৈ দিয়া মতে মহোৎসৱৰ প্ৰস্তুতিৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাৰ্যসূচী অনুসৰি, পুৱা পৰিৱেশ নিকাকৰণৰ পাছতে ৰোপণ কৰিব মিলন গাঁও পঞ্চায়তৰ সভাপতি নৱ বৰুৱাই। পতাকা উত্তোলন কৰিব মৰাণ আঞ্চলিক শাখাৰ সভাপতি নগেন ৰাজখোৱাই। পাছত ভাগৱত ভ্ৰমণ তথা সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে যুৱ আৰু আই মাতৃসকলৰ মাজত 'নামঘোষা' পাঠৰ প্ৰতিযোগিতা। মুকলি সভা তথা আলোচনা চক্ৰ অনুষ্ঠান উদ্বোধন কৰিব মৰাণ আঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি শোভন চাংমায়ে। 'গুৰু জনাৰ একশৰণ তত্ত্ব' শীৰ্ষক বিষয়টোৰ ওপত আলোচকৰূপে ভাগ ল'ব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চৰাইদেউ জিলাৰ শৰণ সদস্য দ্যুতিৰাম চেতিয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক মানস প্ৰতিম খনিকৰে। বিশিষ্ট অতিথিৰূপে ভাগ ল'ব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চৰাইদেউ জিলাৰ সভাপতি দুৰ্লভ বৰা, সম্পাদক নিত্যা ভাগৱতী, প্ৰাক্তন সভাপতি খগেন শইকীয়া, সংঘৰ প্ৰাক্তন মূলৰ সদস্য লোকনাথ বুঢ়াগোহাঁই, প্ৰবীণ কোঁৱৰ, মৰাণ আঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি ঘনশ্যাম বৰুৱা, কমল বৰুৱা আৰু মৰাণ মহকুমা সাংবাদিক মঞ্চৰ কাৰ্যকৰী সভাপতি তথা সাংবাদিক বাছা বৰাই। সম্পাদক দ্বিজেন্দ্ৰ নাথ দত্তই। আবিৰ্ভাৱ মহোৎসৱসমূহ কাৰ্যসূচীত মৰাণবাসী ৰাইজৰ উপস্থিতি তথা সহযোগিতা কামনা কৰিছে।

# 'তেনাৰ শব্দ ঃ তৰুণ মনন' কাব্য সংকলন উন্মোচন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৫ অক্টোবৰ ঃ** বাপুজী ভৱন নাট্য সমাজৰ সভাপতি তথা জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জনাৰ্দন ভূঞাৰ সভাপতিত্বত যোৱা ১২ অক্টোবৰত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এসময়ৰ অভিনেতা-কবি, অৱসৰপ্ৰাপ্ত বিদ্যালয় উপ-পৰিদৰ্শক তৰুণ ফুকনৰ ৮৮ সংখ্যক ওপজা দিন উপলক্ষে তেওঁৰ কল্যাণপুৰস্থিত বাসভৱন প্ৰাংগণত আয়োজিত সভাত বিভিন্নজনে শুভেচ্ছা জনায়। সভাত কবি-লেখক দিলীপ কুমাৰ ভট্টাচাৰ্যই অংশগ্ৰহণ কৰি গ্ৰন্থ প্ৰকাশৰ সমস্যা-সুবিধাৰ পৰা অসমীয়া ভাষা-সংস্কৃতিৰ সন্মুখত দেখা দিয়া শেহতীয়া প্ৰত্যাহ্বান সম্পৰ্কে ভাষণ প্ৰদান কৰে। সভাত কবি তৰুণ ফুকনৰ 'চেতনাৰ শব্দ ঃ তৰুণ মনন' শীৰ্ষক কাব্য সংকলনখন উন্মোচন কৰে শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰ প্ৰসাদ শইকীয়াই। উন্মোচনী ভাষণত তেওঁ কাব্য সংকলনখনত থকা তাৰুণ্যৰ ছবিয়ে নতুন প্ৰজন্মক প্ৰেৰণা যোগাব বুলি আশা প্ৰকাশ কৰে। পাভৈ হাইস্কুলৰ প্ৰধান শিক্ষক ৰিদুল দাসে আঁত ধৰা সভাখনত বিমলপ্ৰভা বৰায়ো বক্তব্য দাঙি ধৰে। সভাত অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী ৰেণু চহৰীয়া শইকীয়া, অভিনেতা সদানন্দ ফুকন, অধিবক্তা পদ্ম বৰা, লেখক ঈশ্বৰ মহন্ত প্ৰমুখ্যে বহু ব্যক্তি উপস্থিত থাকে।

# লক্ষীপ্ৰভা কলিতাৰ কণ্ঠত চিৰসেউজ ছটা কবিতাৰ আবৃত্তিৰ ভিডিঅ' মুকলি

**নগাঁও, ১৫ অক্টোবৰ ঃ** নগাঁও চহৰৰ ৰত্নকান্ত বৰকাকতী হাইস্কুলত যোৱা ১০ অক্টোবৰত বিশিষ্টা আবৃত্তিকাৰ তথা চিত্ৰশিল্পী লক্ষীপ্ৰভা কলিতাৰ দ্বাৰা অসমৰ স্বনামধন্য ছজন কবিৰ ছয়টি চিৰসেউজ কবিতাৰ আবৃত্তি আৰু কবিতাকেইটাক লৈ প্ৰস্তুত কৰা এটি ভিডিঅ' শুভমুক্তি দিয়া হয়। যশস্বী কবি দেৱকান্ত বৰুৱাৰ 'মোৰ দেশ মানুহৰ দেশ', নিৰ্মলপ্ৰভা বৰদলৈৰ 'মোৰ উক্তি', বিৰিঞ্চি কুমাৰ ভট্টাচাৰ্যৰ 'স্বাধীনতা', তোষপ্ৰভা কলিতাৰ 'দ্ৰৌপদী', কবিন ফুকনৰ 'জতুগৃহত এৰাতি' আৰু ড° নন্দ সিং বৰক'লাৰ 'সমাজৰ ৰাধিকা কোন দিশে আহিব' শীৰ্ষত কবিতা কেইটাক লৈ প্ৰস্তুত কৰা ভিডিঅ'ৰ শুভমুক্তি অনুষ্ঠানৰ আৰম্ভণিতে জ্যেষ্ঠ সাংবাদিক তথা নগাঁও প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি কনক হাজৰিকাই বন্তি প্ৰজ্বলন কৰে। যুৱ লেখক-সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে সামগ্ৰিকভাৱে আঁত ধৰা অনুষ্ঠানত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা, বিশিষ্ট সাহিত্যিক ডাঃ সৰ্বেশ্বৰ বৰা, অসমৰ জনপ্ৰিয় শিল্পী কৃষ্ণমণি নাথ, সমাজকৰ্মী জয়ন্ত কুমাৰ বৰা, চিকিৎসক-লেখক ডাঃ ভুৱন শৰ্মা, বিশিষ্ট অভিনেতা প্ৰদীপ বৰা, বিশিষ্ট কবি-আবৃত্তিকাৰ নিৰ্মালী কলিতা, প্ৰশান্ত শৰ্মা, ৰিণ্টু শৰ্মাকে ধৰি বহুকেইজন কবি-সাহিত্যিক-কাব্যানুৰাগী ব্যক্তি উপস্থিত থাকে। ভিডিঅ'কেইটাৰ প্ৰদৰ্শনী মুকলি কৰে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা আৰু জনপ্ৰিয় শিল্পী কৃষ্ণমণি নাথে। ইউ টিউবত 'মোৰ উক্তি' কবিতাটো ম'বাইলৰ বুটাম টিপি শুভমুক্তি দিয়ে বিশিষ্ট চিকিৎসক-লেখক ডাঃ সৰ্বেশ্বৰ বৰাই। কবিতাৰ ভিডিঅ' নিৰ্মাণ কৰোতে সহায়ৰ হাত আগবঢ়োৱা মনোজ বৰদলৈ, জয়ন্ত কুমাৰ বৰা, অনন্ত বৰাক একোখন গামোচাৰে আবৃত্তিকাৰ লক্ষীপ্ৰভা শইকীয়া আৰু প্ৰযোজক পৱিত্ৰ কলিতাই কৃতজ্ঞতা জ্ঞাপন কৰা অনুষ্ঠানৰ আৰম্ভণিতে সদ্য প্ৰয়াত বিশিষ্ট কবি-সাহিত্যিক তোষপ্ৰভা কলিতাৰ আত্মাৰ চিৰশান্তি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। সুন্দৰ আবৃত্তি আৰু উপস্থাপনেৰে প্ৰস্তুত কৰি প্ৰকাশ কৰা ভিডিঅ'টোৰ শিল্পী লক্ষীপ্ৰভা কলিতাই এই সন্দৰ্ভত বহুদিনীয়া সপোন এটা সম্পূৰ্ণ হোৱা বুলি মত ব্যক্ত কৰে। আনহাতে ভিডিঅ'টোৰ পৰিচালক দিব্যজ্যোতি শইকীয়াৰ পৰিচালনাৰো প্ৰশংসা কৰে সকলোৱে। কোনো ধৰণৰ আৰ্থিক লাভালাভ নহ'ব বুলি জানিও এই ভিডিঅ'টো নিৰ্মাণৰ ক্ষেত্ৰত প্ৰযোজনা কৰা প্ৰযোজক পৱিত্ৰ কলিতালৈ উপস্থিত লোকসকলে ধন্যবাদসূচক মন্তব্য আগবঢ়ায়।

# বিশ্বনাথত অভিনেতা জ্যোতি ভূঞাৰ 'বন্ধুৰ আড্ডা' উন্মোচন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৫ অক্টোবৰ ঃ** বিশ্বনাথ চাৰিআলিৰ অন্যতম নাট্য গোষ্ঠী তুৰংগমৰ উদ্যোগত যোৱা ১২ অক্টোবৰত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ যোগেন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত জনপ্ৰিয় অভিনেতা জ্যোতি ভূঞাৰ 'বন্ধুৰ আড্ডা' নামৰ গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন ওজাই। সভাত ছয়দুৱাৰ মহাবিদ্যালয়ৰ সহ অধ্যাপক দিগন্ত গোহাঁয়ে অংশগ্ৰহণ কৰে। সভাত জনপ্ৰিয় শিল্পী ৰানা কুমাৰ দাস আৰু নম্ৰতা ওজাই পৰিৱেশন কৰা এটা গীতে ৰাইজক আপ্লুত কৰে। অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ তৰুণ শইকীয়া, অসম সাহিত্য সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক হিৰণ্য হাজৰিকা, বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ সভাপতি কমল চন্দ্ৰ ভূঞা, প্ৰাক্তন সম্পাদক হীৰেন বৰা, জ্যেষ্ঠ নাগৰিক সন্থাৰ সম্পাদক বিজয় গোস্বামী, ডাঃ অমল শইকীয়া, পেঞ্চনাৰ সন্থাৰ দুৰ্গেশ্বৰ শইকীয়া, মোলান বৰা, ঋভষ হাজৰিকা, বিশ্বনাথ চাৰিআলি নাগৰিক সন্থাৰ সম্পাদক বিদ্যুৎ শৰ্মা, ড° ভূপেন হাজৰিকা, জ্যেষ্ঠ সাংবাদিক নিৰঞ্জন হাজৰিকা, বিশিষ্ট নাট্যকাৰ পংকজজ্যোতি ভূঞা, বিশিষ্ট অভিনেতা কৃষ্ণ ভূঞা, দেৱানন্দ হাজৰিকা, বেহাৰবাৰী আৰু আউট পোষ্টৰ পৰিচালক মনোজ শইকীয়া, দ্বিজেন শইকীয়া, মুকুল শইকীয়া, আদিয়ে অংশগ্ৰহণ কৰে।

# শ্ৰীমন্ত শংকৰদেৱৰ আৱিভাৱত মহোৎসৱ পালন



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৫ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ অন্তৰ্গত ৪৬৪ খন প্ৰাথমিক শাখাই আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰু জনাৰ ৫৭৩ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উলহ-মালহেৰে উদ্‌যাপন কৰে। পুৱা প্ৰাত প্ৰসংগ আৰু পৰিৱেশৰ নিকাকৰণ কৰা হয়। প্ৰাথমিক শাখাৰ সভাপতিসকলে ধৰ্ম ধ্বজ্জা উত্তোলন কৰাৰ সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই গুৰু জনাৰ সাহিত্য, সংস্কৃতিৰ সম্পৰ্ক আলোচনা কৰা আৰু গীত, নৃত্য পৰিৱেশন কৰে।

# বালিজুৰিৰ পাঁচমুখ মিলনপুৰত আছাৰ কৰম উৎসৱ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৫ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ বালিজুৰিৰ পাঁচমুখৰ মিলনপুৰত যোৱা ১১ অক্টোবৰত অনুষ্ঠিত হয় কৰম উৎসৱ। আদিবাসী ৰাইজৰ কৃষি ভিত্তিক কৰম উৎসৱত অঞ্চলটোৰ ভালেকেইটা ঝুমুৰ দলে অংশগ্ৰহণ কৰে। আদিবাসীসকলৰ পৰম্পৰাগত এই কৰম উৎসৱত অঞ্চলটোৰ সকলো শ্ৰেণীৰ ৰাইজে সহযোগিতা আগবঢ়ায়। আদিবাসী ৰাইজৰ এই কৃষি ভিত্তিক কৰম উৎসৱৰ জৰিয়তে অঞ্চলটোৰ সকলো শ্ৰেণী ৰাইজৰ মাজত সমন্বয়ৰ ভেটি অধিক কটকটীয়া হোৱা বুলি মন্তব্য কৰে উদ্যোক্তসকলে। উত্তৰ নদুৱাৰ আছাৰ উদ্যোগত আৰু মিলনপুৰ ৰাইজৰ সহযোগত অনুষ্ঠিত এই কৰম উৎসৱত আছাৰ শোণিতপুৰ জিলা সমতিৰ প্ৰচাৰ সম্পাদক কৃষ্ণ নায়কৰ লগতে উত্তৰ নদুৱাৰ আঞ্চলিক সমিতিৰ সভাপতি চালিম তপ্প আৰু সম্পাদক আৰনেচ কাণ্ডাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে।

# পাঁচটা সমষ্টিৰ কোনো এটাতো তৃণমূল কংগ্ৰেছে প্ৰাৰ্থী দিয়া নাই

ঢালিগাঁও বৰতালোৱাত সৰৱ তৃণমূল কংগ্ৰেছ

অগ্ৰদূত বাৰ্তা


**কাজলগাঁও, ১৫ অক্টোবৰ ঃ** উপনিৰ্বাচনত হৈ থকা অসমৰ পাঁচটা সমষ্টিৰ কোনো এটাতে তৃণমূল কংগ্ৰেছে প্ৰাৰ্থী দিয়া নাই আৰু কাকো সমৰ্থনো দিয়া নাই বুলি সংবাদমেলত প্ৰকাশ। যোৱা ১২ অক্টোবৰত চিৰাং জিলাৰ ঢালিগাঁও বৰতালোৱাত তৃণমূল কংগ্ৰেছৰ অসম ৰাজ্যিক সংখ্যালঘু মৰ্চাৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী নাজমিনা বেগমে সংবাদমেলৰ জৰিয়তে কয় যে অহা ৩০ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ উপনিৰ্বাচনত কিছুমান নিৰ্দলীয় প্ৰাৰ্থীয়ে তৃণমূল কংগ্ৰেছৰ নাম লৈ প্ৰচাৰ চলাই আছে। কিন্তু টিএমচিৰ অসম ৰাজ্যিক সমিতিয়ে কোনো নিৰ্দলীয় প্ৰাৰ্থীক সমৰ্থন কৰা নাই। তদুপৰি অসমৰ উপনিৰ্বাচনত টিএমচিৰ নম লৈ প্ৰচাৰ নচলাবলৈ আহ্বান জনায়। ৰাজনৈতিক দলটোৱে অসমৰ উপনিৰ্বাচনত কোনো প্ৰাৰ্থী দিয়া নাই বুলি বাৰে বাৰে কয় সভানেত্ৰীগৰাকীয়ে। তেওঁ লগতে জনায় অসমত এতিয়ালৈ ৰাজ্যিক সমিতি, জিলা সমিতি বা ব্লক কোনো সমিতিয়ে গঠন হোৱা নাই। পূজাৰ পাছতহে গঠন হয়। গোসাঁইগাঁও বিধানসভা সমষ্টিৰ উপনিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা নিৰ্দলীয় প্ৰাৰ্থীসকলে মিছাতে তৃণমূলৰ সমৰ্থন থকাৰ কথা কৈ প্ৰচাৰ চলোৱাৰ অভিযোগ কৰে নেত্ৰীগৰাকীয়ে। একেদৰে অসম ৰাজ্যিক তৃণমূল কংগ্ৰেছৰ কৰ্ণধাৰ মজনু ইছলাম মিঞাই পশ্চিমবংগৰ পৰাই এক ভিডিঅ' বাৰ্তাতো একে ধৰণৰ কথা প্ৰকাশ কৰি তৃণমূলৰ সমৰ্থকসকলক এই ক্ষেত্ৰত সজাগ হোৱাৰ আহ্বান জনোৱাৰ লগতে বিবেক ভোটৰ আহ্বান জনায়।

# নগাঁৱত পেট্ৰ'লজাত সামগ্ৰীৰ মূল্য বৃদ্ধিৰ বিৰোধিতাৰে এন এছ ইউ আই-যুৱ কংগ্ৰেছৰ প্ৰতিবাদ

বিশেষ সংবাদদাতা

**নগাঁও , ১৫ অক্টোবৰ ঃ** পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত যোৱা ১২ অক্টোবৰত নগাঁও মহাবিদ্যালয়ৰ সমীপৰ পেট্ৰ'ল পাম্পৰ সন্মুখত নগাঁও এন এছ ইউ আই আৰু যুৱ কংগ্ৰেছৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। প্ৰতিবাদকাৰীসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মুখা পিন্ধি হাতত ক্ৰিকেট বেট লৈ পেট্ৰ'লৰ মূল্য প্ৰতি লিটাৰৰ এশ টকা স্পৰ্শ কৰা কাৰ্যৰ প্ৰতিবাদ কাৰ। প্ৰতিবাদকাৰী সকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেৱল মিছা কথাৰে দেশৰ জনসাধাৰণক প্ৰলোভন দি আহিছে বুলিও অভিযোগ কৰে। তেওঁলোকে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে ভেকচিন লোৱাৰ বাবে পেট্ৰ'লৰ দাম বাঢ়িছে বুলি কৰা মন্তব্যৰো সমালোচনা কৰে। যুৱ কংগ্ৰেছৰ নেতা মৃণাল হাজৰিকাই বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই চাইকেল চলাবলৈ আৰু খোজ কাঢ়িবলৈ দিয়া পৰামৰ্শৰ আঁত ধৰি উপ-নিৰ্বাচনত বিজেপিক কেৱল চাইকেল ৰেলী আৰু খোজকাঢ়ি সমদল উলিয়াবলৈ প্ৰত্যাহ্বান জনায়। ভৱেশ কলিতাই মটৰ চাইকেলত তিনিজন বহি যাবলৈ দিয়া পৰামৰ্শক সমালোচনা কৰি যুৱ কংগ্ৰেছৰ নেতাজনে আৰক্ষীয়ে তেতিয়া জৰিমনা বিহিলে নহ'ব বুলিও মন্তব্য কৰে।

# বৰভেটা মাজগাঁৱত উলহ-মালহেৰে শংকৰ জন্মোৎসৱ উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১৫ অক্টোবৰ ঃ** নগৰৰ উপকণ্ঠ বৰভেটা মাজগাঁওবাসী ৰাইজৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মোৎসৱ ভাগি মহা উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে নামঘৰৰ প্ৰাংগণৰ পৰা পুৱা অঞ্চলবাসী ৰাইজৰ উপস্থিতিত এক ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছত সমূহীয়া নামকীৰ্তন। ভাতিবেলা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মুকলি কুইজ প্ৰতিযোগিতা, সত্ৰীয়া নৃত্য প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। নিশালৈ স্থানীয় ৰাইজৰ দ্বাৰা সাংস্কৃতিক-অনুষ্ঠান পৰিৱেশনেৰে কাৰ্যসূচীৰ অন্ত পৰিব।

■ উৎকট গৰমৰ মাজেৰে পাৰ হ'ল শাৰদীয় দুৰ্গোৎসৱ বান্দৰদেৱাত

# মৰাণত আৰম্ভ ৫৭৩ সংখ্যক শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ

অগ্ৰদূত বাৰ্তা

**বান্দৰদেৱা, ১৫ অক্টোবৰ ঃ** সমগ্ৰ ৰাজ্যই ক'ভিড-১৯ আতংক কিছু পৰিমাণে উপশম হোৱাৰ বাবে স্বাস্থ্য বিভাগ আৰু চৰকাৰে শাৰদীয় দুৰ্গা পূজা উদ্‌যাপনৰ বাবে দিয়া ক'ভিড বিধি মানি শাৰদীয় দুৰ্গা পূজা পালন কৰে। সমগ্ৰ ৰাজ্যৰ লগতে লখিমপুৰ জিলাৰ বিবিন্ন ঠাইৰ লগতে অসম-অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱা হাৰমতী পথালিপাহাৰ ভোগপুৰ বৰবালি অঞ্চলত শাৰদীয় দুৰ্গা পূজা উদ্‌যাপন কৰে। বিগত বছৰৰ তুলনাত এইবাৰ পূজাত ৰাইজৰ উছাহ বিশেষভাৱে পৰিলক্ষিত হোৱা দেখা পোৱা নগ'ল। ইয়াৰ প্ৰধান কাৰণ ক'ভিড মহামাৰীয়ে জনসাধাৰণক জুৰুলা কৰাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ মূল্যবৃদ্ধিয়ে ৰাইজক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। ইয়াৰ উপৰি যোৱা দুই তিনিমাহৰ পৰা হৈ থকা উৎকট গৰমে পূজাৰ উছাহ বহুখিনি ম্লান পেলায়। ইপিনে, পথালিপাহাৰত আজিৰে পৰা আৰম্ভ হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্ম জয়ন্তী উৎসৱ। লখিমপুৰ জিলাৰ সীমান্তৱৰ্তী পথালিপাহাৰৰ সমীপৱৰ্তী ন-পমুৱা গাঁৱৰ কীৰ্তন গৃহত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে উৎসৱ ভাগ পথালিপাহাৰ আঞ্চলিক কেন্দ্ৰীয় জন্মোৎসৱ সমিতিৰ উদ্যোগ আৰু ন-পমুৱা গাঁৱৰ ভক্তপ্ৰাণ ৰাইজৰ আতিথ্যত উদ্‌যাপন কৰা হৈছে। প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ঊষা কীৰ্তন পৰিৱেশ নিকাকৰণ গছ পুলি ৰোপণ ধৰ্ম-ধ্বজা উত্তোলন স্মৃতিচাৰণ সভা নাম-প্ৰসংগ আৰু গুৰু চৰিত্ৰ পাঠ আদি কাৰ্যসূচীসমূহ ৰূপায়ণ কৰা হয়।

# যুৱ শক্তিৰ বাবে এখন ধুনীয়া পৃথিৱী গঢ়িবলৈ আহ্বান

■ তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত আন্তঃৰাষ্ট্ৰীয় ৱেবিনাৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৫ অক্টোবৰ ঃ** বিশ্ব মানসিক স্বাস্থ্য দিৱস উপলক্ষে তেজপুৰস্থিত লোকপ্ৰিয় বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত আন্তঃৰাষ্ট্ৰীয় পৰিসৰৰ এখন ৱেবিনাৰ অনুষ্ঠিত হয়। প্ৰতিষ্ঠানটোৰ মনস্তাত্বিক সমাজ সেৱা বিভাগৰ মুৰব্বী ড° ছোনিয়া পি দেউৰীয়ে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানত সঞ্চালক ড° শৈলেন্দ্ৰ কুমাৰ দেউৰীয়ে প্ৰতিষ্ঠানটোৰ অগ্ৰগতি সম্পৰ্কে বক্তব্য ৰাখে। সঞ্চালকজনে কয় যে তেজপুৰস্থিত অসমৰ একমাত্ৰ মানসিক স্বাস্থ্য চিকিৎসা প্ৰতিষ্ঠানটোৱে ঐতিহাসিক পৰিক্ৰমা আজিৰ অৱস্থা পাইছেহি। বন্ধ ৱাৰ্ডৰ ব্যৱস্থাৰ পৰা মুকলি ৱাৰ্ড ব্যৱস্থালৈ প্ৰতিষ্ঠানত ক্ৰমবৰ্ধমান সা-সুবিধাসহ উপলব্ধ হৈছে। অনুষ্ঠানত বাংগালুৰুস্থিত চেণ্ট মাৰ্থাচ হাস্পতালৰ এমেৰিটাচ কনছালটেণ্ট আৰু ভাৰতীয় মনস্তাত্বিক সংস্থাৰ প্ৰাক্তন সভাপতি ড° অজিত ভি ভিদে' অসাম্যতা আৰু যুৱাৱস্থাৰ মানসিক স্বাস্থ্য' শীৰ্ষক বিষয়ত বক্তব্য ৰাখে। শক্তিৰ ক্ৰমবৰ্ধমানতা, সৃজনশীলতা আৰু যুৱাৱস্থা অদম্য দক্ষতা সম্পৰ্কে উল্লেখ্য কৰাৰ লগতে যুৱশক্তিৰ বাবে এখন ধুনীয়া পৃথিৱী সৃষ্টি কৰিবলৈ সকলোকে আহ্বান জনায়। উল্লেখ্য যে ৱেবিনাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে ছুইজাৰলেণ্ড জেনেভাৰ মানসিক স্বাস্থ্য বৃদ্ধি সম্পৰ্কীয় সংস্থাৰ সভাপতি প্ৰফেছৰ এমিৰেটাচ নৰমান চাৰটৰিয়াছে। চাৰটৰিয়াছে 'অসাম্য পৃথিৱীৰ স্বাস্থ্য' বিষয়ত বিস্তৃত ব্যাখ্যা দাঙি ধৰি যুৱশক্তিৰ বাবে এখন ধুনীয়া পৃথিৱী সৃষ্টি কৰিবলৈ সকলোকে আহ্বান জনায়। তেওঁ কয়, মানসিক স্বাস্থ্যৰ উত্তৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ভাষণ প্ৰসংগত তেওঁ মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে সকলোৱে গুৰুত্ব আৰোপ কৰিব লাগে বুলি কৈ বিভিন্ন কাৰ্য ব্যৱস্থাৰ পোষকতা কৰে। প্ৰকাশ যে এই আন্তঃৰাষ্ট্ৰীয় ৱেবিনাৰখনত দেশ-বিদেশৰ ১২০ গৰাকীকৈ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ লগতে তেজপুৰস্থ মানসিক স্বাস্থ্য প্ৰতিষ্ঠানখনৰ বিষয়া অধ্যাপক- অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

■ ভাৰতত ২.৩ নিযুত শিক্ষক-শিক্ষয়িত্ৰী আছে

# কাশ্মীৰৰ শিক্ষকৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দাবী শিক্ষক সংঘৰ

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৫ অক্টোবৰ ঃ** সন্ত্ৰাসবাদীয়ে কাশ্মীৰৰ শিক্ষক, এগৰাকী মহিলা অধ্যক্ষা আৰু সাধাৰণ নাগৰিকক অমানৱীয়ভাৱে গুলীয়াই হত্যা কৰা কাৰ্যক কঠোৰভাৱে গৰিহণা দিছে অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘই। এক বিবৃতিত সংঘৰ সভাপতি ৰামপাল সিংহ আৰু সাধাৰণ সম্পাদক কমলাকান্ত ত্ৰিপাঠীয়ে কয় যে সন্ত্ৰাসবাদীয়ে কাশ্মীৰত শিক্ষক আৰু সাধাৰণ নাগৰিকক হত্যা কৰি এক আতংকময় পৰিৱেশ সৃষ্টি কৰি সাম্প্ৰদায়িক সম্প্ৰীতি বিনষ্ট কৰিছে। বিবৃতিত নেতাদ্বয়ে শিক্ষক, অধ্যক্ষা আৰু নাগৰিকৰ আত্মাৰ শান্তিৰ প্ৰাৰ্থনা কৰি নিহত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। নেতাদ্বয়ে কয় যে সৰ্বভাৰতীয় পৰ্যায়ত ২.৩ নিযুত শিক্ষক-শিক্ষয়িত্ৰী আছে। এনে ধৰণৰ বৰ্বৰ হত্যাকাণ্ডৰ কাৰ্যক গৰিহণা যথেষ্ট নহয় বুলি অভিহিত কৰি শিক্ষানুষ্ঠানসমূহত সন্ত্ৰাসবাদীয়ে টাৰ্গেট কৰাটো দুৰ্ভাগ্যজনক। কাশ্মীৰৰ শিক্ষক আৰু নাগৰিকৰ ওপৰত কৰা কাৰ্য বন্ধ কৰাৰ উপৰি শিক্ষকৰ নিৰাপত্তা সুনিশ্চিত কৰা আৰু শিক্ষানুষ্ঠানসমূহ শান্তি অঞ্চল হিচাপে ঘোষণা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে নেতাদ্বয়ে। ইপিনে, সংঘৰ উত্তৰ-পূবৰ মুখপাত্ৰ আৰু অসম প্ৰাথমিক শিক্ষক সন্মিলনৰ সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে শিক্ষক হত্যাকাণ্ডক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে।

# আজাৰাৰ বিভিন্ন স্থানত গুৰুজনাৰ জন্মজয়ন্তী উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৫ অক্টোবৰ ঃ** ৰাজ্যখনৰ বিভিন্ন ঠাইৰ লগতে আজাৰাৰো বিভিন্ন স্থানত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। কাঁহিকুছিস্থিত শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ সমিতিৰ উদ্যোগত যোৱা ১৪ অক্টোবৰৰ পৰা তিনিদিনীয়াকৈ গুৰুজনাৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। প্ৰথম দিনা সামূহিক চাফাই অভিযানেৰে কাৰ্যসূচী মুকলি কৰাৰ পাছত সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নাম-প্ৰসংগ অনুষ্ঠিত হয়। দ্বিতীয় দিনা আজি পুৱা ঊষা-কীৰ্তনৰ পাছতে ক্ৰমে সমিতিৰ মুখ্য উপদেষ্টা সুছেন্দ্ৰ নাথ ডেকাৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন আৰু ভাগৱৎ ভ্ৰমণ, নাম-প্ৰসংগ, ভাগৱৎ পাঠ অনুষ্ঠিত হয়। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু আইসকলে নাম পৰিৱেশন কৰে। অন্তিম দিনা আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে সদৰী কৰিছে। আনফালে, আজাৰা মণিকূট, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আজাৰা প্ৰাথমিক শাখা, যোগীপাৰা, ডেকাপাৰা আদিতো গুৰুজনাৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়।

■ আশু আৰোগ্য কামনাৰে প্ৰাৰ্থনা

# শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা প্ৰাপক ভবেন বৰাক দল-সংগঠনৰ সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৫ অক্টোবৰ ঃ** জামুগুৰিহাটৰ এগৰাকী বৰ্ষীয়ান সমাজকৰ্মী তথা ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বাৰেচহৰীয়া ভাওনা উদ্‌যাপন কমিটীৰ সভাপতি জিলা পৰিষদৰ প্ৰাক্তন সদস্য শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা প্ৰাপক নাট্যপ্ৰৱৰ ভবেন বৰাক যোৱা ১৪ অক্টোবৰত শয্যাগত অৱস্থাত সাক্ষাৎ কৰে বিভিন্ন দল-সংগঠনে। বাৰেচহৰীয়া ভাওনা কমিটী, নদুৱাৰ মণ্ডল বিজেপি আৰু নদুৱাৰ প্ৰেছ ক্লাবৰ বিষয়ববীয়া সদস্যসকল শিক্ষাবিদ, সু-অভিনেতা বৰ্ষীয়ান সমাজকৰ্মীজনৰ বাসভৱনত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰি আশু আৰোগ্য কামনাৰে প্ৰাৰ্থনা জনায়।

# খেৰণিত বনৰীয়া হাতীৰ আক্ৰমণত নিহত এক

**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ১৫ অক্টোবৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বগৰীঘাট গাঁৱত যোৱা ১৩ অক্টোবৰৰ নিশা এটা বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। নিহত লোকজন সুৰেশ চৌহান (৫৫)। গাঁওখনত আয়োজন কৰা শাৰদীয় দুৰ্গোৎসৱৰ চাই ঘৰলৈ উভতি যোৱাৰ পথত বনৰীয়া হাতীৰ স'তে মুখামুখি হৈ হঠাতে আক্ৰমণ কৰাত লোকজনৰ থিতাতে মৃত্যু হয়। লগতে লোকজনৰ স'তে একেলগে ঘৰলৈ গৈ থকা এগৰাকী বৃদ্ধাকো বনৰীয়া হাতীটোৱে আক্ৰমণ কৰে যদিও গুৰুতৰভাৱে আহত হৈ কোনোমতে বৃদ্ধগৰাকীৰ প্ৰাণৰক্ষা পৰে। ইতিমধ্যে গুৰুতৰভাৱে আহত বৃদ্ধগৰাকী খেৰণি আদৰ্শ হাস্পতালত চিকিৎসাধীন হৈ আছে। আনহাতে, এখন দোকান ঘৰো ভাঙি-লণ্ডভণ্ড কৰে বনৰীয়া হাতীটোৱে।

■ নাম গৰুমৰা পশ্চিম খণ্ড নামঘৰৰ সোণালী জয়ন্তীৰ সামৰণি ■ নাম শিৰোমণি উন্মোচন

# আধ্যাত্মিক, সাংস্কৃতিক শিক্ষা প্ৰদানৰ স্থলী হ'ল নামঘৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৫ অক্টোবৰ ঃ** 'সমাজত নৈতিক, আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক শিক্ষা প্ৰদানৰ স্থলীয়েই হ'ল নামঘৰ।' ১২ অক্টোবৰৰ পৰা অনুষ্ঠিত যোৰহাটৰ উত্তৰ-পশ্চিম দিশৰ নামগৰুমৰা পশ্চিম খণ্ড নামঘৰৰ সোণালী জয়ন্তী মহোৎসৱত দ্বিতীয় দিনা নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি ধৰ্মালোচনাত এইদৰে মন্তব্য কৰে আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেবানন্দ দেৱগোস্বামীয়ে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰুণ চন্দ্ৰ বৰাই উদ্বোধন কৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ গোলাপ বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনাত স্মৃতিগ্ৰন্থ 'নাম শিৰোমণি' উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক খগেন চন্দ্ৰ বৰাই। বিশিষ্ট অতিথিৰূপে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অভিজিৎ বৰবৰা, পশ্চিম যোৰহাট সাংবাদিক সন্থাৰ সভাপতি ৰমেন শইকীয়াই অংশগ্ৰহণ কৰে। ধৰ্মালোচনাৰ পাছতে নাম-প্ৰসংগ অনুষ্ঠিত হয়। নিশা সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বিপুল চন্দ্ৰ বৰাই। ইপিনে, ১২ অক্টোবৰৰ পুৱা উষা কীৰ্তনৰ পাছতে নামঘৰৰ স্থায়ী তোৰণ উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে। তাৰ পাছতে বাটচ'ৰা উন্মোচন কৰে ডিম্বেশ্বৰ বৰাই। আনহাতে ৫০টা গছপুলি ৰোপণ, ধৰ্মধ্বজা উত্তোলন, স্মৃতিবেদী উন্মোচন, সোণালী জয়ন্তী উপলক্ষে নিৰ্মিত কাৰ্যালয়ৰ দ্বাৰ মুকলি কৰা হয়। এই উপলক্ষে ৰচনা, চিত্ৰ অংকন, কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। নাম-প্ৰসংগৰ পাছতে সন্ধিয়াৰে পৰা শ্ৰীমদ্ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠিত হয়। কালি পুৱাৰে পৰা ক্ৰমে ভাগৱতসহ সাংস্কৃতিক শোভাযাত্ৰা, জীয়ৰী-জোঁৱাই অন্তৰংগ আলাপ, নৃত্যানুষ্ঠান, শংকৰী কৃষ্টি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। আজি নাম-কীৰ্তনৰ পাছতে অৰুণ চন্দ্ৰ বৰাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। প্ৰবীণ বৰাই উদ্বোধন কৰা সভাত অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে ৩৫টা নামঘৰৰ নামঘৰীয়াসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সৰ্বোদয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ বৰুৱাই নিৰ্দিষ্ট বক্তা, ৰমেন বৰা, জয়ন্ত মাধৱ ভূঞা, জোণমণি দাস, বন্দিতা বৰা, আব্দুল ৱাহিদ, ৰূপেশ্বৰ বৰা, গৌৰৱজ্যোতি চুতীয়া, শান্তনু নন্দন বৰবৰা, ধনবৰ ভৰালী আৰু অনুপমা হাজৰিকাই বিশিষ্ট অতিথিৰূপে বক্তব্য আগবঢ়ায়। নামঘৰৰ ভূমিদাতা জড়িত ব্যক্তি, অঞ্চলটোৰ বৰেণ্য ব্যক্তিক বিশেষভাৱে আদৰণি জনোৱা আৰু প্ৰতিযোগিতাত স্থানপ্ৰাপ্তক পুৰস্কাৰ প্ৰদান কৰাৰ পাছতে গাঁওখনৰ শিশু শিল্পীসকলে ভাওনাত অভিনয় কৰে।



*ঢকুৱাখনাত ভাগৱত লৈ শোভাযাত্ৰা, শুকুৰবাৰে।*

# লাহদৈগড় আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত

**অগ্ৰদূত বাৰ্তা**

■ ধৃত আঠ

**লাহদৈগড়, ১৫ অক্টোবৰ ঃ** সমাজৰ ব্যাধি স্বৰূপ ড্ৰাগছ সেৱন কৰি লাহদৈগড় আৰক্ষীয়ে দুজন যুৱকক আটক কৰি প্ৰাৰম্ভিক তদন্তৰ আৰম্ভণিতেই আজি আৰু ছজন যুৱকক আটক কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে লাহদৈগড় আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় ৰয় আৰু উপ-পৰিদৰ্শক ভূপেন দিহিঙীয়াৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে এক নম্বৰ চেঙেলী গাঁৱৰ এটা ঘৰৰ ভিতৰত ড্ৰাগছ সেৱন কৰি থকা অৱস্থাত ছজন যুৱকক কৰায়ত্ত কৰে। আটকাধীন যুৱক কেইজন ক্ৰমে ভাৰত ডেকা, উৎপল বৰা, মৃদুপৱন শইকীয়া, উজ্বল শইকীয়া, ৰিজু হুছেইন আৰু শশী ভূষণ কুমাৰ। আৰক্ষীয়ে ৬৯৭-২১ নম্বৰত গোচৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰিছে।

# ওদালগুৰিত অশ্ৰুসিক্ত নয়নেৰে দুৰ্গা দেৱীক বিদায়

**বিশেষ সংবাদদাতা**



**ওদালগুৰি, ১৫ অক্টোবৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ওদালগুৰিতো আজি অশ্ৰুসিক্ত নয়নেৰে বিদায় দিয়া হয় দুৰ্গতিনাশিনী মা দুৰ্গাক। ওদালগুৰি চহৰৰ প্ৰায় ১৪ খনকৈ বিশাল ৰাজহুৱা পূজা মণ্ডপে আজি দুৰ্গা মাৰ বিদায়ী কৰ্ম সমাপন কৰি বিশাল সমদলেৰে মা দুৰ্গাক বিসৰ্জন দিয়া দেখা যায়। ওদালগুৰি চহৰৰ মাজেৰে পাৰ হৈ যোৱা এই সমদল ওদালগুৰি বাহিনীগাঁও নৈলৈ গৈ প্ৰতিমাসমূহ বিসৰ্জন দিয়ে। পথৰ দুয়োপাৰে হেজাৰ হেজাৰ ভক্তই প্ৰত্যক্ষ কৰে মা দুৰ্গা দেৱীৰ বিদায়ীৰ সমদল। এই সমদলৰ ফলত চহৰখনত কিছু যানজঁট দেখিবলৈ পোৱা গৈছে যদিও ওদালগুৰি আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰি বিভিন্ন উপ-পথেৰে বাহনসমূহ পাৰ কৰাই নিয়ে। ইপিনে, নিৰাপত্তাৰ দিশটো কটকটীয়া কৰি তোলে ওদালগুৰি আৰক্ষীয়ে। বাহিনী গাঁৱৰ বিসৰ্জনস্থলীত ওদালগুৰি আৰক্ষীৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকি সমগ্ৰ পৰিৱেশ নিয়ন্ত্ৰণ কৰাৰ লগতে কোনো ধৰণৰ সম্ভাব্য অঘটনৰ প্ৰতি লক্ষ্য ৰাখি উদ্ধাৰকাৰী বাহিনীৰ অগ্নিনিৰ্বাপক বাহিনীক সাজু কৰি ৰাখে প্ৰশাসনে।

■ প্ৰতিভাৰ অন্বেষণত ব্ৰতী বজালীৰ উপায়ুক্ত

# শিক্ষাৰ্থীৰ ভৱিষ্যৎ নিৰ্মাণে জাতিক সমৃদ্ধ কৰে

**বিশেষ সংবাদদাতা**

**পাঠশালা, ১৫ অক্টোবৰ ঃ** 'ৰাষ্ট্ৰীয় অথবা ৰাজ্যিক ভিত্তিত অনুষ্ঠিত বিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ সফলতাই এগৰাকী শিক্ষাৰ্থীৰ জীৱন গঢ়াৰ ইতিবাচক দিশত যথেষ্ট প্ৰকাৰে প্ৰভাৱিত কৰে। কিন্তু বজালী জিলাত এই সফলতাৰ লেখডাল ইমানেই চুটি যে ভাবিলেই শিঁহৰিত হব লাগে। অথচ বজালীত শিক্ষাৰ্থীৰ মাজত প্ৰতিভাৰ অভাৱেই নাই।' এন টি এছ ই, মেৰিট কাম মিনচ স্কলাৰশ্বিপ, এন ডি এ, নৱোদয় বিদ্যালয়, কে ভি পি ৱাই, টি এফ আৰ ই, সৈনিক স্কুল আদিৰ দৰে কঠিন প্ৰতিযোগিতামূলক পৰীক্ষাত বজালীৰ শিক্ষাৰ্থীক অগ্ৰৱৰ্তী ৰূপত নিৰ্মাণ কৰাৰ অভিলাষী লক্ষ্যৰে বজালী জিলাৰ কে'বাখনো উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ বিদ্যালয় প্ৰধানসকলক লৈ বজালীৰ উপায়ুক্তৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকত বজালীৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীয়ে স্পৰ্শকাতৰ বিষয়টোৰ প্ৰসংগত উল্লিখিত ধৰণে যোৱা ১১ অক্টোবৰৰত এইদৰে অভিমত ব্যক্ত কৰে। বজালীৰ গ্ৰাম্য অথবা নগৰাঞ্চলৰ চৰকাৰী বেচৰকাৰী বিদ্যালয়ত অনেক প্ৰতিভাবান শিক্ষাৰ্থী আছে যিসকলে এনে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'লে নিশ্চিতভাৱে আশানুৰূপ ফলাফল প্ৰদৰ্শন কৰিব পাৰিব। কিন্তু কেৰোণটো হৈছে বহু শিক্ষাৰ্থীয়ে এই বিষয়ে ভুকেই নাপায়। এই পৰিৱেশ দূৰ কৰিব লাগিব। এই কথা ব্যক্ত কৰি উপায়ুক্তই কয় যে আমি সকলোৱে শিক্ষাৰ্থীৰ প্ৰতিভা অন্বেষণত ব্ৰতী হ'ব লাগিব। শিক্ষকসকল খবৰ ভাণ্ডাৰ হ'ব লাগিব। যি খবৰে তৰুণ শিক্ষাৰ্থীৰ মন প্ৰজ্জ্বলিত কৰিব পাৰিব। বৰপেটা জিলা বিদ্যালয় পৰিমণ্ডলৰ পৰিদৰ্শক মনোৰঞ্জন কাকতি, বজালীৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক তাৰিণী মজুমদাৰ, সৰ্বশিক্ষাৰ আঁচনি বিষয়া নিৰঞ্জন ওজাকে ধৰি বজালী জিলাৰ ভালেসংখ্যক বিদ্যালয় প্ৰধান উপস্থিত থকা বৈঠকত উপায়ুক্তই কয় যে এই সন্দৰ্ভত প্ৰতিখন বিদ্যালয়ে এগৰাকী শিক্ষকক নডেল বিষয়াৰ দায়িত্ব ন্যস্ত কৰিব আৰু তেওঁ এই প্ৰতিযোগিতামূলক পৰীক্ষাৰ খবৰ, আবেদন কৰাৰ নিয়ম, পৰামৰ্শ প্ৰদান, দক্ষ বিজ্ঞ সমল ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণ দিয়া, অনলাইনযোগে প্ৰয়োজনীয় পাঠ্যক্ৰম অনা সকলো দিশ বিদ্যালয় প্ৰধানৰ লগত আলোচনা সাপেক্ষে কৰিব আৰু এই সন্দৰ্ভত বিদ্যালয় পৰিদৰ্শক কাকতিয়ে বিদ্যালয়সমূহক নিৰ্দেশনাও দিব।

# যোৰহাটত কাইলৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৫ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত যোৰহাট জিলা শাখাৰ আতিথ্যত অহা ১৭ অক্টোবৰত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত মহাপুৰুষ গুৰুজনাৰ ৫৭৩ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন কৰা হ'ব। যোৱা ১৩ অক্টোবৰত এক সংবাদমেলত এই বিষয়ে অৱগত কৰে উদ্‌যাপন সমিতিয়ে। যোৰহাট জিলা শাখাৰ সভাপতি মুকুল গগৈ, সম্পাদক মুকুল বৰুৱা আৰু আদৰণি সমিতিৰ সভাপতি যুগল হাজৰিকা, সম্পাদক সৌৰভ হাজৰিকাই জনায় যে যোৰহাট জিলা শাখাৰ অন্তৰ্গত ৪৬৪ প্ৰাথমিক শাখাৰ ভকতৰ দান-বৰঙণিৰে আয়োজন কৰা মহোৎসৱত চৰকাৰে দিয়া ক'ভিড প্ৰট'কল মানি চলা হ'ব। মহোৎসৱৰ পুৱা প্ৰাতঃপ্ৰসংগ আৰু পৰিৱেশ নিকাকৰণ কৰা হ'ব। পুৱা ধৰ্ম ধ্বজা উত্তোলন কৰিব পদাধিকাৰ কমলাকান্ত গগৈয়ে আৰু পদাধিকাৰ কমলাকান্ত গগৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰিব প্ৰধান সম্পাদক বাবুল বৰাই। মুকলি সভাত উপস্থিত থাকিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। গুৰু জয়ন্তী উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ 'শিৰোৰত্ন' উন্মোচন কৰিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই। অনুষ্ঠানতে বাৰ্ষিক মুখপত্ৰ 'নামধৰ্ম' উন্মোচন কৰা হ'ব। আদৰণি সমিতিৰ বিষয়ববীয়া আৰু বাপ, আই-মাতৃয়ে ভকত বৈষ্ণৱ আদৰিবলৈ প্ৰস্তুত হৈছে।

# নগাঁৱৰ গেদাৰবড়ীত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া হাতীচোং মৌজাৰ এক নম্বৰ গেদাৰবড়ী গাঁওখনত এতিয়া গুৰুজনাৰ জন্মোৎসৱে সৃষ্টি কৰিছে এক আধ্যাত্মিক পৰিৱেশৰ। গুৰুজনাৰ ৫৭৩সংখ্যক আৱিৰ্ভাৱ মহোৎসৱটো পূব হাতীচোং আঞ্চলিক সাৰ্বজনীন জন্মোৎসৱ উদ্‌যাপন সমিতিৰ সৌজন্যত এক নম্বৰ গেদাৰড়ী শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰত কালিৰ পৰা চাৰিদিনীয়াকৈ আৰম্ভ হৈছে। কালি সন্ধিয়া ছয় বজাত পূৰ্বৰংগৰে অনুষ্ঠানৰ আৰম্ভণি হয়। আজি পুৱা উষা কীৰ্তন, ভাগৱত স্থাপন, শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ মূল তোৰণ সমাজকৰ্মী শৰৎ কাকতিয়ে উন্মোচন কৰাৰ পাছত মেঘৰাম শইকীয়াৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাণাপ্ৰকাশ বৰাৰ পৰিচালনাত শ্ৰদ্ধাঞ্জলি আৰু কৃতজ্ঞতা জ্ঞাপন অনুষ্ঠান, ভাগৱত লৈ শোভাযাত্ৰা, নাম-প্ৰসংগ অনুষ্ঠিত হোৱাৰ পাছত বিয়লি পাঁচ বজাত গাঁৱৰ জ্যেষ্ঠ আৰু কনিষ্ঠ গায়ন-বায়নৰ দ্বাৰা জোৰা পৰিবেশন, ৫-৩০ বজাত বন্তি প্ৰজ্বলন আৰু ছয় বজাত বিপুল (ৰাতুল) শইকীয়াৰ পৰিচালনাত অসমীয়া ভাওনা 'কুৰুক্ষেত্ৰ' প্ৰদৰ্শন কৰা হয়। আনহাতে, আয়োজক সমিতিৰ সম্পাদক দৰ্শন মহন্তই সদৰী কৰা মতে, কাইলৈ পুৱা ১০ বজাত নাম-প্ৰসংগ আৰু প্ৰসাদ বিতৰণ, বিয়লি এক বজাত কৃতীমানক সম্বৰ্ধনা, ১-৩০ বজাত ধৰ্মালোচনী সভা আৰু শংকৰী কৃষ্টি প্ৰদৰ্শনৰ এক মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হ'ব। বিয়লি চাৰি বজাত জলময় গাঁৱৰ গায়ন-বায়নসকলৰ দ্বাৰা জোৰা পৰিবেশনৰ অন্তত সন্ধিয়া ছয় বজাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ বিৰচিত অংকীয়া ভাওনা 'ৰুক্মিণী হৰণ' প্ৰদৰ্শন কৰা হ'ব। ১৭ অক্টোবৰৰ পুৱা ১০ বজাত আইসকলৰ নাম-প্ৰসংগ আৰু প্ৰসাদ বিতৰণ, বিয়লি চাৰি বজাত জোৰা পৰিবেশন আৰু সন্ধিয়া ছয় বজাত অঞ্চলৰ আই-মাতৃ যুৱতীৰ দ্বাৰা হ'ব গুৰুজনাৰ অমিয়া সৃষ্টি কেলী গোপাল প্ৰদৰ্শন কৰা হ'ব।

# সৌৰামুৰী কদমতল শ্ৰীমন্ত শংকৰদেৱ নামঘৰত গুৰুজনাৰ জন্মজয়ন্তী উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৫ অক্টোবৰ ঃ** হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত সৌৰামুৰী কদমতল চুবুৰিৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মজয়ন্তী দুদিনীয়াকৈ উদ্‌যাপন কৰে। তদুপলক্ষে আজি পুৱাই নামঘৰ প্ৰাংগণৰ পৰা এটি আকৰ্ষণীয় ভাগৱত শোভাযাত্ৰা উলিয়াই অঞ্চল পৰিভ্ৰমণ কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰা শোভাযাত্ৰাৰ অন্তত নামঘৰত নাম-প্ৰসংগ আৰু ভাগৱত পাঠ কাৰ্যসূচী অনুষ্ঠিত কৰে।

# বিশ্বনাথত ভাংসহ অৰুণাচলী মদ-চুলাই জব্দ



**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৫ অক্টোবৰ ঃ** দুৰ্গা পূজাৰ মাজতে বিশ্বনাথ জিলা আৰক্ষীয়ে অবৈধ নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে অভিযান চলায়। আজি বিশ্বনাথ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকাৰ নেতৃত্বত আৰু বিশ্বনাথ চালিআলি সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জিত কুমাৰ ৰয়ৰ সহযোগত অভিযানকাৰী দল এটাই বিশ্বনাথৰ জপৌ বাৰিত অভিযান চলাই নবীন নিৰলা নামৰ লোকজনৰ ঘৰৰ পৰা জব্দ কৰে বৃহৎ পৰিমাণৰ গাঞ্জা। লোকজনে দীৰ্ঘদিনৰ পৰা অবৈধভাৱে নিজ ঘৰৰ পৰা চলাই গৈছিল অবৈধ ব্যৱসায়। কিন্তু বিশ্বনাথ জিলা আৰক্ষীয়ে আজি বিশেষ সূত্ৰৰ পম খেদি ৪.৫০ কিলোগ্ৰাম গাঞ্জাখিনি জব্দ কৰাৰ লগতে গাঞ্জা ব্যৱসায়ী নবীন নিৰলাকো গ্ৰেপ্তাৰ কৰে। ইফালে, কালি বিশ্বনাথ আৰক্ষীয়ে অভিযান চলাই ১৪৪ বটল বিয়েৰ-কেন, ৩৬৬ বটল অৰুণাচলী মদ আৰু প্ৰায় ২০০ লিটাৰ চুলাই জব্দ কৰে। আনহাতে, বিশ্বনাথ আৰক্ষীয়ে এমভি এক্ট আৰু ক'ভিড প্ৰট'কল নমনা লোকৰ বিৰুদ্ধে অভিযান চলাই প্ৰায় ৬৭ হেজাৰ এশটকা সহ সাতজনৰ বিৰুদ্ধে গোচৰ তৰা গৈছে।

■ দীৰ্ঘ বিৰতিৰ অন্তত পূজা উপভোগ কৰিলে হেজাৰ হেজাৰ ৰাইজে

# জামুগুৰিহাটৰ জীয়াভৰলী নদীত ২৫ৰো অধিক প্ৰতিমা বিসৰ্জন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৫ অক্টোবৰ ঃ** মহামাৰী ক'ভিডে সৃষ্টি কৰা শংকাময় পৰিৱেশৰ মাজত চৰকাৰে পূজা অনুষ্ঠিত কৰিবলৈ অনুমতি দি, বান্ধি দিয়া কিছু নীতি-নিয়মৰ মাজেদি আজি সামৰণি পৰিল দুৰ্গোৎসৱৰ। যোৱা দুটা বছৰৰ অন্তত এইবাৰ পূজা অনুষ্ঠিত হোৱাত ৰাইজৰ মাজৰ ক'ভিডৰ ভয় আৰু শংকাৰ মাজতো উৎসাহ-উদ্দীপনাই বিৰাজ কৰা পৰিলক্ষিত হয়। জামুগুৰিহাট, কুসুমটোলা আদি ব্যৱসায়িক কেন্দ্ৰস্থলত বিশেষকৈ অষ্টমী আৰু নৱমীৰ সন্ধিয়া ৰাইজৰ যথেষ্ট ভিৰ হোৱা পৰিলক্ষিত হয়। দীৰ্ঘদিন ধৰি ঘৰৰ মাজতে আবদ্ধ হৈ থকা ৰাইজে দুৰ্গোৎসৱৰ বতৰত মুক্ত আকাশৰ তলত কিছু মুকলি মনেৰে এপাক ফুৰি দেৱী দুৰ্গাৰ আশিস লোৱা পৰিলক্ষিত হয়। বৃহত্তৰ জামুগুৰিহাটত এইবাৰ সৰ্বমুঠ ২৫খন পূজা অনুষ্ঠিত হয় যদিও ক'ভিড বিধি পালন কৰিয়েই জাকজমকতাৰ পৰিৱৰ্তে আধ্যাত্মিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিয়েই পূজা কমিটীসমূহে পূজা অনুষ্ঠিত কৰে। আজি দশমীৰ দিনা স্থানীয় প্ৰশাসনে বান্ধি দিয়া নীতি-নিয়ম পালনৰ মাজেদিয়েই জামুগুৰিহাটৰ জীয়া ভৰলী নদীৰ দলঙৰ তলত অঞ্চলটোৰ প্ৰতিমাসমূহ বিসৰ্জন দিয়ে পূজা কমিটীসমূহে।




# বাণীকান্ত শৰ্মাৰ 'অতীতক উভতি চাওঁ' উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৫ অক্টোবৰ ঃ** 'বিদেশী ন্যায়াধিকৰণ'ৰ অৱসৰপ্ৰাপ্ত সদস্য তথা অৱসৰী ন্যায়িক দণ্ডাধীশ বাণীকান্ত শৰ্মাৰ আত্মজীৱনীমূলক গ্ৰন্থ 'অতীতক উভতি চাওঁ' দুৰ্গা পূজাৰ মহা নৱমীৰ দিনা উন্মোচন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰবীণ চন্দ্ৰ দাসে গ্ৰন্থখন উন্মোচন কৰে। লংকেশ্বৰৰ ৰূপালীম নগৰৰ দুৰ্গা পূজাৰ ৰঙাআলি সমন্বয় ক্ষেত্ৰত এই উপলক্ষে নাৰায়ণ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাত গ্ৰন্থখন উন্মোচন কৰি ড° দাসে গ্ৰন্থৰ ক্ষেত্ৰত আত্মজীৱনী গ্ৰন্থ লেখা সহজ নহয় বুলি উল্লেখ কৰি লেখকৰ ভাল-বেয়া সকলোখিনিয়ে স্থান পাব লাগে বুলি কয়। লেখক শৰ্মাই তেওঁৰ বক্তব্যত ছাত্ৰাৱস্থাৰ লগতে কৰ্মময় জীৱনৰ বিভিন্ন দিশ সামৰি গ্ৰন্থখন ৰচনা কৰা বুলি উল্লেখ কৰে।



## আইপিএলৰ ফাইনেলত বিশাল স্ক’ৰ ছুপাৰ কিংছৰ



**নিউজ ব্যুৰ’**

**ডুবাই, ১৫ অক্টোবৰ ঃ** কলকাতা নাইট ৰাইডাৰ্ছৰ বিপক্ষে আইপিএলৰ ফাইনেলত শক্তিশালী স্ক’ৰ সংগ্ৰহ কৰিলে চেন্নাই ছুপাৰ কিংছে। আজিৰ ফাইনেলত প্ৰথমে বেটিং কৰিবলৈ বাধ্য হোৱা মহেন্দ্ৰ সিং ধোনি নেতৃত্বাধীন দলটোৱে তিনি উইকেটৰ বিনিময়ত ১৯২ ৰাণ সংগ্ৰহ কৰে। অপেনাৰ ফাফ ডু প্লেছিয়ে দলৰ হৈ সৰ্বাধিক ৮৬ ৰাণ কৰে। তেওঁৰ ৫৯টা বলৰ ইনিংছটোত আছিল সাতটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰ। সহযোগী অপেনাৰ ৰুতুৰাজ গায়কোৱাড়ে ২৭টা বলত ৩২ আৰু ৰবিন উথাপ্পা ১৫টা বলত তিনিটা ছিক্সাৰৰ সহায়ত ৩১ ৰাণ কৰে। মঈন আলীয়ে ২০টা বলত ৩৭ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

# আজি অষ্টম খিতাপৰ লক্ষ্য ভাৰতৰ

## নেপালৰ বিপক্ষে ফেভাৰিটৰূপেই অৱতীৰ্ণ হ’ব পূৰ্বৰ সাতবাৰৰ চেম্পিয়ন

**নিউজ ব্যুৰ’**

**মালে (মালদ্বীপ), ১৫ অক্টোবৰ ঃ** প্ৰথম অৱস্থাৰ দুৰ্বল প্ৰদৰ্শনক নেওচি ত্ৰয়োদশ ছাফ চেম্পিয়নশ্বিপৰ কাইলৈৰ ফাইনেলত খিতাপৰ লক্ষ্যৰেই অৱতীৰ্ণ হ’ব ভাৰতীয় ফুটবল দলে। প্ৰথমবাৰলৈ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰা নেপালৰ বিপক্ষে কাইলৈ পূৰ্বৰ সাতবাৰৰ চেম্পিয়ন ভাৰতকে ফেভাৰিটৰ আখ্যা দিয়া হৈছে। তাৰকা ষ্ট্ৰাইকাৰ সুনীল ছেত্ৰী ফৰ্মলৈ উভতি অহাত অষ্টম খিতাপ জয় ভাৰতৰ বাবে প্ৰায় নিশ্চিত বুলিয়ে ধাৰণা কৰা হৈছে।

উল্লেখ্য যে প্ৰতিযোগিতাখনৰ ত্ৰয়োদশ সংস্কৰণত ভাৰতে কাইলৈ দ্বাদশবাৰৰ বাবে ফাইনেল খেলিব। প্ৰতিযোগিতাৰ আৰম্ভণিৰে পৰা ভাৰতে আধিপত্য বিস্তাৰ কৰিছে। ২০০৩ত তৃতীয় স্থান লাভেই হৈছে ছাফ চেম্পিয়নশ্বিপত ভাৰতৰ দুৰ্বলতম প্ৰদৰ্শন। সেই দিশৰ পৰা কাইলৈ ভাৰতে প্ৰথমবাৰলৈ ফাইনেল খেলা নেপালক পৰাজিত কৰাত অসুবিধা নহ’ব বুলিয়ে ধাৰণা কৰা হৈছে। প্ৰতিযোগিতাৰ লীগ পৰ্বতো ভাৰতে নেপালক পৰাজিত কৰিছিল। এইবাৰ ভাৰতীয় দলৰ আৰম্ভণি আশাপ্ৰদ নাছিল। প্ৰথম দুখন মেচত বাংলাদেশ আৰু শ্ৰীলংকাৰ স’তে ড্ৰ খেলাত ভাৰতৰ বাবে ফাইনেলত স্থান লাভ কঠিন হৈ পৰিছিল। অৱশ্যে নেপালক পৰাজিত কৰি ভাৰতে প্ৰত্যাৱৰ্তন ঘটায়। ইয়াৰ পাছতে মৰণপন যুঁজত ভাৰতে ঘৰুৱা দল তথা যোৱাবাৰৰ চেম্পিয়ন মালদ্বীপক ৩-১ গ’লত পৰাজিত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত দুৰ্দান্ত প্ৰদৰ্শনেৰে দুটা গ’ল দিয়ে ছেত্ৰীয়ে।



# নিউজিলেণ্ড শৃংখলাৰ বাহিৰত কোহলি-ৰোহিত!

## একাধিক জ্যেষ্ঠ ক্ৰিকেটাৰক বিশ্ৰাম দিয়াৰ সম্ভাৱনা ঃ থাকিব বহু নতুন মুখ



**নিউজ ব্যুৰ’**

**কলকাতা, ১৫ অক্টোবৰ ঃ** আগন্তুক টি-২০ বিশ্বকাপৰ পাছতে নিউজিলেণ্ডৰ বিপক্ষে শৃংখলাত অংশ ল’ব ভাৰতীয় ক্ৰিকেট দলে। বিশ্বকাপ ফাইনেলৰ এসপ্তাহৰ ভিতৰতে ভাৰত ভ্ৰমণ কৰিব নিউজিলেণ্ড দলে। তিনিখন টি-২০ আৰু দুখন টেষ্টৰ শৃংখলাৰ বাবে ভাৰতীয় দলত একাধিক নতুন দেখা পোৱাৰ সম্ভাৱনা আছে। একেসময়তে বিশ্ৰাম দিয়া হ’ব অধিনায়ক বিৰাট কোহলি, সহঃ অধিনায়ক ৰোহিত শৰ্মাসহ একাধিক জ্যেষ্ঠ খেলুৱৈক। ভাৰতীয় দলৰ নিৰ্বাচক মণ্ডলীৰ এক সূত্ৰই এই কথা জনাইছে।

উল্লেখ্য যে ১৭ নৱেম্বৰত জয়পুৰ, ১৯ নৱেম্বৰত ৰাঁচী আৰু ২১ নৱেম্বৰত কলকাতাত তিনিখন টি-২০ মেচ অনুষ্ঠিত হ’ব। ইয়াৰ পাছতে ২৫ নৱেম্বৰৰ পৰা কানপুৰ আৰু মুম্বাইত দুখন টেষ্ট অনুষ্ঠিত হ’ব। টেষ্ট শৃংখলাত অৱশ্যে জ্যেষ্ঠ খেলুৱৈসকল থাকিব। অৱশ্যে টি-২০ শৃংখলাত কোহলি, ৰোহিতৰ উপৰি তাৰকা ফাষ্ট বলাৰদ্বয় যশপ্ৰীত বুমৰাহ আৰু মহম্মদ ছামিক বিশ্ৰাম দিয়াৰ পূৰ্ণ সম্ভাৱনা আছে। সূত্ৰই কয় যে যোৱা জুনত অনুষ্ঠিত আইচিচি টেষ্ট চেম্পিয়নশ্বিপৰ পৰাই ভাৰতীয় দল জৈৱ সুৰক্ষা বলয়ৰ মাজত আছে। টি-২০ বিশ্বকাপকে ধৰি জৈৱ বলয়ৰ সময় প্ৰায় পাঁচ মাহ হ’বগৈ। এনে দীঘলীয়া সময় জৈৱ সুৰক্ষা বলয়ত থাকিলে মানুহ মানসিকভাৱেও অৱসাদগ্ৰস্ত হ’ব পাৰে। ডিচেম্বৰৰ শেষ ভাগৰ দক্ষিণ আফ্ৰিকা ভ্ৰমণলৈ যাতে এইসকল জ্যেষ্ঠ ক্ৰিকেটাৰ সতেজ হৈ উঠিব পাৰে, তাৰ বাবেই তেওঁলোকক কিছু বিশ্ৰাম দিয়াৰ পৰিকল্পনা কৰা হৈছে। চলিত আইপিএলত দুৰ্দান্ত প্ৰদৰ্শনেৰে দৃষ্টি আকৰ্ষণ কৰা একাংশ নৱাগত ক্ৰিকেটাৰৰ বাবে ভাৰতীয় দলৰ দুৱাৰ মুকলি হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত অন্যতম হৈছে ৰুতুৰাজ গায়কোৱাড়, আৱেশ খান, হৰ্ষল পেটেল আৰু ভেংকটেশ আয়াৰ। ইয়াৰ উপৰি পৃথ্বী শ্ব’, শুভম মাভি, ৰাহুল ত্ৰিপাঠী, ৰাহুল তেৱাটিয়া আদিৰ ওপৰতো নিৰ্বাচকৰ দৃষ্টি থাকিব।

## আইপিএলৰ দুই দলক বিশেষ সুবিধা দিব ব’ৰ্ডে

**নিউজ ব্যুৰ’**

**মুম্বাই, ১৫ অক্টোবৰ ঃ** পৰৱৰ্তী বছৰৰ পৰা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আইপিএল)ত ১০টা দলে অংশগ্ৰহণ কৰিব। সেইবাবে আগন্তুক দিনত খেলুৱৈ ক্ৰয়ৰ বাবে বৃহৎ নিলাম অনুষ্ঠিত হ’ব। এই ক্ষেত্ৰত নতুনকৈ সংযোজিত হ’বলগীয়া দল দুটাক কিছু অতিৰিক্ত সুবিধা প্ৰদানৰ চিন্তা-চৰ্চা কৰিছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ডে।

এই মুহূৰ্তত আইপিএলত অংশ লোৱা ফ্ৰেঞ্চাইজি সমূহে বৰ্তমানৰ দলত থকা একাংশ খেলুৱৈক ধৰি ৰখাৰ সুযোগ পাব। পছন্দ অনুসৰি তেওঁলোকে নিৰ্দিষ্ট সংখ্যক খেলুৱৈক ৰাখিব পাৰিব। নতুন দল দুটাই যাতে এই ক্ষেত্ৰত পিছুৱাই থাকিবলগীয়া নহয়, তাৰ বাবেই এই ধৰণৰ চিন্তা-চৰ্চা কৰিছে বিচিচিআয়ে। সেই অনুসৰি, নিলামত খেলুৱৈ ক্ৰয় কৰাৰ উপৰিও দল দুটাই অতিৰিক্তভাৱে পছন্দৰ ক্ৰিকেটাৰক নিজৰ দলত ল’ব পাৰিব। অৱশ্যে কেইজন ক্ৰিকেটাৰ দল দুটাই নিলামৰ বাহিৰত ক্ৰয় কৰিব পাৰিব, সেয়া এতিয়াও নিৰ্ধাৰণ হোৱা নাই। লগতে পুৰণি দলসমূহে কিমান খেলুৱৈ ধৰি ৰাখিব পাৰিব, সেয়াও এই পৰ্যন্ত স্থিৰ হোৱা নাই। উল্লেখ্য যে অক্টোবৰৰ শেষ ভাগত নতুন দল দুটাৰ নাম ব’ৰ্ডে ঘোষণা কৰিব পাৰে।

## চিৰাং ছেমিত

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ১৫ অক্টোবৰ ঃ** বাগ্‌সা জিলাৰ শিমলা গ্ৰাম্য ষ্টেডিয়ামত সানজাৰাং ক্লাবৰ উদ্যোগত চলি থকা মথুৰা মোহন বসুমতাৰী আৰু কেশৰ বসুমতাৰী সোঁৱৰণী প্ৰাইজমানি ফুটবলৰ ছেমিফাইনেলত উপনীত হৈছে চিৰাম টিম্বাৰ্ছ এফ চি। আজিৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত চিৰাং টিম্বাৰ্ছে মানাস পেন্থাৰ এফ চি, বাশবাৰীক ৭-১ গ’লত বিধ্বস্ত কৰে।

## ভাৰতৰ মহিলা ফুটবল দলৰ চমক

## শক্তিশালী চীনা টাইপেইক পৰাজিত কৰিলে ভাৰতে



**নিউজ ব্যুৰ’**

**কলকাতা, ১৫ অক্টোবৰ ঃ** বাহৰেইনত প্ৰীতি আন্তৰ্জাতিক মেচ খেলিবলৈ যোৱা ভাৰতীয় মহিলা ফুটবল দলৰ চমক অব্যাহত আছে। যোৱা নিশা ভাৰতীয় দলে চীনা টাইপেইক ১-০ গ’লত পৰাজিত কৰে। খেল আৰম্ভ হোৱাৰ তিনি মিনিটতে ভাৰতৰ হৈ জয়সূচক গ’লটো দিয়ে ৰেণুৱে।

বাহৰেইনৰ হামাদ টাউন ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ফিফা ৰেংকিঙৰ ওপৰৰ ফালে থকা টাইপেইৰ বিৰুদ্ধে ভাৰতীয় দলে আৰম্ভণিৰে পৰা আধিপত্য বজাই ৰাখিছিল। সম্প্ৰতি টাইপেই ফিফা ৰেংকিঙৰ ৪০ নম্বৰত থকাৰ বিপৰীতে ভাৰত ৫৭ নম্বৰত আছে। অথচ যোৱা নিশাৰ খেলখনত ৰেংকিঙৰ কোনো প্ৰভাৱ নপৰিল। টাইপেই দলে অৱশ্যে গ’লটো পৰিশোধৰ বাবে আপ্ৰাণ চেষ্টা চলাইছিল যদিও ভাৰতৰ গ’লকীপাৰ অদিতি চৌহানক পৰাস্ত কৰিব নোৱাৰিলে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ভাৰতীয় দলে বাহৰেইনক ৫-০ গ’লত বিধ্বস্ত কৰিছিল।

## বিনা পাৰিশ্ৰমিকেৰে ভাৰতীয় দলক পৰামৰ্শ দিব ধোনিয়ে

**নিউজ ব্যুৰ’**

**মুম্বাই, ১৫ অক্টোবৰ ঃ** আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটৰ বাবে মহেন্দ্ৰ সিং ধোনিক ভাৰতীয় দলৰ পৰামৰ্শদাতাৰূপে নিয়োগ কৰা কাৰ্যক একাংশই বিৰোধিতা কৰিছিল। বহুতে স্বাৰ্থৰ সংঘাতৰো অভিযোগ তুলিছিল। অথচ ‘কেপ্টেইন কুল’ যে এই সকলোবোৰৰে ঊৰ্ধ্বত, সেই কথাই তেওঁ আকৌ এবাৰ নীৰৱে প্ৰমাণ কৰি দিলে। কোনো পাৰিশ্ৰমিক নোলোৱাকৈয়ে প্ৰাক্তন বিশ্বজয়ী অধিনায়কজনে ভাৰতীয় দলৰ পৰামৰ্শদাতাৰূপে সেৱা আগবঢ়াব। সম্প্ৰতি এই কথা স্পষ্ট কৰিছে বিচিচিআইৰ সচিব জয় শ্বাহে।

উল্লেখ্য যে ব’ৰ্ড সচিব শ্বাহৰ স’তে দীৰ্ঘ বৈঠকৰ পাছতে ধোনিয়ে উক্ত দায়িত্ব পালনৰ সন্মতি দিছিল। তেতিয়াই ধোনিয়ে শ্বাহক জনাই দিছিল যে এই কামৰ বাবে তেওঁ এটা টকাও গ্ৰহণ নকৰে। বহুতৰ মতে, ব’ৰ্ডে চৰকাৰীভাৱে কোনো ঘোষণা নকৰিলেও এটা কথা পৰিষ্কাৰ হৈছে যে বিশ্বকাপৰ মঞ্চত বৰ্তমানৰ ভাৰতীয় দল পৰিচালনা সমিতিৰ ওপৰত কিছু আস্থা কমিছে বিচিচিআইৰ। সেইবাবেই ব’ৰ্ডে ধোনিৰ ক্ৰিকেট মস্তিষ্ক তথা বিচক্ষণতাক কামত লগাব বিচাৰিছে। অথচ ধোনিক এই পদত নিয়োজিত কৰাৰ পাছতে স্বাৰ্থৰ সংঘাতৰ অভিযোগ তুলিছিল মধ্যপ্ৰদেশ ক্ৰিকেট সন্থাৰ প্ৰাক্তন কৰ্মকৰ্তা সঞ্জীৱ গুপ্তাই। বহুদিন এই বিষয়টোত নীৰৱতা অৱলম্বন কৰিলেও অৱশেষত ব’ৰ্ড সচিব শ্বাহে স্পষ্ট কৰি দিলে যে ভাৰতীয় দলৰ পৰামৰ্শ হোৱাৰ অন্তৰালত ধোনিৰ কোনো স্বাৰ্থ নাই।

শ্বাহে জনাইছে যে এইবাৰ ভাৰতীয় দলত কে’বাজনো তৰুণ খেলুৱৈক সুযোগ দিয়া হৈছে। পৰিৱেশ-পৰিস্থিতি অনুসৰি তেওঁলোকক বিশেষভাৱে পৰিচালিত কৰাৰ প্ৰয়োজন থাকিব। ধোনিৰ বিশাৰ অভিজ্ঞতা আছে আৰু টি-২০ ক্ৰিকেট তেওঁৰ হাতৰ মুঠিত। মেচৰ পৰিস্থিতি অধ্যয়নো অতুলনীয়। সেয়ে বিশ্বকাপত ধোনিৰ দৰে ডাঙৰ ‘অভিভাৱক’ আন কোনোৱেই হ’ব নোৱাৰে বুলি মন্তব্য কৰি ব’ৰ্ড সচিবজনে লগতে কয় যে দলক মৌখিকভাৱে উজ্জীৱিত কৰাৰে পৰা আৰম্ভ কৰি পীটচৰ চৰিত্ৰ বুজি ৰণকৌশল প্ৰস্তুত কৰা, পৰিস্থিতি অধ্যয়ন আদি সকলোতে ধোনিৰ পৰামৰ্শই গুৰুত্ব পাব। বহু বছৰ ধৰি ধোনিয়ে উইকেটৰ পাছফালে থিয় হৈ যিবোৰ কাম কৰিছিল, সেইবোৰেই এতিয়া দলৰ অনুশীলনৰ পৰত কৰিব বুলিও শ্বাহে কয়। অথচ এইবোৰৰ বাবে তেওঁ এটকাও গ্ৰহণ নকৰে বুলিও শ্বাহে স্পষ্ট কৰি দিয়ে।

## টি-২০ ক্ৰিকেটৰ তিনিশ মেচত নেতৃত্ব

## বিৰল কৃতিত্ব অধিনায়ক ধোনিৰ



**নিউজ ব্যুৰ’**

**ডুবাই, ১৫ অক্টোবৰ ঃ** অধিনায়কৰূপে বিশ্ব ক্ৰিকেটত বিশেষ স্থান আছে মহেন্দ্ৰ সিং ধোনিৰ। তেওঁৰ নেতৃত্বতে প্ৰথম আইচিচি টি-২০ বিশ্বকাপত খিতাপ জয় কৰিছিল ভাৰতে। ২০০৭ৰ সেই প্ৰতিযোগিতাৰ পাছত নিৰন্তৰ সাফল্য অৰ্জন কৰা ধোনিয়ে আজি স্থাপন কৰিলে এক বিৰল কৃতিত্ব। বিশ্বৰ প্ৰথম ক্ৰিকেটাৰৰূপে তিনিশখন টি-২০ মেচত অধিনায়কত্ব কৰাৰ অভিলেখ প্ৰতিষ্ঠা কৰে ধোনিয়ে। আজি চেন্নাই ছুপাৰ কিংছৰ অধিনায়কৰূপে কলকাতা নাইট ৰাইডাৰ্ছৰ বিপক্ষে আইপিএলৰ ফাইনেলত অৱতীৰ্ণ হোৱাৰ লগে লগে ধোনি এই বিৰল কৃতিত্বৰ অধিকাৰী হয়।

২০১৭ত ধোনিয়ে শেষবাৰলৈ ভাৰতীয় দলক আন্তৰ্জাতিক টি-২০ত নেতৃত্ব দিয়ে। ৭২খন আন্তৰ্জাতিক টি-২০ মেচত ভাৰতক নেতৃত্ব দি তেওঁ ৪১খনত জয়ী হোৱাৰ বিপৰীতে ২৮খনত পৰাজিত হৈছিল। আনহাতে, এখন মেচ টাই হয় আৰু দুখনৰ কোনো ফলাফল নোলাল। আইপিএলত তেওঁ চেন্নাই ছুপাৰ কিংছক ২১৩খন মেচত নেতৃত্ব দিছে। ইয়াৰ ভিতৰত ১৩০খনত জয়ী হৈছে আৰু ৮১খন পৰাজিত হয়। আইপিএলত ধোনিয়ে পুণে ছুপাৰজায়েণ্টছকো ১৪খন মেচত নেতৃত্ব দি পাঁচখনত জয়ৰ সোৱাদ পাইছিল। উল্লেখ্য যে বিশ্বত সৰ্বাধিক টি-২০ মেচত নেতৃত্ব দিয়াৰ অভিলেখো ধোনিৰ দখলতে আছে। ২০৮খন মেচত নেতৃত্ব দি দ্বিতীয় স্থানত আছে ৱেষ্টইণ্ডিজৰ ডাৰেন ছেমী।



মানচেষ্টাৰ ইউনাইটেডৰ ষ্টেডিয়ামত তাৰকা ক্ৰিকেটাৰ যশপ্ৰীত বুমৰাহ।

## উবেৰ কাপত ভাৰতীয় মহিলাৰ পৰাজয়

**নিউজ ব্যুৰ’**

**আৰুছ (ডেনমাৰ্ক), ১৫ অক্টোবৰ ঃ** ডেনমাৰ্কত চলি থকা মহিলাৰ উবেৰ কাপ বেডমিণ্টনৰ পৰা বিদায় ল’লে ভাৰতৰ মহিলা দলে। অৱশ্যে একেলগে চলি থকা থমাছ কাপত ভাৰতৰ পুৰুষ দলে গ্ৰুপৰ অন্তিম খেলত পৰাজয় বৰণ কৰিলেও কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী পি ভি সিন্ধুৰ অনুপস্থিতি আৰু ছাইনা নেহৱালৰ আঘাতৰ বাবে ভাৰতৰ মহিলা দলটো কিছু পৰিমাণে দুৰ্বল হৈ পৰে। কালিৰ অন্তিম গ্ৰুপ মেচত জাপানে ভাৰতক ৩-০ৰ ব্যৱধানত পৰাজিত কৰে। প্ৰথম ছিংগলছত বিশ্বৰ পঞ্চম স্থানপ্ৰাপ্ত জাপানী তাৰকা আকানে য়ামাগুচিয়ে ভাৰতৰ মালৱিকা বানছ’ড়ক ২১-১২, ২১-১৭ পইণ্টত হৰুৱায়। ইয়াৰ পাছতে জাপানৰ যুকি ফুকুশ্বিমা আৰু মায়ু মাট্‌ছুম’ট’ৰ যুটিয়ে ভাৰতৰ তানিছা কাষ্ট্ৰ’ আৰু ৰুতুপৰ্ণা পাণ্ডাক ২১-৮, ২১-১০ পইণ্টত হৰুৱাই বিজয় নিশ্চিত কৰে। আনহাতে, দ্বিতীয়খন ছিংগলছ মেচতো ভাৰতৰ অদিতি ভাট জাপানৰ ছায়াকা তাকাহাছিৰ বিপক্ষে ১৬-২১, ৭-২১ পইণ্টত পৰাজিত হয়।

# বিশ্বকাপৰ পাৰপত্ৰ প্ৰায় নিশ্চিত ব্ৰাজিলৰ

## আৰ্জেণ্টিনাৰ কষ্টকৰ জয় ঃ সম্ভাৱনা কঠিন হ’ল উৰুগুৱেৰ

**নিউজ ব্যুৰ’**

**ছাও পাওল’, ১৫ অক্টোবৰ ঃ** দুৰ্দান্ত প্ৰদৰ্শনেৰে আগন্তুক কাতাৰ বিশ্বকাপলৈ যোগ্যতা অৰ্জন প্ৰায় নিশ্চিত কৰিলে ব্ৰাজিলে। প্ৰাক্তন চেম্পিয়ন দলটোৱে যোৱা নিশা দক্ষিণ আমেৰিকা মণ্ডলৰ এখন যোগ্যতা অৰ্জনকাৰী পৰ্বৰ খেলত উৰুগুৱেক ৪-১ গ’লত বিধ্বস্ত কৰে। আনহাতে, কোপা আমেৰিকাৰ চেম্পিয়ন আৰ্জেণ্টিনাই পেৰুক ১-০ গ’লত পৰাজিত কৰিবলৈ কিছু সংগ্ৰাম কৰিবলগীয়া হ’ল বিশ্বকাপৰ মূল পৰ্বৰ পথ সুগম কৰি ৰাখিলে। ইয়াৰ বিপৰীতে বিশ্বকাপৰ মূল পৰ্বৰ পথ কণ্টকময় হৈ পৰিল উৰুগুৱেৰ বাবে।

কালিৰ লীগ মেচতো ব্ৰাজিলে দমনীয় প্ৰদৰ্শন অব্যাহত ৰাখিবলৈ সক্ষম হয়। খেলৰ ১০ মিনিটতে গ’ল দি দলক আগুৱাই নিয়ে নেইমাৰে। ইয়াৰ পাছতে দুটা গ’ল দি বিজয় প্ৰায় নিশ্চিত কৰে ৰাফিনহাই। লুইছ ছুৱাৰেজে গ’ল দি ব্যৱধান হ্ৰাস কৰিছিল যদিও খেলত ৮৩ মিনিটত গেব্ৰিয়েল বাৰব’ছাই ব্ৰাজিলৰ হৈ চতুৰ্থটো গ’ল দিয়ে। ইয়াৰ বিপৰীতে কালিৰ আন এখন খেলত আৰ্জেণ্টিনাৰ হৈ বিশেষ চমক সৃষ্টি কৰিব নোৱাৰিলে মেছিয়ে। একেৰাহে দুখন মেচত তেওঁ গ’ল দিব পৰা নাই। খেলৰ অধিকাংশ সময় আৰ্জেণ্টিনাৰ বিপক্ষৰ শিবিৰত ধাৰাবাহিক আক্ৰমণ চলাইছিল যদিও পেৰুৰ ৰক্ষণ ভেদ কৰিব পৰা নাছিল। অৱশেষত খেলৰ ৪৩ মিনিটত লাউটাৰ’ মাৰ্টিনেজে আৰ্জেণ্টিনাৰ হৈ জয়সূচক গ’লটো দিলেও দলটোৱে পৰৱৰ্তী সময়ত ব্যৱধান বৃদ্ধি কৰাত ব্যৰ্থ হয়।

এই মুহূৰ্তত দক্ষিণ আমেৰিকাৰ মণ্ডলৰ যোগ্যতা অৰ্জনকাৰী পৰ্বৰ তালিকাৰ শীৰ্ষত আছে ব্ৰাজিল। ১১খন মেচত দলটোৱে ৩১ পইণ্ট সংগ্ৰহ কৰিছে। সমসংখ্যক খেলৰ পৰা আৰ্জেণ্টিনাই ২৫ পইণ্ট সংগ্ৰহ কৰি দ্বিতীয় স্থানত আছে। ইকুৱেড’ৰ তৃতীয় আৰু কলম্বিয়া চতুৰ্থ স্থানত আছে। আনহাতে, পইণ্ট তালিকাৰ পঞ্চম স্থানত থকাৰ বাবে উৰুগুৱেৰ বাবে পোনপটীয়াকৈ মূল পৰ্বত যোগ্যতা অৰ্জনৰ ক্ষেত্ৰত প্ৰশ্নচিহ্ন লাগি পৰিছে। লীগৰ শেষলৈ পঞ্চম স্থানতে থাকিলে দলটোৱে ওছেনিয়া মণ্ডলৰ বিজয়ীৰ বিপক্ষে প্লে-অফ মেচ খেলিব লাগিব।



## বিশ্বকাপৰ দলত অক্ষৰৰ পৰিৱৰ্তে শাৰ্দুল ঠাকুৰ

**নিউজ ব্যুৰ’**

**মুম্বাই, ১৫ অক্টোবৰ ঃ** চেন্নাই ছুপাৰ কিংছৰ হৈ চলিত আইপিএলত উন্নত প্ৰদৰ্শনৰ পুৰস্কাৰ পালে অলৰাউণ্ডাৰ শাৰ্দুল ঠাকুৰে। স্পীনাৰ অক্ষৰ পেটেলৰ পৰিৱৰ্তে শাৰ্দুলক মূল ১৫জনীয়া দলত অন্তৰ্ভুক্ত কৰা হ’ল। ইয়াৰ পূৰ্বে তেওঁক অতিৰিক্তৰ তালিকাত ৰখা হৈছিল। শাৰ্দুল মূল দলত সোমোৱাত অক্ষৰ অতিৰিক্তৰ তালিকাত সোমাই পৰিল। আগন্তুক বিশ্বকাপত হাৰ্দিক পাণ্ড্যিাক বলাৰৰ ৰূপত পোৱা নাযাব পাৰে। আঘাতৰ বাবে হাৰ্দিকে এইবাৰৰ আইপিএলতো বলিং কৰিব নোৱাৰিলে। সেয়ে পেচবলিং অলৰাউণ্ডাৰৰ দায়িত্ব পালন কৰিব পাৰিব শাৰ্দুলে। এইবাৰৰ আইপিএলত তেওঁ ফাইনেলৰ আগলৈক ১৫খন খেলত ১৮টা উইকেট দখল কৰিছে। ইয়াৰ উপৰি বেট হাতত লৈও তেওঁ গুৰুত্বপূৰ্ণ সময়ত দলক ভৰসা যোগাবলৈ সক্ষম হৈছে।

## কাছমাৰী ফুটবলৰ প্ৰি-কোৱাৰ্টাত পাঘালি

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ কাছমাৰী আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত আয়োজিত প্ৰাইজমানি ফুটবলৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে মৰিগাঁও জিলাৰ পাঘালি এফ চি। আজিৰ খেলত পাঘালিয়ে শিমলুগুৰি ফুটবল ক্লাবক ৩-০ গ’লত পৰাজিত কৰে। পাঘালিৰ হৈ যদু বৰদলৈয়ে দুটা আৰু ধ্ৰুৱ ডেকাই এটা গ’ল দিয়ে। খেল পৰিচালনা কৰাত ৰেফাৰী বিপ্লৱ কোঁৱৰক সহায় কৰে বিষ্ণু বৰদলৈ, সমীৰ বৰদলৈ আৰু কণ্ঠী ৰাজাই। কাইলৈ কপাহেৰা ফুটবল দলে কটহগুৰি এফ চিৰ বিপক্ষে খেলিব বুলি আয়োজক সমিতিৰ সভাপতি স্বৰূপ ডেকাই জনাইছে।

## পুনৰ ভাৰতীয় দলৰ অস্থায়ী প্ৰশিক্ষক হ’ব ৰাহুল দ্ৰাৱিড়



**নিউজ ব্যুৰ’**

**মুম্বাই, ১৫ অক্টোবৰ ঃ** পুনৰ ভাৰতৰ জ্যেষ্ঠ ক্ৰিকেট দলৰ অস্থায়ী প্ৰশিক্ষকৰূপে দেখা পোৱা যাব পাৰে ৰাহুল দ্ৰাৱিড়ক। কিংবদন্তি ক্ৰিকেটাৰজনে শেহতীয়া শ্ৰীলংকা ভ্ৰমণত ভাৰতৰ দ্বিতীয় শাৰীৰ দলটোৰ প্ৰশিক্ষকৰ দায়িত্ব লৈছিল। অহা টি-২০ বিশ্বকাপৰ পাছতে নিউজিলেণ্ডৰ বিপক্ষে খেলিবলগীয়া শৃংখলাতো তেওঁক পুনৰ একে দায়িত্বত দেখা পোৱাৰ সম্ভাৱনা আছে।

বিশ্বকাপৰ পাছতে ভাৰতৰ মুখ্য প্ৰশিক্ষক ৰবি শাস্ত্ৰীয়ে দায়িত্ব এৰিব। তেতিয়াই শাস্ত্ৰীৰ চুক্তিৰ ম্যাদ সম্পূৰ্ণ হ’ব যদিও তেওঁ ম্যাদ বৃদ্ধি কৰিবলৈ ইচ্ছুক নহয় বুলি ইতিমধ্যে জনাইছে। অথচ ভাৰতীয় দলৰ পৰৱৰ্তী মুখ্য প্ৰশিক্ষক নিৰ্বাচনৰ প্ৰক্ৰিয়া এতিয়াও আৰম্ভ হোৱা নাই। এই কামৰ বাবে বিচিচিআইক কিছু সময়ৰ প্ৰয়োজন হ’ব। অথচ টি-২০ বিশ্বকাপৰ ফাইনেলৰ পাছৰ এসপ্তাহৰ ভিতৰতে ভাৰতীয় দলে নিউজিলেণ্ডৰ বিপক্ষে খেলিব লাগিব। উল্লেখ্য যে বিৰাট কোহলিৰ নেতৃত্বত ভাৰতীয় দল ইংলণ্ডত ব্যস্ত থকাৰ সময়তে শিখৰ ধৱনৰ নেতৃত্বত আন এটা দলে সীমিত অভাৰৰ শৃংখলাৰ বাবে শ্ৰীলংকা ভ্ৰমণ কৰিছিল। তেতিয়াই দ্ৰাৱিড়ক অস্থায়ী প্ৰশিক্ষকৰূপে শ্ৰীলংকালৈ প্ৰেৰণ কৰা হৈছিল।

## বিলাসনন্দন চ'ৰা



# হঠাৎ মহিষৰ ফোন

**ক'ভিড** প্ৰট'কল সাংঘাতিকভাৱে পালন কৰি পূজাখন শেষ হ'ল। এইবাৰ পূজাত মানুহবোৰে কিবা মানিছে নে নাই সেয়া বেলেগ কথা, বতৰেও কিন্তু একেবাৰে প্ৰট'কল মনা নাই দেই। শৰৎ কালত যি জুন-জুলাইৰ গৰমে জোল বোৱাই দিছে, সেয়া দেখাৰ পাছত বহুতে কৈছে যে শৰতৰো চাগে পজিটিভ হৈছে। অক্সিজেন লৈ পৰি আছে, গতিকে আহিব পৰা নাই। গাতে গা লগাই পূজা উপভোগ কৰি মাস্ক নথকা মুখখনেৰে সকলোৰে ক'বলৈ লৈছে যে পূজাটো ভালে ভালে গ'ল, পূজাৰ পাছৰখিনি কিমান ভালকৈ যায় সেয়া এতিয়াও ধৰিব পৰা হোৱা নাই। আমাৰ দেৱ-দেৱীসকলেও নিজৰ নিজৰ জাগালৈ গ'ল। যাবলৈ গাড়ী পোৱা নাছিল। পাছত মহিষেই এম্বুলেন্স এখনকে গাড়ী কৰি আটাইকে উঠাই লৈ গুচি গ'ল।

হঠাতে হাস্পতালত মেইন ডাক্তৰ এজনৰ ফোনটো বাজি উঠিল। ডাক্তৰে ফোনটো ধৰিলে। আজি-কালি ডাক্তবোৰৰো অলপ ভয় হৈছে। কাৰ ফোন ধৰি, কাৰ লগত কেনেকৈ ফচি, কাক কেনেকৈ আই চি ইউত ভৰাই নিজে থানাত বহি ডিঙি শুকাই মৰিব লগা হয়, তাৰ একো ঠিকনা নাই।

ডাক্তৰে ফোনটো ধৰি ক'লে—'হেল্ল'!

ঃ অ' হেল্ল'!

ঃ ক'ৰ পৰা কৈছে?

ঃ কৈলাসৰ পৰা।

ঃ কৈলাস নগৰ নেকি?

ঃ নহয়।

ঃ কৈলাসপুৰ?

ঃ নহয়।

ঃ কৈলাসপাৰা?

ঃ নহয়।

ঃ কৈলাসধাম?

ঃ নহয় নহয়!

ঃ কৈলাসগাঁও নেকি?

ঃ নহয়হে! একেবাৰে অৰজিনেল কৈলাস!

ঃ ডাক্তৰে চক্ খাই উঠিল—'কোনে কৈছে?'



ঃ মহিষে কৈছো।

ঃ কোন মহিষ?

ঃ অসুৰটো যে!

ঃ আমাৰ ইয়াত বহু অসুৰ আছে। আটায়ে বাই-ইলেকছনত ব্যস্ত।

ঃ নহয়হে! মই আচল অসুৰ।

ঃ কোনটো অসুৰ?

ঃ দেৱীয়ে বধ কৰাটো?

ঃ দেৱীয়ে বধ কৰাৰ পাছত আপুনি কেনেকৈ জিন্দা আছেহে!

ঃ ধেৎ! সেইবোৰ একটিংহে কৰিছো।

ঃ কিয় ফোন কৰিছে?

ঃ ডাঙৰ কথা এটা হৈছে।

ঃ কি হৈছে? দেৱীৰ ত্ৰিশূলৰ ঘাটো শুকুৱা নাই নেকি?

ঃ নাই। সেইবোৰ নহয়।

ঃ তেন্তে?

ঃ কৰ'না হৈছে।

ঃ কাৰ?

ঃ দেৱীৰ হোল ফেমিলীৰ।

ঃ আপোনাৰ?

ঃ নাই হোৱা।

ঃ আপুনি কেনেকৈ সাৰি গ'ল?

ঃ মই ভেকচিন লৈছো।

ঃ কেতিয়া ল'লে?

ঃ পূজাৰ আগতেই লৈছো। মিনিষ্টাৰে নিজে মতাই আনি দিছে। আমি চেফ থাকিলেহে বোলে সিহঁত চেফ থাকিব।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# আব্দুলৰ সূৰুযমুখী স্বপ্ন

**ভাল** লাগিল আব্দুল তালেবৰ কথা শুনি। বৃত্তিত তেওঁ এজন দৰ্জী। ৩৫ বছৰীয়া আব্দুল তালেবৰ চুটি আৰু ক্ষীণ চেহেৰাৰ। সদায় সৰু মাতেৰে কথা কয়। কোনো উচ্চ বাচ্য নাই। নিজকে কেতিয়াও ভাল দৰ্জী বুলি প্ৰতীয়মান কৰিব বিচৰা নাই। অথচ অঞ্চলটোৰ গ্ৰাহকসকলে তেওঁৰ দ্বাৰা কাপোৰ চিলাবলৈ কাৰখানাত ভিৰ কৰে। অৱশ্যে তেওঁ আই আই টি প্ৰশিক্ষণপ্ৰাপ্ত। সেয়ে আধুনিক ডিজাইনৰ স'তে পৰিচিত। আজিৰ গ্ৰাহকৰ ৰুচিবোধ ভালদৰে বুজি পায়। আব্দুল তালেবৰৰ দৰ্জীৰ দোকান (কাৰখানা)খন কইনাধৰাত। হিন্দু সমাজৰ প্ৰায়বোৰ আচাৰ-অনুষ্ঠানত তেওঁক নিমন্ত্ৰণ কৰে। তেওঁ হাঁহিমুখে যোগদান কৰাৰ উপৰি প্ৰয়োজন হ'লে ইটো-সিটো কৰিও দিয়ে।

এনেকৈয়ে আব্দুল তালেবৰে কইনাধৰা অঞ্চলত ৰূম এটা ভাড়াত লৈ ২০০০ৰ পৰা নিজৰ ব্যৱসায় সুন্দৰভাৱে চলাই আছে।

আব্দুলৰ জন্ম বৰপেটা জিলাত। তাতেই শৈশৱ, কৈশোৰ পাৰ কৰি ২০১৫ত গুৱাহাটীৰ লালমাটিত অলপ মাটি কিনি থাকিবলৈ লয়। আৰামদায়ক চৰকাৰী চাকৰিৰ প্ৰতি সকলো শিক্ষিত-অশিক্ষিত যুৱক-যুৱতীৰে লোভ থাকে। সেই লোভ, দুৰ্বলতা আব্দুল তালেবৰো আছিল, কিন্তু আব্দুলে জানিছিল তেওঁৰ বাবে



চৰকাৰী চাকৰি লোৱাটো বৰ সহজ কাম নহ'ব। সেয়েহে তেওঁ চৰকাৰী চাকৰিৰ আশা সম্পূৰ্ণ ৰূপে বাদ দি দৰ্জীৰ কাম শিকি ল'লে। এই বৃত্তিৰে তেওঁ এতিয়া সম্পূৰ্ণ স্বাৱলম্বী। গুৱাহাটীৰ দৰে ঠাইত এটুকুৰা মাটি, পত্নী আৰু দুজনী ছয় আৰু তিনি বছৰীয়া ছোৱালী।

আব্দুল ইয়াতকৈ বেছি আৰু নালাগে, অৱশ্যে তেওঁৰ সপোন আছে। দৰ্জী বৃত্তিৰে তেওঁৰ সংসাৰখন সুন্দৰভাৱে চলাই নিয়াৰ। তেওঁৰ কাৰখানাত আৰু দুজন কৰ্মী আছে। তেওঁলোকৰো সংসাৰ আব্দুলৰ বাবেই চলি আছে। অৱশ্যে ক'ভিডৰ সময়ত নমাহমান বন্ধ হোৱাত আন সকলৰ দৰে আব্দুল তালেবৰৰ জীৱনলৈও দুৰ্যোগ নামি আহিবলৈ ধৰিছিল কিন্তু তেওঁৰ ভাগ্য সুপ্ৰসন্ন আছিল। হেলথ চিটি নামৰ নাৰ্ছিংহোমখনত দৰ্জীৰ এটা নিয়মীয়া কাম পাই গ'ল। এতিয়া তেওঁ তাত কাম কৰাৰ উপৰি আজৰি সময়ত সময়ৰ অপব্যয় নকৰি নিজৰ কাৰখানাটোও চলাই আছে। এনেকৈ মাহেকত ৩০ হেজাৰমান টকা উপাৰ্জন কৰে। এই উপাৰ্জনৰ ধাৰাবাহিকতা তেওঁ সদায় অক্ষুণ্ণ ৰাখিব বুলি আমাৰ আগত ব্যক্ত কৰে। এয়া তেওঁৰ সুৰুজমুখী স্বপ্ন। তেওঁৰ আৰু অধিক উন্নতি কামনা কৰিলো।

■ ফণীধৰ পাঠক

# দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি পবিতৰা অভয়াৰণ্য

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ১৫ অক্টোবৰ ঃ** এক উদুলি-মুদুলি পৰিৱেশৰ মাজত আজি দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হয় পবিতৰা অভয়াৰণ্য। ২০২১-২২ৰ বাবে পুৱাৰ ভাগত অভয়াৰণ্যখনৰ দ্বাৰ মুকলি কৰে জাগীৰোডৰ বিধায়ক তথা জলসম্পদ, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই। এই লৈ অভয়াৰণ্যখনৰ এলিফেণ্ট ৰাইডিং পইণ্টত আয়োজন কৰা হয় পবিতৰা মুকলিৰ এক কাৰ্যসূচী। কাৰ্যসূচীত অসম চৰকাৰৰ বন বিভাগৰ অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক সত্যেন্দ্ৰ সিং, মৰিগাঁৱৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, বন বিভাগৰ কে'বাগৰাকী শীৰ্ষ বিষয়াৰ লগতে মায়ঙৰ পৰম্পৰাগত ৰজা তৰণিকান্ত



সিংহ উপস্থিত থাকে। দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰাৰ দিনটোতে প্ৰায় অৰ্ধ শতাধিক পৰ্যটক উপস্থিত হয় পবিতৰাত। পবিতৰাৰ লগতে মায়ঙৰ চনকাতো আছে পৰ্যটকৰ আকৰ্ষণৰ বহু সমল। ক'ভিড পৰিস্থিতিৰ মাজতো বিগত বৰ্ষত পবিতৰালৈ আগমন ঘটিছিল প্ৰায় ২২ হেজাৰ দেশী-বিদেশী পৰ্যটক। য'ৰ পৰা পবিতৰা অভয়াৰণ্যই লাভ কৰিছিল প্ৰায় ৩৫ লাখ টকাৰ ৰাজহ। এইবেলি যিহেতু ক'ভিডৰ পৰিস্থিতি কিছু উন্নত হৈছে, সেয়ে বিগত বৰ্ষৰ তুলনাত অধিক পৰ্যটকৰ আগমন ঘটিব বুলি আশা প্ৰকাশ কৰিছে পবিতৰা কৰ্তৃপক্ষই। ইতিমধ্যে ১০টা হাতী আৰু ২০খন জীপ ছাফাৰী পৰ্যটকৰ বাবে সাজু কৰি তুলিছে পবিতৰা অভয়াৰণ্য কৰ্তৃপক্ষই।



*মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি উপলক্ষে ভাগৱত লৈ উলিওৱা শোভাযাত্ৰা, মহানগৰীত শুকুৰবাৰে।*

# শিৱসাগৰৰ দৌল্লা পৰিয়াল মহাঅষ্টমী পূজাৰ নৈবেদ্য প্ৰদান



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১৫ অক্টোবৰ ঃ** আস্থা আৰু ভক্তিৰ প্ৰতীক শিৱসাগৰৰ দেৱী দৌলৰ আন এক সম্প্ৰীতিৰ পৰম্পৰা আছে। প্ৰতি বছৰে দুৰ্গা পূজাৰ নৈবেদ্যৰ এক অংশ মুছলমান দৌল্লা পৰিয়াললৈ আগবঢ়োৱা হয়। দৌল প্ৰতিষ্ঠাৰ কালৰে পৰা শিৱসাগৰৰ দৌল্লা পৰিয়ালৰ পূৰ্বপুৰুষে দেৱী দৌলত ঢাক বজাই আহিছিল। ফলত তেতিয়াৰে দিনতে দৌল্লা পৰিয়ালে দুৰ্গা পূজাৰ ভাগ লাভ কৰিছিল। পৰৱৰ্তী সময়ত দৌলত ঢাক বজোৱাৰ পৰম্পৰা নাইকিয়া হয় যদিও দৌল্লা পৰিয়ালে পূজাৰ ভাগ পোৱাৰ পৰম্পৰা অব্যাহত থাকিল। বিগত দিনত দেৱীলৈ বুলি আগবঢ়োৱা ছাগলী দৌল্লা পৰিয়াললৈ প্ৰদান কৰা হৈছিল যদিও আজিৰ দিনত এক নৈবেদ্যৰ শৰাই আগবঢ়ায়। প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি চলি অহা এই সম্প্ৰীতিৰ নিদৰ্শনত এইবাৰ দৌল্লা পৰিয়ালৰ আন এক নতুন প্ৰজন্মই অংশ গ্ৰহণ কৰে। বহু বছৰ ধৰি দৌলৰ পূজাৰ ভাগ গ্ৰহণ কৰি অহা দৌল্লা পৰিয়াল জ্যেষ্ঠ মণিৰুদ্দ দৌল্লাৰ মৃত্যুৰ পাছত তেওঁ পাছৰ প্ৰজন্মই এইবাৰ ৰক্ষা কৰে এই পৰম্পৰা। দৌল্লা পৰিয়ালৰ নতুন প্ৰজন্ম মিলি দৌল্লাই দৌল উন্নয়ন সমিতিৰ পৰা দেৱীলৈ আগবঢ়োৱা অষ্টমীৰ প্ৰসাদ গ্ৰহণ কৰে। দৌল পৰিয়ালৰ নতুন প্ৰজন্ম মিলি দৌল্লাই দৌল উন্নয়ন সমিতিৰ পৰা দেৱীলৈ আগবঢ়োৱা অষ্টমীৰ প্ৰসাদ গ্ৰহণ কৰে। দৌল সমিতিক এই পৰম্পৰা অব্যাহতৰখাৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে নতুন প্ৰজন্মই এনে পৰম্পৰা সন্দৰ্ভত জ্ঞাত হৈ ইতিহাসক সোঁৱৰ কৰা উচিত বুলি তেওঁ কয়। ধৰ্মীয় পৰিয়ালৰ লগতে পৰম্পৰা অনুসৰি বৰপাত্ৰ গোহাঁই পৰিয়াললৈ দৌৰ উন্নয়ন সমিতিয়ে প্ৰসাদৰ শৰাই আগবঢ়ায়। ধৰ্মীয় বিশ্বাসৰ মাজত শান্তি আৰু সম্প্ৰীতিৰ শতিকা পুৰণি পৰম্পৰা এইবাৰ দুৰ্গা পূজাত নতুন প্ৰজন্মৰ দ্বাৰা আৰম্ভ হ'ল। আৰম্ভ হ'ল প্ৰেমৰ এক নতুন যাত্ৰা। এই যাত্ৰাৰ সাক্ষী হ'ল ইতিহাস। ইপিনে, মহাঅষ্টমীৰ দিনা শিৱসাগৰৰ ঐতিহাসিক দেৱী দৌলত ভক্তৰ ভিৰ হয়। আহোম ৰাজত্বকালত স্থাপন কৰা এই শক্তিপূজাৰ কেন্দ্ৰত নিজ নিজ আশা-মনোকামনা পূৰণ কৰাৰ অৰ্থে দেৱীৰ আগত সেৱা লয় এইসকল ভক্তই। তিনিশ বছৰ পুৰণি দেৱী দলৰ এক নিজস্ব গুৰুত্ব আৰু গৰিমা আছে। ভক্তৰ মাজত আছে বিশ্বাসৰ প্ৰতিষ্ঠা। ফলত শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে আন আন বহু ঠাইৰ পৰা মহাঅষ্টমীৰ দিনা হেজাৰ হেজাৰ ভক্তই দেৱী দৌলত ভিৰ কৰে। পুৰণি দিনত মহাঅষ্টমীত এই দৌলত মহ বলিও দিয়া হৈছিল যদিও আজিলি ছাগলী-হাঁহ আদি দেৱীলৈ আগবঢ়োৱা হয়। এইবাৰ হাতে হাতে হাঁহ-ছাগলী লৈ দেৱীৰ আগত সেৱা ল'লে ভক্তই। আনহাতে, অষ্টমীৰ দিনটোত শিৱসাগৰৰ ঐতিহাসিক দেৱী দৌলত পূজা আগবঢ়াবলৈ আহি পোৱা অসুবিধাৰ বাবে ক্ষোভ উজাৰিলে একাংশ ভক্তই।

### শিৱসাগৰত এখন ব্যতিক্ৰমী দুৰ্গা পূজা

এইবাৰ শিৱসাগৰ নগৰৰ এখন মিনি পূজাই দৃষ্টি আকৰ্ষণ কৰিলে ভক্তৰ। কণ কণ কেইটামান শিশুৰ এমাহৰ পৰিশ্ৰম আৰু চেষ্টাৰ অন্তত এইখন পূজা সম্পন্ন হয়। শিৱসাগৰৰ জমুনাৰোডৰ নিবাসী কেইটিমান শিশুৱে কে'বামাহ জোৰা প্ৰচেষ্টাৰে আয়োজন কৰিলে পোনপ্ৰথমবাৰৰ বাবে এখন দুৰ্গা পূজা। উল্লেখ্য যে কৰ'নাৰ বাবে হঠাৎ স্থবিৰ হৈ পৰে শিশুসকলৰ শৈক্ষিক জীৱন। বন্ধ কোঠালিত আৱদ্ধ শৈশৱে শিশুসকলক ডিজিটেল পৃথিৱীখনৰ কাষ চপাই লৈ গ'ল বহু পৰিমাণে। সমনীয়াৰ স'তে আজৰি সময়ত ধূলি বালি খেলাৰ বিপৰীতে ইণ্টাৰনেটৰ পৃথিৱীত ভ্ৰমণ ফুৰিছে আজিৰ শিশু। এনে পৰিস্থিতিৰ বিপৰীতে এইকেইজন শিশুৱে স্তব্ধ পৃথিৱীক এক গতি প্ৰদান কৰৰি বৰ বাবে মনস্থ কৰিলে এখন পূজাৰ। এটি সৰু মণ্ডপত দুৰ্গাৰ প্ৰতিমা স্থাপন কৰি প্ৰথমদিনাৰ পৰাই পুৱা গধূলি বিধি সন্মতভাৱে সেৱা পূজা-অৰ্চনা কৰি আহিছে হলিনেইম স্কুলৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ বৈভৱ দাস (১৩)। দিচাং ধাই আলি হাইস্কুলৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ নয়নজ্যোতি দাস (১২), হলিনেইম স্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ নিজান হাজৰিকা (১১), গ্ল'ধূলা ব্ৰাউন মেম'ৰিয়েল ইংলিছ স্কুলৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰী কৃত্তিকা দাস (৮) এক নম্বৰ টাউন প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ গৌৰৱ দাস (৯) আৰু ২৩ নম্বৰ আখৈফুটীয়া বালক বিদ্যালয়ৰ ছয় বছৰীয়া ছাত্ৰ নেকি দাসে।

# ই-ৰিক্সাত উঠি পূজা চাবলৈ গ'ল প্ৰদেশ কংগ্ৰেছৰ সভাপতি

## ■ মৰিয়নিত মূল্যবৃদ্ধিৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ১৫ অক্টোবৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে মূল্যবৃদ্ধিৰ বিৰুদ্ধে মৰিয়নিত এক অভিনৱ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শাৰদীয় দুৰ্গোৎসৱৰ মহানৱমীৰ দিনা প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বত মৰিয়নিত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। মৰিয়নি নগৰৰ তিনি নম্বৰ ৱাৰ্ডত অৱস্থিত মৰিয়নিৰ কংগ্ৰেছ ভৱনৰ পৰা ই-ৰিক্সাত উঠি মৰিয়নি নগৰৰ ধোদৰ আলি পূজাথলীলৈ যায় প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাই। পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত ই-ৰিক্সাত উঠি পূজা চাবলৈ যায় প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে। ই-ৰিক্সাৰ চালকৰ ৰূপত থাকে প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামী। মৰিয়নিৰ উপ-নিৰ্বাচনৰ কংগ্ৰেছ প্ৰাৰ্থী লোহিত কোঁৱৰ (অভিজিত), যোৰহাট জিলা কংগ্ৰেছৰ সভাপতি দ্বীপ গগৈ আৰু তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনক সংগ দিয়ে। ই-ৰিক্সাত এটা গেছ চিলিণ্ডাৰ বান্ধি লৈ ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদ জনায়। মূল্যবৃদ্ধিৰ প্ৰতিবাদত ই-ৰিক্সাখনত ওলমাই লয়, পিঁয়াজ, আলু, মিঠাতেল আদিৰ মালা। আনহাতে, প্ৰদেশ কংগ্ৰেছৰ উদ্যোগত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে বিজেপি বিৰোধী শ্ল'গান দিয়ে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাই বিজেপি চৰকাৰক সমালোচনা কৰে। তেওঁ কয়, 'কৰ'নাই বিধ্বস্ত কৰি থৈ যোৱা অসমৰ



জনসাধাৰণৰ মুৰত বিজেপি চৰকাৰে এতিয়া মূল্যবৃদ্ধিৰ নামত ৰাম টাঙোন শোধাইছে।' অসমৰ জনসাধাৰণে মূল্যবৃদ্ধিত ককবকাই থকাৰ সময়ত তাৰ পৰা পৰিত্ৰাণৰ ব্যৱস্থা কৰাৰ বিপৰীতে বিজেপিৰ নেতা-মন্ত্ৰীসকলে উদ্ভট মন্তব্য প্ৰকাশ কৰি অসমবাসীক উপলুঙাহে কৰিছে বুলি লগতে মন্তব্য কৰে। বিজেপিক কটাক্ষ কৰি কংগ্ৰেছ নেতাজনে কয় যে নিৰ্বাচনৰ আগতে বিজেপিয়ে কোৱা ১০০ প্লাছৰ অৰ্থ এতিয়াহে অসমবাসীয়ে বুজিছে। বিজেপিৰ ১০০ প্লাছৰ অৰ্থ আছিল পেট্ৰ'লৰ প্ৰতি লিটাৰত ১০০ প্লাছ। এতিয়া পেট্ৰ'লৰ প্ৰতি লিটাৰত ১০০ প্লাছ হোৱাৰ লগতে ডিজেলৰো ১০০ প্লাছ হ'বলৈ গৈ আছে। আনহাতে, এই মূল্যবৃদ্ধিৰ বিৰুদ্ধে কংগ্ৰেছ দলে প্ৰতীকী প্ৰতিবাদ কৰাৰ পাছত ৰাজ্য চৰকাৰে কংগ্ৰেছক মূল্যবৃদ্ধি ৰোধ কৰাৰ পৰিৱৰ্তে উপলুঙা মন্তব্য দিয়াত প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে মূল্যবৃদ্ধি ৰোধ নোহোৱালৈকে কংগ্ৰেছ দলে সমগ্ৰ অসমতে আন্দোলন চলাই যাব বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে মন্তব্য কৰে। বিজেপিক আক্ৰমণ কৰি ভূপেন বৰাই কয়, 'অসমৰ ৰাজনীতিৰ ক্ষেত্ৰখনত কমেডী শ্ব'লৈ পৰিণত কৰিছে বিজেপিয়ে।' ইফালে, মৰিয়নিৰ প্ৰাক্তন বিধায়ক ৰূপজ্যোতি কুৰ্মীক সমালোচনা কৰি কয়, 'বিজেপিয়ে অসমৰ ৰাইজক ঠগি আহিছে। কুৰ্মীয়েও এতিয়া সেই ঠগবাজীৰ দলতেই মূৰ গুজিছে। অৰ্থাৎ কুৰ্মীৰ যোগেদি এইবাৰ মৰিয়নিবাসীক ঠগিব বিজেপিয়ে।' ৰূপজ্যোতিক অধিক আক্ৰমণ কৰি কয়, 'বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে এসময়ত ৰূপজ্যোতি কুৰ্মীক পাগল আখ্যা দিছিল।' কিন্তু এতিয়া সেই পাগলকেই বিজেপিয়ে আঁকোৱালি লৈ কি অৰ্থ বহন কৰিছে তাক ৰাইজে ভালদৰেই বুজিছে বুলি মন্তব্য কৰে। ইফালে, নৰেন্দ্ৰ মোদীক অশালীন ভাষাৰে গালি পৰা কুৰ্মীক পুৰণা আৰু নিষ্ঠাবান বিজেপি কৰ্মীসকলে কিদৰে আদৰি ল'ব সেয়াও এক বিচাৰ্যৰ বিষয় বুলি বৰাই মন্তব্য কৰে। মৰিয়নি সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী লোহিত কোঁৱৰ (অভিজিত)ক বিজয়ী কৰাবলৈও মৰিয়নিবাসীৰ প্ৰতি প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে আহ্বান জনায়। প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে ৰূপজ্যোতি কুৰ্মীৰ দুটা পুৰণি ভিডিঅ' সংবাদ কৰ্মীসকলক প্ৰদান কৰে য'ত ৰূপজ্যোতিয়ে প্ৰধানমন্ত্ৰী মোদীকে ধৰি বিজেপিৰ নেতা-মন্ত্ৰীসকলক গালি পাৰিছিল। প্ৰতিবাদী কাৰ্যসূচীত যোৰহাট জিলা কংগ্ৰেছৰ লগতে বাঘচোং আৰু পূব যোৰহাট ব্লক কংগ্ৰেছ, মহিলা কংগ্ৰেছ আদিৰ বিষয়ববীয়া আৰু সদস্যসকলে অংশগ্ৰহণ কৰে। ইফালে, কংগ্ৰেছৰ তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই এজন মন্ত্ৰীৰ পত্নীয়ে ফটোশ্বুটৰ নামত দেৱীৰ কটা মূৰ লৈ বিকৃতভাৱে সামাজিক মাধ্যমত ফটো দিয়া কাৰ্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এনে ধৰণৰ কাৰ্যই সেইকলৰ মানসিকতাক প্ৰকট কৰিলে বুলিও তেওঁ কয়।

# হৰিনাম ধ্বনিৰে মুখৰিত তেজপুৰ

## ■ গুৰুজনাৰ ৫৭৩ সংখ্যক জন্মজয়ন্তী পালন

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৫ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মজয়ন্তী আজি ৰাজ্যৰ লগতে অন্যান্য প্ৰান্তৰ লগতে শোণিতপুৰ তথা তেজপুৰৰ বিভিন্ন অঞ্চলত উদ্‌যাপন কৰা হয়। উল্লেখ্য যে তেজপুৰৰ ঐতিহাসিক দ পৰ্বতীয়াৰ মাধৱ মন্দিৰ বহুমুখী প্ৰকল্পত লেঙা চুবুৰিবাসী ৰাইজৰ প্ৰত্যক্ষ সহযোগত দ-পৰ্বতীয়া আঞ্চলিক ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভাই মহাপুৰুষজনাৰ জন্ম মহোৎসৱ উদ্‌যাপন কৰে। কাৰ্যসূচী অনুসৰি পুৱা প্ৰভাতফেৰীৰ পাছতে ন বজাত ধৰ্মধ্বজা উত্তোলন কৰে শ্ৰীশ্ৰী বৰালিমৰা সত্ৰৰ ডেকা সত্ৰাধিকাৰ তথা শোণিতপুৰ জিলা সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক শোভন মহন্তই। দ-পৰ্বতীয়া আঞ্চলিক ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভাৰ প্ৰধান সম্পাদক পোনা বৰাই আঁত ধৰা অনুষ্ঠানত সভাপতি হৰিনাৰায়ণ দাসে আদৰণি ভাষণ প্ৰসংগত জন্মজয়ন্তী তাৎপৰ্য ব্যাখ্যা কৰে। পুৱা ১১ বজাত আৰম্ভ হোৱা নাম-প্ৰসংগত নামাচাৰ্য হিচাপে অংশগ্ৰহণ কৰে সত্ৰীয়া বাদ্য বিশাৰদ তথা বৰ বায়ন দিলীপ বৰাই। সন্ধিয়াৰ কাৰ্যসূচী অনুসৰি নামঘৰ প্ৰাংগণত বন্তি প্ৰজ্বলন আৰু ভাগৱত পাঠ কৰা হয়। উল্লেখ্য যে নাম-প্ৰসংগৰে বৈকুণ্ঠপুৰীত পৰিণত মাধৱ মন্দিৰত গুৰুজনাৰ জন্মজয়ন্তী জন্মাষ্টমীৰ দৰে পালন কৰা হয়। গুৰু চৰিত পুথি পাঠৰ লগতে ইয়াত গুৰুজনাৰ দৰ্শন তথা আদৰ্শ আৰু কৰ্ম সম্পৰ্কেও আলোচনা কৰা হয়। আনহাতে, জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী



আজি পিঠাখোৱা শংকৰ মন্দিৰতো অনুষ্ঠিত হয়। এই জন্মজয়ন্তী অনুষ্ঠানত পুৱা পতাকা উত্তোলনৰ পাছতে ভক্ত বৈষ্ণৱসকলে নাম-প্ৰসংগ আৰম্ভ কৰে। উল্লেখ্য যে এই কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক অশোক সিংঘালেও অংশ লয়। ইপিনে, তেজপুৰৰ এক ঐতিহাসিক ক্ষেত্ৰ গড়দৌলৰ চৌহদো হৰিনামৰ ধ্বনিৰে মুখৰিত হয়। গুপ্তযুগৰে ধ্বংসাৱশেষ থকা এই প্ৰত্নতাত্ত্বিক সমল ক্ষেত্ৰ চৌহদত থকা গড়দৌল গজেন্দ্ৰ নামঘৰত গুৰুজনাৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। স্থানীয় তৰাজান কুমাৰগাঁৱৰ ৰাইজে নাম-প্ৰসংগৰে ইয়াত গুৰুজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰে। তদুপৰি বালিপুখুৰী তিনিআলি নামঘৰতো আজি পুৱাৰে পৰাই গুৰুজনাৰ জন্মজয়ন্তী বিশেষভাৱে পালন কৰা হয়। উল্লেখ্য যে পুৱা ১০ বজাত ইয়াত ৰাইজে নাম-প্ৰসংগ কৰাৰ লগতে পুৰুষ-মহিলা তথা শিশুসকলৰ মাজত মহাপুৰুষজনাৰ বিষয়ে এক আলোচনা অনুষ্ঠান হয়। তেজপুৰৰ ঘৰপৰা চুবুৰি নামঘৰতো গুৰুজনাৰ জন্মজয়ন্তী পালন কৰা হয়। আনহাতে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কুণ্ডাৰবাৰী প্ৰাথমিকৰ উদ্যোগতো দিনজোৰা কাৰ্যসূচীৰে গুৰুজনাৰ জন্মজয়ন্তী পালন কৰা হয়। আজি পুৱা পাঁচ বজাত পৰিৱেশ নিকাকৰণৰ পাছতে প্ৰাতঃ প্ৰসংগ কৰা হয়। পুৱা আঠ বজাত প্ৰাথমিকৰ সম্পাদক তৰুণ শইকীয়াৰ লগতে পুৰুষ-মহিলা, যুৱক-যুৱতীসকলৰ উপস্থিতিত সভাপতি নয়নমণি শইকীয়াই ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছত যুৱকসকলে গুৰুঘাত পৰিৱেশন কৰে। ইয়াৰ পাছতে নাম-প্ৰসংগ কৰা হয়। পুৱা ন বজাত মহাভাগৱত যাত্ৰা কৰা হয়। পুনৰ নাম-প্ৰসংগ, শিশুসকলৰ দ্বাৰা বৰগীত, বন্তি প্ৰজ্বলন, দশম পাঠ, দিহানাম আদি কাৰ্যসূচীৰে জগতগুৰুজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হয়। ইপিনে সদৌ বেছেৰীয়া বৈষ্ণৱ সমাজৰ উদ্যোগতো বেছেৰীয়াত মহাপুৰুষজনাৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। ইয়াত নাম-প্ৰসংগৰ লগতে আয়োজিত ধৰ্মালোচনী সভাত দৰং মহাবিদ্যালয়ৰ অধ্যাপক হেমন্তজ্যোতি নাথে অংশ লয়। একেদৰে, তেজপুৰ চাৰিআলি শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ উদ্‌যাপন সমিতিয়েও গুৰুজনাৰ জন্মোৎসৱ উদ্‌যাপন কৰে। নাম-প্ৰসংগৰ লগতে অনুষ্ঠানটোৰ প্ৰতিষ্ঠাপক প্ৰয়াত ব্যক্তিসকলৰ প্ৰতিও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

আনহাতে, বালিপাৰাতো জন্মজয়ন্তী আজি পালন কৰা হয়। বালিপৰাৰ এৰাগাঁওস্থিত শ্ৰীশ্ৰী কমলাবাৰী শাখা সত্ৰৰ উদ্যোগত আৰু এৰাগাঁওবাসী ৰাইজৰ সহযোগত আজি জন্মজয়ন্তী উপলক্ষে এক ভাগৱত ভ্ৰমণ কাৰ্যসূচী অনুষ্ঠিত কৰে। গাঁওখনৰ সমূহ ভক্তপ্ৰাণ ৰাইজ সমবেত হৈ উলিওৱা ভাগৱত ভ্ৰমণত ভাগৱত লৈ গাঁওখন প্ৰদক্ষিণ কৰা হয়। গাঁওখনৰ প্ৰতিগৰাকী গৃহস্থই নিজ নিজ পদূলিত শৰাই, ধূপ-ধূনা-চাকি আগবঢ়াই পৰিয়ালৰ সকলোৰে মংগল কামনাৰ্থে ভাগৱতৰ সন্মুখত সভক্তিৰে সেৱা জনায়। ভাগৱত ভ্ৰমণৰ সময়ছোৱাত গায়ন-বায়নৰ হৰিনাম, খোল-বাদ্যৰ শব্দত এক সুকীয়া আধ্যাত্মিক পৰিৱেশনৰ সূচনা হয়।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com